UG S1- 06
(IDC)

চাৰি বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্রম

(চি.বি.চি.এচ., এন. ই. পি. ২০২০ অনুসৰি)

প্রথম ষাণ্মাসিক

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰাতুল মহন্ত, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰাজশ্রী বেদমাত্তা, মানৱিকী আৰু সমাজ বিজ্ঞান বিভাগ, আইআইটি, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ অধ্যাপক জয়দীপ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	**স্ৱেৰা ইছলাম,** কে.চি. দাস কমার্চ কলেজ **ভাস্কৰ শর্মা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**নিভাৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২	**গৌতম মজুমদাৰ,** কটন বিশ্ববিদ্যালয়	**গিৰিন্দ্র শইকীয়া,** গুৱাহাটী
৩	**আজিমুল হক,** অৰুনাচল ইউনিভাৰচিটি অফ ষ্টাদিচ	**আজিমুল হক,** অৰুণাচল ইউনিভাৰচিটি অৰ ষ্টাডিচ
৪	**শুভাশীষ গগৈ,** ডিগবৈ কলেজ	**গীতাঞ্জলি মেধি,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৫	**প্রদীপ অধ্যাপক,** কটন বিশ্ববিদ্যালয়	**পংকজ কুমাৰ নাথ,** গুৱাহাটী
৬	**স্ৱেৰা ইছলাম,** **শুভাশীষ গগৈ**	**শুভাশীষ গগৈ,** ডিগবৈ কলেজ
৭	**মনিষা ভট্টাচার্য্য,** গোৱালপাৰা মহাবিদ্যালয়	**মনিষা ভট্টাচার্য্য,** গোৱালপাৰা মহাবিদ্যালয়
৮	**ভাস্কৰ শর্মা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**গিৰিন্দ্র শইকীয়া,** গুৱাহাটী
৯	**ভাস্কৰ শর্মা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**গোলাপ চহৰীয়া,** চিপাঝাৰ
১০	**মনিষা ভট্টাচার্য্য,** গোৱালপাৰা মহাবিদ্যালয়	**মনিষা ভট্টাচার্য্য,** গোৱালপাৰা মহাবিদ্যালয়
১১	**প্রিয়ংকা কাকতি,** ৱিচার্চ স্কোলাৰ, গুৱাহাটী ইউনিভাৰচিটি	**আজিমুল হ'ক,** অৰুণাচল ইউনিভাৰচিটি অৰ ষ্টাডিচ

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ চন্দ্রমা গোস্বামী, কে. আৰ. বি. গার্লছ কলেজ
ভাষা সম্পাদনা ঃ (মূল ইংৰাজী) ঃ চন্দ্রমা গোস্বামী, কে. আৰ. বি. গার্লছ কলেজ
(অসমীয়া) ঃ ড° মৃন্ময়ী ভট্টাচার্য্য, সহযোগী অধ্যাপক, পশ্চিম গুৱাহাটী মহাবিদ্যালয়

জুলাই, ২০২৩

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো,বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১০১৭,
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অঞ্চল হিচাপে উত্তৰ-পূর্বাঞ্চল** ৭-১৯

অঞ্চল হিচাপে ভাৰতৰ উত্তৰ পূবঃ এটা ধাৰণা; উত্তৰ পূর্বাঞ্চলৰ আঞ্চলিক অর্থনীতিৰ প্রধান বৈশিষ্ট্যসমূহ

অধ্যায় ২ ঃ **উত্তৰ পূর্বাঞ্চলৰ প্রাকৃতিক আৰু মানৱ সম্পদ** ২০-৩৮

উত্তৰ-পূর্বাঞ্চলৰ প্রাকৃতিক সম্পদ আৰু তাৰ ব্যৱহাৰ, প্রাকৃতিক সম্পদৰাজিৰ ব্যৱহাৰৰ সম্ভাৱনা আৰু প্রত্যাহ্বান, উত্তৰ পূৱৰ মানৱ সম্পদ, মানৱ সম্পদ বিকাশৰ নির্বাচিত সূচকত উত্তৰ পূর্বাঞ্চলৰ স্থান

অধ্যায় ৩ ঃ **উত্তৰ পূৱ ভাৰতৰ অর্থনৈতিক প্রধান সমস্যাৱলী** ৩৯-৫১

উত্তৰ পূৱ ভাৰতৰ উমৈহতীয়া বৈশিষ্ট্য, উত্তৰ-পূৱ ভাৰতৰ মূল অর্থনৈতিক সমস্যাসমূহ- দৰিদ্রতা, নিবনুৱা, মূলধন গঠন; উত্তৰ পূৱ ভাৰতৰ আনকেতবোৰ আর্থ সামাজিক সমস্যা

অধ্যায় ৪ ঃ **উত্তৰ-পূৱ ভাৰতৰ ঘৰুৱা উৎপাদন** ৫২-৬৯

উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা আৰু গাঁথনি, স্বৰাজোত্তৰ কালত অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ জনমূৰি আয়, উত্তৰ পূব অঞ্চলত ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱাৰ কাৰণ, চুবুৰীয়া ৰাষ্ট্রবোৰৰ সৈতে উত্তৰ পূব অঞ্চলৰ সীমান্ত বাণিজ্যৰ সম্ভাৱনা, ‘পূবলৈ চোৱা’ নীতি

অধ্যায় ৫ ঃ **উত্তৰ পূৱ ভাৰতৰ কৃষি** ৭০-৮৬

উত্তৰ-পূব ভাৰতত কৃষিৰ গুৰুত্ব, ভূমি ব্যৱহাৰৰ ধৰণ আৰু শস্য উৎপাদনৰ ধাৰা, কৃষি উৎপাদন আৰু উৎপাদনশীলতা, উত্তৰ-পূব ভাৰতত কৃষিৰ আধুনিকীকৰণ

অধ্যায় ৬ ঃ **উত্তৰ পূৱ পৰিষদ** ৮৭-১০১

উত্তৰ-পূব পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য, উত্তৰ-পূব পৰিষদৰ সংগঠন, উত্তৰ পূব পৰিষদৰ ভূমিকা আৰু কার্যাৱলী উত্তৰ পূব পৰিষদৰ কার্যাৱলীৰ ওপৰত এক সমালোচনাত্মক আলোকপাত

অধ্যায় ৭ ঃ **ঝুম খেতি** ১০২-১১০

ঝুম খেতিৰ ধাৰণা, ঝুম খেতিৰ প্রভাৱসমূহ, ঝুম খেতিৰ বর্ত্তমান অৱস্থাৰ পৰিবর্তনৰ কৌশল, পাহাৰুৱা অঞ্চলৰ খেতিৰ অসুবিধাসমূহ

অধ্যায় ৮ ঃ **উত্তৰ-পূর্বাঞ্চলত আন্তঃগাঁথনি** ১১১-১২৬

উত্তৰ-পূর্বাঞ্চলৰ বাস্তৱিক আন্তঃগাঁথনি- বিদ্যুৎ, পৰিবহণ, যোগাযোগ, অঞ্চলটোৰ বিত্তীয় আন্তঃগাঁথনি, অঞ্চলটোৰ সামাজিক আন্তঃগাঁথনি- স্বাস্থ্য, শিক্ষা

অধ্যায় ৯ ঃ **উত্তৰ-পূৰ্বাঞ্চলত ঔদ্যোগীকৰণ** **১২৭-১৪৪**

উত্তৰ পূৰ্বাঞ্চলত সংগঠিত আৰু অসংগঠিত উদ্যোগৰ ভূমিকা, অঞ্চলটিত ঔদ্যোগিক বিকাশৰ পৰিসৰ, অঞ্চলটিত ক্ষুদ্ৰ ঔদ্যোগৰ বিকাশ, অঞ্চলটিৰ ঔদ্যোগিক বিকাশ- অঞ্চলটিৰ ঔদ্যোগিক বিকাশৰ প্ৰাথমিক সমস্যাসমূহ, অঞ্চলটিৰ সম্ভৱনাপূৰ্ণ কেন্দ্ৰ, উত্তৰ পূব ঔদ্যোগিক আৰু বিনিয়োগ নীতি

অধ্যায় ১০ ঃ **সীমান্তৰ্তী বাণিজ্য আৰু পূৱলৈ চোৱা নীতি** **১৪৫-১৫৪**

চুবুৰীয়া ৰাজ্যৰ লগত সীমান্তৰ্তী বাণিজ্যৰ সম্ভাৱনীয়তা, লুক ইষ্ট পলিচি (পূৱলৈ চোৱা নীতি), এক্ট ইষ্ট পলিচি (পূবক কাৰ্যকৰীকৰণ কৰা নীতি), লুক ইষ্ট আৰু এক্ট ইষ্ট পলিচিৰ মাজত পাৰ্থক্য

অধ্যায় ১১ ঃ **উত্তৰ পূৰ্ৱাঞ্চলত বেংকিং আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণ** **১৫৫-১৬৮**

উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ পাৰদৰ্শিতা, সম্ভাৱনা আৰু প্ৰত্যাহ্বান; উত্তৰ পূৰ্ৱাঞ্চলত আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ পাৰদৰ্শিতা, সমস্যা আৰু সম্ভাৱনীয়তাসমূহ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টোত ভাৰতৰ উত্তৰ-পূৱ অঞ্চল (NER)ৰ অৰ্থনীতিৰ বিভিন্ন দিশৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিকিম আৰু ত্ৰিপুৰা- এই আঠখন ৰাজ্যেৰে ভাৰতৰ উত্তৰ-পূৱ অঞ্চলটো গঠিত। অঞ্চলটোক চাৰিওদিশেৰে তিব্বত, ভূটান, নেপাল, বাংলাদেশ আৰু ম্যানমাৰে আৱৰি আছে। কেৱল মাত্ৰ এছোৱা সংকীৰ্ণ স্থলপথে ইয়াক ভাৰতৰ আন অংশৰ সৈতে লগ লগাই ৰাখিছে। ৬৫ শতাংশতকৈও অধিক ভূখণ্ড অৰণ্যই আগুৰি থকা এই অঞ্চলটো হ'ল বিশ্বৰ সৰ্বাধিক জৈৱ-বৈচিত্ৰ্যেৰে ভৰা অঞ্চলবোৰৰ এটা। উত্তৰ-পূৱ ভাৰত তেল আৰু গেছৰ দৰে প্ৰাকৃতিক সম্পদ, উদ্যান কৃষিভিত্তিক সম্পদ, খনিজ পদাৰ্থৰ আকৰ, জলবিদ্যুৎ উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা আৰু বনজ সম্পদেৰে সমৃদ্ধ অঞ্চল। কিন্তু ইমানবোৰ সম্পদেৰে চহকী হোৱা সত্বেও অঞ্চলটো ভাৰতৰ বহুকেইখন ৰাজ্যতকৈ পিচপৰা। পৰিহাৰসৰ কথা এয়েই যে ভাৰতৰ আন কোনো ৰাজ্যই প্ৰাকৃতিক সম্পদৰ সহজলভ্যতাৰ দিশেৰে উত্তৰ-পূৱ ভাৰতক চেৰ পেলাব নোৱাৰে। ভৌগলিক অৱস্থাৰ দিশেৰেও অঞ্চলটোক দক্ষিণ-পূৱ এচিয়াৰ উপৰি বাংলাদেশ তথা চীনৰ সৈতে অৰ্থনৈতিক সম্পৰ্ক বৃদ্ধি কৰাৰ আধাৰ স্থলৰূপে বিকাশ কৰিব পৰা যায়। ভাৰত চৰকাৰে 'পূৱ দিশৰ হকে কাম কৰা নীতি' (Act East Policy) ৰ জৰিয়তে অঞ্চলটোৰ সৈতে থকা অৰ্থনৈতিক তথা ৰাজনৈতিক ব্যৱধান আঁতৰোৱাৰ প্ৰচেষ্টা চলাই আছে। এই নতুন নীতিটোয়ে পূৰ্বৰ 'পূৱলৈ চোৱা নীতি' (Look East Policy) ৰ স্থান লৈছে। 'উত্তৰ-পূৰ্বাঞ্চল ভৱিষ্যৎ পৰিকল্পনা ২০২০ নথি' (The NER Vision 2020 Document) ত অংশগ্ৰহণভিত্তিক পৰিকল্পনা নীতিটো অন্তৰ্ভুক্ত কৰা হৈছে। অঞ্চলটোৰ বাসিন্দাই প্ৰয়োজনীয় বুলি ভবা অভাৱবোৰ যথাসম্ভৱ স্পষ্টকৈ চিনাক্ত কৰি উলিয়াবলৈ এই নথিৰ জৰিয়তে অঞ্চটোত থকা প্ৰত্যাহ্বানসমূহ আৰু বাসিন্দাসকলৰ উন্নয়নমূলক প্ৰত্যাশাবোৰ অধ্যয়ন কৰি থকা হৈছে। ৰূপায়ণৰ কথা কোৱা হৈছে। এই পাঠ্যবিষয়টোত মুঠ ১১টা অধ্যায় আছে।

অধ্যায়-১ ত উত্তৰ-পূৰ্বঞ্চলৰ আঠখন ৰাজ্যৰ চমু পৰিচয় দাঙি ধৰা হৈছে। এই অধ্যায়টিত উত্তৰ-পূৱ ভাৰতৰ অৰ্থনীতিৰ মৌলিক বৈশিষ্ট্যবোৰো আলোচনা কৰা হৈছে। অধ্যায় ২ ত আলোচিত বিষয়টো হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ প্ৰাকৃতিক তথা মানৱ সম্পদ। ২০১১ চনৰ লোকপিয়লৰ আধাৰত উত্তৰ পূৰ্বাঞ্চলৰ জনসংখ্যাৰ বিভিন্ন দিশৰ আলোচনাকো এই অধ্যায়টিত সামৰি লোৱা হৈছে। অধ্যায় ৩ ৰ আলোচনাৰ বিষয় হ'ল দৰিদ্ৰতা, নিবনুৱা সমস্যা, নিম্ন মূলধন সৃষ্টি আদিৰ দৰে উত্তৰ-পূৰ্বাঞ্চলত থকা বিভিন্ন অৰ্থনৈতিক সমস্যা। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ৰাজ্যিক ঘৰুৱা উৎপাদন হ'ল অধ্যায় ৪ ৰ বিস্তৃত আলোচনাৰ মূল বিষয়। অধ্যায়টিত প্ৰতিখন ৰাজ্যৰে জনমূৰি আয় আৰু ৰাজ্যিক আয় বৃদ্ধিত প্ৰতিটো খণ্ডৰে অৰিহণাৰ বিষয়েও আলোচনা কৰা হৈছে। অধ্যায় ৫ ৰ আলোচনাৰ বিষয়বস্তু হ'ল উত্তৰ পূৰ্বাঞ্চলৰ কৃষি খণ্ডৰ সৈতে জড়িত বিভিন্ন দিশ। অধ্যায়টিত খেতি কৰাৰ আৰ্হি কৃষিভিত্তিক উৎপাদন আৰু উৎপাদনশীলতাৰ দৰে বিষয়বোৰ বহলাই ব্যাখ্যা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত উত্তৰ-পূৱ পৰিষদৰ গুৰুত্বৰ বিষয়ে অধ্যায় ৬ ত বহলাই অধ্যয়ন কৰা হৈছে। অধ্যায় ৭ ত আলোচিত বিষয়টো হ'ল উত্তৰ-পূৰ্বাঞ্চলত স্থান সলাই কৰা খেতিৰ বিভিন্ন দিশ। ইয়াত উত্তৰ-পূৰ্বাঞ্চলত কিয় স্থান সলাই কৰা খেতিৰ প্ৰচলন আছে, এনে কৃষি পদ্ধতিৰ প্ৰভাৱবোৰ কি কি, এই পদ্ধতিৰ কিবা বিকল্প আছে নেকি ইত্যাদি কথা আলোচনা কৰা হৈছে। অধ্যায় ৮ ত উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনিমূলক উন্নয়নৰ শেহতীয়া স্থিতি সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা হৈছে। অধ্যায়টিত আলোচিত আন দুটা প্ৰধান বিষয় হ'ল অঞ্চলটোত উপলব্ধ বিভিন্ন আন্তঃগাঁথনিমূলক সা-সুবিধা আৰু আন্তঃগাঁথনিৰ বিকাশত থকা প্ৰতিবন্ধকবোৰ। অধ্যায় ৯ ত উত্তৰ-পূৱ ভাৰতৰ ঔদ্যোগিকীকৰণ সম্পৰ্কে আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত সংগঠিত আৰু অ-সংগঠিত উভয় খণ্ডৰে ভূমিকা কি তাৰ আলোচনাকো অধ্যায়টিত স্থান দিয়া হৈছে. অধ্যায় ১০ ৰ আলোচনাৰ

বিষয় হ'ল সীমান্ত বাণিজ্যৰ ক্ষেত্রখনত উত্তৰ-পূর্বাঞ্চলে প্রদর্শন কৰা সম্ভাৱনা। ভাৰতৰ উত্তৰ-পূৱ অংশটোৰ কৌশলপূর্ণ ভৌগলিক অৱস্থিতিৰ বাবে ব্যৱসায়-বাণিজ্যৰ যোগেদি ই নানা ধৰণে উপকৃত হ'ব পাৰে। ভাৰত চৰকাৰৰ 'পূৱলৈ চোৱা নীত' আৰু 'পূৱ দিশৰ হকে কাম কৰা নীতি' দুটাৰ বিষয়েও অধ্যায়টিত বহলাই আলোচনা কৰা হৈছে। অধ্যায় ১১ৰ আলোচনাৰ প্রধান বিষয় হ'ল উত্তৰ-পূর্বাঞ্চলৰ বেংকিং আৰু বিত্তীয় অন্তর্ভুক্তিকৰণৰ প্রস্থিতি। অঞ্চলটোত বেংকিং সেৱাৰ প্রস্থিতি আৰু আঞ্চলিক গ্রামীণ বেংকবোৰৰ ভূমিকাও অধ্যায়টোত বহলাই ব্যাখ্যা কৰা হৈছে।

অধ্যায় ১ ঃ অঞ্চল হিচাপে উত্তৰ-পূৰ্বাঞ্চল

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ অঞ্চল হিচাপে ভাৰতৰ উত্তৰ-পূব ঃ এটা ধাৰণা

১.৪ উত্তৰ-পূৰ্বাঞ্চল আঞ্চলিক অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্ৰগতিৰ খতিয়ান

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক এটা বিশেষ অঞ্চল হিচাপে চিনাক্ত কৰিব পাৰিব, আৰু
- ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিৰ প্ৰধান আৰ্থ-সামাজিক বৈশিষ্ট্যসমূহৰ বিষয়ে এটা ধাৰণা লাভ কৰিব পাৰিব

১.২ পৰিচয়

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল অন্যান্য অঞ্চলৰ তুলনাত অনগ্ৰসৰ। যদিওবা পৰম্পৰাগতভাৱে ইয়াৰ সাতোখন ৰাজ্যক একেলগে 'সাতভনী' আখ্যা দিয়া হয়, তথাপি সাতোখনৰ মাজত বিশেষ পাৰ্থক্য পৰিলক্ষিত হয়। এই অধ্যায়টি পাঠ্যক্ৰমটোৰ ত্ৰয়োদশ তথা অন্তিম পাঠ্য বিষয়ৰ অন্তৰ্গত প্ৰথম অধ্যায়। এই অধ্যায়টিয়ে আপোনাক অঞ্চল হিচাপে ভাৰতৰ এই বিশেষ প্ৰদেশকেইখনক জনাত সহায় কৰিব। ইয়াৰ বাহিৰেও এই অধ্যায়টি অধ্যয়নৰ মাজেদি আপুনি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব। ইয়াত উত্তৰ-পূব পৰিষদৰ বিষয়ে আলোচনা কৰা হৈছে আৰু লগতে এই অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশত উত্তৰ-পূব পৰিষদৰ ভূমিকা সম্পৰ্কত আলোচনা কৰা হৈছে।

১.৩ অঞ্চল হিচাপে ভাৰতৰ উত্তৰ-পূব ঃ এটা ধাৰণা

১৯৪৭ চনত ভাৰতৰ স্বাধীনতা লাভ আৰু প্ৰায় একে সময়তেহোৱা দেশ বিভাজনে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক এক ভূমি পৰিবেষ্টিত অঞ্চল হিচাপে পৰিগণিত কৰিলে।লগতেঅন্যান্য প্ৰান্তৰ সৈতে সংযোগহীনতাই এক বিচ্ছিন্নতাবোধৰ সৃষ্টি কৰিলে। তুলনামূলকভাৱে, ভোটাৰৰ পৰিমাণ কম হোৱাৰ বাবে উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ বাবে লোকসভাত সৰ্বমুঠ ৫৪৩খন আসনৰ ভিতৰত কেৱল ২৫খন আসনহে আছে। এয়া সৰ্বমুঠ আসনৰ ভিতৰত মাত্ৰ ৪.৬%হে।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিশেষ শ্ৰেণীৰ ৰাজ্যৰ শাৰীত পেলোৱা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ খৰতকীয়া বিকাশ আৰু পৰিকল্পনাৰ বিভিন্ন কাৰ্যসূচীসমূহ কাৰ্যকৰী কৰিবলৈ ১৯৭১ চনত উত্তৰ-পূব পৰিষদ (NEC)খন গঠন কৰা হৈছিল। এই অঞ্চলটোৰ সাতোখন ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা এইটো এটা গুৰুত্বপূৰ্ণ সংস্থা। পৰৱৰ্তী সময়ছোৱাত ১৯৮২চনত চিক্কিমক অষ্টমখন ৰাজ্য হিচাপে ইয়াৰ অন্তৰ্ভুক্ত কৰা উত্তৰ-পূব পৰিষদৰ গঠনৰ দৰে ৯ আগষ্ট, ১৯৯৫ চনত উত্তৰ-পূব বিকাশ বিত্ত নিগম (NEDFI) আৰু ছেপ্টেম্বৰ ২০০১ত উত্তৰ-পূব অঞ্চলৰ বিকাশ মন্ত্ৰণালয় (DONER) প্ৰতিষ্ঠিত হয় ।

ভাৰতৰ উত্তৰ-পূব অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিক্কিম আৰু ত্ৰিপুৰাৰ দ্বাৰা গঠিত। অঞ্চলটোৰ আঠোখন প্ৰদেশে পাহাৰ আৰু ভৈয়ামৰ প্ৰাকৃতিক পৰিৱেশ আৰু সংস্কৃতিৰ ক্ষেত্ৰত বহুখিনি পাৰ্থক্য প্ৰতিফলিত কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতিক প্ৰভাৱিত কৰা এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল যে এই অঞ্চলটোৰ বিভিন্ন অংশৰ 'ভৌগলিক স্থিতি ভিন্ন ভিন্ন' আৰু এই সমগ্ৰ অঞ্চলটো ভাৰতৰ অন্যান্য অংশৰ পৰা সম্পূৰ্ণ পৃথক। ইয়াৰ বিশিষ্ট আবয়িক (physical), অৰ্থনৈতিক আৰু আৰ্থ-সামাজিক বৈশিষ্ট্যসমূহৰ বাবে উত্তৰ-পূব ভাৰতৰ অৰ্থনীতিয়ে এটা নিৰ্দিষ্ট পৰিচয় লাভ কৰিছে । এই অঞ্চলটোৰ পৰিসৰ ২.৬২ লাখ বৰ্গ কি.মি., দেশৰ সৰ্বমুঠ ভৌগলিক অঞ্চলৰ ভিতৰত এই অনুপাত ৭.৯%। ইয়াৰ সৰ্বমুঠ জনসংখ্যা ৪৫ নিযুত (২০১১)। এই অনুপাত ভাৰতৰ সৰ্বমুঠ জনসংখ্যাৰ ৩.৮%হে।



জানি থোৱা ভাল

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্য, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰা-খণ্ডক বিশেষ শ্ৰেণীৰ ৰাজ্য অন্তৰ্ভুক্ত কৰা হয়। এই বিশেষ শ্ৰেণী ৰাজ্যসমূহৰ কিছুমান উমৈহতীয়া বিশেষ লক্ষণ আছে। এই ৰাজ্যসমূহ আন্তৰ্জাতিক সীমাৰে আগুৰা পাহাৰীয়া অঞ্চলৰ প্ৰাধান্য আৰু আৰ্থ-সামাজিক উন্নয়নৰ সূচকসমূহো বিশেষ মন কৰিবলগীয়া। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এই ৰাজ্যসমূহ বিশেষ ধৰণৰ অসুবিধা-মূলক ভৌগোলিক অৱস্থিতিৰ সন্মুখীন হয়। চৰকাৰী ব্যয়ে এই ৰাজ্যসমূহ ঘৰুৱা উৎপাদন নিৰ্ধাৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আকৌ, এই ৰাজ্যসমূহত উন্নয়নৰ প্ৰক্ৰিয়া খুব পলমকৈহে আৰম্ভ হোৱা

বুলি ক'ব পাৰি। এনেবোৰ কাৰণতে এই ৰাজ্যসমূহলৈ কেন্দ্ৰীয় আৰ্থিক সাহায্যসমূহৰ ৯০ শতাংশই অনুদান আৰু বাকী ১০ শতাংশহে ঋণ হিচাপে লাভ কৰে। দেশখনৰ অন্যান্য ৰাজ্যসমূহে অৱশ্যে কেন্দ্ৰীয় আৰ্থিক সাহায্যৰ মাত্ৰ ৩০ শতাংশইহে অনুদান হিচাপে লাভ কৰে, বাকী ৭০ শতাংশই হৈছে ঋণ।

অঞ্চলটোৰ ৭০% অংশই পাহাৰীয়া আৰু প্ৰত্যেক ৰাজ্যৰ ভিতৰত ভৌগলিক আকাৰো ভিন্নধৰ্মী। অৰুণাচল প্ৰদেশ, মিজোৰাম, নাগালেণ্ড, মেঘালয় আৰু চিক্কিমৰ সৱহভাগ অঞ্চল পৰ্বত-পাহাৰে আগুৰা। ত্ৰিপু�ৰাৰ অৰ্ধাংশ, অসমৰ এক-পঞ্চমাংশ আৰু মণিপুৰৰ ন দশমাংশ এলেকাপৰ্বত-পাহাৰেৰে আগুৰা। অঞ্চলটোৰ ভৈয়ামসমূহ বিভিন্ন ভূমি গোট (land masses)ৰ দ্বাৰা গঠিত; যেনে— অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা, সেইদৰে ত্ৰিপু�ৰাৰ দক্ষিণাঞ্চলৰ ভৈয়াম অংশ। মণিপুৰৰ উপত্যকা অঞ্চলটোৰ পৰিধি কম। ই ৰাজ্যখনৰ সৰ্বমুঠ মাটিকালিৰ মাত্ৰ ১০%হে।

আহকচোন, এতিয়া আমি ২০১১ৰ লোক পিয়লৰে আধাৰত অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ লগত জড়িত মূল আৰ্থ-সামাজিক নিৰ্দেশসমূহৰ ওপৰত চকু ফুৰাও ঃ

ইপিঠিত দিয়া তালিকা ১.১ত এইটো দেখা পোৱা গৈছে যে ভৌগলিক এলেকাৰ ক্ষেত্ৰত অঞ্চল-টোৰ ভিতৰত অৰুণাচল প্ৰদেশেই সৰ্ববৃহৎ ৰাজ্য (৮৪ হাজাৰ বৰ্গ কি.মি.)। অৱশ্যে জনসংখ্যাৰ ফালৰ পৰা বিচাৰ কৰিলে অসম (৩১১.৬৯ লাখ) সৰ্ববৃহৎ ৰাজ্য। জনসংখ্যাৰ ঘনত্ব অসমত সৰ্বাধিক (৩৯৭), দ্বিতীয় স্থানত আছে ত্ৰিপুৰা (৩৫০)। নগৰাঞ্চলত বাস কৰা জনসংখ্যাৰ অধিক্য মণিপুৰত সৰ্বাধিক (২৩.৮৮%)। উত্তৰ-পূৰত মুঠ জনসংখ্যাৰ এক-তৃতীয়াংশ জনজাতীয় গোষ্ঠীভুক্ত। ইয়াৰ চাৰিখন ৰাজ্য ক্ৰমে মিজোৰাম, মেঘালয়, নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশ জনজাতীয় লোক প্ৰধান ৰাজ্য। মিজোৰামৰ জনজাতীয় লোক সংখ্যা মুঠ জনসংখ্যাৰ ৯৫%। আঠোখন ৰাজ্যৰ ভিতৰত মণিপুৰত সৰ্বোত্তম যৌন অনুপাত (sex ratio) পোৱা যায় (৯৫৭)। ৰাষ্ট্ৰীয় অনুপাত (৯৪০) ৰ তুলনাত উন্নত যৌন অনুপাত থকা ৰাজ্যকেইখন হৈছে ক্ৰমে মেঘালয় (৯৮৬), ত্ৰিপুৰা (৯৬১) আৰু মিজোৰাম (৯৭৫) আৰু অসম (৯৫৪)। আকৌ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত নাগালেণ্ডত কৃষিখণ্ডত নিয়োজিত শ্ৰমিকৰ সংখ্যা সৰ্বমুঠ শ্ৰমিকৰ তুলনাত অধিক (৬৮.০৩%)। এইক্ষেত্ৰত মেঘালয়ৰ স্থান দ্বিতীয় (৬৫.৮৯%) আৰু অৰুণাচল প্ৰদেশৰ স্থান তৃতীয় (৬২.৩৩%)। আকৌ সাক্ষৰতা হাৰৰ ক্ষেত্ৰত মিজোৰামৰ সাক্ষৰতাৰ হাৰ সৰ্বাধিক (দেশৰ ভিতৰত দ্বিতীয়), ইয়াৰ পিছতে ত্ৰিপুৰাই স্থান লাভ কৰিছে।

প্ৰাকৃতিক সম্পদৰ বিতৰণ, ঔদ্যোগিকৰণৰ স্তৰ আৰু আন্তঃগাঁথনিক ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মাজত ভিন্নতা পৰিলক্ষিত হয়। অসমত চাহপাত, পেট্ৰ'লিয়াম (খাৰুৱা তেল), প্ৰাকৃতিক গেছ, খনি ইত্যাদিক কেন্দ্ৰ কৰি উদ্যোগ খণ্ড গঢ় লৈ উঠিছে। অঞ্চলটোৰ অন্যান্য অংশত খনি, কাঠ শিল্প আৰু তীখা উদ্যোগৰ উপৰি হস্ততাঁত আৰু হস্তশিল্পক কেন্দ্ৰ কৰি উদ্যোগ গঢ় লৈ উঠিছে। আহকচোন, এতিয়া পিছৰ পৃষ্ঠাত দিয়া তালিকা ১.২ আধাৰত অঞ্চলটোৰ ঔদ্যোগিক আৰু আন্তঃগাঁথনিমূলক নিৰ্দেশক কেইটামানৰ ওপৰত দৃষ্টিপাত কৰোঁ।

তালিকা ১.১ ঃ নিৰ্বাচিত আৰ্থ-সামাজিক নিৰ্দেশকসমূহৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যসমূহৰ স্থান (২০১১ৰ লোকপিয়ল তথ্য অনুযায়ী)

ৰাজ্য	ভৌগোলিক এলেকা (হাজাৰ বৰ্গ কি.মি.)	জনসংখ্যা (লাখত)	জন সংখ্যাৰ ঘনত্ব	নগৰীয়া জনসংখ্যা (মুঠ জনসংখ্যাৰ শতাংশ হিচাপে)	অনুসূচিত জাতি-জনজাতি (মুঠ জনসংখ্যাৰ শতাংশ হিচাপে)	যৌন অনুপাত	সাক্ষৰতাৰ হাৰ
অৰুণাচল প্ৰদেশ	৮৪	১৩.৮২	১৭	২০.৪১	৬৮.৭৯	৯২০	৬৬.৯৫
অসম	৭৮	৩১১.৬৯	৩৯৭	১২.৭২	১৯.৬০	৯৫৪	৭৩.১৮
মণিপুৰ	২২	২৭.২১	১২২	২৩.৮৮	৩৮.৯০	৯৮৭	৭৯.৮৫
মেঘালয়	২২	২৯.৬৪	১৩২	১৯.৬৩	৮৬.৭৩	৯৮৬	৭৫.৪৮
মিজোৰাম	২১	১০.৯১	৫২	৪৯.৫	৯৪.৫৪	৯৭৫	৯১.৫৮
নাগালেণ্ড	১৭	১৯.৮০	১১৯	১৭.৭৪	৮৬.৪৮	৯৩১	৮০.১১
চিক্কিম	৭	৬.০৭	৮৬	১১.১	৩৮.৪৩	৮৮৯	৮২.২০
ত্ৰিপুৰা	১০	৩৬.৭১	৩৫০	১৭.০২	৪৯.৫৯	৯৬১	৮৭.৭৫
ভাৰত*	৩২৮৭	১২১০১.৯৩	৩৮২	৩১.১৬	২৪.৪০	৯৪০	৭৪.০৪

*কেন্দ্ৰীয় শাসিত অঞ্চলক লৈ, @ এই তথ্যখিনিত জম্মু-কাশ্মীৰৰ হিচাপ বাদ দিয়া হৈছে।উৎস ঃ ভাৰতৰ লোকপিয়ল, ২০১১

পিছৰ পৃষ্ঠাত দিয়া ১.২নং তালিকাৰ পৰা এইটো দেখা পোৱা গ'ল যে দেশৰ অন্যান্য ৰাজ্য আৰু ৰাষ্ট্ৰীয় গড়ৰ তুলনাত এই অঞ্চলটোৰ মুঠ জনমূৰি ঔদ্যোগিক উৎপাদন নিচেই কম। এই সংখ্যাটো অসমৰ ৩৩১৩ টকাৰ তুলনাত মণিপুৰত মাত্ৰ ৭৪ টকাহে। গতিকে ৰাষ্ট্ৰীয় গড়ৰ তুলনাত অঞ্চলটোৰ ৰাজ্যসমূহে উদ্যোগখণ্ডত জনমূৰি হিচাপত ব্যয় কৰা বিদ্যুতৰ পৰিমাণ কম (১৯৯৯-২০০০)। মিজোৰামত এই পৰিমাণ সৰ্বনিম্ন (১.৫) কিল'ৱাট ঘণ্টা। এখন ৰাজ্যৰ বাট-পথৰ ঘনত্বই আবয়িক অন্তঃগাঁথনিৰ (physical infrastructure) এটা অন্যতম সূচক। অঞ্চলটোৰ কেৱল তিনিখন ৰাজ্যতহে বাট-পথৰ ঘনত্ব ৰাষ্ট্ৰীয় গড়ৰ তুলনাত অধিক। অন্য পাঁচখন ৰাজ্যত এই হাৰ ৰাষ্ট্ৰীয় গড়ৰ তুলনাত নিম্ন। অৱশ্যে বাট-পথৰ প্ৰকৃত ফলপ্ৰসূ সূচকটো হৈছে অঞ্চল এটাৰ মুঠ পকী পথৰ পৰিমাণ। ইয়ে এইটোকে দৰ্শাই যে তেনে বাট-পথ সকলো ঋতুৰ বাবে সুগম। মন কৰিবলগীয়া যে অসম, নগালেণ্ড আৰু ত্ৰিপুৰাত বাট-পথৰ ঘনত্ব ৰাষ্ট্ৰীয় গড়তকৈ অধিক যদিও ইয়াত থকা পকী বাট-পথৰ অনুপাত ৰাষ্ট্ৰীয় গড়তকৈ কম। এইটোৱে ইয়াকে বুজাই যে যদিওবা এই ৰাজ্যকেইখনত বাট-পথৰ ঘনত্বক বিবেচনা কৰা হয়, দৰাচলতে এই ৰাজ্যকেইখনত বাট-পথৰ যোগাযোগ ব্যৱস্থা ভবাৰ দৰে উন্নতৰ নহয়। মেঘালয়ৰ মুঠ বাট-পথৰ তুলনাত পকীপথৰ অনুপাত বহু উন্নত। এই ক্ষেত্ৰত বিবেচনীয় অন্য এটা গুৰুত্বপূৰ্ণ কথা হ'ল পকী বাট-পথসমূহৰ মানদণ্ড (quality)। সাধাৰণতে এইটো কোৱা হয় যে অসমৰ তুলনাত মেঘালয়ৰ পকী বাট-পথসমূহৰ মানদণ্ড উন্নত।

তালিকা ১.২ ঃ নিৰ্বাচিত অৰ্থনৈতিক নিৰ্দেশকৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যৰ স্থান

ৰাজ্য	ঔদ্যোগিক খণ্ডৰ জনমুৰি উৎপাদন (টকাৰ হিচাপত)P ২০০০-০১	ঔদ্যোগিক খণ্ডত জনমুৰি বিদ্যুৎ ব্যয় (কিল'ৱাট ঘণ্টা হিচাপত)@P ১৯৯৯-২০০০	পথৰ ঘনত্ব (প্ৰতি হাজাৰ এলেকা হিচাপত পথৰ দৈৰ্ঘ্য)** ২০০২	মুঠ পথৰ ভিতৰত পকীপথ (শতাংশ) ২০০৪
অৰুণাচল প্ৰদেশ	উপলব্ধ নহয়	৬.০৮	২১৯	৩৮.৫৮
অসম	৩৩১৩	২৬.৫৮	১১৪১	১১.৬২
মণিপুৰ	৭৪	৪.৫	৫১২	৩০.৪৭
মেঘালয়	৪৬৬	৪৯.০২	৪২৬	৬৮.৯৩
মিজোৰাম	উপলব্ধ নহয়	১.৫	২৪১	৫৬.৪৩
নাগালেণ্ড	৪৮৫	১৫.০৪	১২৬৮	৩১.৮২
চিক্কিম	উপলব্ধ নহয়	৩১.২৫	২৮৫	৮০.০৭
ত্ৰিপুৰা	৯৭১	১১.৫১	১৫৫৪	৩৮.০৬
ভাৰত*	৯১১১	১০৭	৭৭৬	৫৭.১৬

P ঃ প্ৰাক্‌কালীন সমীক্ষা, @ স্ব উৎপাদনক লৈ,

** এই তথ্যখিনিয়ে ৰাজ্যিক গড়কাপ্তানি বিভাগ, জিলা পৰিষদ, পৌৰসভা, জলসিঞ্চন বিভাগ আৰু বন বিভাগক অন্তৰ্ভুক্ত কৰিছে, * কেন্দ্ৰীয় শাসিত অঞ্চলক লৈ।

উৎস ঃ www.indiastat.com, Indian States at a Glance, 2008-09



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলত দিয়া উক্তি কেইটা শুদ্ধ নে অশুদ্ধ লিখক

(ক) অৰুণাচল প্ৰদেশ উত্তৰ পূব পৰিষদৰ প্ৰতিস্থাপক সদস্য নাছিল। (শুদ্ধ/অশুদ্ধ)

(খ) উত্তৰ-পূৰ্বাঞ্চলত মণিপুৰতে সৰ্বাধিক ভৈয়াম অঞ্চল আছে। (শুদ্ধ/অশুদ্ধ)

(গ) উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে কেন্দ্ৰীয় আৰ্থিক উন্নয়নমূলক সাহায্যৰ ৯০ শতাংশ অনুদান হিচাপে লাভ কৰে। (শুদ্ধ/অশুদ্ধ)

(ঘ) দেশৰ ভিতৰতে জনসংখ্যাৰ ঘনত্ব থকা ৰাজ্যখন হ'ল অৰুণাচল প্ৰদেশ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ অঞ্চলটোৰ ৰাজ্যসমূহৰ জনসংখ্যাৰ ঘনত্বৰ ওপৰত সংক্ষেপে লিখক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১.৪ উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ

ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধীৰ গতিত হোৱা বৃদ্ধি হাৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধি হাৰ অতি মন্থৰ। আকৌ অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ ভিতৰত প্ৰত্যক্ষ কৰা NSDPৰ বৃদ্ধি হাৰৰ মাজতো ভিন্নতা পৰিলক্ষিত হয়। তলত দিয়া তালিকাখনৰ ওপৰত চকু ফুৰাও আহকচোন—

তালিকা ১.৩ ঃ বিভিন্ন ৰাজ্যৰ শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ

(১৯৯৩-৯৪ৰ স্থিৰ মূল্যৰ ভিত্তিত, বৃদ্ধিৰ হাৰ আগৰ বছৰৰ শতাংশ হিচাপত)

	২০০৫-০৬	২০০৮-০৯	২০১১-১২	২০১৩-১৪
অৰুণাচল প্ৰদেশ	৭.৮৭	১৭.৮৭	১৫.৩৩	১৩.৯৬
অসম	১১.১৫	১৪.৬৫	১১.৪৩	১৫.৮৯
মণিপুৰ	১১.৬২	৯.৩৩	২১.৫২	উপলব্ধ নহয়
মেঘালয়	১০.৫২	১৯.৯৮	১৭.৮৩	১৫.১৫
নগালেণ্ড	১২.৮২	১৭.৪৮	১৭.৮৬	১৩.০৭
চিক্কিম	১৪.৬৯	৩০.৭২	২০.৯৯	১৮.০৮
ত্ৰিপুৰা	১০.৬৫	১৫.৭৪	১৮.৮১	উপলব্ধ নহয়
ভাৰত	**১৪.১৫**	**১৫.৬৪**	**১৫.৭৭**	**১১.০৭**

উৎস ঃ www.indiastat.com

১.৩নং তালিকাৰ পৰা প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন (NSDP)ৰ ৰাজ্য ভিত্তিক উৎপাদন হাৰ (পূবৰৰ্তী বৰ্ষৰ) দেখা পোৱা গ'ল । ইয়াক ১৯৯৩-৯৪ চনৰ ভাৰতৰ অন্য সকলো ৰাজ্যকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা স্থিৰ মূল্য স্তৰত প্ৰকাশ কৰা হৈছে। মনত ৰাখিবলগীয়া যে, এই তালিকাত মিজোৰামৰ লগত জড়িত সংখ্যাকেইটা দিব পৰা নগ'ল। তালিকাখনৰ প্ৰতি লক্ষ্য ৰাখি আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে, সামগ্ৰিকভাৱে ২০০৫-০৬ বৰ্ষ NSDPৰ বৃদ্ধি হাৰ লেহেমীয়া গতিৰ হোৱাৰ লগতে প্ৰায় ক্ষেত্ৰতে ৰাষ্ট্ৰীয় গড়তকৈ নিম্ন আছিল। আটাইকেইখন ৰাজ্যৰ অৱশ্যে ২০০৪ চনৰ পৰা ২০১৪ চনলৈ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যক ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ সন্তোষজনক বুলি ক'ব পাৰি। অৱশ্যে এইক্ষেত্ৰত অসমৰ স্থান ২০১৩-১৪ বৰ্ষৰ বাদে ৰাষ্ট্ৰীয় গড়তকৈ তলত আছিল।

নিম্ন জনমুৰি আয় ঃ উত্তৰ-পূৰ্বাঞ্চল দেশৰ ভিতৰতে আটাইতকৈ অনুন্নত অঞ্চলসমূহৰ ভিতৰত পৰে। ইয়াৰ জনমুৰি আয় ১২,৪০৭/- টকা ৰাষ্ট্ৰীয় গড় হিচাপ ১৭,৯৭৪/- (২০০১-০২)ত কৈয়ো কম। এতিয়া তালিকা ১.৪ৰ ওপৰত চকু ফুৰাওক ঃ

তালিকা ১.৪ ঃ বিভিন্ন ৰাজ্যৰ জনমুৰি আয়ৰ বৃদ্ধিৰ হাৰ

(২০০৪-০৫ৰ স্থিৰ মূল্যৰ ভিত্তিত, বৃদ্ধিৰ হাৰ আগৰ বছৰৰ শতাংশ হিচাপত)

	২০০৫-০৬	২০০৮-০৯	২০১১-১২	২০১৩-১৪
অৰুণাচল প্ৰদেশ	০.৫৬	৫.৭৫	২.২১	৫.৩৬
অসম	১.৬	৪.৬১	৩.৭৪	৪.৬৩
মণিপুৰ	৪.৫	৫.১১	৭.৫৩	উপলব্ধ নহয়
মেঘালয়	৬.৪৬	১১.৫২	—৩.৪	১০.১
নগালেণ্ড	৮.৬৫	৪.৬২	৫.৩৪	৩.৮৫
চিক্কিম	৮.৬৮	১১.৫৭	১১.৪৪	৬.৫
ত্ৰিপুৰা	৫.৩	৯.৩৫	৭.২৫	উপলব্ধ নহয়
ভাৰত	**৭.৭৫**	**৪.৬৯**	**৫.১**	**২.৭**

উৎস ঃ www.indiastat.com

ওপৰত দিয়া তালিকা ১.৪ৰ পৰা এইটো দেখা পোৱা গ'ল যে ৰাষ্ট্ৰীয় গড়ৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলৰ কেইখনমান ৰাজ্যৰ জনমুৰি আয়ৰ বৃদ্ধিৰ হাৰ (পূৰ্বৱৰ্তী বছৰৰ অংকৰ তুলনাত শতাংশ হিচাপে দেখুওৱা হৈছে) অতি কম।

কৃষি খণ্ডৰ ভূমিকা ঃ দেশৰ মুঠ ভৌগোলিক খণ্ডৰ ৭.৯% অংশ আগুৰি থকা সত্ত্বেও উত্তৰ-পূৰ্বাঞ্চলে নিজৰ বাবে খাদ্য শস্য আমদানি কৰে। দেশৰ মুঠ খাদ্য শস্যৰ মাত্ৰ ১.৫% খাদ্য শস্য উত্তৰ-পূৰ্বাঞ্চলে উৎপাদন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ ৭০% কৃষিৰ ওপৰত নিৰ্ভৰশীল। ভাৰতত উৎপাদিত হোৱা মুঠ খাদ্য-শস্যৰ মাত্ৰ ৪% খাদ্য শস্য উত্তৰ-পূৰ্বাঞ্চলে উৎপাদন কৰে। কিন্তু তথাপিতো অঞ্চলটোৰ প্ৰায়কেইখন ৰাজ্যৰ ৰাজ্যিক গৃহ উৎপাদন (SDP)ৰ ক্ষেত্ৰত কৃষিয়ে প্ৰধান ভূমিকা পালন কৰে। সিপিঠিৰ ১.৫নং তালিকাখনৰ ওপৰত চকু ফুৰাওক।

সিপিঠিত দিয়া তালিকাৰ পৰা এইটো দেখা পোৱা গ'ল যে আজিও উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ অৰ্থনীতিত কৃষিয়ে প্ৰাধান্য বিস্তাৰ কৰি আছে। অঞ্চলটোৰ আটাইতকৈ আগবঢ়া ৰাজ্যৰূপে বিবেচিত অসম আজিও মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল। ২০০৪-০৫ চনত এই খণ্ডটোৱে প্ৰকৃত ৰাজ্যিক গৃহ উৎপাদন (NSDP) লৈ ২৬.৭৭% অৰিহণা যোগায় (২০০৪-০৫ চনৰ স্থিৰ মূল্যৰ হিচাপত উৎপাদনৰ উৎপাদকৰ (factor cost)ৰ মূল্য হিচাপে প্ৰকাশিত)। ২০১৩-১৪ত ই ১৮.৯২ %লৈ হ্ৰাস পালে। নাগালেণ্ডক বাদ দি অঞ্চটোৰ বাকী কেইখন ৰাজ্যত কৃষি আৰু বিশিষ্ট খণ্ডকেইটাৰ অৰিহণা পৰৱৰ্তী বছৰ কেইটাত ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিলে। ৰাজ্যখনৰ (NSDP)ত নাগালেণ্ডত কৃষি আৰু আনুসংগিক খণ্ডসমূহৰ বৰঙণি বৃদ্ধি পাইছে। অৱশ্যে অসম আৰু মণিপুৰৰ বাহিৰে এই অঞ্চলটোৰ আটাইকেইখন ৰাজ্যৰে ঔদ্যোগিক খণ্ডৰ অৰিহণা বৃদ্ধি পাইছে। গৌণ খণ্ডত সবাতোকৈ তাৎপৰ্যপূৰ্ণ বৃদ্ধিৰ হাৰ চিকিমত পৰিলক্ষিত হৈছে। অৱশ্যে, চিকিমৰ বাহিৰে আনকেইখন ৰাজ্যত সেৱা খণ্ডৰ বিকাশ উৰ্দ্ধগামী হৈছে।

উদ্যোগ খণ্ডৰ ভূমিকা ঃ এই অঞ্চলটোৰ উদ্যোগসমূহক ঘাইকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগকেইটা হৈছে ক্ৰমে (ক) কৃষিভিত্তিক উদ্যোগ (খ) খনিভিত্তিক উদ্যোগ

(গ) বনভিত্তিক উদ্যোগ আৰু (ঘ) অন্যান্য উদ্যোগ।

অঞ্চলটোৰ কৃষিজাত উদ্যোগসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে চাহ উদ্যোগ, ৰবৰ উদ্যোগ, চেনি উদ্যোগ, বীজ জাতীয় উৎপাদিত দ্ৰব্যৰ উদ্যোগ (ধান, তেল আৰু আতাৰ মিল), খাদ্য প্ৰস্তুতকাৰী উদ্যোগ আৰু বস্ত্ৰ উদ্যোগ।

উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ উদ্যোগসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, চিমেণ্ট আৰু কোক। অন্যান্য প্ৰধান উদ্যোগসমূহ হ'ল ৰে'ল নিৰ্মাণৰ কাৰখানা, ইঞ্জিনীয়াৰিং উদ্যোগ আৰু ৰি-ৰ'লিং মিল (Re-Rolling mills), তীখা কাৰখানা, যান-বাহন নিৰ্মাণ উদ্যোগ, বিদ্যুৎ প্ৰৱাহিত কৰি উদ্দীপিত কৰা ৰায়াৰৰ গোট (Galvanized wire units), চাইকেল ফেক্টৰি, এলুমিনিয়ামৰ বাচন-বৰ্তনৰ উদ্যোগ, চাইকেলৰ বিভিন্ন অংশৰ উদ্যোগ, তীখাৰ ৰায়াৰৰ নে'ট, কাটা তাঁৰ, শক্তি উৎপাদন উদ্যোগ, সাৰ উদ্যোগ, ছপাশাল, ইটা আৰু টাইল (tile) উদ্যোগ, ৰৰফৰ উদ্যোগ, ৰাসায়নিক পদাৰ্থৰ কাৰখানা, ইত্যাদি।

অঞ্চলটোৰ বনভিত্তিক উদ্যোগৰ ভিতৰত উল্লেখযোগ্য হৈছে প্লাইউড উদ্যোগ, শ্ব' মিল উদ্যোগ, কাগজ আৰু কাগজ তৈয়াৰ কৰা কাঠৰ মণ্ডৰ উদ্যোগ (paper pulp industry), জুইশলা কাঠিৰ উদ্যোগ, চাম্ৰা উদ্যোগ, ডাঠ কাগজ (hard board)ৰ উদ্যোগ, ইত্যাদি।

ঔদ্যোগীকৰণৰ দৃষ্টিৰে অসম অঞ্চলটোৰ আঠোখন ৰাজ্যৰ ভিতৰত আটাইতকৈ আগবঢ়া। এসময়ত দেশৰ সৰ্বমুঠ খাৰুৱা তেল উৎপাদনৰ প্ৰায় অৰ্দ্ধাংশ অসমে উৎপাদন কৰিছিল। ঠিক সেইদৰে দেশৰ ভিতৰত চাহপাতৰ উৎপাদনৰ ক্ষেত্ৰত এই পৰিমাণ ৫২% আৰু প্লাইউড উৎপাদনৰ ক্ষেত্ৰত এই পৰিমাণ ৫৫% পৰ্যন্ত আছিল। এই দুটা উদ্যোগৰ ভিতৰত চাহ উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখন এতিয়াও এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়ায়। অৱশ্যে ১৯৯৯ চনত দেশৰ উচ্চতম ন্যায়ালয়ে ৰাজ্যখনত গছ কটা নিষিদ্ধ কৰাৰে পৰা প্লাইউড উৎপাদনৰ লগত জড়িত সকলোবোৰ ঔদ্যোগিক গোটেই বন্ধ হৈ আছে। এইবোৰৰ বাহিৰে বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'লিয়াম গোটে উৎপাদন কৰা পলিয়েষ্টাৰৰ আঁহৰ ওপৰত ভিত্তি কৰি পলিয়েষ্টাৰ মিলসমূহ প্ৰতিস্থাপিত কৰা হৈছে। টায়াৰ ৰিথ্ৰেড (rethreading) কৰা শাখা, শ্ব' মিল আৰু অন্যান্য তীখাজাতীয় গোটে ৰাজ্যৰ উদ্যোগ খণ্ডটোত প্ৰভাৰ বিস্তাৰ কৰি আছে। উত্তৰ-পূৰ্বাঞ্চলত স্থায়ীভাৱে পঞ্জীয়নকৃত সৰ্বমুঠ ৪৭,৬৫৪টা ক্ষুদ্ৰ আৰু কুটীৰ (SSI) গোটৰ ভিতৰত কেৱল অসমতে ৬৯.৮% গোট আছে।

অৰুণাচল প্ৰদেশৰ প্ৰায় ভাগ ঔদ্যোগীক গোট কাঠ ভিত্তি। তদুপৰি অন্য কিছুমান কৃষিভিত্তিক, কৃষি ভিত্তিক উদ্যোগৰ লগতে ধানৰ বাকলি গুচোৱা মিলো (rice dehusking mell) আছে। অৰুণাচল প্ৰদেশৰ ক্ষুদ্ৰ আৰু কুটীৰ (SSI) গোটৰ অন্তৰ্ভুক্ত হোৱা গুৰুত্বপূৰ্ণ উদ্যোগসমূহ হৈছে ক্ৰমে পৰম্পৰাগতভাৱে বোৱা কাৰ্পেট শিল্প, বয়ন শিল্প আৰু বৈ উলিওৱা হস্ত কলাকৃতি।

তালিকা ১.৫ ঃ বিভিন্ন ৰাজ্যৰ শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদনত প্ৰাথমিক, গৌণ আৰু সেৱা খণ্ডৰ বৰঙণি

ৰাজ্য	শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদনত কৃষি আৰু আনুসংগিক ক্ষেত্ৰৰ বৰঙণি (উৎপাদকৰ ব্যয় হিচাপে প্ৰকাশিত) (২০০৪-০৫) চনৰ স্থিৰ মূল্যৰ ভিত্তিত, শতাংশ হিচাপত)		শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদনত ঔদ্যোগিক খণ্ডৰ বৰঙণি (উৎপাদকৰ ব্যয় হিচাপে প্ৰকাশিত) (২০০৪-০৫) স্থিৰ মূল্যৰ ভিত্তিত, শতাংশ হিচাপত)		শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদনত সেৱা খণ্ডৰ বৰঙণি (উৎপাদকৰ ব্যয় সেৱা খণ্ডৰ প্ৰকাশিত) (২০০৪-০৫) চনৰ স্থিৰ মূল্যৰ ভিত্তিত, শতাংশ হিচাপত)	
	২০০৪-০৫	২০১৩-১৪	২০০৪-০৫	২০১৩-১৪	২০০৪-০৫	২০১৩-১৪
অৰুণাচল প্ৰদেশ	৩৭.২২	২৯.০৫	২৯.৯২	৩১.৮০	৩২.৮৫	৩৯.১৫
অসম	২৬.৭৭	১৮.৯২	২৫.৩৪	১৮.৯২	৪৭.৮৯	৫৮.৬৯
মণিপুৰ	২৫.০৯	২০.০৭	৩৬.৮৬	২৭.১৮	৩৮.০৫	৫২.৭৫
মেঘালয়	২৪.৪৬	১৪.৯৮	২৪.৭৫	২৯.৫৫	৫০.৮০	৫৫.৪৭
মিজোৰাম	২৪.৫৫	২০.৩৪	১৫.২০	১৪.৯২	৬০.২৬	৬৪.৭২
নাগালেণ্ড	২৫.০৯	৩৬.৮৬	০৪.১০	২৩.০২	৩৮.০৫	৫৫.৬৭
চিক্কিম	১৮.৭৬	১০.৩৭	২৮.৫৪	৬০.০৪	৫২.৭০	২৯.৬০
ত্ৰিপুৰা	২৬.০৮	২২.৬৯	২২.৬৯	২৩.৮০	৫১.২৩	৫৬.০৯

Source : Basic Statistics of North Eastern Region 2015, Govt. of India]

বিশেষ দ্ৰষ্টব্য ঃ প্ৰাথমিক খণ্ড বুলিলে কৃষি আৰু আনুসংগিক ক্ষেত্ৰ, বনজ আৰু কাঠ শিল্প আৰু মীনখণ্ড; গৌণ খণ্ড বুলিলে উদ্যোগ, খনি আৰু কুৰেৰি খণ্ড, উৎপাদন খণ্ড (পঞ্জীয়নকৃত আৰু অপঞ্জীয়নকৃত), নিৰ্মাণখণ্ড, বিদ্যুৎ খণ্ড, গেছ আৰু যোগান খণ্ড; সেৱা খণ্ড বুলিলে সকলো ধৰণৰ সেৱা বিশেষকৈ, শিক্ষা, স্বাস্থ্য, সমাজ কল্যাণ, লোক প্ৰশাসন আদি অন্তৰ্ভুক্ত।

মণিপুৰৰ ভালেসংখ্যক উদ্যোগ তাৰ ৰাজ্য চৰকাৰৰ অধীন। স্থানীয় বজাৰৰ অভাৰ পুৰণৰ বাবে সেই উদ্যোগসমূহ গঢ় লৈ উঠিছে। বহিঃ বাণিজ্যৰ বাবে ম্যানমাৰ সীমন্ত মুকলি কৰাত ৰাজ্যখনৰ ঔদ্যোগিক গোটসমূহে প্ৰসাৰ লাভ কৰাত সহায়ক হৈছে আৰু লগতে ই নতুন ৰপ্তানিমূলক গোটৰ প্ৰতিষ্ঠাৰ বাট মুকলি কৰিছে। অঞ্চলটোৰ আন ৰাজ্যসমূহৰ দৰে মণিপুৰো ইয়াৰ বয়ন শিল্প আৰু হস্তশিল্পৰ উৎপাদিত দ্ৰব্যৰ বাবে জনাজাত।

উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত সৰহভাগ ৰাজ্যৰ দৰে মেঘালয়ো কাঠ আৰু কাঠ ভিত্তিক উদ্যোগৰ ওপৰত নিৰ্ভৰশীল। খনি খণ্ডটোৱেও ৰাজ্যখনৰ ঘৰুৱা উৎপাদন (State Domestic Product -SDP) গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়।যিসকল ব্যক্তিগত উদ্যেগীৰ অধীনত কয়লা

আৰু চূণশিলৰ মজুত ভঁৰাল আছে, সেইসকলে খনিজ পদাৰ্থসমূহ অসম আৰু বাংলাদেশক বিক্ৰী কৰে। সেই খনিজ পদাৰ্থৰ লগত জড়িত কোনো উদ্যোগ মেঘালয়ত নথকাৰ বাবে খনিজ ভাণ্ডাৰ থকা সত্ত্বেও মেঘালয় লাভবান হ'ব পৰা নাই।

মিজোৰামৰ প্ৰায়ভাগ গোট সৰু আৰু ক্ষুদ্ৰ উদ্যোগৰ লগত জড়িত। ইয়াৰ ঔদ্যোগিক বিকাশৰ বাবে ৰাজ্যখনৰ ঔদ্যোগিক বিকাশ নিগম আৰু উদ্যোগ সঞ্চালকালয়ে হস্তশিল্প আৰু বয়ন শিল্পক গুৰুত্বপূৰ্ণ উদ্যোগ হিচাপে চিনাক্ত কৰিছে।

কাঠ আৰু কাঠভিত্তিক উদ্যোগ নাগালেণ্ডৰ প্ৰধান উদ্যোগৰ অন্যতম। ইয়াৰ বাহিৰেও নাগালেণ্ডৰ অন্যান্য প্ৰধান উদ্যোগৰ ভিতৰত খাদ্য ভিত্তিক আৰু নগা শ্বল আৰু কাপোৰৰ লগত জড়িত বয়ন শিল্প উল্লেখনীয়।

ত্ৰিপুৰাৰ ক্ষেত্ৰত তাৰ পশ্চিম ত্ৰিপুৰা জিলা ঔদ্যোগিকভাৱে অধিক আগবঢ়া। ইয়াত ৰাজ্যখনৰ সৰ্বমুঠ উদ্যোগৰ ৮১.৩০% অৱস্থিত। ইয়াত উৎপাদিত বেত আৰু বাঁহৰ শিল্পজাত সামগ্ৰীসমূহ সিবোৰত থকা হস্ত নিৰ্মিত কলাকৃতিৰ বাবে কেৱল দেশতে নহয়, বিদেশতো সমাদৃত। ত্ৰিপুৰাত স্থানীয় চাহিদা থকা সৰহসংখ্যক লঘু উদ্যোগ এলুমিনিয়ামৰ সামগ্ৰী আৰু ইটা উদ্যোগক ভিত্তি কৰি গঢ়ি উঠিছে।

চিকিমৰ দক্ষিণ অঞ্চলত ক্বাথ প্ৰস্তুতকাৰী (Brewing) পাতনকাৰী (Distilling), চাম্ৰা কঁহ দিয়া (Tanning) আৰু ঘড়ী নিৰ্মাণকাৰী প্ৰধান উদ্যোগবোৰ অৱস্থিত। ৰাজ্যখনত এটা ক্ষুদ্ৰ খনি উদ্যোগো আছে। এই উদ্যোগটোৱে তাম, ড'ল'মাইট, টেল্ক, গ্ৰেফাইট, স্ফটিক, কয়লা, জিংক আৰু সীহৰ দৰে খনিজ পদাৰ্থ বাহিৰ কৰে।

উত্তৰ-পূৰ্বাঞ্চলত গঢ় লোৱা বৃহৎ আৰু মজলীয়া আকাৰৰ উদ্যোগৰ সংখ্যা আৰু তাৰ প্ৰসাৰ বৰ সন্তোষজনক নহয়।

লঘু, থলুৱা খাদী আৰু গ্ৰাম্য কুটীৰ শিল্পৰ লগত জড়িত উদ্যোগৰ ভূমিকা ঃ লঘু উদ্যোগসমূহৰ তৃতীয়টো পিয়ল অনুসৰি মুঠ কৰ্মৰত জনসংখ্যাৰ ৩.১১% লোক লঘু উদ্যোগৰ লগত জড়িত। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ লঘু উদ্যোগ গোটৰ সংখ্যা আৰু তাত কাম কৰা মানুহৰ সংখ্যালৈ চাই সেই অনুপাতে উদ্যোগসমূহে উৎপাদন কৰিব পৰা নাই বুলিহে ক'ব পাৰি। পৰ্যবেক্ষণটোৰ পৰা এইটোৱো গম পোৱা গৈছে যে, উত্তৰ-পূৰ্বাঞ্চলৰ লঘু উদ্যোগৰ ক্ষেত্ৰত ক্ৰমান্বয়ে পৰিৱৰ্তন নামি আহিছে। এই ক্ষেত্ৰত খাদ্য প্ৰস্তুতকৰণৰ লগত জড়িত উদ্যোগসমূহে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ই লঘু উদ্যোগৰ মুঠ উৎপাদনৰ প্ৰায় ২৭% অধিকাৰ কৰিছে। অঞ্চলটো ব্যৱসায়ীৰ ভূস্বৰ্গ হৈ পৰিছে। ব্যৱসায়ীসকলে বজাৰ নিয়ন্ত্ৰণ কৰে।লঘু উদ্যোগ গোটসমূহলৈ বজাৰৰ সুবিধা প্ৰদান কৰিবলৈ বহুতো সংগঠন আছে। এন-এছ-আই-চি (NSIC)য়ে লঘু উদ্যোগৰ গোটসমূহক বজাৰ সুৰক্ষা (marketing support) প্ৰদান কৰে। এন-এছ-আই-চি (NSIC)ৰ বাহিৰেও এছ-আই-এছ-আই (SISI)য়ে ইয়াৰ অৰ্দ্ধ চুক্তিমূলক আদান-প্ৰদান কাৰ্যসূচীৰ অধীনত ক্ষুদ্ৰ ঔদ্যোগিক (SSI) গোটলৈ বজাৰ সুৰক্ষা (marketing support) প্ৰদান কৰে। এই ক্ষেত্ৰত ক্ষুদ্ৰ আৰু লঘু ঔদ্যোগিক গোটক সহায় কৰা অন্য এটা সংগঠন হৈছে NERAMAC.

গ্ৰামীণ অঞ্চলসমূহত কৰ্ম সংস্থাপনৰ সুবিধা দি গ্ৰামীণ অৰ্থনীতিক টনকিয়াল কৰিবলৈ খাদী আৰু গ্ৰামীণ উদ্যোগসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। উত্তৰ-পূৰ্বাঞ্চলত খাদী আৰু গ্ৰামীণ উদ্যোগৰ কাৰ্যসূচীসমূহ সঠিকভাৱে ৰূপায়িত হৈছে নে নাই তাৰ নিৰীক্ষণৰ বাবে খাদী আৰু গ্ৰামীণ উদ্যোগৰ এটা ক্ষেত্ৰীয় কাৰ্যালয় গুৱাহাটীত স্থাপন কৰা হৈছে। ২০০৩-০৪ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে থকা বিশেষ কৰ্ম গোটে (task force) আগবঢ়োৱা খচৰা প্ৰতিবেদন অনুসৰি উত্তৰ-পূৰ্বাঞ্চলত খাদী আৰু গ্ৰামীণ উদ্যোগত নিয়োজিত কৰা লোকৰ সংখ্যা ৩.০৯ লাখ।

এটা মুখ্য সমস্যা হিচাপে নিবনুৱা সমস্যা ঃ দেশৰ ভিতৰতে উত্তৰ-পূৰ্বাঞ্চলৰ নিবনুৱাৰ হাৰ অত্যাধিক। ৰাষ্ট্ৰীয় গড় হিচাপ ৭.৭% (১৯৯৯-২০০০)ৰ তুলনাত অঞ্চলটিৰ নিৰনুৱাৰ হাৰ প্ৰায় ১২%। ৰাজহুৱা প্ৰতিষ্ঠানত আৰু নিয়োগৰ সুবিধা নোহোৱা হৈছে, কিয়নো তাত খালী হৈ থকা পদ নাই। ধীৰ গতিত বিকাশ লাভ কৰা ব্যক্তিগত প্ৰতিষ্ঠান আৰু সেৱা খণ্ডত নিয়োগৰ সুবিধা থাকিলেও বৰ্ধিত নিবনুৱাৰ সংখ্যাৰ অনুপাতে সেয়া যথেষ্ট নহয়। ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন প্ৰদেশতে নিবনুৱা সমস্যা বৃদ্ধি পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ তলত দিয়া উক্তিসমূহ শুদ্ধনে অশুদ্ধ লিখক।

(ক) উত্তৰ-পূৰ্বাঞ্চলে ইয়াৰ চাহিদাতকৈ অধিক খাদ্যশস্য উৎপাদন কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) ঔদ্যোগিকৰণৰ দিশৰ পৰা অসম উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ আগবঢ়া প্ৰদেশ। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক ঃ

(ক) ২০০৬-০৭ত উত্তৰ-পুবৰ কোনখন ৰাজ্যত সেৱাখণ্ড বৰঙণি আটাইতকৈ বেছি আছিল? (অৰুণাচল প্ৰদেশ/ অসম / মিজোৰাম)

(খ) ১৯৯৯-২০০০ চনৰ তুলনাত ২০০৬-০৭ত অঞ্চলটোৰ কোনখন ৰাজ্যত গৌণ খণ্ডৰ অৰিহণা আটাইতকৈ বেছি বৃদ্ধি পাইছিল? (অৰুণাচনল প্ৰদেশ/ অসম / মণিপুৰ)

প্ৰশ্ন নং ৫ ঃ অৰুণাচল প্ৰদেশৰ উদ্যোগখণ্ডটোৰ বিষয়ে চমুকৈ লিখক। (৬০টা মান শব্দৰ ভিতৰত উত্তৰটো লিখিব।)

.....

.....

.....

.....

.....

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পূৰ্বাঞ্চলে ভাৰতৰ ২.৬২ লাখ বৰ্গ কি.মি. অঞ্চল সামৰিছে।
- দেশৰ ভিতৰত আটাইতকৈ দৰিদ্ৰ অঞ্চলসমূহৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চল এটা অঞ্চল।
- উত্তৰ-পূৰ্বাঞ্চলে আজিও বাহিৰৰ পৰা খাদ্য শস্য আমদানি কৰে।
- অসমৰ বাহিৰে অঞ্চলটোৰ বাকীকেইখন প্ৰদেশৰ ঔদ্যোগিক ভিত্তি নাই বুলিয়েই ক'ব পাৰি।
- ৰাষ্ট্ৰীয় গড় হিচাপ ৭.৭ % ১৯৯৯-২০০০)ৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলৰ নিবনুৱাৰ হাৰ প্ৰায় ১২%।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰঃ *অসমৰ অৰ্থনীতি (উত্তৰ-পূৰ্ব ভাৰতৰ অৰ্থনীতিসহ)*, কল্যাণী পাব্লিচাৰ্ছ।

ইংৰাজী গ্ৰন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অঞ্চলটোৰ জনসংখ্যাৰ ঘনত্ব ৰাজ্যভেদে ভিন্ ভিন্। অসমৰ জনসংখ্যাৰ ঘনত্ব সৰ্বাধিক (৩৪০)। এইটো ৰাষ্ট্ৰীয় গড় (৩২৪)তকৈয়ো অধিক। অৰুণাচলৰ জন ঘনত্ব দেশৰ ভিতৰতে কম (১৩)। ত্ৰিপুৰাৰ বাহিৰে অঞ্চলটোৰ অন্যান্য ৰাজ্যকেইখনৰ জনঘনত্ব ১০০তকৈ কিছু বেছি বা ১০০তকৈয়ো কম।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মিজোৰাম (খ) অৰুণাচল প্ৰদেশ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অৰুণাচলপ্ৰদেশৰপ্ৰায়ভাগঔদ্যোগিক গোট কাঠভিত্তিক আৰু অন্য কিছুমান কৃষি ভিত্তিক। কৃষিভিত্তিক উদ্যোগত ধানৰ বাকলি গুচোৱা (rice husking mill) মিলো আছে। অৰুণাচল প্ৰদেশৰ ক্ষুদ্ৰ উদ্যোগ গোটৰ অন্তৰ্ভুক্ত হোৱা গুৰুত্বপূৰ্ণ উদ্যোগসমূহ হৈছে ক্ৰমে পৰম্পৰাগতভাৱে বোৱা কাৰ্পেট শিল্প, বয়ন শিল্প আৰু বৈ উলিওৱা হস্ত কলাকৃতি।



১.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক বিৱৰণ এটা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অঞ্চলটোৰ তিনিটা আৰ্থ-সামাজিক বৈশিষ্ট্যৰ কথা লিখক।

প্ৰশ্ন ৩ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰাকৃতিক সম্পদৰাজি, ঔদ্যোগীকৰণৰ স্তৰ আৰু আন্তঃ গাঁথনিৰ লগত জড়িত দিশসমূহৰ বিষয়ে চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত কৃষিখণ্ডৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অঞ্চল হিচাপে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বৈশিষ্ট্যসমূহৰ ওপৰত আলোচনা আগবঢ়াওঁক।

*** ***** ***

অধ্যায় ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাকৃতিক আৰু মানৱ সম্পদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ অঞ্চলটোৰ প্ৰাকৃতিক সম্পদ আৰু সিবিলাকৰ ব্যৱহাৰ
২.৪ প্ৰাকৃতিক সম্পদৰাজিৰ ব্যৱহাৰৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বান
২.৫ উত্তৰ-পূবৰ মানৱ সম্পদ
২.৬ মানৱ সম্পদ বিকাশৰ নিৰ্বাচিত সূচকত উত্তৰ-পূৰ্বাঞ্চলৰ স্থান
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্ৰগতিৰ খতিয়ান
২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূব ভাৰতত থকা খনিজ, বনজ আৰু জল সম্পদৰাজিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- উৎপাদনমূলক উদ্দেশ্যত এই সম্পদৰাজিৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- এই সম্পদৰাজিৰ ব্যৱহাৰৰ ক্ষেত্ৰত থকা সম্ভাৱনা আৰু প্ৰত্যাহ্বানবিলাক আঙুলিয়াই দিব পাৰিব
- ২০১১ৰ লোকপিয়ল অনুসৰি উত্তৰ-পূবৰ মানৱ সম্পদৰ প্ৰাথমিক সূচকবিলাক উল্লেখ কৰিব পাৰিব
- উত্তৰ-পূবত মানৱ সম্পদ বিকাশৰ বিভিন্ন সূচকসমূহৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ স্থান নিৰ্ধাৰণ কৰিব পাৰিব।

২.২ পৰিচয়

উত্তৰ-পূব ভাৰত বা সাধাৰণভাৱে উত্তৰ-পূবক ভাৰতৰ এনে এটা অঞ্চল বুলি কোৱা হয় যি ভাৰতৰ দৰেই বৈচিত্ৰ্যপূৰ্ণ আৰু আমোদজনক। এই অঞ্চলটো পাহাৰীয়া আৰু সমতল উভয় ভূমিৰে পৰিপূৰ্ণ। পাহাৰীয়া আৰু ভৈয়াম উভয় অঞ্চলৰ উন্নয়নৰ গতি উল্লেখযোগ্যভাৱে পৃথক। ইয়াৰ উপত্যকাবিলাক অৰ্থনৈতিকভাৱে সক্ৰিয় ক্ষেত্ৰ, ব্ৰহ্মপুত্ৰ উপত্যকা সৰ্বাধিক সক্ৰিয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ সম্পদৰ উৎস, ঔদ্যোগীকৰণৰ পৰ্যায় তথা আন্তঃগাঁথনিৰ সুবিধা

আদিৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ পাৰ্থক্য আছে। অসমৰ ঔদ্যোগিক খণ্ডটো প্ৰধানকৈ চাহ, খাৰুৱা তেল, প্ৰাকৃতিক গেছ ইত্যাদিক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে আৰু অঞ্চলটোৰ অন্য অংশ-বিলাকত খনি, কাঠফলা মিল আৰু তীখাৰ কাৰখানাক লৈ বিভিন্ন উদ্যোগ গঢ়ি উঠিছে। অঞ্চলটোৰ অৰ্থনীতি এতিয়াও কৃষি প্ৰধান যদিও এই খণ্ডটোৰ সম্ভাৱনীয়তা এতিয়াও সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱা নাই। প্ৰচুৰ পৰিমাণে সম্পদ থকা স্বত্বেও কৃষি আৰু উদ্যোগ খণ্ডত আশানুৰূপ বিকাশ নোহোৱাৰ ফলত সেৱা খণ্ডত নিয়োগৰ বাবে অধিক হেঁচাৰ সৃষ্টি হয়। মেঘালয় আৰু নাগালেণ্ডক বাদ দি এই অঞ্চলটোৰ ৰাজ্যিক ঘৰুৱা উপাৰ্জনত কৃষি খণ্ডৰ অৰিহণা বহু বেছি। অঞ্চলটোৰ বিশুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদন (Net State Domestic Product)ৰ ক্ষেত্ৰত মেঘালয়ত খনি, অৰুণাচল প্ৰদেশ, নাগালেণ্ডত বন আৰু কাঠ সম্পদৰ অৰিহণা উল্লেখযোগ্য। এই অঞ্চলটোত নিৰ্মাণ খণ্ডৰ অৰিহণাও যথেষ্ট বেছি।

আগৰ অধ্যায়ত আমি ইতিমধ্যে দেখা পালোঁ যে উত্তৰ-পূৰ্বাঞ্চলৰ মাণ্ডলিক অৰ্থনীতিৰ বিশেষত্ব হৈছে ইয়াত জনমূৰি উপাৰ্জন কম, মূলধন গঠনৰ পৰিমাণ কম, আন্তঃগাঁথনিৰ সুবিধা অপৰ্যাপ্ত, ভৌগোলিকভাৱে বিচ্ছিন্নতা আৰু যোগাযোগৰ ক্ষেত্ৰত অসুবিধা আদি।

এই অধ্যায়ত প্ৰথম অনুচ্ছেদত অঞ্চলটোৰ প্ৰাকৃতিক সম্পদৰ উৎসবিলাকৰ বিষয়ে আলোচনা কৰা হৈছে। একোখন ৰাজ্যৰ সম্ভৱপৰ ক্ষেত্ৰসমূহো ইয়াত আঙুলিয়াই দিয়া হৈছে। অঞ্চলটোত বৰ্তমান উপলব্ধ সম্পদৰাজি যেনে খনি, বন, জলসম্পদ ইত্যাদিৰ বিষয়ে বিভিন্ন ৰাজ্যৰ নিজস্ব উৎসৰ কথা আলোচনা কৰোতে উল্লেখ কৰা হ'ব। পৰৱৰ্তী অনুচ্ছেদত অঞ্চলটোৰ সুদূৰ পৰাহত উন্নয়ন সম্ভৱ কৰি তুলিবলৈ আৰু ইয়াৰ লগে লগে জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰাৰ লগতে ভাৰতৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰতো বৰঙণি যোগাব পৰাকৈ অঞ্চলটোত থকা সম্পদৰাজিৰ আহৰণ আৰু ব্যৱহাৰৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰা হ'ব। ইয়াৰ পাছতে সন্মুখত আহি পৰা বিভিন্ন প্ৰত্যাহ্বানবিলাক উল্লেখ কৰা হ'ব। অন্তিম অনুচ্ছেদত ২০১১ৰ লোকপিয়লৰ তথ্যত প্ৰকাশ পোৱা উত্তৰ-পূবৰ জনসংখ্যাৰ প্ৰাথমিক বৈশিষ্ট্যবিলাকৰ বিষয়ে আলোচনা কৰা হ'ব।

২.৩ অঞ্চলটোৰ প্ৰাকৃতিক সম্পদ আৰু সিবিলাকৰ ব্যৱহাৰ

অঞ্চলটোৰ প্ৰাকৃতিক সম্পদৰাজিৰ বহলভাৱে খনিজ সম্পদ, বনজ সম্পদ আৰু জলসম্পদ এই তিনিটা শাখাত বিভক্ত কৰিব পাৰি।

খনিজ সম্পদ (Mineral Resources) ঃ খনিজ সম্পৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল (NER) যথেষ্ট চহকী। এই অঞ্চলটোত কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, চুণশিল, ছিলিমিনাইট, ড'লমাইট, ইউৰেনিয়াম, চিনামাটি, গেস'লিন, কাপোৰ ধোৱা সাজি মাটি (fuller's earth), ফেল্ডস্পাৰ ইত্যাদি খনিজ সম্পদ পোৱা যায়। উত্তৰ-পূৰ্বাঞ্চলত প্ৰচুৰ পৰিমাণে কয়লা আছে যদিও, এই কয়লাত অধিক মাত্ৰাত গন্ধক মিহলি হৈ থাকে আৰু সেয়ে ই শক্তি উৎপাদনৰ বাবে ব্যৱহাৰ কৰাত উপযোগী নহয়। অঞ্চলটোৰ ৰাজ্যকেইখনৰ ভিতৰত অসম আৰু মেঘালয়ত

সৰ্বাধিক পৰিমাণৰ কয়লা উৎপন্ন কৰা হয়। অসমত তেল আৰু প্ৰাকৃতিক গেছৰ পৰিপূৰক ভাণ্ডাৰ থকাৰ উপৰি অৰুণাচল প্ৰদেশৰ চাংলেং জিলাত আৰু ত্ৰিপুৰাৰ বাৰামুৰা অঞ্চলত খাৰুৱা তেলো পৰ্যাপ্ত পৰিমাণে পোৱা যায়। উত্তৰ-পূৰ্বাঞ্চলৰ ইতিমধ্যে পৰীক্ষা কৰা তৈলক্ষেত্ৰ-সমূহত বৰ্তমান খাৰুৱা তেলৰ ভাণ্ডাৰত থকা পৰিমাণ হৈছে ১৫৮ নিযুত টন।

প্ৰাকৃতিক গেছৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলক প্ৰকৃতিয়ে যথেষ্ট সমৃদ্ধিশালী কৰি ৰাখিছে। অসম আৰু ত্ৰিপুৰাত প্ৰাকৃতিক গেছ যথেষ্ট পৰিমাণে আছে। সমগ্ৰ অঞ্চলটোত বৰ্তমান মজুত হৈ থকা প্ৰাকৃতিক গেছৰ পৰিমাণ প্ৰায় ২৩,০০০ নিযুত ঘনমিটাৰ বুলি হিচাপ কৰি উলিওৱা হৈছে। বৃহৎ পৰিমাণৰ প্ৰাকৃতিক গেছ থকা সত্ত্বেও অঞ্চলটোত ইয়াৰ ব্যৱহাৰ তেনেই সামান্য। ভাৰতীয় তেল নিগম (অইল ডিভিজন)ৰ ডিগবৈ শোধনাগাৰে তাত থকা বয়লাৰবিলাক গৰম কৰিবলৈ চাৰিটা দশক ধৰি প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰি আছে আৰু শেহতীয়াকৈ বিদ্যুৎ শক্তি উৎপাদনৰ বাবেও প্ৰাকৃতিক গেছ ব্যৱহাৰ হৈ আছে। অসমৰ বিভিন্ন চাহ বাগিছাত চাহ প্ৰস্তুত কৰিবলৈ, নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰত বিদ্যুৎ উৎপাদন কৰিবলৈ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰনিগম লিমিটেডত সাৰ উৎপাদন কৰিবলৈ, নামৰূপৰ অসম পেট্ৰ'কেমিকেলছ লিমিটেডত মিথানল উৎপাদন কৰিবলৈ আৰু নুমলীগড় শোধনাগাৰ লিমিটেডত খাৰুৱা তেল শোধন কৰিবলৈ অসম গেছ কোম্পানী লিমিটেডে ইয়াৰ পাইপলাইনৰ জৰিয়তে প্ৰাকৃতিক গেছৰ যোগান ধৰি আহিছে। বৰাক উপত্যকাৰ আদামিটিলা আৰু বাস্কান্দিত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে উৎপন্ন কৰা গেছ বেচৰকাৰী বিদ্যুৎ উৎপাদনকাৰী কোম্পানী (যেনে DLF Power Ltd) আৰু চাহ বাগিছাবিলাকত ব্যৱহৃত হৈ আছে। ত্ৰিপুৰাতো বিচ্ছিন্নভাৱে প্ৰচুৰ পৰিমাণৰ প্ৰাকৃতিক গেছ আছে। ইয়াৰে মাত্ৰ এটা সামান্য অংশ, প্ৰায় ২৫% বিদ্যুৎ উৎপাদনত ব্যৱহৃত হয়। ৰাজ্যখনৰ ৰখিয়াত ৩৫ মেগাৱট বিদ্যুৎ উৎপাদনক্ষম এটা গেছ টাৰবাইন বিদ্যুৎ প্ৰকল্প স্থাপন কৰিবলৈ ONGCLয়ে এটা প্ৰস্তাৱ দিছে।

উত্তৰ-পূৰ্বাঞ্চলত পৰ্য্যাপ্ত পৰিমাণে চূণশিল পোৱা যায়। ইয়াৰ ভিত্তিত অঞ্চলটোত কেইটামান চিমেণ্ট কাৰখানা স্থাপন কৰা হৈছে। চিক্কিমমাইনিং কৰ্পৰেশ্যনে কম পৰিমাণত তাম, দস্তা আৰু সীহ উৎপন্ন কৰি আছে। তলৰ তালিকাখনত বিভিন্ন ৰাজ্যৰ খনিজ সম্পদ উল্লেখ কৰা হ'ল ঃ

তালিকা ২.১ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ সম্পদ

ৰাজ্য	খনিজ সম্পদ
অৰুণাচল প্ৰদেশ	কয়লা, চূণশিল, পেট্ৰ'লিয়াম, ডলমাইট
অসম	কয়লা, চূণশিল, পেট্ৰলিয়াম, গ্ৰেনাইট, ছিলিমিনাইট, লো, কোৱার্টজাইট, ফেল্ডস্পাৰ, ক্লে, প্ৰাকৃতিক গেছ, তেল
মণিপুৰ	ক্ৰ'মাইট, চূণশিল
মেঘালয়	কয়লা, চূণশিল, গ্ৰেনাইট, ছিলিমিনাইট, লো, কোৱার্টজাইট, ফেল্ডস্পাৰ, ক্লে
নগালেণ্ড	কয়লা, চূণশিল, পেট্ৰ'লিয়াম, স্লেট, মাৰ্বল

ত্ৰিপুৰা	চীনা মাটি, লো, চূণশিল, কয়লা, প্ৰাকৃতিক গেছ
চিক্কিম	দস্তা, সীহ, ডলমাট, কয়লা, কোৱার্টজাইট, গ্ৰেনাইট, অভ্ৰ
মিজো�ৰাম	কয়লা, চূণশল, তেল, প্ৰাকৃতিক গেছ

বনজ সম্পদ (Forest Resources) ঃ বনজ সম্পৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল অত্যন্ত চহকী। উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বমুঠ ভৌগোলিক এলেকাৰ প্ৰায় ৬৫.১৭% অৰণ্যৰে আৱৰা। কিন্তু ২০০১ চনত অৰণ্যৰে আৱৰা এলেকাৰ পৰিমাণ ১.২২৪ লাখ বৰ্গ কিল'মিটাৰলৈ হ্ৰাস পায় আৰু এই পৰিমাণ হৈছে সৰ্বমুঠ এলেকাৰ মাত্ৰ ৪৬%। উত্তৰ-পূৰ্বাঞ্চলৰ ৮খন ৰাজ্যৰ ভিতৰত মিজোৰামতে বনাঞ্চলৰ পৰিমাণ সৰ্বাধিক, ৮৯%। অসমত বনাঞ্চলৰ অধীনস্থ এলেকাৰ পৰিমাণ ১৯.৩০ লাখ হেক্টৰ; ই পৰিমাণ হৈছে ৰাজ্যখনৰ সৰ্বমুঠ মাটিকালিৰ প্ৰায় ২৫%। আন ৬খন ৰাজ্যত বনাঞ্চলৰ অধীনস্থ এলেকাৰ পৰিমাণ যথেষ্ট বেছি। নগালেণ্ডত ৫২%, অৰুণাচল প্ৰদেশত ৬১%, মণিপুৰত ২৭%, মেঘালয়ত ৪২%, চিক্কিমত ৩৬% আৰু ত্ৰিপুৰাত ৫৮%। উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বমুঠ বনাঞ্চলৰ কেৱল এক তৃতীয়াংশ সংৰক্ষিত বনাঞ্চলে আৱৰি আছে। এই বনাঞ্চলসমূহত বিভিন্ন ধৰণৰ মূল্যবান গছ; যেনে— শাল, ছেগুণ, বনচোম, শিমলু, শিশু, গমাৰি, সৰল, শলখ, বাঁহ, বেঁত, মূল্যবান ঔষধি গছেৰে ভৰা। উত্তৰ-পূৰ্বাঞ্চলৰ হাবিত বিভিন্ন প্ৰজাতিৰ চৰাই আৰু জীৱ-জন্তু প্ৰচুৰ পৰিমাণে আছে। শেহতীয়া পৰিসংখ্যা অনুসৰি, এই অঞ্চলটোৰ বনাঞ্চলসমূহে গড় হিচাপত বছৰি সাধাৰণ কাঠ ৮ লাখ ঘনমিটাৰ, বাঁহ ৭০.৫ লাখ টন, ১.৬ লাখ ঘনমিটাৰ প্লাইউড বনাব পৰাকৈ কোমল কাঠ, ঔদ্যোগিক কঠিন কাঠ পৰিপূৰক পৰিমাণত, ৫.৬ লাখ ঘনমিটাৰৰ খৰি উৎপন্ন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ বনজ সম্পদৰ ভিত্তিত বিভিন্নধৰণৰ উদ্যোগ যেনে প্লাইউড মিল, কাগজ কাল, কাঠৰ মিল ইত্যাদি গঢ় লৈ উঠিছে।

ভিতৰুৱা জনজাতীয় অঞ্চলবিলাকত কাঠ আৰু অন্যান্য সৰু সুৰা বনজাত সম্পদেই হৈছে জীৱন নিৰ্বাহৰ উৎস। বহুতে হাবিত পোৱা খৰি দাতি কাষৰীয়া অঞ্চলত ৰন্ধা-বঢ়া কামত লগাবলৈ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰে। আনহাতে, বহু জনজাতীয় অঞ্চলত থকা বনভূমিত বিভিন্ন জনগোষ্ঠীয়ে ঝুম খেতি কৰে। আগতে বহুৰত একাধিকবাৰ ঝুম খেতি কৰিছিল যদিও বৰ্তমান জনসংখ্যা বৃদ্ধি পোৱাৰ ফলত ঝুম চক্ৰ হ্ৰাস পাবলৈ ধৰিছে। ইয়াৰ ফলত বনাঞ্চলৰ অধীনস্থ এলেকাৰ সম্প্ৰসাৰণ ঘটাৰ সলনি ক্ৰমাৎ সংকুচিত হ'বলৈ ধৰিছে। অঞ্চলটোৰ বিভিন্ন ৰাজ্যত বনাঞ্চলবিলাকৰ মালিকীস্বত্বৰ পদ্ধতিও ভিন ভিন। পাহাৰীয়া অঞ্চলবিলাকত বনাঞ্চলৰ গৰাকী স্থানীয় সম্প্ৰদায়বিলাক আৰু সেয়ে এনেধৰণৰ পাহাৰীয়া ৰাজ্যবিলাকত সংৰক্ষিত বনাঞ্চলৰ পৰিমাণ যথেষ্ট তাকৰ। ভাৰতৰ উত্তৰ-পূবত থকা বনাঞ্চলসমূহৰ পৰা যধে-মধে কাঠ কাটি উলিয়াই নিয়াৰ লগতে বনাঞ্চল ধ্বংস কৰা কাৰ্যৰ প্ৰতি লক্ষ্য ৰাখি গছ-গছনি কটা আৰু বনাঞ্চল ধ্বংসকাৰী কাৰ্য কলাপৰ বিৰুদ্ধে ভাৰতৰ উচ্চতম ন্যায়ালয়ে এক নিষেধাজ্ঞা আৰোপ কৰিছে।

প্ৰাকৃতিক ভাৰসাম্য বজাই ৰাখিবলৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত নিৰ্দিষ্ট কিছুমান অঞ্চলত বনাঞ্চল পুনৰ গঢ়ি তোলা আৰু পৰিকল্পিতভাৱে সম্প্ৰসাৰণ কৰাৰ প্ৰয়োজন।

জলজ সম্পদ ঃ উত্তৰ-পূব ভাৰত বৰষুণৰ পানী, ভূপৃষ্ঠৰ পানী আৰু ভূভাগৰ পানীৰে সম্পদশালী। ব্ৰহ্মপুত্ৰ, বৰাক, সোৱণশিৰি আৰু দিহং —এই নৈকেইখন অঞ্চলটোৰ নৈসমূহৰ ভিতৰত অন্যতম। অঞ্চলটোৰ গড় বৰষুণৰ বাৰ্ষিক পৰিমান ২০০০ মি.মি., অৱশ্যে চেৰাপুঞ্জীত গড় বৰষুণৰ পৰিমাণ সৰ্বাধিক ১১,০০০ মি.মি.।

অঞ্চলটোৰ ৰাজ্যসমূহৰ ভিতৰত ভূ-পৃষ্ঠৰ পানী অসমতে সৰ্বাধিক। অৱশ্যে মুঠ ভূ-পৃষ্ঠৰ পানীৰ মাত্ৰ ৯৪১ নিযুত কিউবিক মিটাৰ (নি.কি.মি.)হে ৰাজ্যখনে বৰ্তমানে ব্যৱহাৰ কৰিছে। অসমৰ বাদে অঞ্চলটোৰ অন্যান্য ৰাজ্যসমূহৰ ভূ-পৃষ্ঠৰ পানীৰ পৰিমাণ এনেধৰণৰ ঃ মেঘালয়— ৫৯৩.৩০ নি.কি.মি., ত্ৰিপুৰা— ৬৬৩.৭৪ নি.কি.মি., মণিপুৰ— ৩১৫৩.৬৭ নি.কি.মি., নাগালেণ্ড— ৭২৩.৫৮ নি.কি.মি., অৰুণাচল প্ৰদেশ— ২২২২.৫৩ নি.কি.মি.। জনমুৰি ৰাষ্ট্ৰীয় অনুপাতৰ হিচাপত দেশত গড় পানী যোগানৰ পৰিমাণ হৈছে ২২০৮ ঘন মিটাৰ। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী মিলাই উত্তৰ-পূৰ্বাঞ্চলত এই হিচাপৰ গড় অনুপাত হৈছে ১৬,৫৮৯ ঘন মিটাৰ। এই বৃহৎ জলৰাশিৰ উপৰি ব্ৰহ্মপুত্ৰ নদীখনে ৭৯৯ নিযুত টন পলস বহন কৰি আছে। এই পলসৰ বোজাৰ ভাৰ পৃথিৱীৰ ভিতৰত পঞ্চম। ভূকম্পন প্ৰৱণতা আৰু বৰষুণৰ প্ৰাৱল্যৰ বাবে পাহাৰৰ মাটি কোমল হয়। ইয়াৰ দ্বাৰা নদীৰ অৱবাহিকা অঞ্চল প্ৰভাৱিত হয়। কিন্তু পানীৰ এই বৃহৎ ভাণ্ডাৰটো অব্যৱহৃত হৈয়েই ৰৈছে আৰু অঞ্চলটোত বিভিন্নধৰণে সমস্যাৰ সৃষ্টি কৰিছে।

সম্প্ৰতি অঞ্চলটোত পোৱা জলসম্পদখিনি নিত্য-নৈমিত্তিক আৰু খোৱা কাৰ্যত, কৃষিখণ্ডত, মীনপালন, জল পৰিবহণ আৰু জলবিদ্যুৎ উৎপাদনত ব্যৱহৃত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উত্তৰ-পূব অঞ্চলটোৰ তিনিটা প্ৰধান খনিজ সম্পদ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ২ ঃ অসমৰ কিমান শতাংশ ভূমি অৰণ্যৰে আৱৰা?

.....

প্ৰশ্ন নং ৩ ঃ উত্তৰ-পূব অঞ্চলটোত বাৰ্ষিক গড় বৰষুণৰ পৰিমান কিমান?

.....

.....

প্ৰশ্ন নং ৪ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক—

(ক) উত্তৰ-পূব অঞ্চলটোৰ ৰাজ্যসমূহৰ ভিতৰত সৰ্বাধিক অৰণ্যৰে আৱৰা ৰাজ্যখন হ'ল (মিজোৰাম/ অৰুণাচল প্ৰদেশ / মণিপুৰ)

(খ) (অসম / মণিপুৰ / নাগালেণ্ড)ত ডল'মাইট পোৱা যায়।

২.৪ প্ৰাকৃতিক সম্পদৰাজিৰ ব্যৱহাৰৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বান

সম্ভাৱনাসমূহ ঃ অঞ্চলটোত উপলব্ধ প্ৰাকৃতিক সম্পদসমূহৰ সঠিক ব্যৱহাৰে ইয়াৰ আৰ্থ সামাজিক বিকাশত যথেষ্ট অৱিহণা যোগাব পাৰে। এই ক্ষেত্ৰত তলৰ কথাকেইটা উল্লেখযোগ্য—

- প্ৰযুক্তিগতভাৱে উন্নত আৰু অৰ্থনৈতিকভাৱেও ব্যয় সাধ্য অঞ্চলটোৰ প্ৰাকৃতিক সম্পদ-সমূহৰ সমুচিত ব্যৱহাৰে ইয়াৰ বিকাশত প্ৰভূ ত বৰঙণি আগবঢ়াব পাৰে। ইয়াৰ ফলত অঞ্চলটোৰ জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ডও উন্নত হ'ব বুলি আশা কৰিব পাৰি। বৰ্তমানে অসমত ৰূপায়িত হৈ থকা অসম গেছ ক্ৰেকাৰ প্ৰকল্প এই ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ।
- স্থানীয়ভাৱে উপলব্ধ সম্পদসমূহক ব্যৱহাৰ কৰিব লাগিব। এই ক্ষেত্ৰত শেহতীয়া কেইটামান বছৰত স্থাপন কৰা এলানি নতুন চিমেণ্ট কাৰখানাৰ কথা উল্লেখ কৰিব পাৰি।
- প্ৰচুৰপৰিমাণে বৃষ্টিপাত হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ বনাঞ্চলসমূহ হৈছে বাণিজ্যিকভাৱে ব্যৱহৃত কিছুমান সম্পদ; যেনে— কাঠ, বাঁহ, শিল, বেঁত ইত্যাদিৰ ভাণ্ডাৰ। বাঁহ হৈছে পৃথিৱীৰ আটাইতকৈ বেচি প্ৰাকৃতিক কাৰিকৰী সামগ্ৰী। বাঁহ কাঠৰ পৰিপূৰক হ'ব পাৰে, ই একবিংশ শতিকাৰ কাঠ হ'ব পাৰে। ভাৰতৰ ৬৪% আৰু পৃথিৱীৰ ২০% বাঁহৰ বৰ্ধিত ভাণ্ডাৰ উত্তৰ-পূব ভাৰতত আছে। উত্তৰ-পূৰ্বাঞ্চলত বছৰি ৫০০ বিলিয়ন টকাৰ বাঁহ খেতি হয়। ভাৰতত প্ৰতি বছৰে কাঠৰ ব্যৱহাৰ ১০% কৈ বাঢ়ি আছে। কাঠৰ এবিধ পৰিপূৰক হিচাপে বাঁহ ঘৰ সজা, হস্তশিল্প নিৰ্মাণ কৰা আৰু ঘৰুৱা আচবাব আদি সজাত ব্যাপক হাৰত ব্যৱহাৰ কৰিব পাৰি।
- খনিজ সম্পদৰ ওপৰত ভিত্তি কৰি কিছুমান উদ্যোগ স্থাপন কৰাৰ সুযোগ আছে।
- অঞ্চলটোত অসংখ্য পাহাৰীয়া জুৰি আৰু নদী থকা বাবে জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনীয়তা সীমাহীন বুলিব পাৰি। মুঠৰ ওপৰত ইয়াত থকা সম্ভাৱনীয়তা বিলাকৰ পূৰ্ণ প্ৰয়োগৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলে নিজৰ প্ৰয়োজনতকৈ অধিক বিদ্যুৎ উৎপন্ন কৰি চুবুৰীয়া ৰাজ্যসমূহকো বিদ্যুতৰ যোগান ধৰিব পাৰে।
- বহুসংখ্যক পাহাৰ আৰু বনাঞ্চল থকা বাবে উত্তৰ-পূৰ্বাঞ্চল হৈছে বিভিন্ন ধৰণৰ ঔষধি গছ-লতিকাৰ ভাণ্ডাৰ। ইয়াত সৰ্পগন্ধা (Rauvolfia Serpentine Benth ex.kur), পিপলি (Piper longam linm), আমলখি (Emblica Officinalis Gaertn), শিলিখা (Terinalia Chebula Retz), ভোমোৰা (Terminalia Belerica), অৰ্জুন (Terminalia Arjuna Wight & Am) আদি পোৱা যায়। এই অঞ্চলত প্ৰায় ৩০০ বিষ ঔষধি উদ্ভিদ পোৱা যায় আৰু কেবল ব্ৰহ্মপুত্ৰ উপত্যকাতে ১৫০বিধ বিভিন্নধৰণৰ ঔষধি উদ্ভিদ পোৱা যায়, যাৰ বাণিজ্যিক মূল্য যথেষ্ট পৰিসংখ্যাত দেখা গৈছে যে অঞ্চলটোত থকা প্ৰায় ৫-১০% উদ্ভিদ আৰু বৃক্ষহে বৰ্তমান ব্যৱহৃত হৈছে আৰু বাকী অংশৰ ব্যৱহাৰৰ

ক্ষেত্ৰতো বিপুল সম্ভাৱনা আছে।

- উত্তৰ-পূৰ্বাঞ্চলত অকল অসমতে ৬০০ বিধ বিভিন্নধৰণৰ অৰ্কিড আছে। এই অঞ্চলৰ প্ৰায় ২০০ বিধ বিভিন্ন ধৰণৰ অৰ্কিড পৃথিৱীৰ আন ক'তো পোৱা নাযায়, ইয়াৰে ৬০% অৰ্কিড প্ৰাকৃতিকভাৱে সৌন্দৰ্যবৰ্ধনৰ বাবে ব্যৱহাৰৰ যোগ্য। উত্তৰ-পূৰ্বাঞ্চলত সুগন্ধি উদ্ভিদো প্ৰচুৰ পৰিমাণে আছে। বৰ্তমান এনে সুগন্ধি উদ্ভিদৰ পৰা উলিওৱা অধিকাংশ তেলেই অপৰিশোধিত ৰূপত বিক্ৰী কৰা হয়। এনেধৰণৰ কেইবিধমান উদ্ভিদ হৈছে চিত্ৰনলা (Cymbopogan Flexuosus Steud Wats), গান্ধবিৰিঙা (Lemon Grass), পাচৌলি (Pogostemon Cabiln Benth), আগৰ (Aquilaria Agallocha Roxb) ইত্যাদি। অঞ্চলটোত স্থানীয়ভাৱে সুগন্ধি সামগ্ৰী উৎপাদন কৰিবলৈ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপন কৰাৰ যথেষ্ট সুচল আছে।
- উত্তৰ-পূৰ্বাঞ্চলৰ নদীবিলাকত বিভিন্ন প্ৰজাতিৰ মাছ প্ৰচুৰ পৰিমাণে পোৱা যায়। ইয়াৰে বহুতো আলংকাৰিক মাছ। এনেধৰণৰ আলংকাৰিক মাছৰ উপাৰ্জনৰ স্থল আছে।
- পৃথিৱীৰ প্ৰকৃতিপ্ৰেমীসকলৰ বাবে, বন্যপ্ৰাণী আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰতি আগ্ৰহী পৰ্যটক, ফটোগ্ৰাফাৰসকলৰ বাবে উত্তৰ-পূৰ্বাঞ্চল হৈছে সপোন পুৰি। ইয়াৰ প্ৰাকৃতিক বাতাবৰণ, সেউজীয়া বনাঞ্চলসমূহ বন্যপ্ৰাণীৰ অভয়াৰণ্যসমূহ, ধৰ্মীয় পীঠস্থানসমূহ আৰু চাহ বাগিছাবিলাকে পৃথিৱীৰ বিভিন্ন ঠাইৰ অনুসন্ধিৎসু পৰ্যটকক আকৰ্ষণ কৰি আহিছে। সঠিক পদক্ষেপ গ্ৰহণ কৰিলে এই অঞ্চলত পৰ্যটন এক বৃহৎ উদ্যোগত পৰিণত হ'ব।

ওপৰত উল্লেখ কৰা খিনিৰ উপৰি নিম্নোল্লিখিত ক্ষেত্ৰসমূহতো প্ৰচুৰ সম্ভাৱনীয়তা আৰু সুযোগ আছে ঃ

- ➢ থকা-খোৱাৰ প্ৰতিষ্ঠান ঃ যেনে হোটেল, লজ, ৰিজৰ্ট, ধাবা ইত্যাদি স্থাপন।
- ➢ খাদ্যকেন্দ্ৰিক প্ৰতিষ্ঠান ঃ যেনে ৰেষ্টুৰা, চাহ-কফিৰ দোকান, বাটৰ কাষৰ দোকান।
- ➢ সেৱাকেন্দ্ৰিক প্ৰতিষ্ঠান ঃ যেনে ট্ৰেভেল এজেন্সি, পৰ্যটন ব্যৱস্থাপক, মনোৰঞ্জনৰ পাৰ্ক, ৰ'পৰেৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান।

প্ৰত্যাহ্বানসমূহ (Challenges) ঃ প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও আশা কৰা লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত নিম্নোল্লিখিত সমস্যাবিলাক উদ্ভৱ হয় ঃ

- উত্তৰ-পূৰ্বাঞ্চল হৈছে ভৌগোলিকভাৱে অত্যন্ত সংবেদনশীল। অঞ্চলটোৰ এটা বৃহৎ এলেকা অত্যন্ত সক্ৰিয় ভূমিকম্প প্ৰৱণ অঞ্চলত পৰিছে। প্ৰাকৃতিক ভাৰসাম্যত সামান্য ইফাল-সিফাল হ'লেই দুৰ্যোগ সৃষ্টি হ'ব পাৰে। অৰ্থনৈতিক বিকাশৰ লক্ষ্যত যিকোনো ধৰণৰ অপ্ৰাকৃতিক পদক্ষেপ গ্ৰহণ কৰিলে প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হ'ব পাৰে আৰু ইয়াৰ পৰিণতি ধ্বংসাত্মক হ'ব পাৰে। সেয়ে জলসম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা থাকিলেও যিকোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সতৰ্ক হ'বলগীয়া হয়।
- অঞ্চলটোত অৰ্থনৈতিক বিকাশৰ বাবে বৰ্তমানলৈকে গ্ৰহণ কৰা অধিকাংশ পদক্ষেপেই প্ৰাকৃতিক ভাৰসাম্যৰ পৰিপন্থী বুলি প্ৰতিপন্ন হৈছে। ব্যাপক হাৰত হোৱা বনাঞ্চল ধ্বংস,

ভূমিস্খলন, নদীৰ বুকু বাম হৈ অহা ইত্যাদি ঘটনা বিলাক হৈছে কিছুমান অপ্ৰাকৃতিক কাৰ্যকলাপৰ পৰিণতি। এই ঘটনাবিলাকৰ ফলত অঞ্চলটোৰ জলবায়ুৰ স্থায়ীভাৱে পৰিৱৰ্তন ঘটিব পাৰে আৰু ইয়াৰ কৃষিজীৱী সম্প্ৰদায়ৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব পাৰে।

- উত্তৰ-পূৰ্বাঞ্চল হৈছে বিভিন্নধৰণৰ সংমিশ্ৰিত আৰু খিলঞ্জীয়া লোকৰ গৃহভূমি। ইয়াত গ্ৰহণ কৰা যিকোনোধৰণৰ উন্নয়নমূলক পদক্ষেপ এই লোকসকলৰ ৰীতি নীতি আৰু পৰম্পৰাৰ সৈতে খাপ খোৱা হ'ব লাগিব। এইটো সহজ কাম নহয়, কিয়নো অঞ্চলটোৰ জনগোষ্ঠীগত বৈচিত্ৰ্য খুবেই প্ৰভাৱশালী।
- দেশৰ মূল কেন্দ্ৰ বিন্দুৰ পৰা ভৌগোলিকভাৱে নিলগত থকা হেতুকে আৰু হৈ থাকি আৰু দশকৰ পাছত দশক ধৰি অৰ্থনৈতিকভাৱে অবহেলিত হৈ থকাৰ পাছত উত্তৰ-পূৰ্বাঞ্চল উগ্ৰপন্থা আৰু বিচ্ছিন্নতাবাদৰ সাৱঁৰা ক্ষেত্ৰত পৰিণত হৈছে। ইয়াৰ ফলত অঞ্চলটোৰ অৰ্থনৈতিক পৰিস্থিতিৰ অৱনতি ঘটিছে আৰু বেচৰকাৰী বিনিয়োগৰ ক্ষেত্ৰত এক বৃহৎ বাধাৰ সৃষ্টি হৈছে।
- স্থানীয়ভাৱে উপলব্ধ সম্পদৰাজিৰ ব্যৱহাৰ কৰি অঞ্চলটোৰ উন্নয়ন ত্বৰান্বিত কৰিবলৈ বৃহৎ বিনিয়োগৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবে প্ৰয়োজনীয় মূলধন চৰকাৰে অকলে যোগান ধৰিব নোৱাৰে। অঞ্চলটোত বাহিৰৰ পৰা হোৱা মূলধনৰ প্ৰবাহ আৰু বেচৰকাৰী বিনিয়োগ পৰ্যাপ্ত নহয়। অসম গেছ ক্ৰেকাৰ প্ৰকল্পৰ স্থাপনৰ প্ৰক্ৰিয়া বিলম্বিত হোৱাটোৱে ইয়াকে সূচাইছে।
- অঞ্চলটোৰ স্থানীয় বাসিন্দাসকলৰ মাজত বেপাৰ-বাণিজ্য কৰাৰ এটা সংস্কৃতি এতিয়াও বিস্তৃত ৰূপত গঢ়ি উঠা নাই। স্থানীয় যুৱক-যুৱতীসকলৰ মাজত দক্ষতা আৰু সক্ষমতা গঢ়ি তোলাৰ প্ৰচেষ্টা উৎসাহজনক নহয়। এইবিলাক কাৰণতে অঞ্চলটো অৰ্থনৈতিকভাৱে প্ৰত্যাশিত লক্ষ্যৰ দিশত আগুৱাই যাব পৰা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বনজ সম্পদৰ তিনিটা গুৰুত্বপূৰ্ণ সম্ভাৱনা উল্লেখ কৰক ।

.....

.....

প্ৰশ্ন নং ৬ ঃ তলৰ উক্তিকেইটা শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক

(ক) বাঁহক পৃথিৱীৰ আটাইতকৈ বেছি প্ৰাকৃতিক কাৰিকৰী সামগ্ৰি বোলা হয়। (শুদ্ধ নে অশুদ্ধ)

(খ) উত্তৰ-পূবৰ ৰাজ্যসমূহে পৃথিৱীৰ ২০% বাঁহ উৎপন্ন কৰে। (শুদ্ধ নে অশুদ্ধ)

প্ৰশ্ন নং ৭ ঃ উত্তৰ-পূৰ্বাঞ্চল কিয় উগ্ৰপন্থা আৰু বিচ্ছিন্নতাবাদৰ সাৱঁৰা ক্ষেত্ৰ হিচাপে পৰিণত হৈছে? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

২.৫ উত্তৰ-পূৰ্বাঞ্চলৰ মানৱ সম্পদ

জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধি ঃ উত্তৰ-পূৰ্বাঞ্চলে দেশৰ ৭.৯% ভৌগোলিক এলেকা আৰু ৪% জনসংখ্যা বহন কৰি আছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি এই অঞ্চলটোৰ মুঠ জনসংখ্যা ৪৫৪৮৬৭৮৪ জন। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসমৰ জনসংখ্যা সৰ্বাধিক, ৩,১২,০৫,৫৭৬ আৰু চিক্কিমৰ জনসংখ্যা সবাতোকৈ কম ৬,১০,৫৭৭। অঞ্চলটোৰ জনসংখ্যা সম্পৰ্কে কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য তলৰ তালিকাখনত দেখুওৱা হ'ল।

তালিকা ২.২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ পুৰুষ আৰু মহিলাৰ সংখ্যা

ৰাজ্য	মুঠ জনসংখ্যা	পুৰুষ	মহিলা	যৌন অনুপাত
অৰুণাচল প্ৰদেশ	১৩৮৩৭২৭	৭১৩৯১২	৬৬৯৮১৫	৯৩৮
অসম	৩১২০৫৫৭৬	১৫৯৩৯৪৪৩	১৫২৬৬১৩৩	৯৫৮
মণিপুৰ	২৫৭০৩৯০	১২৯০১৭১	১২৮০২১৯	৯৯২
মেঘালয়	২৯৬৬৮৮৯	১৪৯১৮৩২	১৪৭৫০৫৭	৯৮৯
মিজোৰাম	১০৯৭২০৬	৫৫৫৩৩৯	৫৪১৮৬৭	৯৭৬
নগালেণ্ড	১৯৭৮৫০২	১০২৪৬৪৯	৯৫৩৮৫৩	৯৩১
চিক্কিম	৬১০৫৭৭	৩২৩০৭০	২৮৭৫০৭	৮৯০
ত্ৰিপুৰা	৩৬৭৩৯১৭	১৮৭৪৩৭৬	১৭৯৯৫৪১	৯৬০
উত্তৰ-পূৰ্বাঞ্চল	৪৫৪৮৬৭৮৪	২৩২১২৭৯২	২২২৭৩৯৯২	--
সৰ্বভাৰত	১২১০১৯৩৪২২	৬২৩৭২৪২৪৮	৫৮৬৪৬৯১৭৪	৯৪০

উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ প্ৰধান বৈশিষ্ট্য ঃ

যৌন অনুপাত (Sex Ratio) ঃ ২০১১ৰ লোকপিয়লত জনসংখ্যাৰ যৌন অনুপাতৰ ক্ষেত্ৰত ওপৰৰ তালিকাখনত দেখা গৈছে যে উত্তৰ-পূৰ্বাঞ্চলৰ তখন ৰাজ্যৰ যৌন অনুপাত ৰাষ্ট্ৰীয় অনুপাততকৈ যথেষ্ট কম। সেই বছৰত ৰাষ্ট্ৰীয় গড় হিচাপত প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা আছিল ৯৪০। যৌন অনুপাত যথেষ্ট নিম্ন হোৱা এই ৰাজ্যকেইখন হৈছে চিক্কিম, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ড। নিম্ন যৌন অনুপাত এটা উদ্বিগ্নতাৰ বিষয় আৰু সমাজ বিজ্ঞানীসকলে বিষয়টো চালি-জাৰি চোৱা প্ৰয়োজন।

বয়সৰ গাঁথনি (Age Composition) ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ বয়সৰ গাঁথনি যথেষ্ট উৎসাহজনক। ইয়াৰ পৰিণতিত দেশৰ অন্য অংশৰ দৰে উত্তৰ-পূৰ্বাঞ্চলে জনগাঁথনিগত মুনাফা (demographic dividend) লাভ কৰিব পাৰে। অৰুণাচল প্ৰদেশ আৰু অসমৰ বাহিৰে বাকী আটাইকেইখন ৰাজ্যতে ১৫ৰ পৰা ৬৪ বছৰ বয়স গোটৰ জনসংখ্যাৰ শতাংশ হৈছে ৬০%। ইয়াৰ ফলত নিৰ্ভৰশীলতাৰ হাৰ কম হয় আৰু অঞ্চলটোৰ বাবে ই লাভজনক। তলৰ তালিকাখনত

এই কথা উল্লেখ কৰা হৈছে।

তালিকা ২.৩ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ বয়সৰ গাঁথনি

ৰাজ্য	মুঠ জনসংখ্যা	শিশু সংখ্যা (age 0-6)	Population belonging to 7 years and above group
অৰুণাচল প্ৰদেশ	১৩৮৩৭২৭	২১২১৮৮ (১৫.৩%)	১১৭১৫৩৯ (৮৪.৭%)
অসম	৩১২০৫৫৭৬	৪৬৩৮১৩০ (১৪.৯%)	২৬৫৬৭৪৪৬ (৮৫.১%)
মণিপুৰ	২৫৭০৩৯০	৩৩৮২৫৪ (১৩.২%)	২২৩২১৩৬ (৮.৮%)
মেঘালয়	২৯৬৬৮৮৯	৯৬৮৫৩৬ (১৯.২%)	২৩৯৮৩৫৩ (৮০.৮%)
মিজোৰাম	১০৯৭২০৬	১৬৮৫৩১ (১৫.৩%)	৯২৮৬৭৫ (৮৪.৭%)
নগালেণ্ড	১৯৭৮৫০২	২৯১০৭১ (১৪.৭%)	১৬৮৭৪৩১ (৮৫.৩%)
চিক্কিম	৬১০৫৭৭	৬৪১১১ (১০.৫%)	৫৪৬৪৬৬ (৮৯.৫%)
ত্ৰিপুৰা	৩৬৭৩৯১৭	৪৫৮০১৪ (১২.৫%)	৩২১৫৯০৩ (৮৭.৫%)

গাঁও-নগৰৰ অনুপাত (Rural-Urban Ratio) ঃ নিম্নোল্লিখিত ২.৪ নং তালিকাখনত দেখা গৈছে যে উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যা মূলত গাঁওভিত্তিক। সৰ্বমুঠ জনসংখ্যাৰ ৮১.৫৩% গাঁওবাসী। দেশৰ জনসংখ্যাৰ গ্ৰাম্যাঞ্চলত বাস কৰা লোকৰ সংখ্যা হৈছে ৬৮.৮৪%। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চিক্কিমতে গাঁৱত বাস কৰা লোকৰ সংখ্যা সৰ্বাধিক। ইয়াৰ পাছতে অসমৰ স্থান। আমোদজনকভাৱে মিজোৰামেই হৈছে অঞ্চলটোৰ একমাত্ৰ ৰাজ্য য'ত গাঁও আৰু নগৰত বাস কৰা লোকৰ সংখ্যা প্ৰায় সমান। তলৰ তালিকাখনত গাঁও-নগৰৰ জনসংখ্যা দেখুওৱা হৈছে।

তালিকা ২.৪ ঃ ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ গাঁও আৰু নগৰাঞ্চলত বাস কৰা লোকৰ সংখ্যা

	মুঠ	গাঁও	নগৰ	গাঁওৰ জন সংখ্যাৰ %
অৰুণাচল প্ৰদেশ	১৩৮৩৭২৭	১০৬৬৩৫৮	৩১৭৩৬৯	৭৭.০৬
অসম	৩১২০৫৫৭৬	২৬৮০৭০৩৪	৪৩৯৮৫৪২	৮৫.৯০
মণিপুৰ	২৫৭০৩৯০	১৭৩৬২৩৬	৮৩৪১৫৪	৬৭.৫৫
মেঘালয়	২৯৬৬৮৮৯	২৩৭১৪৩৯	৫৯৫৪৫০	৭৯.৯৩
মিজোৰাম	১০৯৭২০৬	৫২৫৪৩৫	৫৭১৭৭১	৪৭.৮৯
নগালেণ্ড	১৯৭৮৫০২	১৪০৭৫৩৬	৫৭০৯৬৬	৭১.১৪
চিক্কিম	৬১০৫৭৭	৪৫৬৯৯৯	১৫৩৫৭৮	৭৪.৮৫
ত্ৰিপুৰা	৩৬৭৩৯১৭	২৭১২৪৬৪	৯৬১৪৫৩	৮১.৫৩
মুঠ [উত্তৰ-পূৰ্বাঞ্চল]	**৪৫৪৮৬৭৮৪**	**৩৭০৮৩৫০১**	**৮৪০৩২৮৩**	**৮১.৫৩**
সৰ্বভাৰত	**১২১০১৯৩৪২২**	**৮৩৩০৮৭৬৬২৩**	**৭৭১০৫৭৬০**	**৬৮.৮৪**

জনসংখ্যাৰ ঘনত্ব (Density of Population) ঃ তলৰ তালিকাখনত দেখা গৈছে যে দেশৰ আন অংশৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ ঘনত্ব নিম্ন। অৰুণাচল প্ৰদেশৰ

জনসংখ্যাৰ ঘনত্ব দেশৰ ভিতৰতে কম, প্ৰতি বৰ্গকিল'মিটাৰত মাত্ৰ ১৭জন লোক। ইয়াৰ প্ৰধান কাৰণটো হৈছে ৰাজ্যখনৰ অধিকাংশ ঠাই পাহাৰীয়া এলেকা আৰু ডাঠ হাবিৰে আৱৰা; ফলত, মানুহৰ বসতি সম্ভৱ নহয়। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাধিক সমতল ভূমিৰে আবৰা অসমত জনসংখ্যাৰ ঘনত্ব সৰ্বভাৰতীয় তুলনাত অধিক, প্ৰতি বৰ্গ কিল'মিটাৰত ৩৯৭ জন। তলৰ তালিকাখনলৈ মন কৰিলে এই ব্যাখ্যা অধিক স্পষ্টকৈ বুজিব পৰা যাব।

তালিকা ২.৫ ঃ ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলত জনসংখ্যাৰ ঘনত্ব

ৰাজ্য	প্ৰতি বৰ্গ কিল'মিটাৰত জনসংখ্যা
অৰুণাচল প্ৰদেশ	১৭
অসম	৩৯৭
মণিপুৰ	১২২
মেঘালয়	১৩২
মিজোৰাম	৫২
নগালেণ্ড	১১৯
চিক্কিম	৮৬
ত্ৰিপুৰা	৩৫০
সৰ্বভাৰত	৩৮২

জনসংখ্যাৰ বৃত্তিমূলক বিতৰণ (Occupational distribution of the population) ঃ উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ বৃত্তিগত বিতৰণ সৰ্বভাৰতীয় ধাৰাৰ সৈতে সাদৃশ্য আছে। জনসংখ্যাৰ অধিকাংশই কৃষিকৰ্ম, কৃষক অথবা কৃষি শ্ৰমিক হিচাবে নিয়োজিত হৈ আছে। দ্বিতীয় সৰ্বাধিক বৃত্তিমূলক উৎস হৈছে কৃষি আৰু ঘৰুৱা উদ্যোগখণ্ড। এই উদ্যোগবিলাক প্ৰাথমিকভাৱে সেৱা খণ্ড, চৰকাৰী খণ্ড, ৰাজহুৱা আৰু বেচৰকাৰী খণ্ডৰ উদ্যোগ। কিন্তু নিৰ্দিষ্ট তথ্যৰ অভাৱত এই সম্পৰ্কে এটা সৰ্বশেষ সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। সিপিঠিৰ ২.৬ নং তালিকাত এই কথা প্ৰতিফলিত হৈছে।

আকৌ, ২.৭নং পৰৱৰ্তী তালিকাখনৰ পৰা দেখা গৈছে যে, উত্তৰ-পূৰ্বাঞ্চলৰ কৰ্মশক্তিৰ এটা প্ৰধান বিশেষত্ব হৈছে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ৰ মহিলাৰ অংশগ্ৰহণ লক্ষণীয়ভাৱে অধিক। এই ক্ষেত্ৰত অসম যথেষ্ট পিছপৰা। কিন্তু আটাইকেইখন ৰাজ্যতে প্ৰান্তীয় শ্ৰমিকৰ ভিতৰত মহিলাৰ সংখ্যা অধিক। এই কথাই ইয়াকে পুনৰ প্ৰতিপন্ন কৰে যে দেশৰ আন অংশৰ তুলনাত ইয়াত মহিলাৰ মানদণ্ড দুৰ্বল। সংশ্লিষ্ট তালিকাখন চালে এই কথা অধিক স্পষ্ট হ'ব।

তালিকা ২.৬ ঃ উত্তৰ-পূৰ্বঞ্চলত শাখা আৰু লিংগ অনুযায়ী শ্ৰমিকৰ বিতৰণ

ভাৰত/ ৰাজ্য	মুঠ শ্ৰমিক	কৃষক		কৃষি শ্ৰমিক		ঘৰুৱা উদ্যোগৰ শ্ৰমিক		অন্য শ্ৰমিক	
		সংখ্যা	%	সংখ্যা	%	সংখ্যা	%	সংখ্যা	%
অৰুণাচল প্ৰদেশ									
লোক	৫,৮৭,৬৫৭	২,৪৮,১২০	৪২.২	২০,২৫৯	৩.৫	৪,৭২৮	০.৮	২,০৫,৬১৪	৩৫.০
পুৰুষ	৩,৫০,২৭৩	১,৩০,০০৮	৩৭.১	১১,৯২১	৩.৪	২,৭৭২	০.৮	১,৫৬,৪০৮	৪৪.৭
মহিলা	২,৩৭,৩৮৪	১,১৮,১১২	৪৯.৮	৮,৩৩৮	৩.৫	১,৯৫৬	০.৮	৪৯,২০৬	২০.৭
অসম									
লোক	১,১৯,৬৯,৬৯০	৩১,৩৮,৫৫৪	২৬.২	৯,০৩,২৯৪	৭.৬	২,৪২,০৭১	২.০	৪৪,০৩,২০৪	৩৬.৮
পুৰুষ	৮৫,৪১,৫৬০	২৬,৯৮,৩৮৪	৩১.৬	৭,০৫,৩০৬	৮.৩	১,৪৬,৫৬৬	১.৭	৩৪,৮৪,৩৮৬	৪০.৮
মহিলা	৩৪,২৮,১৩০	৪,৪০,১৭০	১২.৮	১,৮৭,৯৮৮	৫.৮	৯৫,৫০৫	২.৮	৯,১৮,৮১৮	২৬.৮
মণিপুৰ									
লোক	১১,৫৯,০৫৩	৩,৬৫,৭১২	৩১.৬	৪৩,৭৭৪	৩.৮	৪৪,৫৮৬	৩.৯	৪,০০,৯৪০	৩৪.৬
পুৰুষ	৬,৬৫,৪৬৩	২,৩২,১৩০	৩৪.৯	২৩,৬০৩	৩.৬	১৩,৩৬২	২.০	২,৮৫,৪২৩	৪২.৯
মহিলা	৪,৯৩,৫৯০	১,৩৩,৫৮২	২৭.১	২০,১৭১	৪.১	৩১,২২৪	৬.৩	১,১৫,৫১৭	২৩.৪
মেঘালয়									
লোক	১১,৮৫,৭০৫	৪,১১,২৭০	৩৪.৭	১,১৪,৬৪২	৯.৭	১১,৯৬৯	১.০	৩,৮৩,৬৯৪	৩২.৪
পুৰুষ	৭,০৩,৭০৯	২,৪৩,৮০৫	৩৪.৭	৭০,৪৬০	১০.০	৬,৪৫৯	০.৯	২,৬৪,৭৯৬	৩৭.৬
মহিলা	৪,৮১,৯১০	১,৬৭,৪৬৫	৩৪.৮	৪৪,১৮২	৯.২	৫,৫১০	১.১	১,১৮,৮৯৮	২৪.৭
মিজোৰাম									
লোক	৪,৮৬,৭০৫	২,০২,৫১৪	৪১.৬	২৬,৪৬৪	৫.৪	৫,৪৫৯	১.১	১,৮০,৫৯৬	৩৭.১
পুৰুষ	২,৯০,৭৪০	১,২১,৫৯৮	৪১৮	১৬,৬০১	৮.৭	৩,১০৯	১.১	১,২১,৯৯৭	৪২.০
মহিলা	১,৯৫,৯৬৫	৮০,৯১৬	৪১.৩	৯,৮৬৩	৫.০	২,৩৫০	১.২	৫৮,৫৯৬	২৯.৯
নগালেণ্ড									
লোক	৯,৭৪,১১২	৪,২০,৩৭৯	৪৩.২	২২,৪৭১	২.৩	৯,৫২৫	১.০	২,৮৮,৭০৪	২৯.৬
পুৰুষ	৫,৪৭,৩৫৭	২,০৮,২২১	৩৮.০	১২,৮৯৯	২.৪	৪,৭৩১	০.৯	২,২১,৯৯৭	৪২.০
মহিলা	৪,২৬,৭৬৫	২,১২,১৫৮	৪৯.৭	৯,৬৭২	২.৩	৪,৭৯৪	১.১	৭২,৩৫১	১৭.০
চিক্কিম									
লোক	৩,০৮,১৩৮	৮২,৭০৭	২৬.৮	১১,৫৮২	৩.৮	২,৮৮৮	০.৯	১,৩৩,২২০	৪৩.২
পুৰুষ	১,৯৪,৩৫৮	৫০,৫৮৬	২৬.০	৭,১৪৫	৩.৭	২,০৫৬	১.১	৭২,৩৫১	১৭.০
মহিলা	১,১৩,৭৮০	৩২,১২১	২৮.২	৪,৪৩৭	৩.৯	৮৩২	০.৭	৩২,৪৯৪	২৮.৬
ত্ৰিপুৰা									
লোক	১৪,৬৯,৫২১	২,৪৬,৭০৭	১৬.৮	২,০১,৮৬৩	১৩.৭	১৯,২৯৬	১.৩	৬,০৯,১৫৩	৪১.৫
পুৰুষ	১০,৪৫,৩২৬	২,১০,১১৭	২০.১	১,৫৬,৮৫০	১৫.০	১২,৮১৪	১.২	৫,০৮,১০০	৪৮.৬
মহিলা	৪,২৪,১৯৫	৩৬,৫৯০	৮.৬	৪৫,০১৩	১০.৬	৬,৪৮২	১.৫	১,০১,০৫৩	২৩.৮

উৎস ঃ Primary Census Abstract : Census of India 2011

তালিকা ২.৭ ঃ উত্তৰ-পূৰ্বাঞ্চলত লিংগ অনুসৰি সৰ্বমুঠ, প্ৰধান আৰু প্ৰান্তীয় শ্ৰমিকৰ সংখ্যা

ৰাজ্য	সৰ্বমুঠ শ্ৰমিক			প্ৰধান শ্ৰমিক			প্ৰান্তীয় শ্ৰমিক		
	লোক	পুৰুষ	মহিলা	লোক	পুৰুষ	মহিলা	লোক	পুৰুষ	মহিলা
অসম	১১৯৬৯৬৯০	৮৫৪১৫৬০	৩৪২৮১৩০	৮৬৮৭১২৩	৭০৩৪৬৪২	১৬৫২৪৮১	৩২৮২৫৬৭	১৫০৬৯১৮	১৭৭৭৫৪৯
অৰুণাচল প্ৰদেশ	৫৮৭৬৫৭	৩৫০২৭৩	২৩৭৩৮৪	৪৭৮৭২১	৩০১১০৯	১৭৭৬১২	১০৮৯৩৬	৪৯১৬৪	৫৯৭৭২
নগালেণ্ড	৯৭৪১২২	৫৪৭৩৫৭	৪২৬৭৬৫	৭৪১১৭৯	৪৪২২০৪	২৯৮৯৭৫	২৩২৯৪৩	১০৫১৫৩	১২৭৭৯০
মণিপুৰ	১১৫৯০৫৩	৬৬৫৪৬৩	৪৯৩৫৯০	৮৫৫০১২	৫৫৪৫১৮	৩০০৪৯৪	৩০৪০৪১	১১০৯৪৫	১৯৩০৯৬
মিজোৰাম	৪৮৬৭০৫	২৯০৭৪০	১৯৫৯৬৫	৪১৫০৩০	২৬৩৩০৫	১৫১৭২৫	৭১৬৭৫	২৭৪৩৫	৪৪২৪০
মেঘালয়	১১৪৫৬১৯	৭০৩৭০৯	৪৮১৯১০	৯২১৫৭৫	৫৮৫৫২০	৩৩৬০৫৫	২৬৪০৪৪	১১৮১৮৯	১৪৫৮৫৫
ত্ৰিপুৰা	১৪৬৯৫২১	১০৪৫৩২৬	৪২৪১৯৫	১০৭৭১১৯	৮৮৭৮৮১	১৮৯১৩৮	৩৯২৫০২	১৫৭৪৪৫	২৩৫০৫৭
চিক্কিম	৩০৮১৩৮	১৯৪৩৫৮	১১৩৭৮০	২৩০৩৯৭	১৬০৫১৩	৬৯৮৮৪	৭৭৭৪১	৩৩৮৪৫	৪৩৮৯৬

উৎস ঃ Primary Census Abstract : Census of India 2011



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাধিক আৰু সৰ্বনিম্ন জনসংখ্যাৰ ৰাজ্যকেইখনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৯ ঃ অৰুণাচল প্ৰদেশৰ জনসংখ্যাৰ ঘনত্ব কিমান?

.....

প্ৰশ্ন নং ১০ ঃ চিক্কিমৰ যৌন অনুপাত কিমান?

.....

প্ৰশ্ন নং ১১ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত নগৰীয়া জনসংখ্যা ক'ত সৰ্বাধিক?

.....

২.৬ মানৱ সম্পদ বিকাশৰ নিৰ্বাচিত সূচকত উত্তৰ-পূৰ্বাঞ্চলৰ মান

মানৱ সম্পদ বিকাশৰ বহুকেইটা সূচক আছে। অৱশ্যে আমি ইয়াত তেনেধৰণৰ মাত্ৰ চাৰিটা সূচকৰ বিষয়ে আলোচনা কৰিম। এইকেইটা হৈছে শিশুৰ মৃত্যুৰ হাৰ, স্বাক্ষৰতাৰ হাৰ, জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰ। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত এই সূচকবিলাকৰ বিষয়ে সবিশেষ চালি জাৰি চোৱাৰ আগতে আমি এই শব্দবিলাকৰ সংজ্ঞাৰ বিষয়ে চমুকৈ আলোচনা কৰোঁ আহক।

শিশুৰ মৃত্যুৰ হাৰ (Infant Mortality Rate) ঃ শিশুৰ মৃত্যুৰ হাৰ (IMR) মানে হৈছে একোটা বছৰত জন্ম লাভকৰা প্ৰতি ১০০০ শিশুৰ মাজত মৃত্যু হোৱা শিশুৰ সংখ্যা। প্ৰতিটো বছৰত জন্ম হোৱা এবছৰতকৈ কম বয়সৰ ১০০০ শিশুৰ ভিতৰত শিশুৰ মৃত্যুৰ সংখ্যা

বুজায়। একোটা নিৰ্দিষ্ট অঞ্চলত জন্ম হোৱা সৰ্বমুঠ এবছৰৰ তলৰ নৱজাতকৰ সংখ্যাক সেই বছৰত মৃত্যু হোৱা শিশুৰ সংখ্যাৰে হৰণ কৰি ১০০০ ৰে পূৰণ কৰা হয়। IMRক দেশৰ স্বাস্থ্য অথবা উন্নয়নৰ স্তৰত একোটা অঞ্চলৰ এটা প্ৰয়োজনীয় সূচক হিচাপে গণ্য কৰা হয়।

সাক্ষৰতাৰ হাৰ (Literacy Rate) ঃ সাক্ষৰতাৰ হাৰ হৈছে আৰ্থসামাজিক প্ৰগতিৰ এটা প্ৰধান সূচক। ভাৰতত সাক্ষৰতাৰ হাৰ ১৯৪৭ চনত ১২% আছিল আৰু ২০০৮ৰ জুন মাহত এই হাৰ ৭২% লৈ বৃদ্ধি পায় (এই পৰিসংখ্যা National Sample Survey Officeৰ দ্বাৰা প্ৰকাশিত জনসংখ্যাৰ ৭ বছৰ বয়সৰ শিশুসকলৰ মাজত সাক্ষৰতাৰ হাৰ ২০০৮ৰ জুনত প্ৰকাশ কৰা হৈছিল।) NSSOৰ সেই একেটা সমীক্ষাতে এই কথাও প্ৰকাশ পাইছে যে প্ৰাপ্ত বয়স্ক লোকৰ (১৫ বছৰ আৰু তাৰ ওপৰৰ) মাজত সেই সময়ছোৱাত সাক্ষৰতাৰ হাৰ আছিল ৬৬%। সেই সময়ত সমগ্ৰ বিশ্বৰ গড় সাক্ষৰতাৰ হাৰ আছিল ৮৪% আৰু এতিয়া ভাৰত হৈছে বিশ্বৰ ভিতৰতে সৰ্বাধিক অশিক্ষিত লোক থকা দেশ।

ভাৰতৰ সাক্ষৰতাৰ হাৰত লিংগৰ ক্ষেত্ৰতো ব্যাপক ব্যৱধান পৰিলক্ষিত হয়। অৱশ্যে ২০০১ পিয়ল অনুসৰি এটা ইতিবাচক সূচক পৰিলক্ষিত হৈছে, সেইটো হৈছে ১৯৯১-২০০১ৰ দশকটোত পুৰুষৰ সাক্ষৰতাৰ হাৰত, বৃদ্ধি পায় ১১.১৩% শতাংশ বৃদ্ধি পোৱাৰ বিপৰীতে মহিলাৰ সাক্ষৰতাৰ হাৰ ১৪.৩৮%। ইয়াৰ ফলত লিংগৰ মাজৰ ব্যৱধান হ্ৰাস পোৱা পৰিলক্ষিত হয়। (উৎস ঃ http://en.wikipedia.org/wiki/Literacy_in_India)

জন্মৰ হাৰ (Birth Rate) ঃ ভাৰতীয় প্ৰেক্ষাপটত জন্মৰ হাৰ উলিওৱা হয় একোটা নিৰ্দিষ্ট বছৰত প্ৰতি ১০০০ মধ্যবয়সীয়া জনসংখ্যাৰ ভিতৰত জীৱন্ত নৱজাতকৰ সংখ্যা অনুসৰি। ইয়াক Crude Birth Rate (CBR) বুলিও কোৱা হয়। জনসংখ্যাৰ বৃদ্ধিৰ হাৰ নিৰ্ণয় কৰিবলৈ জন্মৰ হাৰ এটা গুৰুত্বপূৰ্ণ উপাদান। ই জনসংখ্যাৰ উৰ্বৰতা আৰু বয়সৰ গাঁথনি দুয়োটাৰে ওপৰত নিৰ্ভৰশীল। (উৎস ঃ http://www.indexmundi.com/india/birth_rate.html).

মৃত্যুৰ হাৰ (Death Rate) ঃ ভাৰতীয় প্ৰেক্ষাপটত মৃত্যুৰ হাৰ উলিওৱা হয় একোটা নিৰ্দিষ্ট বছৰত প্ৰতি ১০০০ মধ্যয়সীয়া জনসংখ্যাৰ ভিতৰত মৃতকৰ সংখ্যা অনুসৰি। ইয়াক Crude Death Rate (CDR) বুলিও কোৱা হয়। এই মৃত্যুৰ হাৰে প্ৰতি বছৰত প্ৰতি ১০০০ লোকৰ ভিতৰত মৃত্যু হোৱা লোকৰ সংখ্যা বুজায়। ২০০৯ৰ জুলাই মাহত সমগ্ৰ পৃথিৱীৰ মৃত্যুৰ হাৰআছিল বছৰি প্ৰতি ১০০০জনত প্ৰায় ৮.৩৭ (বৰ্তমানৰ CIA World Factbook অনুসৰি)।

এই কথা মন কৰিবলগীয়া যে ওপৰত সংজ্ঞাবদ্ধ কৰাৰ দৰে মৃত্যুৰ হাৰে একোটা সমগ্ৰ জনসংখ্যাৰ ওপৰত প্ৰয়োগ কৰোতে বিভ্ৰান্তিমূলক ধাৰণাৰ সৃষ্টি কৰিব পাৰে। Crude Death Rate নিৰ্ভৰ কৰে জনসংখ্যাৰ বয়স(আৰু লিংগ) ভিত্তিক মৃত্যুৰ হাৰ আৰু বয়স (আৰু লিংগ)ৰ বিতৰণৰ ওপৰত। কম উন্নত দেশতকৈ অধিক উন্নত দেশত প্ৰতি ১০০০ লোকৰ ভিতৰত মৃত্যুৰ সংখ্যা অধিক হ'ব পাৰে, অথচ স্বাস্থ্য সম্পৰ্কীয় ব্যৱস্থাৱলী উন্নত হোৱা বাবে উন্নত দেশবিলাকত মানুহৰ আয়ুসকাল বেছি যদিও সাধাৰণতে এইটো হোৱাৰ কাৰণ হৈছে দেশবিলাকৰ

জনসংখ্যাৰ বয়সৰ বিতৰণ সম্পূৰ্ণৰূপে বেলেগ ধৰণৰ হয় য'ত অধিক বয়সৰ লোকে অধিকাংশ সামৰি ল'ব পাৰে, শেহতীয়া জন্মৰ হাৰ কম হ'লে আৰু নিৰ্দিষ্ট সময়ছোৱাত মৃত্যুৰ হাৰ কম হ'লে এনেকুৱা হ'ব পাৰে। এখন জীৱন তালিকাত মৃত্যুৰ হাৰৰ সম্পূৰ্ণ ছবি প্ৰতিফলিত হয়। এই জীৱন তালিকাত জনসংখ্যাৰ প্ৰতিটো বয়স গোটৰ মৃত্যুৰ হাৰ পৃথকে পৃথকে দেখুওৱা হয়। মানুহৰ আয়ুসকালৰ এটা সঠিক হিচাপ পাবলৈ একোখন জীৱন তালিকা অতি দৰকাৰী।

লিংগ অনুপাত ঃ লিংগ অনুপাত মানে হ'ল প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা। ভাৰতত মহিলাৰ জনসংখ্যা বাহিৰ কৰাৰ ই এক গুৰুত্বপূৰ্ণ উৎস। ২০০১ চনৰ লোকপিয়ল পৰিসংখ্যাতকৈ ২০১১ চনৰ লোকপিয়ল পৰিসংখ্যাই লিংগ অনুপাতৰ এক উৰ্দ্ধগামী ধাৰা প্ৰদৰ্শন কৰিছে। পুডুচেৰী আৰু কেৰালাত পুৰুষতকৈ মহিলাৰ লিংগ অনুপাত অধিক। উল্লিখিত ৰাজ্য দুখনত মহিলাৰ লিংগ অনুপাত হ'ল ক্ৰমে ১০৩৭ আৰু ১০৮৪ গৰাকী। সৰ্বভাৰতীয় গড়তকৈ চিকিম আৰু অৰুনাচল প্ৰদেশত লিংগ অনুপাত নিম্ন।

উন্নয়নৰ এই সূচকবিলাকৰ ভিত্তিত এতিয়া আমি ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ অৱস্থাৰ বুজ লও আহক। ২.৮নং তালিকাখনত এই কথা দেখুওৱা হৈছে।

তালিকা ২.৮ ঃ ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ মানব বিকাশৰ নিৰ্বাচিত সূচক

ৰাজ্য	শিশুৰ মৃত্যুৰ হাৰ	সাক্ষৰতাৰ হাৰ			জন্মৰ হাৰ	মৃত্যুৰ হাৰ	লিঙ্গ ভিত্তিক অনুপাত
	মুঠ	মুঠ	পুৰুষ	মহিলা	মুঠ	মুঠ	
অৰুণাচল প্ৰদেশ	৫৫	৬৫.৪	৭২.৬	৫২.৭	২২.৫	৭.৯	৯৩৮
অসম	৩৩	৭২.২	৭৭.৮	৬৬.৩	১৯.৪	৫.৮	৯৫৮
মণিপুৰ	১০	৭৯.২	৮৬.১	৭২.৪	১৪.৬	৪.০	৯৮৯
মেঘালয়	৪৯	৭৪.৪	৭৬.০	৭২.৯	২৪.১	৭.৬	৯৮৭
মিজোৰাম	৩৫	৯১.৩	৯৩.৩	৮৯.৩	১৬.৩	৪.৪	৯৭৬
নগালেণ্ড	১৮	৭৯.৬	৮২.৮	৭৬.১	১৫.৬	৩.২	৯৩১
চিকিম	২৪	৮১.৪	৮৬.৬	৭৫.৬	১৭.২	৫.৪	৮৯০
ত্ৰিপুৰা	২৮	৮৭.২	৯১.৫	৮২.৭	১৩.৯	৪.৮	৯৬০
ভাৰত	৪২	৭৪.০৪	৮২.৪	৬৫.৪৬	২১.৬	৭.০	৯৪৩

উৎস ঃ SRS Bulletin, Vol. 48, No.2, September, 2013, Registrar General, India.

ওপৰৰ তালিকাখন চাই এই কথা ক'ব পাৰি যে অসম আৰু মেঘালয়ক তুলনামূলকভাৱে অঞ্চল-টোৰ আগবঢ়া ৰাজ্য বুলি গণ্য কৰিব পৰা যায় যদিও অন্য ৰাজ্যকেইখনতকৈ আৰু ৰাষ্ট্ৰীয় গড় হিচাপতকৈ এই দুখন ৰাজ্যত শিশুৰ মৃত্যুৰ হাৰ অধিক। অঞ্চলটোৰ আটাইকেইখন ৰাজ্যতে (মেঘালয় আৰু চিক্কিমৰ বাদে) আৰু সামগ্ৰিকভাৱে দেশখনত জনসংখ্যাৰ পুৰুষ খণ্ডটোতকৈ মহিলা খণ্ডটোত শিশুৰ মৃত্যুৰ হাৰ অধিক।

অঞ্চলটোৰ ভিতৰত মিজোৰামত শিক্ষিত লোকৰ সংখ্যা সৰ্বাধিক (৯১.৩ শতাংশ সাক্ষৰতাৰ হাৰেৰে দেশৰ ভিতৰতে দ্বিতীয় স্থানত)। অসম, মেঘালয় আৰু অৰুণাচলত ৰাষ্ট্ৰীয় গড় হিচাপতকৈ সাক্ষৰতাৰ হাৰ কম। আকৌ, দেশৰ আন অংশৰ দৰে উত্তৰ-পূৰ্বাঞ্চলতো পুৰুষতকৈ মহিলাৰ সাক্ষৰতাৰ হাৰ নিম্ন। অৱশ্যে মিজোৰামত এই পাৰ্থক্যটো অত্যন্ত কম।

অঞ্চলটোৰ দুখন ৰাজ্য অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰ দুয়োটাই ৰাষ্ট্ৰীয় গড় হিচাপতকৈ বেছি। মণিপুৰৰ বাহিৰে এই অঞ্চলৰ আটাইকেইখন ৰাজ্যতে আৰু সমগ্ৰ দেশতে জন্মৰ হাৰ নগৰাঞ্চলতকৈ গ্ৰাম্যাঞ্চলত অধিক। মণিপুৰৰ গ্ৰামাঞ্চলত ১৪.৪ আৰু নগৰাঞ্চলত হ'ল ১৫.২১ একেদৰে, সমগ্ৰ দেশত আৰু মণিপুৰক বাদ দি উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যত মৃত্যুৰ হাৰ নগৰাঞ্চলতকৈ গাঁও অঞ্চলত অধিক। মণিপুৰত গ্ৰাম্যাঞ্চলতকৈ নগৰাঞ্চলত মৃত্যুৰ হাৰ অধিক।

ওপৰৰ কথাখিনিৰ পৰা এই কথা উল্লেখ কৰিব পাৰি যে এই নিৰ্বাচিত সূচকবিলাকৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড় হিচাপৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ মান অত্যন্ত পুতৌ লগা নহয়। অৱশ্যে, অসম আৰু মেঘালয়ৰ অৱস্থা বেয়া। কেৱল এই সূচকবিলাকলৈ চাই অৱশ্যে আমি এই সিদ্ধান্তলৈ পোনে পোনে আহিব নোৱাৰোঁ যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ মানৰ বিকাশ অন্য ৰাজ্যবিলাকতকৈ বা ৰাষ্ট্ৰীয় গড় হিচাপতকৈ ভাল; এনে সিদ্ধান্তত উপনীত হ'বলৈ আমি আন কেতবোৰ সূচকৰ কথাও বিবেচনা কৰিবলগীয়া হ'ব।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১২ ঃ শিশুৰ মৃত্যুৰহাৰ (IMR) বুলিলে আপুনি কি বুজে আৰু ই কি সূচায়? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

প্ৰশ্ন নং ১৩ ঃ ২০১১ৰ প্ৰতিবেদন অনুসৰি অঞ্চলটোৰ সাক্ষৰতাৰ হাৰৰ ওপৰত মন্তব্য দিয়ক। (৬০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

প্ৰশ্ন নং ১৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ কোনখন ৰাজ্যত মহিলা শিশুৰ মৃত্যুৰ হাৰ সৰ্বাধিক?

.....

প্ৰশ্ন নং ১৫ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ কোনখন ৰাজ্যত গাওঁ এলেকাত মৃত্যুৰ হাৰ সৰ্বনিম্ন?

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পূৰ্বাঞ্চল (NER) ইয়াৰ খনিজ সম্পদৰ ভাণ্ডাৰৰ ক্ষেত্ৰত যথেষ্ট সমৃদ্ধশালী। অঞ্চলটোৰ পৰীক্ষিত তৈল ক্ষেত্ৰসমূহত থকা খাৰুৱা তেলৰ পৰিমাণ ১৫৮ নিযুত টন বুলি হিচাপ কৰি উলিওৱা হৈছে।
- বনজ সম্পদৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ অত্যন্ত চহকী। কিন্তু ২০০১ চনত অঞ্চলটোত বনাঞ্চলৰ পৰিমাণ ১.২২৪ লাখ বৰ্গ কিল'মিটাৰলৈ হ্ৰাস পায়।
- এই সম্পদৰাজিৰ সৎ ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান বাধাৰ সন্মুখীন হ'বলগীয়া হয়।
- উত্তৰ-পূব ভাৰতত প্ৰচুৰ পৰিমাণে বৰষুণ হয়। বছৰি গড়ে ২০০০ মিঃমিঃ, চেৰাপুঞ্জীত সৰ্বাধিক ১১০০০ মিঃ মিঃ।
- উত্তৰ-পূৰ্বাঞ্চলে দেশৰ ৮% এলেকা আৰু ৪% জনসংখ্যা বহন কৰি আছে। অঞ্চলটোৰ ভিতৰত অসমৰ জনসংখ্যা সৰ্বাধিক ৩,১২,০৫,৫৭৬ আৰু চিক্কিমৰ জনসংখ্যা সৰ্বনিম্ন ৬,১০,৫৭৭ জন।
- উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যা প্ৰধানকৈ গাঁওবাসী। ইয়াৰ গ্ৰাম্য জনসংখ্যাৰ মুঠ পৰিমাণ ৮১.৫৩%। ৰাষ্ট্ৰীয় গড় হিচাপ ৬৮.৮৪% তকৈ ই যথেষ্ট বেছি।
- দেশৰ আন অংশৰ তুলনাত উত্তৰ-পূৰ্বাঞ্চলত জনসংখ্যাৰ ঘনত্ব কম। অৰুণাচল প্ৰদেশত দেশৰ ভিতৰতে ঘনত্ব আটাইতকৈ কম, প্ৰতি বৰ্গ কিল'মিটাৰত মাত্ৰ ১৭জন। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ সমতল ভূমি অসমত ৰাষ্ট্ৰীয় গড় হিচাপতকৈ জনসংখ্যাৰ ঘনত্ব বেছি, প্ৰতি বৰ্গ কিল'মিটাৰত ৩৯৭জন।
- উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ বৃত্তিমূলক বিতৰণ সৰ্বভাৰতীয় ধাৰাৰ সৈতে একে। জনসাধাৰণৰ অধিকাংশ কৃষক অথবা কৃষি শ্ৰমিক হিচাপে কৃষি খণ্ডত নিয়োজিত। দ্বিতীয় বৃহত্তম বৃত্তিগত উৎস হৈছে ঘৰুৱা উদ্যোগবিলাক।
- অঞ্চলটোৰ কেইখনমান ৰাজ্য মানৱ সম্পদ বিকাশৰ নিৰ্বাচিত সূচকৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড় হিচাপতকৈ উন্নত স্থানত আছে। অসম আৰু মেঘালয়ক বাদ দি বাকী ৰাজ্যকেইখন শিশুৰ মৃত্যুৰ হাৰ, জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰৰ ক্ষেত্ৰত দেশৰ গড় হিচাপৰ তুলনাত উন্নত। অঞ্চলটোত শিক্ষিতৰ হাৰো দেশৰ গড় হিচাপতকৈ অধিক, এই ক্ষেত্ৰত অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশহে ব্যতিক্ৰম।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰঃ *অসমৰ অৰ্থনীতি (উত্তৰ-পূব ভাৰতৰ অৰ্থনীতিসহ)*, কল্যাণী পাব্লিচাৰ্চ।

ইংৰাজী গ্ৰন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কয়লা, পেট্ৰলিয়াম, প্ৰাকৃতিক গেছ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মুঠ এলেকাৰ প্ৰায় ২৫%।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০০ মিঃ মিঃ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মিজোৰাম, (খ) অসম

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বাঁহৰ সামগ্ৰীৰ উন্নতি সাধন, ঔষধি উদ্ভিদৰ উন্নয়ন,পৰ্যটনৰ উন্নতি সাধন।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ, (খ) শুদ্ধ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ দেশৰ মূল কেন্দ্ৰ বিন্দুৰ পৰা ভৌগোলিকভাৱে নিলগত থকা হেতুকে আৰু হৈ থাকি আৰু দশকৰ পাছত দশক ধৰি অৰ্থনৈতিকভাৱে অবহেলিত হৈ থকাৰ পাছত উত্তৰ-পূৰ্বাঞ্চল উগ্ৰপন্থা আৰু বিচ্ছিন্নতাবাদৰ সাৱঁৰা ক্ষেত্ৰত পৰিণত হৈছে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বাধিক জনসংখ্যাৰ ৰাজ্য ঃ অসম, সৰ্বনিম্ন জনসংখ্যাৰ ৰাজ্য ঃ চিক্কিম।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৭।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ৮৯০।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ মিজোৰাম।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ শিশুৰ মৃত্যুৰ হাৰ (IMR) মানে হৈছে এটা বছৰত জন্ম হোৱা ১০০০ জীৱন্ত শিশুৰ মাজত মৃত্যুৰ সংখ্যা। ই প্ৰতি ১০০০ জীৱন্ত শিশুৰ ভিতৰত এবছৰত কম বয়সতে মৃত্যু হোৱা শিশুৰ সংখ্যা বুজায়।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ অঞ্চলটোত মিজোৰামত শিক্ষিতৰ হাৰ সৰ্বাধিক (দেশৰ ভিতৰত দ্বিতীয় স্থানত)। অসম, মেঘালয় আৰু অৰুণাচলত ৰাষ্ট্ৰীয় গড় হিচাপতকৈ সাক্ষৰতাৰ হাৰ

নিম্ন। আকৌ, দেশৰ আন অংশৰ দৰে ইয়াতো প্ৰতিখন ৰাজ্যত পুৰুষতকৈ মহিলাৰ সাক্ষৰতাৰ হাৰ কম। অৱশ্যে মিজোৰামত এই পাৰ্থক্য অত্যন্ত কম।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ অসম।

১৫নং প্ৰশ্নৰ উত্তৰ ঃমণিপুৰ।



২.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূৰ্বাঞ্চলত জল সম্পদৰ পৰ্যাপ্ততাৰ বিষয়ে চমুকৈ আলোচন কৰক।

প্ৰশ্ন ২ ঃ অঞ্চলটোৰ প্ৰাকৃতিক সম্পদৰাজিৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানবিলাকৰ বিষয়ে এটা চমু টোকা লিখক।

প্ৰশ্ন ৩ ঃ প্ৰাকৃতিক সম্পদৰাজিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলে লাভ কৰিব পৰা সম্ভাৱনীয়তাবিলাক উল্লেখ কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূব ভাৰতৰ খনিজ আৰু বনজ সম্পদৰাজিৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সম্পদৰাজিৰ ব্যৱহাৰৰ ক্ষেছত থকা সমস্যা আৰু সম্ভাৱনাবিলাকৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ২০১১ৰ পিয়লত প্ৰকাশ পোৱা মতে উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ প্ৰাথমিক বৈশিষ্ট্যবিলাকৰ বিষয়ে মন্তব্য কৰক।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ মানৱ উন্নয়নৰ মান সম্পৰ্কে এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ৩ ঃ উত্তৰ-পূৰ ভাৰতৰ অর্থনৈতিক সমস্যাৱলী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ উত্তৰ পূৰ ভাৰতৰ উমৈহতীয়া বৈশিষ্ট্য

৩.৪ উত্তৰ-পূৰ ভাৰতৰ মূল অর্থনৈতিক সমস্যাসমূহ

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতি পৰীক্ষা কৰণৰ উত্তৰসমূহ

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

উত্তৰ-পূৰ ভাৰত বুলিলে যি আঠখন ৰাজ্যক বুজোৱা হয়, সেই ৰাজ্যসমূহৰ প্রায়বোৰ বৈশিষ্ট্য আৰু সমস্যাৰ কিছু মিল আছে। সেয়ে ৰাজনৈতিক ভাৱে এই ৰাজ্যসমূহক একে লগে উত্তৰ-পূৰ ভাৰত হিচাপে এক অঞ্চল হিচাপে চিহ্নিত কৰা হয়। এই অধ্যায়টোত এই আটাইকেইখন ৰাজ্যক সামৰি তলত দিয়া কথাবোৰ আমি জানিব পাৰিম।

- উত্তৰ-পূৰ ভাৰতৰ বৈশিষ্ট্য আৰু সমস্যাৱলী সম্পর্কে জ্ঞান।
- উত্তৰ পূর্বাঞ্চলৰ অর্থনীতি, বিশেষকৈ অঞ্চলটিৰ শিক্ষা- দীক্ষা, দাৰিদ্র্যতা, নিয়োগ, উদ্যোগীকৰণ ইত্যাদি সম্পর্কে জ্ঞান।
- উত্তৰ-পূৰত ভাৰতৰ অর্থনৈতিক উন্নয়নৰ গতি মন্থৰ হোৱাৰ বাবে দায়ী কাৰক সমূহ।

৩.২ পৰিচয়

উত্তৰ পূর্বাঞ্চল ভাৰতবর্ষৰ হিমালয়ৰ পাদদেশৰ পূৰ প্রান্তৰ পৰা বিস্তৃতি হৈ আছে আৰু বাংলাদেশ, ভূটান, চীন, নেপাল আৰু ম্যানমাৰেৰে ঘেৰি আছে। ই নতুন কৈ অন্তর্ভুক্ত হোৱা চিকিমৰ লগতে সাতভনী খ্যাত অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্রিপুৰাক লৈ গঠিত হৈছে। ইয়াত থকা আঠোখন ৰাজ্যই ভাৰতবর্ষৰ ৭.৯% শতাংশ ভূঃখণ্ডৰে মুঠ ২৬২২৩৯ বর্গ কিঃ মিঃ অঞ্চল সামৰি লৈছে। কিন্তু জনসংখ্যাৰ ফালেদি ই দেশখনৰ কেৱল ৩.৭৭% জনসংখ্যাৰ বসতিস্থল (২০১১ চনৰ লোকপিয়ল অনুসৰি)। অঞ্চলটিৰ জনসংখ্যাৰ ৬৮% মুঠ কেৱল অসমতেই আছে। জনসংখ্যাৰ ঘনত্ব অৰুণাচলত সর্বনিম্ন গৰাকী প্রতি বর্গ ১৭ গৰাকী প্রতি বর্গ কিঃ মিঃৰ পৰা অসমত সর্বোচ্চ প্রতি বর্গ কিঃ মিঃ ত ৩৯৮ গৰাকী। অসমৰ বাহিৰে সকলোবোৰ ৰাজ্যত জনজাতীয় লোকৰ পয়োভৰ য'ত অসমত ১৯.৩%

লোক জনজাতীয় আৰু সৰ্বাধিক জনজাতীয় লোকৰ অনুপাত মিজোৰামত ৯৪.৫%। অঞ্চলটিত ১৬৬ তকৈ অধিক অনুসূচীত জনজাতিৰ লোক আছে আৰু ৪০০ তকৈ অধিক অন্যান্য জনজাতি ও জনগোষ্ঠীৰ লোক আছে।

উত্তৰ-পূৰ্বাঞ্চল এতিয়াও ৪২% গ্ৰাম্য জনসংখ্যাৰে পুতৌজনক নগৰীকৰণৰ প্ৰতিচ্ছবি দাঙি ধৰে। ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ তুলনাত জীৱন ধাৰণৰ মানদণ্ড এই অঞ্চলটিত পিছপৰা। মিজোৰাম, নাগালেণ্ড আৰু চিকিমৰ বাহিৰে আটাইবোৰ ৰাজ্যৰ জনমূৰি আয় সৰ্বভাৰতীয় স্তৰত কৈ কম। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত সৰ্ববৃহৎ (জনসংখ্যাত) ৰাজ্য অসমৰ জনমূৰি আয় হ'ল সৰ্বনিম্ন। বিস্তাৰিত ভাৱে আলোচনালৈ যোৱাৰ পূৰ্বে আমি অঞ্চলটিতৰ জনগাঁথনিৰ ওপৰত আলোকপাত কৰো হক।

তালিকা ৩.১ ঃ উত্তৰ পূৰ্বাঞ্চলৰ জনগাঁথনিৰ ধৰণ

ৰাজ্য	ভৌগলিক বিস্তৃতি (বৰ্গ কিঃ মিঃ)	২০০১চনৰ লোকপিয়লৰ জনসংখ্যা	২০১১চনৰ লোকপিয়লৰ জনসংখ্যা	জনসংখ্যাৰ দহকীয় বৃদ্ধি (%)	জনসংখ্যাৰ ঘনত্ব (প্ৰতি বৰ্গ কিঃ মিঃ)
অসম	৭৮৪৩৮	২৬৬৫৫৫২৮	৩১২০৫৫৭৬	১৭.০৭	৩৯৮
অৰুণাচল প্ৰদেশ	৮৩৭৪৩	১০৯৭৯৬৮	১৩৮৩৭২৭	২৬.০৩	১৭
মণিপুৰ	২২৩২৭	২১৬৬৭৮৮	২৭২১৭৫৬	২৫.৬১	১২২
মেঘালয়	২২৪৮৯	২৩১৮৮২২	২৯৬৪০০৭	২৭.৮২	১৩২
মিজোৰাম	২১০৮১	৮৮৮৫৭৩	১০৯১০১৪	২২.৭৮	৫২
নাগালেণ্ড	১৬৫৭৯	১৯৯০০৩৬	১৯৪০৬০২	-০.৪৭	১১৯
চিকিম	৭০৯৬	৫৪০৮৫১	৬০৭৬৮৮	১২.৩৬	৮৬
ত্ৰিপুৰা	১০৪৯৬	৩১৯৯২০৩	৩৬৭১০৩২	১৪.৭৫	৩৫০
উত্তৰ পূৰ্বাঞ্চল	২৬২২৩৯	৩৮৮৫৭৭৩৯	৪৫৫৮৭৯৮২	১৭.৩২	১৭৪
ভাৰতবৰ্ষ	৩১৬৬৪১৪	১০২৭০১৫২৪৭	১২১০১৯৩৪২২	১৭.৮৪	৩৮২

উৎস ঃ লোকপিয়ল ২০০১, লোকপিয়ল ২০১১

উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনগাথঁনিৰ ৰূপৰেখা দেখুওৱা উক্ত তালিকাৰ পৰা দেখা যায় য়ে জনসংখ্যা বৃদ্ধিৰ ধাৰণা ভিন ভিন ৰাজ্যত ভিন ভিন। এটা মনকৰিবলগীয়া কথা যে ২০০১ ৰ পৰা ২০১১ চনৰ দশকত নাগালেণ্ডত জনসংখ্যা বৃদ্ধি ঋণাত্মক অৰ্থাৎ উক্ত দশকটিত ৰাজ্যখনত মুঠ জনসংখ্যা হ্ৰাসহে হৈছে। ই প্ৰাকৃতিক নহয়। হয়তো অধিক বহিঃপ্ৰব্ৰজন কিংবা জন্মহাৰত কৈ ৰাজ্যখনৰ মৃত্যুৰ হাৰ অধিক, যিটো সাম্প্ৰতিক ভাৰতবৰ্ষত অপ্ৰাকৃতিক। ই লোকপিয়লত অসম্পূৰ্ণ তথ্যৰ বাবেও হ'ব পাৰে।

৩.৩ উত্তৰ-পূৰ ভাৰতৰ উমৈহতীয়া বৈশিষ্ট্যসমূহ ঃ

ভাৰতবৰ্ষত উত্তৰ পূৰ্বাঞ্চল প্ৰাকৃতিক সম্পদত চহকী, ঘন অৰণ্যৰ সতে সৰু বৰ নৈ উপনৈৰে এক অনুপম ঐতিহ্যৰে আৱৰা। তৎসত্বেও অঞ্চলটি দেশখনৰ ভিতৰতে অধিক পিছপৰা অঞ্চল হৈ আছে। চাৰিত্ৰিকভাৱে অঞ্চলটি ভিন্ন সংস্কৃতি, নীতি-নিয়ম, পৰম্পৰা, ভাষা, জনজাতীয় জীৱনশৈলীৰ ওপৰিও অৰ্থনৈতিক কাম-কাজৰ ক্ষেত্ৰতো কেতবোৰ স্বকীয়তা আছে। আমি অঞ্চলটিৰ অৰ্থনীতিৰ তলত দিয়া কেতবোৰ বৈশিষ্ট্যৰ ওপৰত আলোকপাত কৰিব পাৰো।

- **নিম্ন জনমূৰি আয় ঃ** প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতা তথা সম্ভাৱনীয়তা থকা সত্বেও উত্তৰ পূৰ্বাঞ্চলৰ আটাইবোৰ ৰাজ্যৰে জনমূৰি আয় তুলনামূলক ভাৱে কম। ২০১৩-১৪চনৰ চলিত দৰত, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনমূৰি আয় ৪৯৯৫৯ টকা, যিটো সৰ্বভাৰতীয় স্তৰত ৬৮৭৪৭ টকা। চিকিম আৰু অৰুণাচল প্ৰদেশৰ বাহিৰে আটাইবোৰ ৰাজ্যৰে জনমূৰি আয় ৰাষ্ট্ৰীয় গড়তকৈ কম। ২০১৩-১৪ চনৰ চলিত দৰত ১৭৬৪৯১টকা জনমূৰি আয়েৰে চিকিম উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত শীৰ্ষত আছে। আনহাতে একে সময়ত ৩৬৯৩৭ টকা জনমুৰি আয়েৰে মণিপুৰ জনমূৰি আয়ৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত আটাইতকৈ তলত আছে। অসম, য'ত উত্তৰ-পূৰ্বঞ্চলৰ আধাতকৈ অধিক জনসংখ্যা বসবাস কৰে আৰু যাক উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক ও ব্যৱসায়িক কাম কাজৰ অভিকেন্দ্ৰ বুলি কোৱা হয়, সেই ৰাজ্য জনমূৰি আয়ৰ ক্ষেত্ৰত নিম্নৰ ফালৰ পৰা দ্বিতীয়।
- **জনগাঁথনি ও জনসংখ্যাৰ ঘনত্ব ঃ** উত্তৰ পূবাঞ্চলত জনসংখ্যাৰ গাঁথনি ভাৰতবৰ্ষৰ আন আন ঠাইতকৈ কম। কেৱল অসমত প্ৰতি ৩৯৮ কিঃ মিঃ গৰাকী জনসংখ্যাৰে সৰ্ব-ভাৰতীয় স্তৰতকৈ অধিক জনসংখ্যাৰ ঘনত্ব আছে। প্ৰতি বৰ্গ কিঃ মিঃ ত মাত্ৰ ১৩ গৰাকী লোকেৰে অৰুনাচল প্ৰদেশ সমগ্ৰ দেশৰ ভিতৰতে নিম্ন জনসংখ্যাৰ ঘনত্বৰ ৰাজ্য। অঞ্চলটিত গৰিষ্ঠ সংখ্যক লোকেই জনজাতীয় আৰু পৰম্পৰাগত জীৱন শৈলী ও কৰ্ম সংস্কৃতি আছে।
- **প্ৰাকৃতিক সম্পদত চহকী ঃ** ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ প্ৰাকৃতিক সম্পদত চহকী। অঞ্চলটিৰ অধিকাংশই বন আৰু পাহাৰেৰে আৱৰা। কেৱল অসমৰ বাহিৰে, যাৰ আধাতকৈ অধিক লোক সমতলীয় অঞ্চলত বাস কৰে, বাকীবোৰ ৰাজ্য মূলত পাহৰীয়া অথবা সমতলীয়া বনাঞ্চলে আৱৰা। তাৰোপৰি অসম, মেঘালয় আদিৰ দৰে ৰাজ্যসমূহত খনিজ সম্পদত উৎস। মেঘালয় অধিক পৰিমাণৰ খনিজ সম্পদ যেনে— কেতলিন, চিলমেনাইট, ফচফেট, ড'ল'মাইট আৰু ইউৰেণিয়ামৰ উৎসৰ বাবে সৰ্বত্ৰ প্ৰশংসিত। অসম তেল আৰু প্ৰাকৃতিক গেছৰ উৎসৰ বাবে বিখ্যাত য'ত এনেকুৱা সম্পদৰ ওপৰত স্থাপিত কেবাটাও শোধানগাৰ আছে। অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ ভিতৰত অসমৰ চাহ বিশ্বৰ ভিতৰতে খ্যাত। চাহ গছৰ পুলিসমূহ উজনি ব্ৰহ্মপুত্ৰ আৰু

বৰাক উপত্যকাত প্ৰচুৰ পৰিমানে গজে। অৰুণাচলৰে পূৰ প্ৰান্তত চাহ খেতিৰ পয়োভৰ দেখা যায়। অসমে ভাৰতবৰ্ষত ভিতৰতে সৰ্বাধিক চাহ উৎপাদনকাৰী ৰাজ্য আৰু দেশৰ ২০০০ খন চাহ বাগিছাৰ ভিতৰত ১০২০ খন চাহ বাগিছা অসমতে আছে যাৰ গড় উৎপাদন প্ৰতি হেক্টৰত ১৭৬৯ কিলো। অঞ্চলটিত বহুতো নৈ উপনৈ তথা জলপ্ৰপাত নিজৰাৰ অৱস্থিতিৰে জলসম্পদৰো প্ৰচুৰ সম্ভাৱনীয়তা আছে।

- **আন্তৰাষ্ট্ৰীয় সীমাৰ অংশীদাৰ ঃ** উত্তৰ পূৰ্বঞ্চলে চুবুৰীয়া দেশৰ সৈতে ৫১৮২ কিলোমিটাৰৰ বৃহৎ আন্তঃৰাষ্ট্ৰীয় সীমাৰে সংলগ্ন হৈ আছে। অৰ্থাৎ অঞ্চলটিৰ ৯৯% শতাংশ সীমাই আন্তৰাষ্ট্ৰীয় সীমা। ই উত্তৰে তিব্বত আৰু চীনৰ লগত ১৩৯৫ কিঃ মিঃ, পূৰে ম্যানমাৰৰ লগত ১৬৪০ কিঃ মিঃ, দক্ষিণ-পশ্চিমত বাংলাদেশৰ লগত ১৫৯৬ কিঃ মিঃ, পশ্চিমত নেপালৰ লগত ৯৭ কিঃ মিঃ আৰু উত্তৰ পশ্চিমত ভুটানৰ লগত ৪৫৫ কিঃ মিঃ সীমা উমৈহতীয়া ভাৱে বহন কৰে। ইয়াৰ লগত অধিক আন্তৰাষ্ট্ৰীয় সীমা সংলগ্ন থকাৰ বাবে কেতবোৰ অৰ্থনৈতিক সুবিধা আছে যদিও কেতবোৰ সমস্যাও আছে।



জানি থোৱা ভাল

উত্তৰ পূৰ্বাঞ্চলখন দেশৰ বাকী অংশৰ লগত পশ্চিমবংগৰ শিলিগুৰী কৰিড'ৰৰ জৰিয়তে সংযুক্ত হৈ আছে ইয়াৰ বিস্তৃতি মাত্ৰ ২১ কিঃ মিঃৰ পৰা ৪১ কিঃ মিঃ। এই সংলগ্নিত হৈ থকা ঠেক অঞ্চল, যাৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চল ভাৰতৰ বাকী অংশৰ লগত ভৌগলিক ভাৱে সংযুক্ত হৈ আছে, এইখিনিক '(চিকেন নেক' 'কুকুৰাৰ ডিঙি)' (Chicken Neck) বুলি কোৱা হয়"।

- **মন্থৰ উদ্যোগীকৰণ আৰু নিয়োগ সৃষ্টি ঃ** কেতবোৰ বহু কাৰণত উত্তৰ পূৰ্বঞ্চলত উদ্যোগীকৰণ প্ৰক্ৰিয়া তেনেই লেহেমীয়া। যাতায়ত আৰু যোগাযোগৰ অসুবিধা তথা কিছুপৰিমাণে ৰাজনৈতিক উপাদানে অঞ্চলটিৰ দ্ৰুত উদ্যোগীকৰণৰ নেতিবাচকভাৱে প্ৰভাৱান্বিত কৰি আছে। যিহেতু গুৰু উদ্যোগসমূহ ইয়াত পৰ্য্যাপ্ত পৰিমাণে গঢ় লৈ উঠা নাই অঞ্চলটিত নিয়োগ সৃষ্টিত সন্তোষজনক হ'ব পৰা নাই।
- **জনজাতীয় আৰু গ্ৰাম্য জনসংখ্যা ঃ** অঞ্চলটিত গৰিষ্ঠ সংখ্যক লোক গ্ৰাম্যাঞ্চলত বাস কৰে আৰু সেয়ে ইয়াৰ অৰ্থনীতিত মূলতঃ গ্ৰাম্য নিৰ্ভৰ আৰু কৃষি ভিত্তিক। তদুপৰি কুটীৰ ও ক্ষুদ্ৰ উদ্যোগে ইয়াৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- **কৃষিৰ ওপৰত অধিক নিৰ্ভৰশীলতা ঃ** উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনীতি প্ৰধানকৈ কৃষি নিৰ্ভৰ। কিন্তু উৎপাদনৰ কৌশল বা কৃষি পদ্ধতি এতিয়াও আওপুৰণি। আনকি ভাৰতবৰ্ষত সেউজ বিপ্লৱৰ কেইবা দশক পিছতো পাহাৰীয়া কেতবোৰ ঠাইত এতিয়াও ঝুম খেতি (shifting cultivation) কৰা দেখা যায়। যিটো পৰিৱেশৰ সুচলতাৰ পৰিপন্থী। আওপুৰণি কৃষি পদ্ধতিৰ বাবে কৃষিৰ পৰা অহা আয়ো তুলনামূলক ভাৱে কম।

- **দাৰিদ্ৰতা ঃ** যদিও ৰাজ্যৰ সংখ্যাৰ ফালৰ পৰা দৰিদ্ৰতাৰ বোজাৰ ক্ষেত্ৰত অধিক ৰাজ্যতে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোক সৰ্বভাৰতীয় স্তৰৰ তুলনাত কম অসম, মণিপুৰ, আৰু অৰুণাচলৰ দৰে ডাঙৰৰাজ্যসমূহত দৰিদ্ৰ্যতাৰ পয়োভৰ অধিক দেখা যায়। সৰু ৰাজ্য চিকিম, নাগালেণ্ড আৰু মিজোৰামৰ দৰিদ্ৰ লোকৰ সংখ্যা কম দেখা যায়। কিন্তু সামাগ্ৰিক ভাৱে দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোকৰ সংখ্যাৰ হাৰ অঞ্চলটিত অধিক যাৰ কাৰণ হয়তো অঞ্চলটিৰ বিকাশৰ নিম্ন হাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উত্তৰ পূৰ্বাঞ্চলৰ কোনখন ৰাজ্যৰ জনমূৰী আয় সৰ্বাধিক?

.....

প্ৰশ্ন নং ২ ঃ ২০১১ চনৰ লোক পিয়ল অনুসৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ জনসংখ্যাৰ ঘনত্ব উল্লেখ কৰা (২০ টা মান শব্দৰ ভিতৰত)

.....

.....

৩.৪ উত্তৰ-পৰ্বাঞ্চলৰ প্ৰধান অৰ্থনৈতিক সমস্যাৱলী

উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ পিছ পৰি থকাৰ কাৰক সমূহক ভালদৰে অনুধাৱন কৰিবলৈ হ'লে ৰাজ্যসমূহে সন্মুখীন হৈ থকা উমৈহতীয়া সমস্যা সমূহ অধ্যয়ন কৰিব লাগিব। এইবোৰৰ ভিতৰত আছে দাৰিদ্ৰ্যতা, নিৰনুৱা, মন্থৰ উদ্যোগীকৰণ, নিম্ন মুলধন গঠন তথা অন্যান্য কেতবোৰ আৰ্থ সামাজিক সমস্যাৰাজি যিবোৰ তলত আলোচনা কৰা হ'ল—

৩.৪.১ ঃ দৰিদ্ৰতা

আগতেই উল্লেখ কৰাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনমুৰী আয় তেনেই কম, আৰু দৰিদ্ৰতাৰ হেঁচা অতি অধিক। নিয়োগৰ সুবিধাৰ অভাৱে বৃহৎ সংখ্যক লোকক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰিবলৈ বাধ্য হোৱাৰ বাবে দায়ী। দৰিদ্ৰতাৰ পৰিমাণৰ বাবে তেওঁলোকৰ পদ্ধতি অনুসৰি যদিও অঞ্চলটিৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোক বহুত বেছি নহয়, বহুমুখী দৰিদ্ৰতাৰ পৰিমাপৰ ক্ষেত্ৰত অঞ্চলটিৰ প্ৰতিটো ৰাজ্যই উচ্চ দৰিদ্ৰতাত ভোগে। পৰিকল্পনা আয়োগৰ দ্বাৰা ২০১৪চনত প্ৰকাশিত প্ৰতিবেদন অনুযায়ী, ভাৰতবৰ্ষত ২০১১ - ১২ চনৰ দৰিদ্ৰতাৰ জৰীপত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত ৩৬.৯ শতাংশ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা মণিপুৰ হৈছে আটাইতকৈ অধিক দৰিদ্ৰতা

জৰ্জৰ ৰাজ্য। অৰুণাচল প্ৰদেশ আৰু অসমত ক্ৰমে ৩৪.৭ শতাংশ আৰু ৩২.১ শতাংশ লোক দাৰিদ্ৰ্য সীমা ৰেখাৰ তলত বাস কৰে। ৰাজ্য অনুযায়ী দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা আৰু মুঠ জনসংখ্যাৰ বিপৰীতে দৰিদ্ৰ লোকৰ অনুপাত (শতাংশ) তলত তালিকাত দেখুওৱা হ'ল—

তালিকা ৩.২ ঃ দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা আৰু শতাংশ (তেণ্ডুলকাৰৰ পদ্ধতি) চন ঃ ২০১১-১২

ৰাজ্য	দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা (লাখৰ হিচাপত)	দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ (%)
অৰুণাচল প্ৰদেশ	৪.৯	৩৪.৭
অসম	১০১.৩	৩২.০
মণিপুৰ	১০.২	৩৬.৯
মেঘালয়	৩.৬	১১.৯
মিজোৰাম	২.৩	২০.৪
নাগালেণ্ড	৩.৮	১৮.৯
চিকিম	০.৫	৮.২
ত্ৰিপুৰা	৫.২	১৪.০
উত্তৰ পূৰ্বাঞ্চল	১৩১.৮	
সৰ্ব ভাৰত	২৬৯৭.৮	২১.৯

উৎস ঃ *পৰিকল্পনা আয়োগ, ভাৰত চৰকাৰ, ২০১৪*

যদিও দেখা যায় যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ হাৰ কম, এইটো গুৰুত্বপূৰ্ণ যে অধিক জনসংখ্যা থকা ৰাজ্যত দৰিদ্ৰতাৰ হাৰ অধিক। সমগ্ৰ পূৰ্বাঞ্চলত মুঠ ১৩১.৮ লাখ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে যিটো দেশখনৰ দৰিদ্ৰ লোকৰ ৪.৮৯ শতাংশ। ভাৰতৰ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ হাৰ হ'ল ৩.৭৭ শতাংশ। অৱশ্যে যদিহে বহু দিশীয় দৰিদ্ৰতাৰ সূচাংকৰ পৰিমাণ কৰা হয়, যিটো অন্যান্য কেতবোৰ আৰ্থ-সামাজিক সা-সুবিধাৰ প্ৰাচুৰ্য্যতাৰ ওপৰত ভিত্তি কৰি কৰা হয়, উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ অৱস্থা অধিক পুতৌজনক হ'ব।

৩.৪.২ ঃ নিৰনুৱা

নিৰনুৱা উত্তৰ পূৰ্বাঞ্চলৰ এক অন্যতম জটিল সমস্যা সমূহৰ ভিতৰত এটা। সংগঠিত খণ্ডত লেহেমীয়া নিয়োগ সৃষ্টি প্ৰক্ৰিয়াৰ বাবে, অঞ্চলটিত নিৰনুৱা এক বহু জৰ্জৰিত সমস্যা ৰূপে দেখা দিছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত নিৰনুৱাৰ হাৰ অধিক। শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ৰ প্ৰতিবেদন অনুসৰি, ২০১৪ চনত অৰুণাচল প্ৰদেশৰ নিৰনুৱাৰ হাৰ আছিল প্ৰতি হাজাৰত ১৪০ গৰাকী। অসমৰ নিৰনুৱাৰ হাৰ হ'ল প্ৰতি হাজাৰ শ্ৰমিকত ৬৪ গৰাকী যিটো সৰ্বভাৰতীয় নিৰনুৱাৰ হাৰতকৈ অধিক। একে সময়খিনিত ভাৰতবৰ্ষৰ নিৰনুৱাৰ হাৰ হ'ল ৪৯ গৰাকী প্ৰতি হাজাৰত। উত্তৰ-পূৰ্বাঞ্চলত সংগঠিত খণ্ডত নিয়োগ খুবেই কম। উত্তৰ পূব পৰিষদ (NEC) ৰ প্ৰাথমিক পৰিসংখ্যা প্ৰতিবেদন, ২০১৫ ত আমি দেখা পাও যে অঞ্চলটিত ২০১০-২০১১ চনলৈ সংগঠিত খণ্ডত নিয়োগ সৃষ্টিৰ গতি ঋণাত্মক। ২০১১ চনত সংগঠিত খণ্ডত নিয়োগ আছিল ১৪.৮১ লাখ যাৰ বিপৰিতে ২০১০ চনত আছিল ১৪.৯৭ লাখ আৰু এনেদৰে সময়ছোৱাত অঞ্চলটিত সংগঠিত খণ্ডত -১.১ শতাংশ বিকাশ আছিল। এই ঋণাত্মক নিয়োগ সৃষ্টিৰ কাৰণ হ'ল মূলত ৰাজহুৱা খণ্ডৰ পয়ালগা অৱস্থা। সৰ্বভাৰতীয় স্তৰত ব্যক্তিগত খণ্ডত উপস্থিতিৰ বাবে নিয়োগৰ ক্ষেত্ৰ ১% বিকাশ হৈছিল। এনেদৰে বৰ্দ্ধিত শ্ৰম শক্তিৰ বিপৰিতে ঋণাত্মক নিয়োগ সৃষ্টিৰ বাবে অঞ্চলটিয়ে নিৰনুৱা সমস্যাত ভুগি আছে। উচ্চ নিৰনুৱাৰ হাৰৰ আন এটা কাৰণ হ'ল উদ্যোগনীতি বিকাশৰ অভাৱ। যা হওঁক আমি ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত উচ্চ পৰিমাণৰ দৰিদ্ৰতা আৰু নিৰনুৱাৰ কাৰক তলত উল্লেখ কৰা কেতবোৰ অন্যান্য কাৰকো উল্লেখ কৰিব পাৰো।

- উদ্যোগৰ বিকাশৰ মন্থৰ গতি।
- দ্ৰুত জনসংখ্যা বৃদ্ধি
- আওপুৰণি কৃষি পদ্ধতি
- সু নিয়োজনৰ অপৰ্য্যাপ্ত সা-সুবিধা।
- কৌশল আধাৰিত শিক্ষাৰ অভাৱ।

৩.৪.৩ ঃ মুলধন গঠন

বিভিন্ন কাৰণত উত্তৰ পূৰ্বাঞ্চলত মুলধন গঠন তেনেই কম। অৱশ্যে অঞ্চলটিত নিম্ন হাৰৰ মুলধন গঠনৰ ক্ষেত্ৰত ভৌগলিক উপাদানো আছে, এই ভৌগলিক কাৰক সমূহৰ উপৰিও পথ আৰু যোগাযোগ ব্যৱস্থাও উন্নত হোৱা নাই। যিহেতু প্ৰায়বোৰ ঠাই পাহাৰীয়া আৰু ঋতুগত ভাৱে বানপানীৰ দ্বাৰা আক্ৰান্ত হয় তথা গৰাখহনীয়াত ৰাস্তা ঘাট আৰু পৰিবহন ব্যৱস্থা ভাল অৱস্থাৰ ৰখাৰ ব্যয়

অধিক। তদুপৰি অপৰ্য্যাপ্ত বেংক সেৱাও অঞ্চলটিত মুলধনৰ অভাৱৰ অন্যতম কাৰক। আনকি প্ৰচলিত বেংক সেৱাৰ ক্ষেত্ৰতো ঋণ-জমা অনুপাত অঞ্চলটিৰ বাবে প্ৰতিকুল। ৰিজাৰ্ভ বেংকৰ দ্বাৰা প্ৰকাশিত 'ভাৰতবৰ্ষত বেংক সেৱাৰ ধাৰা আৰু বিকাশ' ২০০৮-০৯ ৰ প্ৰতিবেদন অনুসৰি, উত্তৰ পূৰ্বাঞ্চলত প্ৰতি বেংক শাখাৰ বিপৰীতে জনসংখ্যা হ'ল ২১০০০ য'ত সৰ্বভাৰতীয় ক্ষেত্ৰত এই সংখ্যা ১৫০০০। ঋণ-জমাৰ অনুপাতো ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলত ভয়ানক ভাৱে কম। একেটা প্ৰতিবেদন অনুসৰি, সৰ্বভাৰতীয় স্তৰত ঋণ জমা অনুপাত ৭২.৫ শতাংশৰ বিপৰীতে উত্তৰ পূৰ্বাঞ্চলত এই অনুপাত ৩৫.৪ শতাংশ। উত্তৰ পূৰ্বাঞ্চলৰ কোনো এখন ৰাজ্যতো সৰ্ব ভাৰতীয় গড়ৰ সমান ঋণ-জমা অনুপাত নাই। অঞ্চলটিৰ ৰাজ্য সমূহৰ ভিতৰত ৫৮.৯ শতাংশৰে মিজোৰামত সৰ্বাধিক ঋণ জমা অনুপাত আছে। এনেদৰে ক'ব পাৰি যে বেংক সংস্থাবোৰে উত্তৰ পূৰ্বাঞ্চলত ঋণ প্ৰদান কৰা নাই, ববং তেওঁলোকে ইয়াৰ পৰা পুঁজি দেশৰ অন্যান্য অঞ্চললৈ নিহে আছে।

তদুপৰি মনুষ্য নগৰীকৰণ, আন্তঃগাথনিৰ উন্নয়নৰ বাবে চৰকাৰী আঁচনি সমূহৰ দূৰ্বল ৰূপায়ণ, কেতবোৰ ৰাজনৈতিক উপাদান তথা বিচ্ছিন্নতাবাদী সমস্যা ও সঘনাই হোৱা আন্দোলন আদিও অঞ্চলটিত নিম্ন মুলধন গঠনৰ বাবে অৰিহণা যোগাই আহিছে। মুলধন বা পুঁজিৰ অভাৱৰ বাবে যুৱক-যুৱতীৰ মাজত স্ব নিয়োজনৰ উৎসাহ হীনতাই নিৰনুৰাৰ সংখ্যা অধিক কৰিছে। তাৰোপৰি বেংক ঋণৰ যোগেদিয়ে হওঁক অথবা সুচল সামাজিক পৰিকাঠামো তথা আন্তগাথঁনিৰ জৰিয়তেই হওঁক উদ্যোগীকৰণ মুলধনৰ ওপৰত খুবেই নিৰ্ভৰশীল। গতিকে নিম্ন মুলধন গঠনে উদ্যোগিক বিকাশো স্থবিৰ কৰি ৰাখে।

৩.৪.৪ ঃ উত্তৰ পূৰ ভাৰতৰ আনকেতবোৰ আৰ্থ সামাজিক সমস্যা

উত্তৰ পূৰ্বাঞ্চলে মুখামুখী হৈ থকা প্ৰায়বোৰ সমস্যাই মুলত পাৰস্পৰিক সম্বন্ধ যুজ। অৰ্থনৈতিক উপাদান সমূহৰ ওপৰিও, উত্তৰ পূৰ্বাঞ্চলত কেতবোৰ সামাজিক সমস্যাও আছে যিবোৰ সামগ্ৰিক ভাৱে ইয়াৰ অৰ্থনীতিক পিছ পেলাই ৰাখিছে। এনে কেতবোৰ সমস্যা তলত আলোচনা কৰা হ'ল।

- *মনুষ্য উদ্যোগীকৰণ ঃ* ইতিমধ্যেই আলোচনা কৰা হৈছে আৰু আমি দেখা পাওঁ যে উত্তৰ পূৰ্বাঞ্চলত উদ্যোগীকৰণ আৰু নগৰীকৰণ মনুষ্য। কেইটামান প্ৰাকৃতিক সম্পদ নিৰ্ভৰ গুৰু উদ্যোগৰ বাহিৰে অঞ্চলটিত কোনো বৃহৎ উদ্যোগ নাই। বৃহৎ উদ্যোগ ইয়াত গঢ় লৈ নুঠাৰ কাৰক বহুতো। তাৰ ভিতৰত পৰিবহন ও যোগাযোগৰ সমস্যা বিচ্ছিন্নতাবাদ তথা সঘনাই হোৱা আন্দোলনৰ সমস্যা, আদিৰ বাবে বিনিয়োগকাৰীয়ে এই ঠাইত তেওঁলোকৰ গোট স্থাপনৰ বাবে আগ্ৰহী নহয়। তাৰোপৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক প্ৰতিনিধি সকলৰ হেঁচাৰ অভাৱত

অঞ্চলটি আন আন অঞ্চলৰ তুলনাত বঞ্চিত হৈ থাকে। অঞ্চলটিত মনুহৰ উদ্যোগীকৰণৰ বহুতো কাৰক আছে।

যেনে—

- দুর্বল আন্তঃগাঁথনি মূলতঃ পৰিবহন আৰু যোগাযোগ ব্যৱস্থা
- পুঁজিৰ অভাৱ আৰু নিম্ন ৰাজহুৱা বিনিয়োগ
- বিচ্ছিন্নতা ও গোষ্ঠীগত সমস্যাৰ পৰা উদ্ভৱ হোৱা অস্থিৰতা
- কৃষি আৰু উদ্যোগখণ্ডৰ মাজত সামঞ্জস্যহীনতা
- উদ্যোগীক উদগনি তথা ঋণৰ অভাৱ
- বৃহৎ উদ্যোগ স্থাপনৰ বাবে চৰকাৰী পদক্ষেপৰ অপর্য্যপ্ততা।

➢ *গোষ্ঠীগত অস্থিৰতা সৃষ্ট বিচ্ছিন্নতাবাদ আৰু আন্দোলন ঃ* উত্তৰ পূর্বঞ্চলত বিভিন্ন জনগোষ্ঠীয়ে তেওঁলোকৰ নিজ নিজ সমস্যাৰ সমাধানৰ দাবীত সঘনাই বন্ধ, ধর্ণা আদি কার্য্যসূচীৰে পৰিস্থিতি উত্তপ্ত কৰি ৰখাৰ বাবে বিখ্যাত। তদুপৰি উগ্রপন্থী গোট বা বিচ্ছিন্নতাবাদী শক্তি সমূহ যেনে এন. এছ. ছি.এন (NSCN), আলফা (ULFA), KPLT, NDFB আদিয়েও স্থানীয় আৰু অস্থানীয় বিনিয়োগ কাৰীৰ মাজত ভীতি গ্রস্থতাত সৃষ্টি কৰে। বিচ্ছিন্নতাবাদ আৰু গোষ্ঠীগত অস্থিৰতাই অঞ্চলটিত উদ্যোগিক উন্নয়ন তথা আন আন উন্নয়নমূলক প্রকল্প গঢ় লৈ উঠাত বৃহৎ প্রত্যাহ্বানৰ সৃষ্টি কৰিছে।

➢ *আন্তৰাষ্ট্রীয় সীমান্তৰ উপস্থিতি আৰু অনুপ্রৱেশৰ সমস্যা ঃ* উত্তৰ পূর্বাঞ্চলৰ প্রায়বোৰ ৰাজ্যৰ ক্ষেত্রতে বিদেশী প্রৱজন এক গুৰুত্বপূর্ণ ৰাজনৈতিক তথা অর্থনৈতিক সমস্যা। পূৰ পাকিস্থান (বর্তমান বাংলাদেশ)ৰ পৰা অসমলৈ হোৱা অনুপ্রৱেশে ৰাজ্যখনৰ জনগাথনিৰ যথেষ্ট পৰিবর্তন কৰা বুলি সর্বত্রে চর্চা হৈছে। ই অসমৰ থলুৱা লোকৰ অস্তিত্ব তথা ৰাষ্ট্রীয় নিৰাপত্তাৰ প্রতিও এক ভাবুকি। অবৈধ প্রবজন সংঘটিত হয় মুলত অসমত উর্ধত। কৃষিভুমিৰ প্রাচুর্য্যতা আৰু নিয়োগ সুবিধাৰ বাবে। অবৈধ অনুপ্রৱেশেই অস্থিৰ ৰাজনৈতিক বতাহ সামাজিক, অর্থনৈতিক, গোষ্ঠীগত তথা বাণিজ্যিক উদ্বিগ্নতাৰ জন্ম দিছে। অনুপ্রৱেশৰ সমস্যাৰ উপৰিও চীন আৰু বাংলাদেশৰ লগত সংলগ্ন সীমান্তই উত্তৰ পূর্বাঞ্চলৰ প্রায়বোৰ ৰাজ্য বিশেষকৈ অসম, চিকিম, অৰুণাচল প্রদেশ আৰু মেঘালয়ক আক্রান্ত কৰিছে। ইয়ে বিভিন্ন উগ্রপন্থী যেনে ULFA, NSCN, NDFB আদিৰ গতিবিধিক সহায় কৰিছে। বিশেষকৈ উত্তৰ পূর্বাঞ্চলক দেশৰ সৈতে সংযোগ কৰা 'চিকেন নেক' (Chicken Neck) অঞ্চলটিৰ নিৰাপত্তাৰ ক্ষেত্রত খুবেই বিপদজনক।

উত্তৰ পূব-ভাৰতৰ যদিও কেতবোৰ উমৈহতীয়া বৈশিষ্ট আছে, ৰাজ্য সমূহৰ কেতবোৰ নিজা নিজা স্বকীয় বিষয় আৰু সমস্যা আছে যিবোৰ উমৈহতীয়া নহয়। কিন্তু প্ৰাথমিক সমস্যাসমূহ যেনে মনুহৰ উদ্যোগিকৰণ, নিৰনুৱা, আন্তৰাষ্ট্ৰীয় সীমা আৰু অনুপ্ৰৱেশৰ সমস্যা, পৰ্যপ্ত ও সুচল বাটপথ আৰু পৰিবহন ব্যৱস্থা তথা আন্তঃগাঁথনিৰ অভাৱ আদি অঞ্চলটিৰ আটাইবোৰ ৰাজ্যৰ উমৈহতীয়া সমস্যা। আন্তৰাষ্ট্ৰীয় সীমা সম্পৰ্কিত বিষয় যেনে সংশ্লিষ্ট পক্ষৰ মতভেদ দুৰ কৰা বা মীমাংসা কৰা সীমান্ত বাহিনীৰে দ্বাৰা পৰ্য্যাপ্ত পহৰা দিয়া কাঁইটীয়া তাৰৰ বেৰ দিয়া, দ্বিপাক্ষিক চুক্তি সম্পাদন ও সেইবোৰ পালন কৰা আদি উত্তৰ পূৰ্বাঞ্চলৰ দ্রুত উন্নয়নৰ বাবে খুবেই আৱশ্যকীয়। লগতে অঞ্চলটিৰ অর্থনৈতিক উন্নয়ন বৰ্দ্ধিত বিচ্ছিন্নতাবাদ তথা উগ্রপন্থী কার্য্যকলাপ ৰোধৰ বাবে জৰুৰী। এইবোৰ সমস্যা ৰাজনৈতিক সদিচ্ছাৰে সমাধানে সামগ্রিক ভাৱে কিছু সকাহ হ'ব, কিন্তু অঞ্চলটিৰ সমস্যা ৰাজি মুখামুখি হ'বলৈ অর্থনৈতিক উন্নয়ন হ'ল উত্তম পন্থা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কোনবিধ খনিজ সম্পদৰ বাবে মেঘালয় বিখ্যাত ?

.....

প্রশ্ন নং ৪ ঃ অসমত কিমানটা তেল শোধনাগাৰ আছে? (২০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন নং ৫ ঃ উত্তৰ পূৰ্বাঞ্চলত মনুহৰ উদ্যোগীকৰণৰ কাৰক সমূহ উল্লেখ কৰা (৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলে অষ্টভনীক সামৰি লয় — অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম,নাগালেণ্ড, ত্রিপুৰা আৰু লগতে হিমালয় উপত্যকাৰ এখন সৰু ৰাজ্য চিকিম।
- ভাৰতবর্ষৰ উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত ৰাজ্যকেইখনে মুঠ ২৬২২৩৯ বর্গ কিঃ মিঃ মাটি কালিৰে দেশখনৰ ভৌগলিক পৰিসীমাৰ ৭.৯% অংশ সামৰি লয়, কিন্তু জনসংখ্যাৰ

ক্ষেত্ৰত ৪৫.৫ মিলিয়ন বা ভাৰতৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৩.৭৭% শতাংশক সামৰি লয়। (২০১১চনৰ লোকপিয়ল মতে)

- অঞ্চলটিৰ মুঠ জনসংখ্যাৰ ৬৮ শতাংশতকৈ অধিক কেৱল অসমতেই বাস কৰে।
- জনসংখ্যাৰ ঘনত্ব সৰ্বনিম্ন অৰুণাচল প্ৰদেশত। প্ৰতি বৰ্গ কিঃ মিঃ ১৭ গৰাকী আৰু সৰ্বোচ্চ অসমত প্ৰতি বৰ্গ কিঃ মিঃত ৩৯৮ গৰাকী।
- ৮২ শতাংশ জনসংখ্যা গ্ৰামাঞ্চলত বাস কৰা হিচাপে অঞ্চলটো মুলতঃ এতিয়াও গ্ৰাম্য অধিকৃত হৈছে আৰু ইয়ে অঞ্চলটোত দুৰ্বল নগৰীকৰণ প্ৰক্ৰিয়াকে দেখুৱায়।
- প্ৰতিখন ৰাজ্যৰে জনমুৰি আয় তেওঁলোকৰ সম্ভাৱনা ও সম্পদৰ ভাণ্ডাৰৰ তুলনাত কম। অঞ্চলটিৰ আটাইকেইটা ৰাজ্য মিলি ২০১৩-১৪ চনৰ চলিত দৰত জনমূৰী আয় ৪৯৯৫৯ টকা, য'ত সৰ্বভাৰতীয় ক্ষেত্ৰত ই ৬৮৭৪৭ টকা। চিকিম আৰু অৰুণাচল প্ৰদেশৰ বাহিৰে আটাইকেইখন ৰাজ্যৰে জনমূৰি আয় ৰাষ্ট্ৰীয় স্তৰত কৈ কম।
- উত্তৰ-পূব ভাৰতৰ ৰাজ্য কেইখন প্ৰাকৃতিক সম্পদত চহকী।
- চাহ উৎপাদনৰ ক্ষেত্ৰত অৱদানৰ বাবে অসম পৃথিৱী বিখ্যাত। ৰাজ্যখনৰ উজনি ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাত চাহ প্ৰচুৰ পৰিমাণে উৎপাদিত হয়।
- অঞ্চলটিৰ ৯৯% ভৌগলিক পৰিসীমাৰ শতাংশই আন্তৰাষ্ট্ৰীয় সীমান্তৰে আৱৰা।
- অনুপ্ৰৱেশৰ সমস্যাৰ ওপৰিও, চীন আৰু বাংলাদেশৰ লগত থকা আন্তৰাষ্ট্ৰীয় সীমাই কেতবোৰ বিবাদৰ সৃষ্টি কৰি ৰাখিছে, যিয়ে অসম, চিকিম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ দৰে ৰাজ্যক আটাইতকৈ অধিক প্ৰভাৱান্বিত কৰিছে। ইয়ে ULFA, NSCN, NDFB আদি উগ্ৰপন্থী সংগঠনক বৰ্তি থাকিবলৈও সুবিধা প্ৰদান কৰিছে। যিবোৰ সীমান্তৱৰ্তী দেশত আশ্ৰয় লৈ তাৰ পৰা নিজৰ কাম কাজ চলাই সহজতে গতি বিধি কৰিব পাৰে।
- নিম্ন মুলধন গঠনে ৰাজ্য সমূহত উদ্যোগীকৰণৰ গতি বিঘ্নিত কৰিছে।
- উত্তৰ পৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সমস্যা সমূহ হ'ল প্ৰধানকৈ মন্থৰ উদ্যোগীকৰণ, নিৱনুৱা, দৰিদ্ৰতা, নিম্ন জনমূৰি আয় যিবোৰ প্ৰায়বোৰ ৰাজ্যতে বিদ্যমান।



৩.৬ অধিক জানিবলৈ

১) Dhar., P.K: *Indian Economy including NER*

২) Govt. of India : *Econmic survey, 2014-15*

৩) NEC : *Basic statistics, 2015*



৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ চিকিম

২ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ জনসংখ্যাৰ ঘনত্ব এনেধৰণৰ ঃ-

(ক) অসম ঃ ৩৯৮ প্রতি বর্গ কিঃ মিঃ

(খ) অৰুণাচল প্রদেশ ঃ ১৭ প্রতি বর্গ কিঃ মিঃ

(গ) মণিপুৰ ঃ ১২২ প্রতি বর্গ কিঃ মিঃ

(ঘ) মেঘালয় ঃ ১৩২ প্রতি বর্গ কিঃ মিঃ

(ঙ) মিজোৰাম ঃ ৫২ প্রতি বর্গ কিঃ মিঃ

(চ) নাগালেণ্ড ঃ ১১৯ প্রতি বর্গ কিঃ মিঃ

(ছ) চিকিম ঃ ৮৬ প্রতি বর্গ কিঃ মিঃ

(জ) ত্রিপুৰা ঃ ৩৫০ প্রতি বর্গ কিঃ মিঃ

৩ নং প্রশ্নৰ উত্তৰ ঃ ইউৰেনাম

৪ নং প্রশ্নৰ উত্তৰ ঃ অসমত মুঠ চাৰিখন তেল শোধনাগাৰ আছে — ডিগবৈ, নুমলিগড়, নুনমাটি আৰু বঙাইগাওঁ।

৫ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূৰ্বাঞ্চলত লেহেমীয়া উদ্যোগীকৰণৰ কাৰণ সমূহ হ'ল — দুর্বল আন্তগাঁথনি মূলত পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, পুঁজিৰ অভাৱ আৰু ৰাজহুৱা খণ্ডত নিম্ন বিনিয়োগ, বিচ্ছিন্নতাবাদ আৰু নৃগোষ্ঠীয় সমস্যা নির্ভৰ অস্থিৰতা, কৃষি খণ্ড আৰু উদ্যোগ খণ্ডৰ মাজৰ সামঞ্জস্যহীনতা, ঔদ্যোগিক উদগনি ও অপর্য্যাপ্ত ঋণৰ সা-সুবিধা, বৃহৎ উদ্যোগ স্থাপনৰ বাবে চৰকাৰী পদক্ষেপৰ অভাৱ।



৩.৮ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (২০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উত্তৰ-পূৰ ভাৰতৰ পৰিসীমাৰ ওপৰত এটি টোকা লিখা।

প্রশ্ন ২ ঃ উত্তৰ পূৰ্বাঞ্চলত উদ্যোগীক বিকাশৰ গতি মন্থৰ হোৱাৰ তিনিটা কাৰণ উল্লেখ কৰা।

প্রশ্ন ৩ ঃ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰত নিৰনুৱা আৰু অধিক দৰিদ্রতাৰ হেঁচাৰ তিনিটা কাৰণ উল্লেখ কৰা।

(খ) ৰচনাধৰ্মী উত্তৰৰ প্ৰশ্ন (৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূব ভাৰতৰ উমৈহতীয়া বৈশিষ্ট্য সমূহ ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ সমস্যাসমূহ কি কি?

প্ৰশ্ন ৩ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ নিৰনুৱা সমস্যা আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনমূৰী আয় সৰ্বভাৰতী গড়ত কৈ কম" — আপুনি একমত নে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়ক।

প্ৰশ্ন ৫ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগত সংলগ্ন আন্তৰাষ্ট্ৰীয় সীমান্তৰ সমস্যা আৰু সম্ভাৱনীয়তা সমূহ ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ৪ ঃ ঘৰুৱা উৎপাদন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উত্তৰ-পূব অঞ্চলৰ (NER) ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা আৰু গাঁথনি
৪.৪ স্বৰাজোত্তৰ কালত অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ জনমূৰি আয়
৪.৫ উত্তৰ-পূব অঞ্চলত ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱাৰ কাৰণ
৪.৬ চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে উত্তৰ-পূব অঞ্চলৰ সীমান্ত বাণিজ্যৰ সম্ভাৱনা
৪.৭ 'পূবলৈ চোৰা' নীতি
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা আৰু গাঁথনিটো চিনাক্ত কৰিব পাৰিব
- স্বৰাজোত্তৰ কালত অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ জনমূৰি আয় নির্দিষ্টকৈ ক'ব পাৰিব
- উত্তৰ-পূব অঞ্চলত ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱাৰ কাৰণ বর্ণনা কৰিব পাৰিব
- চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে উত্তৰ-পূব অঞ্চলৰ সীমান্ত বাণিজ্যৰ সম্ভাৱনা আলোচনা কৰিব পাৰিব
- 'পূবলৈ চাওক' নীতিৰ সংজ্ঞা দিব আৰু আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টিত উত্তৰ পূর্বাঞ্চলৰ আঠখন ৰাজ্যৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা আৰু গাঁথনিবোৰৰ বিষয়ে আলোচনা কৰা হৈছে। অঞ্চলটোৰ বাসিন্দাৰ আর্থিক স্থিতি সম্পর্কে এটা সংক্ষি প্ত ধাৰণা দিবলৈ স্বৰাজোত্তৰ কালত উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ জনমূৰি আয়ৰ দশাও অধ্যায়টিৰ অন্য আলোচ্য বিষয়।

উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক আয়ৰ বিকাশ বহুদিন ধৰি অতি লেহেমীয়া হৈ আছে। উপযুক্ত কর্মসংস্থাপন সম্ভাৱনাৰ অভাব, উপযুক্ত বিনিয়োগৰ অভাৱ, ঔদ্যোগিকীকৰণৰ অভাৱ আদি বিভিন্ন কাৰণ ইয়াৰ বাবে জগৰীয়া। এইবোৰৰ বিষয়েও অধ্যায়টিত বিশ্লেষণ কৰা হৈছে।

চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে সীমান্ত বাণিজ্য আৰু ব্যৱসায়িক কাম-কাজ কৰিব পৰাকৈ উত্তৰ-পূব অঞ্চলত যথেষ্ট সম্ভাৱনীয়তা আছে। ইয়াৰ কাৰণ হ'ল অঞ্চলটোৱে ইয়াৰ চাৰিসীমাৰ ৯৮ শতাংশই নেপাল, ভূটান, চীন, বাংলাদেশ আৰু ম্যানমাৰৰ সৈতে ভগাই লৈছে। অধ্যায়টিত সীমান্ত বাণিজ্যৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰা হৈছে।

অধ্যায়টিৰ আন এক আলোচ্য বিষয় হ'ল ভাৰতৰ 'পূবলৈ চোৱা' নীতি। আমি জানো যে ভাৰতৰ 'পূবলৈ চোৱা' নীতি হ'ল দক্ষিণ-পূব এচিয়াৰ দেশবোৰৰ সৈতে বিস্তৃত অৰ্থনৈতিক আৰু কৌশলগত সম্পৰ্ক গঢ়ি তোলা। এই নীতিৰ লক্ষ্য হ'ল এনে বৈদেশিক সম্পৰ্কৰ জৰিয়তে দেশৰ, বিশেষকৈ সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ উন্নয়ন সাধন কৰা। এই নীতিৰ লক্ষ্যত উপনীত হ'বলৈ উত্তৰ-পূব অঞ্চলৰ বিশেষ ভৌগলিক অৱস্থান আৰু সুবিধাবোৰ চালি-জাৰি চাই ইয়াক এটা সুবিধাজনক পথ অথবা কৰিড'ৰৰ ৰূপ দি পূৰ এচীয় দেশবোৰৰ সৈতে ভাৰত বিস্তৃত ব্যৱসায়-বাণিজ্যমূলক কার্য-কলাপত লিপ্ত হ'ব লাগিব।

৪.৩ উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা আৰু গাঁথনি

- **ধাৰা ঃ** উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক ঘৰুৱা উৎপাদন পাৰ হৈ যোৱা সময়ছোৱাত উৎসাহজনকভাৱে বৃদ্ধি পোৱা নাই। ইয়াৰ বিপৰাতে আমি ক'ব পাৰো যে বিগত দশকবোৰত ঘৰুৱা উৎপাদন বৃদ্ধিৰ ধাৰা লেহেমীয়াহে হৈছে। ইয়াৰ উপৰি অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ ঘৰুৱা উৎপাদনৰ হাৰো বেলেগ বেলেগ। পাৰ হৈ যোৱা দশকবোৰত কেইখনমান ৰাজ্যই পাৰদর্শিতা দেখুওৱাৰ বিপৰীতে আন কেইখনমান ৰাজ্যৰ উৎপাদনৰ অৱস্থা শোচনীয় হৈ পৰিছে। উত্তৰ-পূব অঞ্চলৰ ৰাজ্যকেইখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (NSDP) বিকাশৰ ধাৰা তলৰ তথ্যবোৰলৈ মন কৰিলেই গম পোৱা যাব। অৰুণাচল প্ৰদেশত ২০০৪-২০০৫ চনত স্থিৰ মূল্যৰ বিপৰীতে মুঠ ঘৰুৱা উৎপাদন আছিল ৩১৮৮ কোটি টকা। ২০১৩-১৪ চনত ৭৪% বিকাশ হাৰৰ সৈতে এই উৎপাদন ৫৫৪৯ কৌটি টকালৈ বৃদ্ধি পায়। প্ৰথম দৃষ্টিত বিকাশৰ হাৰ যথেষ্ট উন্নত যেন লাগিলেও আমি এটা কথা মনত ৰাখিব লাগিব যে ওপৰত উল্লেখ কৰা শতকৰা হিচাপটো হ'ল ৯ বছৰ ধৰি চলা বিকাশৰ সঞ্চয়ী যোগফল (cumulative total)। ইয়াৰ দ্বাৰা আমি গম পালো যে বেছিভাগ বছৰতেই বার্ষিক বিকাশ ১০ শতাংশতকৈ কম (প্ৰকৃত তথ্য মতে কেইবছৰমান বিকাশৰ হাৰ ৫ শতাংশতকৈও কম আছিল)। অসমৰ ক্ষেত্ৰত ২০০৪-০৫ চনত মুঠ ঘৰুৱা উৎপাদন আছিল ৪৭১৮১ কোটি টকা। ২০০৪-০৫ চনৰ স্থিৰ মূল্য অনুসৰি পাছত ২০১৩-১৪ চনত অসমৰ উৎপাদন বাঢ়ি ৭৭৩৭৬ কোটি টকা হ'লগৈ। বৃদ্ধিৰ হাৰ প্ৰায় ৬৪% যিটো অৰুণাচল প্ৰদেশতকৈ কম। এই তথ্যৰ পৰা বৃদ্ধিৰ বার্ষিক হাৰ যে নিচেই কম সেয়া সহজেই ধৰিব পাৰি। অৱশ্যে পাৰ হৈ যোৱা বছৰবোৰত এই হাৰে বহুকেইবাৰ মূদ্রাস্ফীতিৰ কুপ্ৰভাৱৰ মাজেৰে গতি কৰিবলগীয়া হৈছে। উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ ই এক উমৈহতীয়া সমস্যা। মণিপুৰত ২০০৪-২০০৫ চনৰ স্থিৰমূল্যৰ ২০০৪-০৫ চনত মুঠ ৰাজ্যিক ঘৰুৱা

উৎপাদন আছিল ৪৬০৩ কোটি টকা। ২০১২-১৩ চনত এই পৰিমাণ ৬৬২০ কোটি টকালৈ বৃদ্ধি পায়। বৃদ্ধিৰ হাৰ হ'ল প্ৰায় ৪৪% যিটো ৮ বছৰৰ সঞ্চয়ী যোগফল হিচাপে নিচেই কম। মেঘালয়ত ২০০৪-০৫ চনত উৎপাদন আছিল ৫৮৪৬ কোটি টকা আৰু ২০১৩-১৪ চনত এই পৰিমাণ ১১৮৩৮ কোটি টকালৈ বৃদ্ধি পায়। বিগত বছৰবোৰত ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ হ'ল ১০২.৫ শতাংশ। অন্য ৰাজ্যৰ তুলনাত এই হাৰ কিছু উন্নত। মিজোৰামত ২০০৪-০৫ চনৰ স্থিৰ মূল্য অনুসৰি সেই একেটা বছৰতে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমাণ আছিল ২৪০০ কোটি টকা। ২০১২-১৩ বৰ্ষত এই পৰিমাণ ৪৬৮৮ কোটি টকালৈ বৃদ্ধি পাইছিল। বিগত বছৰবোৰত হোৱা বৃদ্ধিৰ হাৰ হ'ল ৯৫%। নাগালেণ্ডত ২০০৪-০৫ চনৰ স্থিৰ মূল্য অনুসৰি সেই একেটা বৰ্ষতে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আছিল ৫৪২১ কোটি টকা। ২০১৩-১৪ বৰ্ষত ইয়াৰ পৰিমাণ ১০৫২২ কোটি টকালৈ বাঢ়িল। পাৰ হৈ যোৱা বছৰবোৰত হোৱা বৃদ্ধিৰ হাৰ হ'ল ৯৪%। এই হাৰ মিজোৰমৰ হাৰৰ সৈতে প্ৰায় সমান। চিকিমত ২০০৪-০৫ চনত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমা-আছিল ১৫১১ কোটি টকা। ২০১৩-১৪ চনত এই পৰিমাণ ৫২৭১ কোটি টকালৈ বৃদ্ধি পায়। বৃদ্ধিৰ হাৰ প্ৰায় ২৪৯%। এই হাৰ উত্তৰ-পূব অঞ্চলৰ আন সকলো ৰাজ্যতকৈ বেছি। সেই দিশৰ পৰা চিকিমৰ বিকাশ হাৰ যথেষ্ট উন্নত। ত্ৰিপুৰাত ২০০৪-০৫ বৰ্ষৰ স্থিৰমূল্য অনুসৰি সেই একেটা বছৰতে মুঠ ৰাজ্যিক ঘৰুৱা উযপাদনৰ পৰিমাণ আছিল ৮১৭০ কোটি টকা। ২০১২-১৩ চনত এই পৰিমাণ বাঢ়ি ১৫৫৪৫ কোটি টকা হ'ল। ৮ বছৰৰ ভিতৰত বৃদ্ধিৰ হাৰ হ'ল ৯০.৭৫%। ওপৰৰ আলোচনাৰ পৰা উত্তৰ-পূব অঞ্চলৰ ৰাজ্যকেইখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ ধাৰণাটো গম পোৱা গ'ল। কিন্তু এই তথ্যসমূহ সৰ্বভাৰতীয় স্তৰত তুলনা কৰি নাচালে ৰাজ্যকেইখনৰ ঘৰুৱা উৎপাদনৰ বিকাশৰ স্থিতি সম্পৰ্কে অজ্ঞ হৈ ৰ'ম। কাৰণ সৰ্বভাৰতীয় বিকাশ হাৰৰ পৰাহে আমি আনতকৈ আগবাঢ়ি গৈছোনে পিছপৰি আছো সেয়া ধৰিব পাৰিম। এতিয়া পৰৱৰ্তী তথ্যবোৰলৈ মন কৰক। ২০০৪-০৫ চনৰ স্থিৰ মূল্য অনুসৰি একেটা বছৰতে ৰাষ্ট্ৰীয় ঘৰুৱা উৎপাদন (NDP) আছিল ২৬৫১৫৭৩ কোটি টকা। ২০১৩-১৪ চনত এই পৰিমাণ ৪৯৮৮১১৬ কোটি টকালৈ বৃদ্ধি পায়। বৃদ্ধিৰ হাৰ হ'ল ৮৮%। অৰুণাচল প্ৰদেশ, অসম আৰু মণিপুৰৰ বৃদ্ধিৰ হাৰ এই ৰাষ্ট্ৰীয় ঘৰুৱা উৎপাদনৰ বৃদ্ধি হাৰতকৈ পিছপৰি আছে। অন্য ৰাজ্যকেইখনে ৰাষ্ট্ৰীয় হাৰৰ সৈতে সমতা বজাই ৰাখিব পাৰিছে। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল উত্তৰ-পূব অঞ্চলৰ মাটিকালিৰ ৭০% অঞ্চললেই অসম, মণিপুৰ আৰু অৰুণাচল প্ৰদেশে আগুৰি আছে। সেইহে এই ৰাজ্যকেইখনৰ অনগ্ৰসৰতাই সমগ্ৰ অঞ্চলটোৰ অনগ্ৰসৰতাকে প্ৰতিফলিত কৰে।

তলৰ তালিকাখনত (তালিকা নং ৪.১) ২০১৩-১৪ চনত উত্তৰ- পূৰ্বাঞ্চলৰ ৰাজ্যবোৰৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ শেহতীয়া মূল্য আৰু জনমূৰি আয়ৰ স্থিতি তুলি দিয়া হ'ল।

তালিকা ৪.১ ঃ শেহতীয়া মূল্য (২০১৩-১৪ বর্ষ)ত ৰাজ্যিক ঘৰুৱা উৎপাদন আৰু জনমূৰি আয় (লাখ টকাত)

ৰাজ্য	শেহতীয়া মূল্যত ৰাজ্যিক ঘৰুৱা উৎপাদন	শেহতীয়া মূল্যত ৰাজ্যিক জনমুৰি আয়
অৰুণাচল	১,৩৪৯,১০৩	৮৪,৮৬৯
অসম	১৬,২৬৫,২২৪	৪৬,৩৫৪
মণিপুৰ	১২,৪৮৪,২৩	৩৬,৯৩৭
মেঘালয	২,১০৪,৪৬০	৫৮,৫২২
মিজোৰাম	৮৩৬,২৯২	৬৩,৪১৩
নাগালেণ্ড	১,৭৭৪,৯৩২	৭৭,৫২৯
চিকিম	১,২৩৭,৬৬৯	১৭৬,৪৯৬
ত্রিপুৰা	২,৩৮৫,৪৭৬	৬০,৯৬৩
উত্তৰ পূৰ্বাঞ্চল	২২,৭৩১,৩৮৮	৪৯,৯৫৯
ভাৰত	৯,৩৮৮,৮৭৬	৬৮,৭৪৭

উৎস ঃ *উত্তৰ-পূৰ্বাঞ্চলৰ মৌলিক পৰিসংখ্যা, ২০১৫*

গাঁথনি ঃ ৰাজ্যবোৰৰ মুঠ অর্থনীতিলৈ মুখ্য, গৌণ আৰু তৃতীয়ক (tertiary) খণ্ডই আগবঢ়োৱা অৰিহণাৰে ৰাজ্যিক ঘৰুৱা উৎপাদনৰ গাঁথনিটো সৃষ্টি হয়। উত্তৰ-পূব অঞ্চলৰ বিপুল সংখ্যক বাসিন্দা প্রত্যক্ষ অথবা পৰোক্ষভাৱে কৃষিকার্যৰ সৈতে জড়িত। কিন্তু খেতি কৰাৰ পৰম্পৰাগত পদ্ধতি আৰু কৃষি উন্নয়নৰ বাবে প্রয়োজনীয় উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত কৃষিখণ্ডই অর্থনীতিলৈ পার্যাপ্ত অৱদান আগবঢ়াব পৰা নাই। ইয়াৰ উপৰি ৰাজ্যবোৰত গৌণ খণ্ডৰ উন্নয়নো ধীৰ তথা পর্য্যাপ্ত নহয়। তৃতীয়ক অথবা সেৱা খণ্ডই ৰাজ্যবোৰৰ অর্থনীতিলৈ কিছু অৱদান আগবঢ়াইছে যদিও অঞ্চলটোত চলি থকা কিছুমান সমাজ-ৰাজনৈতিক সমস্যাৰ বাবে ব্যক্তিগত বিনিয়োগ আৰু সেৱা খণ্ডৰ কাম-কাজ এতিয়াও নিচেই কম। এইবাৰ আমি উত্তৰ-পূব অঞ্চলৰ অর্থনীতিৰ খণ্ডভিত্তিক গাঁথনিটোত চকু ফুৰাও আহক।

তালিকা ৪.২ ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ মুখ্য, গৌণ আৰু সেৱা খণ্ডবোৰৰ অৱদান লৈ NSDP

ৰাজ্য	শতকৰা হিচাবত উৎপাদক ব্যয় (২০০৪-০৫ চনৰ ধ্রুৱক মূল্য)ত মুখ্য খণ্ডৰ NSDP লৈ অৰিহণা		শতকৰা হিচাবত উৎপাদক ব্যয় (২০০৪-০৫ চনৰ ধ্রুৱক মূল্য)ত গৌণ খণ্ডৰ NSDP লৈ অৰিহণা		শতকৰা হিচাবত উৎপাদক ব্যয় (২০০৪-০৫ চনৰ ধ্রুৱক মূল্য)ত সেৱা খণ্ডৰ অৰিহণা	
	২০০৪-২০০৫	২০১৩-২০১৪	২০০৪-২০০৫	২০১৩-২০১৪	২০০৪-২০০৫	২০১৩-২০১৪
অৰুণাচল	৩৭.২২	২৯.০৫	২৯.৯২	৩১.৮০	৩২.৮৫	৩৯.১৫
অসম	২৬.৭৭	১৮.৯২	২৫.৩৪	১৮.৯২	৪৭.৮৯	৫৮.৬৯
মণিপুৰ	২৫.০৯	২০.০৭	৩৬.৮৬	২৭.১৮	৩৮.০৫	৫২.৭৫
মেঘালয	২৪.৪৬	১৪.৯৮	২৪.৭৫	২৯.৫৫	৫০.৮০	৫৫.৪৭
মিজোৰাম	২৪.৫৫	২০.৩৪	১৫.২০	১৪.৯২	৬০.২৬	৬৪.৭২

নাগালেণ্ড	২৫.০৯	৩৬.৮৬	০৪.১০	২৩,০২	৩৮.০৫	৫৫.৬৭
চিকিম	১৮.৭৬	১০.৩৭	২৮.৫৪	৬০.০৪	৫২.৭০	২৯.৬০
ত্রিপুৰা	২৬.০৮	২২.৬৯	২২.৬৯	২৩.৮০	৫১.২৩	৫৬.০৯

উৎস ঃ *উত্তৰ-পূৰ্বাঞ্চলৰ মৌলিক পৰিসংখ্যা, ২০১৫*

তালিকা নং ৪.২ৰ পৰা এয়া গম পোৱা যায় যে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে মুখ্য খণ্ডবোৰে NSDPলৈ আগবঢ়োৱা অৱদান নিম্নগামী হৈছে। চিকিমৰ বাহিৰে অন্য ৰাজ্যকেইখনৰ গৌণ খণ্ডবোৰে NSDPলৈ আগৱঢ়োৱা অৱদানো কমিছে। ৰাজ্যখনৰ গৌণ খণ্ডই NSDPলৈ ৬০.০৪ শতাংশ অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। আকৌ, চিকিমৰ বাহিৰে অঞ্চলটোৰ আনকেইখন ৰাজ্যত সেৱা খণ্ডই সবাতোকৈ প্ৰভাৱশালী ভূমিকা পালন কৰিছে।

৪.৪ স্বৰাজোত্তৰ কালত অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ জনমুৰি আয়

কোনো এখন দেশ অথবা কোনো এটা অঞ্চলৰ মানুহৰ আৰ্থিক স্থিতি আৰু কল্যাণৰ কথা জনমূৰি আয়ৰ দ্বাৰা জানিব পাৰি। উত্তৰ-পূব অঞ্চলৰ বাসিন্দাৰ আৰ্থিক স্থিতিৰ স্পষ্ট ছবি এখন জানিবলৈ আমি স্বাধীনতাৰ পাছত অঞ্চলটোৰ ৰাজ্যবোৰৰ জনমূৰি আয় বৃদ্ধিৰ ধাৰাবোৰ গভীৰভাৱে অধ্যয়ন কৰিব লাগিব। প্ৰথমেই আমি এটা কথা জানি থোৱা ভাল হ'ব যে বিগত বছৰবোৰত ৰাষ্ট্ৰীয় হাৰৰ তুলনাত উত্তৰ-পূব অঞ্চলৰ ৰাজ্যবোৰৰ জনমূৰি আয়ৰ হাৰ যথেষ্ট কম হৈয়েই থাকিল। ইয়াৰ উপৰি সামগ্ৰিক বিকাশ হাৰৰ উত্থান-পতন আৰু সমগ্ৰ অঞ্চলটোতে জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধিৰ বাবে জনমূৰি আয় বৃদ্ধিতো যথেষ্ট তাৰতম্য পৰিলক্ষিত হৈছে। আমি যদি অঞ্চলটোৰ ৰাজ্যবোৰৰ জনমূৰি আয় ১৯৮০ চনৰ পৰা বৰ্তমানলৈকে বিশ্লেষণ কৰি চাও তেন্তে ওপৰৰ কথাবোৰ বুজাত সহজ হ'ব। জনমূৰি আয়ৰ তথ্য তলৰ তালিকাখনৰ যোগেদি গম পোৱা যাব।

তালিকা ৪.৩ ঃ উত্তৰ-পূবৰ ৰাজ্যবোৰৰ জনমূৰি আয় (চলিত মূল্যৰ আধাৰত)

State	১৯৮০-৮১	১৯৮৫-৮৬	১৯৯৯-০০	২০০৪-০৫	২০০৫-০৬	২০০৬-০৭	২০০৭-০৮	২০০৮-০৯	২০০৯-১০	২০১২-১৩
অৰুণাচল	১,৩৮২	২৮৩৪	১৩,৯৯০	২২,১৮৫	২২,৯৯১	২৫,৭১৭	২৮,৯৪৫	৩৩,৩০২	NA	৭৮,১৪৫
অসম	১,২২১	২,৯৬৮	১২,২৮২	১৬,৯০০	১৮,৩৭৮	২০,১৯৪	২১,৯৯১	২৩,৯৯৩	২৬,২৪২	৪০,৪৭৫
মণিপুৰ	১,৩৮২	৩৮১৬	১৩,২৬০	১৬,৪৩৩	১৭,৭৭২	১৮,৬৩০	১৯,৭৮০	৩২,০৬২	NA	৩৬,৪৭৪
মেঘালয	১,১৩১	২,০৭৭	১৪,৩৫৫	২১,১৭০	২৩,৩৫৫	২৬,৩৮৭	২৯,৮১১	৩৩,৬৮৪	NA	৫৯,১৩
মিজোৰাম	১,২৮৯	২,৬৫৮	১৬,৪৪৩	২২,৪১৭	২৪,০২৯	২৬,২২০	২৮,১৭০	৩০,২৯২	NA	৬০,৩৬
নাগালেণ্ড	১,৩৫৩	২,৫৯১	১৪,১০১	২০,১৩৩	২০,২৫৫	২০,৮৯২	NA	NA	NA	৬৫,১০৮
চিকিম	১,৫৭১	৩,০২৩	১৪,৮৯০	২৩,৭৯১	২৬,৬২৮	২৯,৮১৯	৩৩,৩৪৯	৩৭,৫৫৩	NA	১,৪২,৬২৫

ত্রিপুৰা	১,২১১	২,১০৮	১৪,১১৯	২২,৮৩৬	২৫,৭০০	২৭,৮১৬	২৮,৮০৬	NA	NA	৬০,৯৬৩
সৰ্বভাৰতীয়	১,৬২৭	২,৭৩৪	১৯২৪৫	২৩,২২২	২৫,৬৯৬	২৯,৫২৪	৩৯,৯০৩	৪৫,৩০৯	৫০,১৫৭	৭১,৫৯৩

NA= উপলব্ধ নহয় (Not available)

নৰম পৰিকল্পনাৰ আনুমানিক গড়

১৯৯৯-০০ চনৰ স্থিৰমূল্যৰ ভিত্তিত জনমূৰি আয়

উৎস ঃ *সংশ্লিষ্ট ৰাজ্য চৰকাৰ সমূহৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, সৰ্বভাৰতীয় তথ্যৰ উৎস-কেন্দ্ৰীয় পৰিসংখ্যা কাৰ্যালয়*

ওপৰৰ তালিকাখনৰ সহায়ত আমি ক'ব পাৰো যে স্বৰাজোত্তৰ কালত ৰাষ্ট্ৰীয় হাৰৰ তুলনাত উত্তৰ-পূব অঞ্চলৰ ৰাজ্যৰবোৰৰ জনমূৰি আয় যথেষ্ট কম হৈ আছে। ২০০০ চনলৈকে অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ জনমূৰি আয় সবাতোকৈ কম হৈ আছিল। ইয়াৰ পাছত বিভিন্ন ৰাজ্যই ভিন ভিন মাত্ৰাত জনমূৰি আয়ৰ ক্ষেত্ৰত কিছু অগ্ৰগতি লাভ কৰিছে। কিন্তু দুৰ্ভাগ্যজনকভাৰে সমগ্ৰ উত্তৰ-পূব অঞ্চলটোৰ মাটিকালি, অৰ্থনৈতিক কাম-কাজ আৰু জনসংখ্যাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ ৰাজ্য অসমে সৰ্বভাৰতীয় স্তৰৰ লগতে আঞ্চলিক স্তৰতো জনমূৰি আয় বৃদ্ধিৰ ক্ষেত্ৰত একেৰাহে দুৰ্বল ফলাফল দেখুৱাই আহিছে। অৰুণাচল, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিকিম আৰু ত্ৰিপুৰাই যদিও ৰাষ্ট্ৰীয় হাৰতকৈ পিছপৰি আছে তথাপি ৰাজ্যকেইখনৰ জনমূৰি আয় বৃদ্ধিৰ হাৰ তুলনামূলক ভাৱে সন্তোষজনক। এইক্ষেত্ৰত উত্তৰ-পূব অঞ্চলৰ সবাতোকৈ ব্যতিক্ৰমী ৰাজ্যখন হ'ল চিকিম। বিগত বছৰবোৰত চিকিমে একেৰাহে ভাল ফলাফল দেখুৱাই আহিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল ৰাজ্যখনৰ পৰ্যটন খণ্ডৰ ব্যাপক উন্নয়ন। অৱশ্যে জনমুৰি আয়ৰ জৰিয়তে মানুহৰ আৰ্থিক স্থিতি সম্পৰ্কে কোনো সিদ্ধান্তত উপনীত হোৱাৰ আগতে আন কেইটামান কথা মনত ৰাখিব লাগিব। প্ৰথম কথাটো হ'ল যিবোৰ দেশ, ৰাজ্য অথবা অঞ্চলৰ জনসংখ্যা কম সেই অঞ্চলবোৰৰ জনমূৰি আয় উন্নত। ইয়াৰ কাৰণ হ'ল তেনে অঞ্চলৰ সামগ্ৰিক অৰ্থনৈতিক উৎপাদন কম মানুহৰ মাজত বিতৰণ কৰা হয়। অৰুণাচল প্ৰদেশৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য হ'ব পাৰে। দ্বিতীয়তে কোনো অঞ্চলৰ এমুঠিমান মানুহ যদি অতি ধনী হৈ পৰে তেন্তে অঞ্চলটোৰ জনমূৰি আয় বাঢ়িব পাৰে। কিন্তু জনমুৰি আয় বৃদ্ধি হোৱা মানে মানুহৰ জীৱন যাপনৰ মান উন্নত হোৱাতো নুবুজায়।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ স্থিৰ মূল্যৰ (২০০৪-০৫) ভিত্তিত ২০১৩-১৪ চনত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন কিমান আছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় ঘৰুৱা উৎপাদনৰ বিকাশ হাৰতকৈ কম ৰাজ্যিক উৎপাদন বিকাশ হাৰ দেখুওৱা উত্ত-পূবৰ ৰাজ্যকেইখনৰ নাম কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ অসমৰ অৰ্থনীতিলৈ কোনটো খণ্ডই শতকৰা হিচাপত সৰ্বাধিক অৰিহণা আগবঢ়াই আহিছে?

.....

প্ৰশ্ন নং ৪ ঃ ২০১২-১৩ চনত উত্তৰ-পূব অঞ্চলৰ কোনখন ৰাজ্যৰ জনমূৰি আয় (চলিত মূল্যৰ ভিত্তিত) সবাতোকৈ বেছি?

.....

৪.৫ উত্তৰ-পূব অঞ্চলত ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱাৰ কাৰণ

এটা কথা লক্ষ্য কৰা গৈছে যে উত্তৰ-পূব অঞ্চলৰ ৰাজ্যকেইখনৰ জনমূৰি আয় আৰু ভাৰতৰ জনমূৰি আয়ৰ মাজৰ ব্যৱধান বছৰে বছৰে বাঢ়ি গৈ আছে। বহুকেইটা কাৰণ ইয়াৰ বাবে দায়ী। কিন্তু স্বাধীনতাৰ প্ৰাক্ কালত দৃশ্যপট সম্পূৰ্ণ ভিন্ন আছিল। উদাহৰণ স্বৰূপে ১৯৫০-৫১ চনৰ পৰা ১৯৫৫-৫৬ চনলৈ জনমূৰি মুঠ ঘৰুৱা উৎপাদনৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ যথেষ্ট বেছি আছিল। কিন্তু এই মূৰ্হুতত অসম সৰ্বভাৰতীয় হাৰতকৈ বহুখিনি পিছপৰি আছে। উত্তৰ-পূব অঞ্চলৰ ৰাজ্যবোৰৰ বিকাশ হাৰ ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত যথেষ্ট কম। ৰাজ্যিক আয়ৰ বিকাশ হাৰ লেহেমীয়া হোৱাৰ প্ৰধান কাৰণবোৰ তলত আলোচনা কৰা হ'ল ঃ

- **প্ৰতিকূল প্ৰাকৃতিক কাৰক ঃ** অঞ্চলটোৰ উন্নয়নৰ স্তৰ নিম্নগামী আৰু হাৰ লেহেমীয়া হোৱাৰ আঁৰত কেইটামান প্ৰতিকূল প্ৰাকৃতিক কাৰক আছে। এই কাৰকবোৰৰ বাবে ৰাজ্যৰ আয়ৰ বিকাশ দৰো লেহেমীয়া হৈ পৰিছে। এই কাৰকবোৰ তলত দিয়া ধৰণৰ।
  - ➢ *ভৌগলিক বিচ্ছিন্নতা ঃ* ভৌগলিক ভাৱে উত্তৰ-পূব অঞ্চলটো ভাৰতৰ মূল ভূ-ভাগৰ সৈতে চিকেন নেক আখ্যা দিয়া ঠেক ভূ-খণ্ড এটুকুৰাৰ দ্বাৰা সংলগ্ন হৈ আছে। এই বিশেষ অৱস্থাটোৰ বাবে অঞ্চলটোৰ উন্নয়ন ব্যাহত হৈছে আৰু ই ৰাজ্যিক আয়ৰ বিকাশ হাৰ লেহেমীয়া কৰি তুলিছে। এই অসুবিধাটোৰ বাবে অঞ্চলটোলৈ হোৱা মূলধন প্ৰবাহৰ (Capital inflow) পৰিমাণ কম কৰিছে। ই উচ্চতৰ একক ব্যয়ৰ (Unit cost) বাবেও দায়ী। সংযোগ-মনোযোগ-তদাৰকৰ অভাৱ হ'ল অঞ্চলটোৰ আয়ৰ বিকাশ লেহেমীয়া হোৱাৰ কাৰণ।
  - ➢ *দূৰ্গম ভৌগলিক অঞ্চল ঃ* পাহাৰ, নদী আৰু ঘন জংঘলেৰে ভৰা অঞ্চলটোৰ দূৰ্গম ভৌগলিক অৱস্থানে প্ৰশাসনিক ব্যয়, উন্নয়নমূলক প্ৰকল্পবোৰৰ ব্যয় আৰু বিভিন্ন সম্পদ একত্ৰিতকৰণৰ ব্যয় বৃদ্ধি। এনে ব্যয়বোৰৰ বাবেও উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক আয়ৰ বিকাশ লেহেমীয়া হৈছে।
  - ➢ *প্ৰাকৃতিক দুৰ্যোগ ঃ* উত্তৰ-পূব অঞ্চলটো বানপানী, ভূমিকম্প, খৰাং, ভূমিস্খলন আদিৰ দৰে বিভিন্ন প্ৰকৃতিক দুৰ্যোগপ্ৰবণ অঞ্চল। উদাহৰণ স্বৰূপে বানপানীয়ে প্ৰতি বছৰে অঞ্চলটোৰ খেতি, পোহনীয়া জীৱ-জন্তু, ঘৰ, ৰাজহুৱা অনুষ্ঠান

আৰু ৰাজহুৱা সম্পত্তি নষ্ট কৰে। অসম এই দুৰ্যোগৰ দ্বাৰা সবাতোকৈ অধিক ক্ষতিগ্রস্ত হয়। ধাৰাষাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ ফলত পাহাৰীয়া এলেকাবোৰত জন-ধনৰ ব্যপক ক্ষতি হয়। এই দুৰ্যোগবোৰৰ উপশম আৰু অঞ্চলবোৰ মেৰামতিৰ অৰ্থে যথেষ্ট পৰিমাণৰ সম্পদ এনে ৰাজ্যবোৰৰ পৰা অন্যফালে বিসৰিত (divert) কৰিবলগীয়া হয়। এনেকৈয়ে অঞ্চলটোৰ প্রাকৃতিক সমস্যাবোৰৰ বাবে অঞ্চলটোৰ উৎপাদন, ৰাজ্যিক আয় আৰু সামগ্রিক উন্নয়ন ক্ষতিগ্রস্ত হৈ আহিছে।

- **জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰ ঃ** ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱাৰ আন এটা প্রধান কাৰণ হ'ল উত্তৰ-পূব অঞ্চলত জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰ। ২০১১ চনৰ লোকপিয়ল মতে অঞ্চলটোৰ মুঠ জনসংখ্যা হ'ল ৪,৫৪,৮৬,৭৮৪ জন। ই ভাৰতৰ মুঠ জনসংখ্যাৰ প্রায় ৩.৫%। বাংলাদেশ আৰু নেপালৰ দৰে চুবুৰীয়া দেশবোৰৰ পৰা হোৱা প্রব্রজনো অঞ্চলটোৰ জনসংখ্যা বৃদ্ধিৰ এটা প্রধান কাৰণ। জনসংখ্যা বৃদ্ধিৰ উচ্চহাৰে নির্ভৰশীলতাৰ বোজা (dependency burden) আৰু-উৎপাদনশীল ভোগৰ (unproductive consumption) মাত্রা বৃদ্ধি কৰাৰ ফলত ৰাজ্যিক আয়ৰ বিকাশ ধীৰ হৈ পৰিছে। উদাহৰণ স্বৰূপে অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ দেশৰ ভিতকতে সর্বাধিক। জন্মহাৰ আৰু মৃত্যুহাৰৰ মাজত থকা প্রভেদেই এই বৃদ্ধিৰ একমাত্র কাৰণ নহয়। বাংলাদেশৰ দৰে চুবুৰীয়া ৰাষ্ট্রৰ পৰা হোৱা প্রব্রজনো ইয়াৰ আন এক মুখ্য কাৰণ।
- **কৃষিৰ ওপৰত অত্যাধিক নির্ভৰশীলতা ঃ** উত্তৰ-পূব অঞ্চলৰ অর্থনীতি যথেষ্ট পৰিমাণে কৃষিৰ ওপৰত নির্ভৰশী। সমগ্র অঞ্চলটোৰ ৭০ শতাংশতকৈও অধিক কর্মজীৱি বাসিন্দা কৃষিকার্যৰ সৈতে জড়িত। কিন্তু ৰাজ্যিক ঘৰুৱা উৎপাদনলৈ কৃষিখণ্ডৰ অৱদান তেনেই সীমিত। ইয়াৰ কাৰণ হ'ল কৃষিকার্যত প্রয়োগ কৰা পৰম্পৰাগত কৌশলসমূহ। আকৌ, অঞ্চলটোৰ মুঠ জনসংখ্যাৰ এক বৃহৎ অংশ প্রত্যক্ষ অথবা পৰোক্ষভাৱে জীৱিকাৰ বাবে কৃষিৰ ওপৰত নির্ভৰশীল। কৃষিৰ ওপৰত এই অত্যধিক নির্ভৰশীলতাৰ বাবে কৃষিভূমিৰ নাটনি আৰু কৃষকৰ হাতত থকা মাটি ক্ষুদ্র উপ-বিভাগত বিভক্ত কৰিবলগীয়া হৈছে। এনে মাটি বিভাজন প্রক্রিয়া অর্থনৈতিক ভাৱে লাভজনক নহয় আৰু ইয়াৰ দ্বাৰা মৌটামুটি ভাৱেহে চলিব পৰা যায়। এই প্রক্রিয়াই লাভদায়কতাৰ ওপৰত কুপ্রভাৱ পেলাইছে। ইয়াৰ উপৰি এই মাত্রাধিক নির্ভৰশীলতাৰ বাবে অঞ্চলটোত ছদ্মবেশী নিবনুৱাৰ সৃষ্টি হৈছে। অঞ্চলটোৰ প্রয়োজনাধিক মানুহ কৃষিক্ষেত্রত ব্যস্ত হৈ আছে। এওঁলোকৰ উৎপাদনশীলতা কিঞ্চিৎ লাভাদায়ী (marginal) অথবা শূণ্য (zero) অথবা তেনেই সীমাত (very negligible)। আমি যদি পথাৰৰ পৰা যথেষ্ট সংখ্যক কর্মী আঁতৰাই নিও, তথাপিও কৃষিৰ উৎপাদনশীলতা প্রভাৱিত নহয়। এই কাৰণবোৰৰ বাবে উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ নিম্ন বুলি ক'ব পাৰি।

- **ঔদ্যোগিক উন্নয়নৰ অভাৱ ঃ** ঔদ্যোগিক উন্নয়নাৰ দিশতো উত্তৰ-পূব অঞ্চলটোৰ বিকাশৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ যথেষ্ট কম। পৰিকল্পনাবোৰ যুগুত কৰা সময়ত অঞ্চলটোৰ ঔদ্যোগিক খণ্ডত পর্যা প্ত পৰিমাণৰ বিনিয়োগৰ নাটনি, অঞ্চলটোৰ অনগ্ৰসৰ ভৌগলিক অৱস্থান, পৰিবহনৰ অসুচলতা, অঞ্চলটোৰ লোকৰ মাজত ব্যৱসায়িক দক্ষতাৰ অভাৱ, উদ্যোগ অনুকূল সমাজ-ৰাজনৈতিক বাতাবৰণৰ অভাৱ ইত্যাদিয়েই হ'ল ইয়াৰ মূল কাৰণ। ঔদ্যোগিক অনগ্ৰসৰতাৰ বাবেই উত্তৰ-পূব অঞ্চলৰ ৰাজ্যবোৰৰ ৰাজ্যিক আয়, অ-কৃষিজাত সামগ্ৰীৰ বার্ষিক উৎপাদনশীলতা আৰু কর্মসংস্থাপনৰ দৰে দিশবোৰত গুৰুত্ৰ কুপ্ৰভাৱ পৰিছে। পর্যাপ্ত সংখ্যক উদ্যোগৰ অভাৱত অঞ্চলটোৰ বাসিন্দাই মাত্ৰাধিক পৰিমাণ কৃষি আৰু ইয়াৰ সহযোগী কার্য-কলাপত লিপ্ত হ'বলগীয়া হৈছে। এই কথা আমি সকলোৱে জানো যে কৃষিখণ্ডৰ আয় সাধাৰণতে উদ্যোগ খণ্ডত হোৱা আয়তকৈ কম। সেয়েহে ৰাষ্ট্ৰীয় হাৰৰ তুলনাত সমগ্ৰ উত্তৰ-পূব অঞ্চলৰে জনমূৰি আয় যথেষ্ট কমি গৈছে। ইয়াৰ ফলশ্ৰুতিত ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ নিম্নগামী হৈছে।
- **মূলধন সৃষ্টিৰ দুর্বল হাৰ ঃ** উত্তৰ-পূব অঞ্চলৰ অর্থনীতি মূলধন সৃষ্টিৰ দুর্বল হাৰৰ সমস্যাৰেও জর্জৰিত। এই সমস্যাৰ বাবেও ৰাজ্যিক আয়ৰ বিকাশৰ হাৰ লেহেমীয়া হৈছে। মূলধন সৃষ্টিৰ হাৰ দুর্বল হোৱাৰ কাৰণ হ'ল অঞ্চলটোৰ সঞ্চয়ৰ ন্যূনতম হাৰ (minimal rate of savings)। অঞ্চলটোৰ নিম্ন জনমূৰি আয়েই হ'ল ইয়াৰ কাৰণ। মূলধন সৃষ্টিৰ হাৰ দুর্বল হোৱাৰ ফলত মূলধন নাটনি আৰু অঞ্চলটোত পর্যাপ্ত বিনিয়োগৰ অভাৱ ঘটিছে। অঞ্চলটোৰ ৰাজ্যিক আয়ৰ বিকাশৰ হাৰ লেহেমীয়া হোৱাৰ ইয়ো এক কাৰণ।
- **প্ৰযুক্তি আৰু দক্ষতাৰ অভাৱ ঃ** উত্তৰ-পূব অঞ্চলৰ অর্থনীতি প্ৰযুক্তিৰ নিম্ন মান আৰু দক্ষ শ্ৰমিকৰ চৰম অভাৱ পৰিলক্ষিত হৈছে। দুর্বল কাৰিকৰী কৌশল আৰু দক্ষতাৰ অভাৱত উৎপাদনশীলতা অকার্যক্ষম আৰু স্বল্প (inefficient and insufficient) হৈ পৰিছে। অঞ্চলটোৰ প্ৰযুক্তিগত অনগ্ৰসৰতা সর্বভাৰতীয় মানৰ তুলনাত পুতৌজনকভাৱে অধিক। উচ্চতৰ দক্ষতা আহৰণৰ বাবে অঞ্চলটোৰ ৰাজ্যকেইখনে অন্য ৰাজ্য আৰু বিদেশৰ ওপৰত নির্ভৰ কৰিব লাগে। সেয়েহে এই ৰাজ্যকেইখনে বিদেশৰ পৰা দক্ষ শ্ৰমিক আৰু উচ্চ কাৰিকৰী অর্হতাসম্পন্ন কর্মী আমদানি কৰাৰ বাবদ আধিক মূল্য আৰু মজুৰি ভৰিবলগীয়া হয়। এই কাৰণতে গুৰু উদ্যোগ স্থাপনৰ ব্যয় যথেষ্টখিনি বাঢ়ি যায়। ইয়াৰ ফলত আকৌ উন্নয়নমূলক প্ৰকল্পবোৰ যথেষ্ট ব্যয়বহুল হৈ পৰে। এনেবোৰ পৰিস্থিতিতে ৰাজ্যবোৰৰ আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হৈ পৰিছে।

  ইয়াৰ উপৰি অঞ্চল টোৰ বাসিন্দাৰ ব্যৱসায়িক তথা পৰিচালনা সম্পর্কীয় দক্ষত্যৰ অভাৱে অৱস্থাটো আৰু অধিক শোচনীয় কৰি তোলাত অৰিহণা যোগাইছে। ইয়াৰ আঁৰত কিছুমান জটিল আর্থ-সামাজিক কাৰক আছে। এই কাৰকবোৰৰ বাবেই অঞ্চলটোত ঔদ্যোগিক আৰু ব্যৱসায়িক প্ৰতিষ্ঠান স্থাপন কৰাটো ব্যয়বহুল হৈ পৰে। এইবোৰ

পৰিস্থিতিৰ বাবেই উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক আয়ৰ বিকাশৰ হাৰ অতি লেহেমীয়া হৈ আছে।

- **ব্যয়বহুল গাঁথনি ঃ** উত্তৰ-পূব অঞ্চলৰ বহুতো অর্থনৈতিক কার্য-কলাপৰ সৈতে ব্যয়বহুল গাঁথনিৰ প্রশ্নটো জড়িত হৈ থাকে। ইয়াৰ প্রধান কাৰণ হ'ল দেশৰ অন্য ৰাজ্যবোৰৰ তুলনাত এই ৰাজ্যকেইখনত উচ্চতৰ মূল্য স্তৰৰ (higher price level) উপস্থিতি। এই আনুমানিক হিচাপ মতে ভাৰতৰ অন্য অংশতকৈ এই অঞ্চলটোত উৎপাদন ব্যয় আৰু উপভোগ ব্যয় (production and consumtion costs) ১৫-২০% অধিক। ইয়াৰ মূল কাৰণ হ'ল দুর্বল আন্তঃগাঁথনি, দুর্বল পৰিবহন সুবিধা, ঔদ্যোগিকীকৰণৰ অভাৱ দৈনন্দিন উপভোগ্য সামগ্রীবোৰৰ ক্ষেত্রত অন্য ৰাজ্যৰ ওপৰত মাত্রাধিক নির্ভৰশীলতা। এই কাৰণবোৰৰ বাবে অঞ্চলটোৰ ৰাজ্যবোৰৰ উপভোগৰ প্রান্তীয় প্রবণতা (Marginal Propensity to Consume/MPC) উচ্চ। ইয়াৰ বাবে অঞ্চটোত সঞ্চয় আৰু বিনিয়োগৰ সুবিধা কম। অঞ্চলটোৰ ৰাজ্যিক আয়ৰ বিকাশ দৰ নিম্ন হোৱাৰ অয়ো এক মুখ্য কাৰণ।
- **পৰিবহন আৰু সংযোগ অসুচলতা ঃ** অঞ্চলটোৱে ভূগি থকা আন এটা গুৰুতৰ সমস্যা হ'ল সুপৰিবহন আৰু সুযোগাযোগ প্রণালীৰ অভাৱ। পৰিবহনৰ ক্ষেত্রত সমস্যাটো অধিক জটিল। ভৌগলিক বিচ্ছিন্নতা, অসুবিধাজনক অৱস্থানত থকা বসতি, পুঁজিৰ অভাৱ, উপযুক্ত মনোযোগৰ অভাৱ আদি হ'ল ইয়াৰ কাৰণ। অঞ্চলটোৰ প্রয়োজন অনুসৰি উন্নত ৰে'লপথ আৰু সকলো বতৰতে ব্যৱহাৰৰ উপযোগী পথসংযোগৰ নেটৱ'র্ক গঢ় লৈ উঠা নাই। অসমৰ বাহিৰে অঞ্চলটোৰ বাকী সাতখন ৰাজ্যত ৰে'লপথ নির্মাণ হোৱাই নাই অথবা নিচেই চালুকীয়া পর্যায়তে আছে। এই সমস্যাটোৰ বাবে উন্নত বিতৰণ নেটৱ'র্কৰ জৰিয়তে কৃষি উন্নয়ন আৰু দ্রুত ঔদ্যোগিকীকৰণৰ প্রক্রিয়াটো সম্ভৱপৰ হৈ উঠা নাই। অৱশ্যে বিগত বছৰবোৰত যথেষ্ট সংখ্যক ব্যক্তিগত মোবাইল আৰু নেটৱ'কিং এজেন্সীৰ আগমনৰ ফলত অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা ভালেখিনি উন্নত হৈছে। তথাপিও এই দিশত এতিয়াও যথেষ্টখিনি কৰিবলগীয়া আছে। পৰিবহন আৰু সংযোগ নেটৱ'র্ক অনুন্নত হোৱা বাবেও অঞ্চলটোৰ ৰাজ্যিক আয়ৰ বিকাশ হাৰ অতি ধীৰ হৈ আছে।
- **প্রাকৃতিক সম্পদৰ অনুপযুক্ত ব্যৱহাৰ তথা অপচয় ঃ** প্রাকৃতিক সম্পদেৰে চহকী হোৱা সত্বেও অঞ্চলটোৰ সামগ্রিক উন্নয়নৰ বাবে এই সম্পদবোৰৰ সর্বোত্তম ব্যৱহাৰ হোৱা নাই আৰু ই ৰাজ্যবোৰৰ অর্থনীতিতো উল্লেখযোগ্য বৰঙণি আগবঢ়াব পৰা নাই। ইয়াৰ দুটামান দুর্ভাগ্যজনক উদাহৰণ হ'ল অসম আৰু ত্রিপুৰাত বৃহৎ পৰিমাণৰ প্রকৃতিক গেছ অনবৰতে জ্বলি নষ্ট হৈ যোৱা আৰু লগতে আন আন প্রয়োজনীয় ব্যৱস্থা গ্রহণৰ অভাৱত অসম আৰু মেঘালয়ৰ কয়লাৰ প্রয়োজনতকৈ কম ব্যৱহাৰ, বিভিন্ন বনজ সম্পদৰ প্রয়োজনতকৈ কম ব্যৱহাৰ আৰু অঞ্চলটোৰ বিপুল জল-বিদ্যুৎ উৎপাদন

ক্ষমতাৰ প্ৰয়োজনতকৈ কম ব্যৱহাৰ। অঞ্চলটোত ৪৫০০০ MW জলবিদ্যুৎ উৎপাদন কৰিব পৰাকৈ অৱকাশ আছে। ই সমগ্ৰ দেশৰ মুঠ জল-বিদ্যুৎ সম্ভাৱনাৰ প্ৰায় ৪১ শতাংশৰ সমান। এইবোৰৰ বাবে অঞ্চলটোৰ উন্নয়নেই কেৱল লেহেমীয়া হোৱা নাই, এই কাৰকবোৰে ৰাজ্যিক আয়ৰ বিকাশ হাৰো মন্থৰ কৰি তুলিছে।

এই প্ৰাকৃতিক আৰু অৰ্থনৈতিক কাৰকবোৰৰ উপৰি অঞ্চলটোৰ ৰাজ্যিক আয়ৰ বিকাশ হাৰ লেহেমীয়া আৰু উন্নয়নৰ গতি মন্থৰ কৰাত অৱদান আগবঢ়োৱা কিছুমান সমাজ-ৰাজনৈতিক কাৰকো আছে। এনে দুটামান কাৰক হ'ল আন্তঃৰাষ্ট্ৰীয় সমস্যা থকা স্পৰ্শকাতৰ সীমান্ত, সমস্যাজৰ্জৰিত আইন-শৃংখলাজনিত পৰিস্থিতি, বৰ্দ্ধিত উগ্ৰপন্থী সমস্যা, সু-প্ৰশাসন প্ৰণালীৰ অভাৱ, কিছুমান সামাজিক কুপ্ৰথা আৰু এতিয়াও প্ৰচলিত প্ৰাচীন পৰম্পৰা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ উত্তৰ-পূব অঞ্চলৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰা দুটা প্ৰতিকূল প্ৰাকৃতিক কাৰকৰ কথা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ প্ৰাকৃতিক কাৰকৰ উপৰি উত্তৰ-পূব অঞ্চলত হোৱা উচ্চহাৰৰ জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰণটো কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ উত্তৰ-পূব অঞ্চলত মূলধন সৃষ্টিৰ হাৰ দুৰ্বল হোৱাৰ কাৰণ কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ ভাৰতৰ তুলনাত উত্তৰ-পূব অঞ্চলৰ জলবিদ্যুৎ উৎপাদন সম্ভাৱনা শতকৰা হিচাপত কিমান?

.....

.....

প্ৰশ্ন নং ৯ ঃ উত্তৰ-পূব অঞ্চলৰ উন্নয়নৰ গতি মন্থৰ কৰি তোলা দুটা সমাজ-ৰাজ্যনৈতিক কাৰকৰ বিষয়ে উল্লেখ কৰক।

.....

.....

৪.৬ চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে উত্তৰ-পূব অঞ্চলৰ সীমান্ত বাণিজ্যৰ সম্ভাৱনা

উত্তৰ-পূব অঞ্চলটোৱে বিদেশী ৰাষ্ট্ৰৰ সৈতে ৯৮% (প্ৰায় ৫০০০ কি.মি.) সীমান্ত ভগাই লয়। সেই দিশৰ পৰা চাবলৈ গ'লে অঞ্চলটোত চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সৈতে সীমান্ত বাণিজ্য আৰম্ভ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। উত্তৰ-পূব অঞ্চলৰ বৈশিষ্ট্যপূৰ্ণ ভৌগলিক অৱস্থান আৰু সমৃদধি প্ৰাকৃতিক সম্পদে বাংলাদেশ,চীন, ম্যানমাৰ আদি দেশৰ সৈতে সফল আৰু লাভজনক সীমান্ত বাণিজ্য আৰম্ভ কৰাৰ সংযোগ সৃষ্টি কৰিছে। উত্তৰ-পূব অঞ্চলৰ উন্নয়ন আৰু সমগ্ৰ দেশৰ উন্নতিৰ বাবে এই দেশবোৰৰ সৈতে বাণিজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক গঢ়ি তোলাটো জৰুৰী হৈ পৰিছে। কিন্তু লাভজনক বাণিজ্যৰ বাবে ম'ৰেহ (মণিপুৰ), টামু (ম্যানমাৰ), জাখ'থাৰ (মিজোৰাম), ৰিখ্ৰাধাৰ (ৰী, চীন), অভাখুংচোমৃৰা পইণ্ট (নাগালেণ্ড), পাংচু পাচ হৈ নামপোং (অৰুণাচল প্ৰদেশ), ডাউকী (মেঘালয়), সূতাৰকান্দি (অসম) আৰু নাথু-লা পাচৰ (চিকিম) দৰে সীমান্তৱৰ্তী বাণিজ্যিক কেন্দ্ৰবোৰ বিকশাই তুলিব লাগিব। অঞ্চলটোত সীমান্ত বাণিজ্য সম্ভৱপৰ কৰি তুলিবলৈ আন্তঃগাঁথনি, পৰিবহন তথা সংযোগ ব্যৱস্থাৰ বিকাশ হ'বলৈ লাগিব। তলত উত্তৰ-পূব অঞ্চলৰ সীমামূৰীয়া দেশবোৰৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপনৰ সম্ভাৱনীয়তা বিষয়ক দুটামান দিশ উল্লেখ কৰা হ'ল-

- চুবুৰীয়া দেশবোৰৰ সৈতে উত্তৰ-পূব ভাৰতৰ বাণিজ্যিক সম্পৰ্কই এতিয়াও উৎসাহজনক পৰ্যায় পোৱাগৈ নাই। কিন্তু চাহ, মচলা, হস্তশিল্প, বাঁহ-বেতৰ সামগ্ৰী আদিৰ দৰে থলুৱা উৎপাদনবোৰেৰে উন্নত বাণিজ্য কৰিব পৰাকৈ যথেষ্ট সুযোগ আছে। উৎপাদনবোৰৰ গুণমান উন্নত কৰাচোৱেই হ'ল এইক্ষেত্ৰত থকা একমাত্ৰ প্ৰয়োজনীয় চৰ্ত। তেতিয়াহে এই সামগ্ৰীবোৰে বিদেশী বজাৰ দখল কৰি লাভ আহৰণ কৰাৰ লগতে ভৱিষৎ বাণিজ্যিক লেন-দেন বৃদ্ধিত সহায় কৰিব পাৰিব।
- দেখা গৈছে যে দীৰ্ঘদিন ধৰি ভাৰত-ম্যানমাৰ সীমান্তত যথেষ্ট পৰিমাণে আনুষ্ঠানিক ব্যৱসায়িক আদান-প্ৰদান চলি আছে। সীমান্ত এলেকাত চলা অবৈধ ব্যৱসায়ৰ বাবে ভাৰত চৰকা আৰু ৰাজ্য চৰকাৰসমূহে বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে। যদি প্ৰয়োজনীয় নীতি বলবৎ কৰি এই ব্যৱসায়ক বৈধ ৰূপ দিব পৰা যায় তেন্তে ই ব্যৱসায়ীসকলক ব্যৱসায় বহলাবলৈ উৎসাহিত কৰিব। আমদানি-ৰপ্তানি শুল্ক প্ৰয়োগ কৰি চৰকাৰেও সন্তোষজনক ৰাজহ সংগ্ৰহ কৰিব পাৰিব।
- আতিথ্য, পৰিবহন, সংযোগ, সঞ্চয় ভাণ্ডাৰ, বেংকিং আৰু বীমাৰ দৰে সেৱা খণ্ডবোৰৰ উন্নয়ন সাধন কৰি উত্তৰ-পূব অঞ্চলত সীমান্ত বাণিজ্য আধিক লাভজনক কৰি তুলিব পৰাকৈ প্ৰচুৰ সম্ভাৱনা আছে।
- সীমান্ত বাণিজ্যই অঞ্চলটোৰ স্থানীয় ৰাইজৰ মাজত ব্যৱসায়িক দক্ষতাৰ বিকাশক উদ্‌গনি যোগাব। ইয়াৰ ফলত অঞ্চলটোত হোটেল, ৰেস্তোৰাঁ আৰু পৰিবহন সুচল পথ নিৰ্মাণৰ বাবে অনুকূল পৰিৱেশ গঢ় লৈ উঠিব। বৰ্দ্ধিত খাদ্য চাহিদা পূৰাবলৈ

অঞ্চলটোত পশু আৰু মৎস্য পালনৰ মাত্রা বাঢ়িব। ইয়াৰ লগতে যান-বাহন মেৰামতি উদ্যোগ আৰু ইন্ধন যোদান এজেন্সীবোৰো বিকাশ ঘটাৰ প্রচুৰ সম্ভাৱনা আছে।

- উত্তৰ-পূব অঞ্চলত সীমান্ত বাণিজ্য বঢ়াৰ লগে লগে অঞ্চলটোৰ বর্দ্ধিত নিবনুৱা সমস্যা সমাধানৰ এটা কার্যকৰী পথ ওলাব। কর্মসংস্থাপনৰ সন্ধানত থকাসকলে নানা ব্যৱসায়িক কাম-কাজত লাভজনক ভাৱে জড়িত হ'ব পাৰিব। বাণিজ্য সম্প্রসাৰিত হোৱাৰ লগে লগে নিবনুৱা সকলে নানা সেৱাত যোগদান অথবা আত্ম-নিয়োজনমূলক কাম-কাজো আৰম্ভ কৰিব পাৰিব।

৪.৭ 'পূবলৈ চোৱা' নীতি

ভাৰতক এচিয়াৰ ভিতৰতে এক অগ্রণী উত্থিত আঞ্চলিক শক্তিলৈ ৰূপান্তৰিত কৰাৰ উদ্দেশ্যেৰে দক্ষিণ-পূব এচিয়াৰ দেশবোৰৰ সৈতে বিস্তৃত অর্থনৈতিক কৌশলগত সম্পর্ক গঢ়ি তুলিবলৈ ভাৰত চৰকাৰে 'পূবলৈ চোৱা' নীতি গ্রহণ কৰিছিল। ১৯৯১ চনত চৰকাৰে এই নীতি গ্রহণ কৰিছিল। পি.ভি. নৰসিংহ ৰাও দেশৰ প্রধানমন্ত্রী হৈ থকাক সময়তে এই নীতি প্রস্তুত তথা গ্রহণ কৰা হৈছিল। পৰৱর্তী চৰকাৰবোৰেও নাতিটো বর্তাই ৰাখিছে। নীতিটোৰ বাবে উত্তৰ-পূব অঞ্চলৰ প্রভাৱ আৰু গুৰুত্ব যথেষ্ট বৃদ্ধি পাইছে। এই নীতিৰ আধাৰত দক্ষিণ-পূব এচীয় দেশবোৰৰ সৈতে কৌশলগত বাণিজ্য আৰু অর্থনৈতিক সম্পর্ক উত্তৰ-পূব অঞ্চলৰ মাজেদিয়েই গঢ় লোৱাৰ কথা কোৱা হৈছে। সমগ্র প্রক্রিয়াটোত এই অঞ্চলটোৱে মুখ্য কৰিড'ৰ আৰু কেন্দ্রস্থলৰ কাম কৰিব। 'পূবলৈ চাওক' নীতিৰ জৰিয়তে অতীতৰ 'দূৰণিবটীয়া আৰু বিপদসংকুল সীমান্ত মণ্ডল' ৰূপে উত্তৰ-পূব অঞ্চলক গণ্য কৰি অহা ধাৰণাটো সলনি কৰি 'আন্তঃৰাষ্ট্রীয় ব্যৱসায় আৰু বাণিজ্যৰ সুবিধা সম্পন্ন দুৱাৰ' বুলি নতুন ধাৰণা এটা গ্রহৰণ কৰা হৈছে। ভাৰতৰ সৈতে এই প্রক্রিয়াত সহযোগিতা আগবঢ়োৱা অন্য প্রধান দেশকেইখন হ'ল বাংলাদেশ, চীন আৰু ম্যানমাৰ (BCIM)।

'পূবলৈ চোৱা' নীতিৰ কার্যৰূপায়ণত উত্তৰ-পূৱ অঞ্চল ঘনিষ্ঠভাৱে সাঙোৰ খাই পৰিছে। এই নীতিৰ জৰিয়তে অঞ্চলটোৰ উন্নয়ন আৰু বিকাশৰ কথা ভবা হৈছে। ঔদ্যোগিকভাৱে অনগ্রসৰ অঞ্চলটোত ঔদ্যোগিক উন্নয়নৰ প্রয়াস আৰম্ভ কৰা, ঔদ্যোগিক কাম-কাজ বহুধা বিভক্ত কৰা, কর্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা অঞ্চলটোৰ সম্ভাৱনীয়তা অনুসৰি বাণিজ্য আৰু সম্প্রসাৰণ কৰা আদি হ'ল এই নীতিৰ উদ্দেশ্য।

ঐতিহাসিক আৰু পৰম্পৰাগত ভাৱে উত্তৰ-পূৱ অঞ্চল তথা দক্ষিণ আৰু দক্ষিণ-পূৱ এচিয়াৰ দেশবোৰৰ মাজত শতিকাৰ পাছত শতিকা ধৰি মানুহ, সামগ্রী আৰু সেৱাৰ আদান-প্রদান চলি আছে। 'পূবলৈ চোৱা' নীতি আৰু অর্থনৈতিক উদাৰীকৰণৰ ফলত উত্তৰ-পূৱ অঞ্চলৰ প্রতি থকা ভাৰত চৰকাৰৰ মনোভাৱ সলনি হ'ব বুলি আশা কৰা হৈছে। এই নীতিৰ ফলাফল হিচাপে অঞ্চলটোত অর্থনৈতিক কার্য-কলাপ বাঢ়ি, ব্যৱসায়-বাণিজ্য বাঢ়িব অঞ্চলটোৰ সীমান্ত চুই থকা চুবুৰীয়া দেশবোৰৰ সৈতে সাংস্কৃতিক বিনিময় আৰু আন্তঃব্যক্তিক (people

to people interactions) মত-বিনিময়ৰ মাত্রা বাঢ়িব বুলি ভবা হৈছে।

'পূবলৈ চোৱা' নীতি গ্রহণ কৰাৰ পাছত এচিয়াৰ অন্য দেশৰ সৈতে ভাৰতৰ বাণিজ্যিক সম্পর্ক যথেষ্ট বৃদ্ধি পাইছে। ভাৰতীয় বাণিজ্যত এচিয়াৰ অংশ পৰিমাণ সর্বাধিক। ১৯৯২-৯৩ চনত এই পৰিমাণ আছিল ১২%, কিন্তু ২০০৫-০৬ চনত ইয়াৰ পৰিমাণ প্রায় ২৯.৩৪ শতাংশলৈ বৃদ্ধি পায়। ২০০৫-০৬ চনত এচিয়াৰ সৈতে ভাৰতৰ বাণিজ্যৰ বিকাশ হাৰ সামগ্রিকভাৱে ২৬% আৰু ASEAN দেশবোৰৰ সৈতে ২০% হৈছিল। উত্তৰ-পূব অঞ্চলৰ সীমান্ত সংলগ্ন দেশবোৰৰ সৈতেও ভাৰতীয় বাণিজ্যৰ পৰিমাণ নাটকীয়ভাৱে বৃদ্ধি পাইছে। কিন্তু এই নীতিৰ দ্বাৰা উত্তৰ-পূব অঞ্চল যেনেদৰে লাভৱান হ'ব বুলি কোৱা হৈছিল সেয়া এতিয়াও বাস্তৱ হোৱা নাই। ইয়াৰ অন্যতম কাৰণ হ'ল ভাৰত চৰকাৰে বন্দৰবোৰৰ জৰিয়তে বাণিজ্যিক সম্প্রসাৰণৰ কাম কৰিবলৈ লৈছে। ভাৰতে পূব দিশলৈ চাইছে সঁচা, কিন্তু সেই দৃষ্টি স্থলসীমাৰ ওপৰেৰে পাৰ হৈ যোৱা নাই। 'পূবলৈ চোৱা' নীতিৰ দ্বিতীয় পর্যায়ত জাপান, চীন, অষ্ট্রেলিয়া আৰু নিউজিলেণ্ডৰ দৰে সুদূৰ প্রাচ্যৰ দেশবোৰৰ সৈতে বাণিজ্যিক সম্পর্ক গভীৰ কৰাৰ কথা ভবা হৈছে। এই পর্যায়ত বিভিন্ন মুক্ত বাণিজ্য অঞ্চল সৃষ্টি (FTAs) আৰু দ্বিপাক্ষিক চুক্তিত চহী কৰা হ'ব। অর্থাৎ, আমি ক'ব পাৰো যে আসন্ন দিনবোৰত ভাৰতে ইয়াৰ বাণিজ্যিক সীমান্তবোৰক সামৰি পূর্বদিশৰ চুবুৰীয়াসকলৰ সৈতে ঘনিষ্ঠ বাণিজ্যিক আৰু অর্থনৈতিক সম্পর্ক গঢ়ি তোলাৰ আগ্রাসী প্রচেষ্টা চলোৱাৰ সম্ভাৱনা আছে। এই দ্বিতীয় পর্যায়টোত উত্তৰ-পূব অঞ্চল অর্থনৈতিক সম্পর্ক স্থাপন আৰু বাণিজ্যিক সম্প্রসাৰণ কৌশলৰ এক অংগ হ'ব লাগিব। অঞ্চলটো বাণিজ্য আৰু অর্থনৈতিক বিকাশ প্রবাহিত হোৱা কেন্দ্রত পৰিণত হ'ব লাগিব।

'পূবলৈ চোৱা' নীতিৰ সফল প্রয়োগৰ বাবে উত্তৰ- পূৱ অঞ্চলৰ পৰিবহণ আৰু সংযোগ ব্যৱস্থা উন্নত হ'বই লাগিব। সকলো বতৰতে ব্যৱহাৰযোগ্য হৈ থকা পথ, ঘাইপথ সংযোগী, ৰে'লৱে' ষ্টেশ্যন আৰু বিমানবন্দৰ সংযোগী পথ নির্মাণ কৰাটো হ'ল এই মূহুর্তত সময়ৰ দাবী। অসমৰ বাহিৰে উত্তৰ-পূব অঞ্চলৰ অধিকাংশ ঠাইত এই মৌলিক সা-সুবিধাবোৰ গঢ় লৈ উঠা নাই। অসমে পৰিবহন আৰু সংযোগ ক্ষেত্রত কিছু সা-সুবিধা উপভোগ কৰিবলৈ পাইছে যদিও ৰাষ্ট্রীয় স্তৰৰ তুলনাত ই নগণ্য। এই দিশত কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰসমূহে গুৰুত্বপূর্ণ ব্যৱস্থা ল'বই লাগিব। পথ-ৰে'লৱে-জল-আকাশ এই চাৰিওবিধ যাতায়ত প্রণালীৰ মাজত সমন্বয় থকাতো অতি জৰুৰী। তেতিয়াহে 'পূবলৈ চোৱা' নীতিৰ দ্বাৰা অর্থনৈতিকভাৱে লাভৱান হ'ব পৰা যাব। ভাৰতে, বিশেষকৈ উত্তৰ-পূব অঞ্চলটোৱে এই নীতিৰ কার্যৰূপায়ণৰ সুফল আৰু কুফল দুয়োটাই ভোগ কৰিবলৈ পাব। সুফলৰ ভিতৰত আছে বিদেশী বজাৰত উচ্চ চাহিদা থকা থলুৱা সামগ্রীৰ মান উন্নত কৰিব পাৰিলে উত্তৰ-পূব অঞ্চল এই নীতিটোৰ দ্বাৰা সবাতোকৈ অধিক লাভৱান হোৱাৰ সম্ভাৱনা আছে। একে সময়তে আতিথ্য, পৰিবহন, সংযোগ, সঞ্চয় ভাণ্ডাৰ, বেংকিং, বীমা, যান-বাহন মেৰামতি আৰু ইন্ধন এজেন্সীৰ দৰে সেৱা খণ্ডবোৰবো বিকাশ ঘটিব। সেৱা খণ্ডৰ উন্নতিয়ে অঞ্চলটোত চৰম পর্যায় পোৱা নিবনুৱা সমস্যাটো সমাধানত সহায় কৰিব। অঞ্চলটোৰ সমৃদ্ধ আৰু এতিয়াও অব্যৱহৃত হৈ থকা প্রাকৃতিক সম্পদৰ যথোপযুক্ত ব্যৱহাৰ

হ'ব। আনহাতে ভাৰতে সন্মুখীন হ'ব পৰা প্ৰত্যাহবানবোৰৰ ভিতৰত আছে সুৰক্ষা বিষয়ক হানি আৰু বৃদ্ধিত অবৈধ কার্য-কলাপ। উদাৰ আৰু বিস্তৃত বাণিজ্যই উগ্রপন্থাত্মক সমস্যাৰ সৃষ্টি কৰিব পাৰে, ম্যানমাৰৰ মাজেৰে যোৱা পথবোৰ নিচাযুক্ত দ্রব্য নাইবা অবৈধ প্রব্রজনকাৰীৰ সৰবৰাহ, সংক্রামক ৰোগৰ আগমন, ক্ষুদ্র আগ্নেয়াস্ত্রৰ ব্যৱসায় আদিৰ বাবে ব্যৱহাৰ কৰা হ'ব পাৰে। ই ভাৰতৰ, বিশেষকৈ উত্তৰ-পূব অঞ্চলৰ ক্ষতি কৰিব।

যদিও 'পূবলৈ চোৱা' নীতিৰ বহুতো নেতিবাচক ফলো থাকিব পাৰে, তথাপিও এই নীতিয়ে ভাৰতৰ উত্তৰ-পূব অঞ্চলটোক এটা শান্তিপূর্ণ আৰু অর্থনৈতিক উন্নতিৰে সমৃদ্ধ অঞ্চলত পৰিণত কৰিব পৰাৰ সম্ভাৱনাও বহন কৰিছে। কেৱল নীতিটোৰ সৈতে জড়িত থকা সম্ভাব্য বিপদবোৰৰ বিশ্লেষণ কৰি নিয়ন্ত্রণৰ সুব্যৱস্থা গ্রহণ কৰা দৰকাৰ। এই সম্ভাৱনাক বাস্তৱ ৰূপ দিবলৈ ভাৰত চৰকাৰ আৰু অঞ্চলটোৰ ৰাজ্য চৰকাৰসমূহে ইতিবাচক মনোভাৱেৰে আগবাঢ়ি আহি কার্য-কলাপবোৰত সক্রিয় অংশগ্রহণেৰে নীতিটো সফল কৰি তোলা উচিত।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১০ ঃ উত্তৰ-পূব অঞ্চলে সীমান্ত বাণিজ্য আৰম্ভ কৰিব পৰা চুবুৰীয়া দেশকেইখনৰ নাম কি?

.....

.....

প্রশ্ন নং ১১ ঃ চুবুৰীয়া দেশৰ সৈতে উত্তৰ-পূব অঞ্চলে সীমান্ত বাণিজ্য আৰম্ভ কৰাৰ এটা সুফল উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১২ ঃ ভাৰত চৰকাৰে কেতিয়া 'পূবলৈ চোৱা' নীতি গ্রহণ কৰিছিল?

.....

.....

প্রশ্ন নং ১৩ ঃ উত্তৰ-পূব অঞ্চলক সাঙুৰি 'পূবলৈ চোৱা' নীতি গ্রহণ কৰাৰ আঁৰৰ অভিপ্রায় কি?

.....

.....

প্রশ্ন নং ১৪ ঃ 'পূবলৈ চোৱা ' নীতিয়ে উত্তৰ-পূব অঞ্চলত পেলাব পৰা নেতিবাচক প্রভাৱ কেইটামানৰ বিষয়ে বিষয়ে লিখক।

.....

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আমি উত্তৰ-পূব অঞ্চলৰ ৰাজ্যবোৰৰ ৰাজ্যিক ঘৰুৱা উৎপাদন (SDP), জনমুৰি আয় আৰু ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱা কাৰণবোৰ আলোচনা কৰিলোঁ। সীমান্ত বাণিজ্যৰ সম্ভাৱনা আৰু 'পূবলৈ চোৱা' নীতিৰ বিশদ আলোচনাকো অধ্যায়টিত সামৰি লোৱা হ'ল।
- উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰাবোৰৰ পৰা দেখা গ'ল যে পাৰ হৈ যোৱা সময়ছোৱাত দুখনমান ৰাজ্যই যথেষ্ট ভাল পাৰদর্শিতা দেখুৱাইছে আৰু আন কিছুমানে ৰাজাই ৰাষ্ট্ৰীয় বিকাশ হাৰৰ তুলনাত যথেষ্ট কম বিকাশ হাৰ দেখুৱাইছে।
- অর্থনৈতিক গাঁথনিৰ ক্ষেত্ৰত পাৰ হৈ যোৱা বর্ষবোৰত খণ্ড, অর্থাৎ কৃষি আৰু সহযোগী সেৱাসমূহে মুঠ অর্থনীতিলৈ আগবঢ়োৱা অৱিহণাৰ শতকৰা হাৰ কমিছে কিন্তু তৃতীয়ক খণ্ডৰ (সেৱা) অৱদানৰ হাৰ বাঢ়িছে। গৌণ খণ্ডৰ (উদ্যোগ) অৱদান অঞ্চলটোত চকুত পৰা ধৰণে কম।
- ২০১২-১৩ চনলৈকে উত্তৰ-পূব অঞ্চলৰ দুখনমান ৰাজ্যৰ জনমূৰি আয় ৰাষ্ট্ৰীয় জনমূৰি আয়ৰ হাৰতকৈ যথেষ্ট বেছি আছিল (উদাহৰণ ঃ চিকিম)। কিন্তু কিছুমান ৰাজ্যৰ জনমূৰি আয় এতিয়াও ৰাষ্ট্ৰীয় আয়ৰ হাৰতকৈ যথেষ্ট কম (উদাহৰণ ঃ অসম)। প্ৰতিকূল প্ৰাকৃতিক কাৰক, জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰ, কৃষিৰ ওপৰত অত্যাধিক নির্ভৰশীলতা, ঔদ্যোগিক উন্নয়নৰ অভাৱ, মূলধন সৃষ্টিৰ দুর্বল হাৰ, প্ৰযুক্তি আৰু দক্ষতাৰ নাটনি, ব্যয়বহুল গাঁথনি, পৰিবহন আৰু সংযোগ অসুচলতা, প্ৰাকৃতিক সম্পদৰ অনুপযুক্ত ব্যৱহাৰ তথা অপচয় আদি কাৰণত উত্তৰ-পূব অঞ্চলৰ ৰাজ্যবোৰৰ ৰাজ্যিক আয়ৰ বিকাশ হাৰ লেহেমীয়া হৈ আছে।
- উত্তৰ-পূব অঞ্চলে যিহেতু ইয়াৰ সীমান্তৰ সিংহভাগ ৯৮% (প্ৰায় ৫০০০ কিলোমিটাৰ) বিভিন্ন দেশ, যেনে- বংলাদেশ, চীন, ম্যানমাৰ, ভূটান আৰু নেপালৰ সৈতে ভগাই লয় সেয়েহে এই অঞ্চলটোত সীমান্ত বাণিজ্যৰ সম্ভাৱনা প্ৰচুৰ।
- ১৯৯১ চনত ভাৰতক এচিয়াৰ ভিতৰতে এক অগ্ৰণী উত্থিত আঞ্চলিক শক্তিলৈ ৰূপান্তৰিত কৰাৰ উদ্দেশ্যেৰে দক্ষিণ-পূব এচিয়াৰ দেশবোৰৰ সৈতে বিস্তৃত অর্থনৈতিক আৰু কৌশলগত সম্পর্ক গঢ়ি তুলিবলৈ ভাৰত চৰকাৰে 'পূবলৈ চোৱা' নীতি গ্ৰহণ কৰিছিল। এই নীতিৰ আধাৰত দক্ষিণ-পূব এচীয় দেশবোৰৰ সৈতে কৌশলগত বাণিজ্য আৰু অর্থনৈতিক সম্পর্ক উত্তৰ-পূব অঞ্চলৰ মাজেদিয়েই গঢ় লোৱাৰ কথা কোৱা হৈছে বাবে নীতিটো গ্ৰহণ কৰাৰ লগে লগে অঞ্চলটোৰ প্ৰভাৱ আৰু গুৰুত্বও বাঢ়িছে। সমগ্ৰ প্ৰক্ৰিয়াটোত উত্তৰ-পূব অঞ্চলে মুখ্য কৰিড'ৰ আৰু কেন্দ্ৰস্থলৰ কাম কৰিব।

- 'পূবলৈ চোৱা' নীতিয়ে উত্তৰ-পূব অঞ্চললৈ সুফল আৰু কুফল দুয়োটা কঢ়িয়াই আনিব পাৰে।



৪.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ ৭৭৩৭৬ কোটি

২ নং প্ৰশ্ন উত্তৰ ঃ অৰুণাচল প্ৰদেশ, অসম আৰু মণিপুৰ।

৩ নং প্ৰশ্ন উত্তৰ ঃ তৃতীয়ক (সেৱা) খণ্ড।

৪ নং প্ৰশ্ন উত্তৰ ঃ চিকিম।

৫ নং প্ৰশ্ন উত্তৰ ঃ ভৌগলিক বিচ্ছিন্নতা আৰু সঘনাই দেখা দিয়া প্ৰাকৃতিক দুৰ্যোগসমূহ।

৬ নং প্ৰশ্ন উত্তৰ ঃ প্ৰব্ৰজন সমস্যা।

৭ নং প্ৰশ্ন উত্তৰ ঃ ..... (low volume) আৰু সঞ্চয়ৰ ন্যূনতম হাৰ। অঞ্চলটোৰ জনমূৰি আয় কম হোৱাটোৱেই ইয়াৰ কাৰণ।

৮ নং প্ৰশ্ন উত্তৰ ঃ ৪১%

৯ নং প্ৰশ্ন উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় সমস্যা থকা স্পৰ্শকাতৰ সীমান্ত আৰু সমস্যাজৰ্জৰিত আইন-শৃংখলাজনিত পৰিস্থিতি।

১০ নং প্ৰশ্ন উত্তৰ ঃ বাংলাদেশ, চীন, ম্যানমাৰ, নেপাল আৰু ভূটান।

১১ নং প্ৰশ্ন উত্তৰ ঃ চুবুৰীয়া দেশৰ সৈতে উত্তৰ-পূব অঞ্চলে সীমান্ত বাণিজ্য আৰম্ভ কৰিলে অতিথ্য, পৰিবহন, সংযোগ, সঞ্চয় ভাণ্ডাৰ, বেংকিং আৰু বীমাৰ দৰে সেৱা খণ্ডবোৰৰ বিকাশ ঘটিলে অঞ্চলটো বিভিন্ন দিশেৰে আৰ্থিকভাৱে লাভৱান হ'ব।

১২ নং প্ৰশ্ন উত্তৰ ঃ ১৯৯১ চনত

১৩ নং প্ৰশ্ন উত্তৰ ঃ ঔদ্যোগিকভাৱে অনগ্ৰসৰ অঞ্চলটোত ঔদ্যোগিক কাম-কাজ বহুধা বিভক্ত

কৰা, কর্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা, অঞ্চলটোৰ সম্ভাৱনীয়তা অনুসৰি বাণিজ্য আৰু বজাৰ সম্প্রসাৰণ কৰা আদি হ'ল 'পূবলৈ চোৱা' নীতিৰ অভিপ্রায়।

১৪ নং প্রশ্ন উত্তৰ ঃ উদাৰ আৰু বিস্তৃত বাণিজ্যই উগ্রপন্থাত্মক সমস্যাৰ সৃষ্টি কৰিব পাৰে, ড্যানমাৰৰ মাজেৰে যোৱা পথবোৰ নিচাযুক্ত দ্রব্য নাইবা অবৈধ প্রব্রজনকাৰীৰ সৰবৰাহ, সংক্রামক ৰোগৰ আগমন, ক্ষুদ্র আগ্নেয়াস্ত্রৰ ব্যৱসায় আদিৰ বাবে ব্যৱহাৰ কৰা হ'ব পাৰে। ই ভাৰতৰ বিশেষকৈ উত্তৰ-পূব অঞ্চলৰ ক্ষতি কৰিব।



৪.১০ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উত্তৰ-পূব অঞ্চলৰ অর্থনৈতিক উন্নয়নৰ প্রতিবন্ধক হিচাপে প্রতিকূল প্রাকৃতিক কাৰকসমূহৰ বিষয়ে আলোচনা কৰাক।

প্রশ্ন ২ ঃ কেনেকৈ মূলধন সৃষ্টিৰ দুর্বল হাৰে উত্তৰ-পূব অঞ্চলৰ অর্থনৈতিক উন্নয়নৰ স্তৰ নিম্নগামী কৰিছে?

প্রশ্ন ৩ ঃ উত্তৰ-পূব অঞ্চলৰ উচ্চ ব্যয় গাঁথনিয়ে কেনেদৰে অঞ্চলটোৰ অর্থনৈতিক উন্নয়নত বিৰূপ প্রভাৱ পেলাইছে?

প্রশ্ন ৪ ঃ 'পূবলৈ চোৱা' নীতিৰ সফল কার্যৰূপায়ণৰ পূর্বচর্তবোৰ কি কি?

প্রশ্ন ৫ ঃ উত্তৰ-পূব অঞ্চলৰ বাবে 'পূবলৈ চোৱা' নীতি কিয় ইমান সফল আৰু লাভজনক হৈ উঠা নাই?

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ধাৰা আৰু গাঁথনিটোৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ উত্তৰ-পূব অঞ্চলত ৰাজ্যিক আয় বৃদ্ধিৰ হাৰ লেহেমীয়া হোৱাৰ কাৰণবোৰ কি কি?

প্রশ্ন ৩ ঃ চুবুৰীয়া ৰাষ্ট্রবোৰৰ সৈতে উত্তৰ-পূব অঞ্চলৰ বাণিদ্যৰ সম্ভাৱনা আলোচনা কৰক।

প্রশ্ন ৪ ঃ উত্তৰ-পূব অঞ্চলত 'পূবলৈ চোৱা' নীতিৰ ইতিবাচক আৰু নেতিবাচক প্রভাৱবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ উত্তৰ-পূৰ্ব ভাৰতৰ কৃষি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ উত্তৰ-পূৰ্ব ভাৰতত কৃষিৰ গুৰুত্ব

৫.৪ ভূমি ব্যৱহাৰৰ ধৰণ আৰু শস্য উৎপাদনৰ ধাৰা

৫.৫ উত্তৰ-পূৰ্বাঞ্চলত কৃষি উৎপাদন আৰু উৎপাদনশীলতা

৫.৫.১ উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি উৎপাদন

৫.৫.২ কৃষি উৎপাদনশীলতা

৫.৬ উত্তৰ-পূৰ্ব ভাৰতত কৃষিৰ আধুনিকীকৰণ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি --

- উত্তৰ-পূৰ্ব ভাৰতৰ কৃষিক্ষেত্রৰ মূল বিচার্য বিষয়সমূহৰ বিষয়ে জ্ঞাত হ'ব
- উত্তৰ-পূৰ্ব ভাৰতৰ অর্থনীতিত কৃষিখণ্ডৰ গুৰুত্ব অনুধাৱন কৰিব পাৰিব
- কৃষিভূমি ব্যৱহাৰৰ আৰ্হি আৰু কৃষি উৎপাদনৰ ধৰণ সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- কৃষি উৎপাদন আৰু উৎপাদনশীলতাৰ সমীক্ষা কৰিব পাৰিব
- স্থানান্তৰিত কৃষিৰ সংশ্লিষ্ট বিষয়সমূহ, ইয়াৰ সু তথা কু- ফলসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ-পূৰ্ব ভাৰতৰ কৃষি খণ্ডৰ আধুনিকীকৰণৰ বাবে গ্রহণ কৰা কৌশলসমূহৰ বিষয়ে জ্ঞান লভিব।

৫.২ পৰিচয়

উত্তৰ-পূৰ্ব ভাৰতৰ মুঠ ভূমিখণ্ড হ'ল ২৫৫০৮৩ বর্গ কিলোমিটাৰ (সর্বমুঠ), আৰু ইয়াৰে বহুলাংশ জনসংখ্যা কৃষিৰ ওপৰতে নির্ভৰশীল। অঞ্চলটোৰ মুঠ জনসংখ্যাৰ মাথোঁ ২০ শতাংশ নগৰবাসী আৰু বাকী ৮০ শতাংশই গ্রাম্য জনসংখ্যা। সেয়ে ইয়াৰ জনসংখ্যাৰ অধিকাংশই জীৱিকাৰ প্রাথমিক উপায় হিচাপে কৃষিৰ ওপৰতেই নির্ভৰশীল। ইয়েই উত্তৰ-পূৰ্ব

ভাৰতত কৃষিৰ গুৰুত্ব সূচায়। এই অধ্যায়টিত কৃষিভূমিৰ ব্যৱহাৰৰ আৰ্হি, কৃষি উৎপাদনৰ ধৰণ, কৃষি উৎপাদন, উৎপাদনশীলতা আদিৰ লগতে ঝুম খেতিৰ সু-ফল আৰু আপুনি কু-ফলসমূহ ইয়াৰ উপৰি উত্তৰ-পূৰ ভাৰতৰ কৃষি খণ্ডৰ আধুনিকীকৰণৰ লগত জড়িত উপাদ্যৰ বিষয়ে বিষয়সমূহৰ বিষয়েও সম্যক জ্ঞান অৰ্জন কৰিব।

৫.৩ উত্তৰ-পূব ভাৰতত কৃষিৰ গুৰুত্ব

আমি ইতিমধ্যে উল্লেখ কৰিছোৱেই যে উত্তৰ-পূৰ ভাৰতৰ অৰ্থনীতি কৃষি খণ্ডৰ গুৰুত্ব অতি বেছি। তলত উল্লিখিত দফাকেইটাই এই বক্তব্যৰ স্পষ্টতা দাঙি ধৰিব—

- উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ (৭০ শতাংশতকৈ অধিক) লোকৰেই জীৱিকাৰ প্ৰাথমিক তথা প্ৰধান অৱলম্বন কৃষি তথা ইয়াৰ স'তে সংযুক্ত অন্যান্য উৎসসমূহ; যেনে— উদ্যান কৃষি, পলু ফাৰ্ম, গাহৰি পালন, মৎস্য পালন, ইত্যাদি। আকৌ মুঠ শ্ৰমজীৱি জনসংখ্যাৰ প্ৰায় ৬৫ শতাংশ শ্ৰমিকেই জীৱিকাৰ উদ্দেশ্যে কৃষি শ্ৰমিকৰূপে কৰ্মৰত।
- অঞ্চলটিত উৎপাদিত কৃষি উৎপাদনসমূহেই ইয়াৰ ঔদ্যোগিক বিকাশত অৰিহণা যোগাই আহিছে। ইয়াৰে কৃষি নিৰ্ভৰ উদ্যোগসমূহ হ'ল— চাহ উদ্যোগ, মৰাপাট, কাগজ, চেনি, আটা আৰু তেল সংসাধন উদ্যোগ, ইত্যাদি। এই উদ্যোগসমূহৰ বিকাশৰ বাবে কেঁচা সামগ্ৰী; যেনে— চাহ, মৰাপাট, কুঁহিয়াৰ, বস্ত্ৰ, ঘেঁহু, ফল-মূল আদি ইয়াৰে কৃষি খণ্ডৰ পৰাই আহে।
- অঞ্চলটোৰ ৰাজ্যিক ঘৰুৱা উৎপাদন (SDP)ৰ সিংহভাগেই কৃষি খণ্ডৰ অৰিহণা। উদাহৰণস্বৰূপে, ২০০২-২০০৩ চনত কৃষি আৰু ইয়াৰ সংযুক্ত কৃষি খণ্ডৰ সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনলৈ অৰিহণা আছিল প্ৰায় ৩৯ শতাংশ। আনহাতে অন্য ৰাজ্যসমূহৰ; যেনে— মেঘালয়, মণিপুৰ, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম আটাইকেইখন ৰাজ্যৰ অৰিহণা আছিল গড়ে মাথোঁ ৩৮ শতাংশ, য'ত ৰাজ্য বিশেষে অৰিহণা ইয়াতকৈ সামান্য বেছি অথবা কম।
- উত্তৰ-পূৰ্বাঞ্চলত খাদ্য শস্যৰ উৎপাদন আশানুৰূপ নহয় আৰু সেয়ে ই খাদ্যসমূহ ব্যৱসায়িক উদ্দেশ্যত ব্যৱহৃত হ'ব পৰাকৈ প্ৰয়োজন অনুপাতে উৎপাদন কৰিব পৰা নাই। তথাপি কিছুমান কৃষি শস্য; যেনে— চাহ, মৰাপাট আদিত অসমৰ আৰু ফল-মূল আদিৰ উৎপাদনত পাহাৰীয়া ৰাজ্য কিছুমানৰ উৎপাদন উল্লেখনীয়।

মুঠতকৈ ইয়াকে ক'ব পাৰি যে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশত কৃষি খণ্ডই এক উল্লেখ্য ভূমিকা লৈ আহিছে।

৫.৪ ভূমি ব্যৱহাৰৰ ধৰণ আৰু শস্য উৎপাদনৰ ধাৰা

এটা অঞ্চলৰ ভূমি ব্যৱহাৰৰ ধৰণে অঞ্চলটোত ভূমি ব্যৱহাৰৰ ভিন ভিন উদ্দেশ্যৰ বিষয়ে আমাক এক সম্যক ধাৰণা প্ৰদান কৰে। একেদৰে 'শস্য উৎপাদনৰ ধৰণ' এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত হোৱা বিভিন্ন শস্য উৎপাদনৰ ধাৰাও এক গুৰুত্বপূৰ্ণ সূচক।

- **ভূমি ব্যৱহাৰৰ ধৰণ ঃ** অঞ্চলটোৰ আঠখন ৰাজ্যৰ মুঠ ২.৬২ লাখ বৰ্গ কি.মি. (২০০১ চনৰ পিয়ল অনুসৰি) ভূখণ্ডৰ ৬১.৬৭ লাখ হেক্টৰ ভূমি শস্য উৎপাদনৰ বাবে উপযোগী। ৰাজ্য হিচাপে শস্য উৎপাদনৰ উপযোগী ভূখণ্ডৰ পৰিমাণ তলৰ তালিকাখনত দিয়া হ'ল।

তালিকা ৫.১ ঃ ৰাজ্য হিচাপে শস্য উৎপাদনৰ উপযোগী ভূখণ্ডৰ পৰিমাণ আৰু কৃষকৰ সংখ্যা (২০০৫-০৬)

ৰাজ্য	শস্য উৎপাদনৰ উপযোগী ভূখণ্ড (হাজাৰ হেক্টৰ)	কৃষকৰ সংখ্যা (হাজাৰ)
অৰুণাচল প্ৰদেশ	৩১৪	১০৭
অসম	৩২২৪	২৬০৩
মণিপুৰ	২৪৫	১৪৯
মিজোৰাম	২১৮	১৪৯
মেঘালয়	১০৫৮	৭৬
নাগালেণ্ড	৬৪৪	১৪৪
চিকিম	১৫৪	৫১
ত্ৰিপুৰা	৩১০	৪৭৯
(সৰ্বমুঠ)	**৬১৬৭**	**৩৮২৩**
ভাৰতীয়	**১৮২৫৭৫**	**১২০৮২০**

উৎস ঃ *www.indiastat.com. ১৫.০৭.২০১০ তাৰিখে লোৱা তথ্য অনুসৰি*

ওপৰৰ ৫.১নং তালিকাৰ পৰা দেখা যায় ৩২২৪ হাজাৰ হেক্টৰ কৃষিভূমিৰে অসমেই প্ৰথম স্থান অধিকাৰ কৰিছে; য'ত ১০৫৮ হাজাৰ হেক্টৰ কৃষিভূমিৰে অসমৰ ঠিক পাছতেই মেঘালয়ৰ স্থান। কৃষিভূমিৰ ক্ষেত্ৰত চিকিমৰ স্থান সবাতোকৈ শেষত। সমগ্ৰ অঞ্চলটোত মুঠ কৃষিভূমিৰ পৰিমাণ হ'ল ৬১৬৭ হাজাৰ হেক্টৰ।

এতিয়া প্ৰতিখন ৰাজ্যতে কৃষকৰ সংখ্যা বিচাৰ কৰা যাওক। ২৬০৩ হাজাৰ কৃষকেৰে অসমত কৃষকৰ সংখ্যা সৰ্বাধিক। মন কৰিবলগীয়া যে গোটেইকেইখন ৰাজ্যৰ ভিতৰত কৃষিভূমিৰ ফালৰ পৰা ত্ৰিপুৰাৰ স্থান পঞ্চমত যদিও কৃষকৰ সংখ্যাৰ হিচাপত ইয়াৰ স্থান অসমৰ ঠিক পিছতেই, মুঠ ৪৭৯ হাজাৰ।

তালিকা ৫.২ ঃ উত্তৰ পূৰ্বাঞ্চলৰ মুঠ খেতিমাটি (২০১০-২০১১)

ৰাজ্য	মুঠ খেতিমাটি (হাজাৰ হেক্টৰ)	মুঠ ভৌগলিক মাটিকালিৰ বিপৰীতে খেতিমাটিৰ শতকৰা হিচাব
অৰুণাচল প্ৰদেশ	২৭৬	০.৩২
অসম	৪১০০	৫.২২
মণিপুৰ	২৩৩	১.০৪
মিজোৰাম	৩৩৬	১.৫০
মেঘালয়	৪৮৭	২.৩১
নাগালেণ্ড	১২৩	০.৭৪
চিক্কিম	১৪৪	২.০৩
ত্ৰিপুৰা	৩০৯	২.৯৫

উৎস ঃ *উত্তৰ-পূৰ্বাঞ্চলৰ মৌলিক পৰিসংখ্যা, ২০১৫*

তালিকা নং ৫.২ত ২০১০-১১ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত থকা মুঠ খেটিমাটিৰ হিচাব উল্লেখ কৰা হৈছে। অধিকাংশ পাহাৰীয়া ৰাজ্যতেই শতকৰা হিচাবত খেতিমাটিৰ পৰিমাণ যথেষ্ট কম।

মুঠ কৃষিভূমি ৬১৬৭ হাজাৰ হেক্টৰৰ ভিতৰত ৰাজ্য হিচাপে খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ তলৰ তালিকা ৫.৩ তালিকাত দেখুওৱা হৈছে।

তালিকা ৫.৩ ঃ ৰাজ্য হিচাপে ভাৰতবৰ্ষত খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ (হাজাৰ হেক্টৰত)

ৰাজ্য/বছৰ	১৯৯৬-৯৭	২০০০-০১	২০০৪-০৫	২০০৭-০৮	২০১১-১২
অৰুণাচল প্ৰদেশ	১৭৬.৬	১৮৭.৬	১৯২.৬	২০০.৩	২০৫.২
অসম	২৭২৮.৭	২৮৫৮.৯	২৫৭৫.৫	২৫১৮.০	২৭৩৬.২
মণিপুৰ	১৭২.৫	১৬৭.৮	১৮৭.৪	১৮৩.৬	২৭৯.২
মেঘালয়	১৩২.২	১৩৫.২	১৩৪.৫	১৩০.৭	১৩৩.০
মিজোৰাম	৭৭.৫	৬০.৯	৬৬.০	৬৭.১	৪৯.২
নাগালেণ্ড	২০১.৭	২২৯.৫	২৫৫.৮	৩০২.০	২৯৫.১
চিক্কিম	৭৭.০	৭৬.১	৭৩.৯	৮১.০	৬৯.০
ত্ৰিপুৰা	২৭২.৭	২৫৩.৯	২৫৫.৪	২৪৭.১	২৭৫.৪
উত্তৰ-পূৰ্বাঞ্চল (সৰ্বমুঠ)	**৩৮৩৮.৯**	**৩৯৬৯.৯**	**৩৭৪১.১**	**৩৭২৯.৮**	**৪০৪২.৩**

উৎস ঃ *Directorate of Economics and Statistics, Dept of Agriculture and Cooperation, Ministry of Agriculture, GOI.*

ওপৰৰ ৫.৩নং তালিকাৰ পৰা দেখা যায় যে উত্তৰ-পূৰ্বাঞ্চলত খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ ২০০০-০১ চনৰ পৰা ক্ৰমাগতভাৱে হ্ৰাস পাই আহিছে। সামগ্ৰিকভাৱে অঞ্চলটোত ২০০০-০১ চনত খাদ্যশস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ আছিল ৩৯৬৯.৯ হাজাৰ হেক্টৰ; যি ২০০৪-০৫ চনত ৩৭৪১.১ আৰু ২০০৭-০৮ চনত ৩৭২৯.৮ হাজাৰ হেক্টৰলৈ হ্ৰাস পায়। এই ধাৰাটো পিছে ৰাজ্য বিশেষে অথবা

সামগ্রিকভাৱে দেশখনৰ ক্ষেত্রত পৰিলক্ষিত নহয়। উদাহৰণস্বৰূপে, উক্ত সময়ছোৱাত (অর্থাৎ ২০০০-২০০৮ চনলৈ) অসমৰ ক্ষেত্রত খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত ভূমিৰ পৰিমাণ স্থায়ীভাৱে হ্রাস হোৱা দেখা যায়। কিন্তু অৰুণাচল প্রদেশৰ ক্ষেত্রত ই সম্পূর্ণ ওলোটা। অৰুণাচলৰ দৰে মিজোৰামৰ ক্ষেত্রতো ধাৰাটো ইতিবাচক।

শস্য উৎপাদনৰ ধাৰা ঃ ভৌগোলিক অৱস্থা আৰু বতৰৰ ওপৰত নির্ভৰ কৰি উত্তৰ-পূৰ ভাৰতত খাদ্য শস্য উৎপাদনৰ ধাৰাটো ভিন্ন প্রকৃতিৰ। তথাপি অঞ্চলটোত সেউজ বিপ্লৱৰ প্রভাৱ ন্যূনতম হোৱা হেতু ইয়াৰ খাদ্য শস্য উৎপাদনত বিশেষ পৰিৱর্তন সাধন হোৱা নাই। ধানেই অঞ্চলটোৰ মুখ্য খাদ্য শস্য। অঞ্চলটোত খাৰিফ শস্যৰ প্রাদুর্ভাৱেই সবাতোকৈ অধিক। তথাপি অঞ্চলটোৰ মুঠ কৃষি উপযোগী ভূমি খণ্ডৰ ৩২ শতাংশ ভূমিত খাদ্য শস্য ব্যতিৰেকে অন্য শস্য; যেনে—মৰাপাট, তেল, কুঁহিয়াৰ আদি ব্যৱসায়িক শস্য উৎপাদন হয়। উত্তৰ-পূর্বাঞ্চলত মাহজাতীয় (Pulse) অথবা অন্য ৰবি শস্যসমূহে মুঠ কৃষি উপযোগী ভূমিৰ মাত্র ৫.৬ শতাংশহে অধিকাৰ কৰি আছে। এই তথ্যসমূহ তলৰ ৫.৫ নং আৰু ৫.৫ নং তালিকাত দেখুওৱা হ'ল—

তালিকা ৫.৪ ঃ খাৰিফ শস্য উৎপাদনত ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ ('০০০ হেক্টৰত)

ৰাজ্য/বছৰ	১৯৯৬-৯৭	২০০০-০১	২০০৪-০৫	২০০৭-০৮
অৰুণাচল প্রদেশ	১৬৯.০	১৮০.১	১৮৪.৫	১৮৮.৮
অসম	২৩৫৬.৭	২৩৫৫.১	২০৯৯.৩	২০৩২.০
মণিপুৰ	১৭২.৫	১৬৭.৮	১৮৫.৩	১৭৮.৫
মেঘালয়	১২৫.৫	১২৪.৫	১২৩.৯	১১৫.৫
মিজোৰাম	৭৫.৯	৫৯.৬	৬৩.৫	৬৫.৭
নাগালেণ্ড	১৯৪.২	২১০.০	২২৭.৫	২৮৫.৫
চিক্কিম	৬১.১	৬২.১	৬০.৪	৬৯.৪
ত্রিপুৰা	২১০.২	১৯৪.৩	১৯৩.০	১৭৯.২
উত্তৰ-পূর্বাঞ্চল (সর্বমুঠ)	**৩৩৬৪.৬**	**৩৩৫৩.৫**	**৩১৩৭.৪**	**৩১১৪.৯**

তালিকা ৫.৫ ঃ ৰবি শস্য উৎপাদনত ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ ('০০০ হেক্টৰত)

ৰাজ্য/বছৰ	১৯৯৬-৯৭	২০০০-০১	২০০৪-০৫	২০০৭-০৮
অৰুণাচল প্রদেশ	৭.৬	৭.৫	৮.১	১১.৫
অসম	৩৭২.৫	৫০৩.৮	৪৭৬.২	৪৮৬.০
মণিপুৰ	NA	NA	২.১	৫.১
মেঘালয়	৬.৭	১০.৭	১০.৬	১৪.৯
মিজোৰাম	১.৬	১.৩	২.৫	১.৪
নাগালেণ্ড	৭.৫	১৯.৫	২৮.৩	১৬.৫
চিক্কিম	১৫.৯	১৪.০	১৩.৫	১১.৬
ত্রিপুৰা	৬২.৫	৫৯.৬	৬২.৪	৬৭.৯
উত্তৰ-পূর্বাঞ্চল (সর্বমুঠ)	**৪৭৪.৩**	**৬১৬.৪**	**৬০৩.৭**	**৬১৪.৯**

উৎস ঃ *Directorate of Economics and Statistics, Dept of Agriculture and Cooperation, Ministry of Agriculture, GOI.*

ওপৰৰ তালিকা দুখনৰ পৰা ইয়াকে ক'ব পাৰি যে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান কৃষিকৰ্ম হ'ল খাৰিফ শস্য। ইয়াত ৰবি শস্যৰ উৎপাদন নিচেই সীমিত। ইয়াৰ মুখ্য কাৰণ উপযুক্ত জলসিঞ্চনৰ অভাৱ বুলিয়েই ঠাৱৰ কৰিব পাৰি। তথাপি লক্ষ্য কৰা যায় যে বিগত বছৰসমূহত ৰবি শস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ লাহে লাহে বাঢ়ি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভুল নে শুদ্ধ নিৰ্ণয় কৰক ঃ

(ক) ২০০০-০১ চনৰ পৰা অসমত খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ খৰতকীয়াকৈ বাঢ়িছে। (ভুল/শুদ্ধ)

(খ) অঞ্চলটোৰ মেঘালয়তেই কৃষকৰ সংখ্যা সৰ্বাধিক। (ভুল/শুদ্ধ)

প্ৰশ্ন নং ২ ঃ অঞ্চলটোৰ কোনখন ৰাজ্যত শস্য উৎপাদনৰ বাবে ব্যৱহৃত ভূখণ্ডৰ পৰিমাণ ২০০০-০১ চনৰ পৰা বাঢ়িছে। (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়া)

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ উত্তৰ-পূৰ্বাঞ্চলত কৃষি উৎপাদনৰ ধাৰাটো কেনেকুৱা? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

৫.৫ উত্তৰ-পূৰ্বাঞ্চলত কৃষি উৎপাদন আৰু উৎপাদনশীলতা

উত্তৰ-পূৰ্বাঞ্চলৰ সমগ্ৰ কৃষি উৎপাদন মূলতঃ দুটা ভাগত ভগাব পাৰি— খাদ্যৰ বাবে ব্যৱহৃত শস্য আৰু বিক্ৰীৰ বাবে ব্যৱহৃত শস্য। উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য খাদ্য শস্যসমূহ হ'ল— ধান, ঘেঁহু, মাহজাতীয় শস্য আৰু বিক্ৰীৰ বাবে ব্যৱহৃত শস্যসমূহৰ ভিতৰত— চাহ, মৰাপাট, কুঁহিয়াৰ, তেল ইত্যাদি। উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি মূলতঃ কৃষিকেন্দ্ৰিক যদিও দেশৰ সেউজ বিপ্লৱৰ পিচৰ সময়ছোৱাত ইয়াৰে কৃষি খণ্ডত বিশেষ পৰিৱৰ্তন পৰিলক্ষিত হোৱা নাই। অৰ্থাৎ সেউজ বিপ্লৱে অঞ্চলটোৰ কৃষি নিৰ্ভৰ অৰ্থনীতিৰ ওপৰত বিশেষ লক্ষ্যণীয় প্ৰভাৱ পেলাব পৰা নাই। তথাপি মুঠ কৃষি উৎপাদন ধীৰ গতিত বাঢ়ি থকা দেখা যায়।

৫.৫.১ উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি উৎপাদন

উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ খাদ্য শস্য উৎপাদন (১৯৯৬-৯৭ চনৰ হিচাপমতে) আছিল ৫৩১৫ হাজাৰ টন, য'ত অসমত ৩৫৩২ হাজাৰ টন, যিটো উত্তৰ-পূৰ্বাঞ্চলৰ

মুঠ কৃষি উৎপাদনৰ ৬৬ শতাংশ। ওপৰৰ তালিকাৰ পৰা দেখা যায় যে বাকী সকলো ৰাজ্যই খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত দুখলগাভাৱে পিছ পৰা। তলত দিয়া তালিকাখন লক্ষ্য কৰিলে আপুনি দেখিব যে বছৰটোত খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত অঞ্চলটোৰ আন কোনো এখন ৰাজ্যই অঞ্চলটোৰ মুঠ গড় উৎপাদন অর্থাৎ ৬৬৪.৪ হাজাৰ হেক্টৰৰ ঘৰ স্পর্শ কৰা নাই। ইয়াতকৈ আশ্চর্যৰ বিষয় এই যে ৫.৬ নং তালিকাখনত দেখুওৱাৰ দৰে অন্য বছৰসমূহতো সেয়া ঘটা নাই। ইয়াৰে অন্তর্নিহিত কাৰণসমূহ বিচাৰ কৰি চোৱা যাওঁক। প্ৰথমতে আমি পাহৰি যোৱাটো উচিত নহ'ব যে অঞ্চলটোৰ বেছিভাগ ৰাজ্যই পাহাৰীয়া, যাৰ বাবে ইয়াৰে শস্য উৎপাদনৰ বাবে উপযোগী কৃষিভূমিৰ পৰিমাণ যথেষ্ট কম (অনুগ্ৰহ কৰি ৫.৩নং তালিকাখনৰ সংশ্লিষ্ট আলোচনালৈ লক্ষ্য কৰক)। দ্বিতীয়তে এই অঞ্চলটোত কৃষিৰ উৎপাদনশীলতা যথেষ্ট কম। আমি ইয়াৰ পিছৰ উপ-শাখাটোত উৎপাদনশীলতা বিষয়টো খৰচি মাৰি আলোচনা কৰিম। সাধাৰণভাৱে ইয়াকে উল্লেখ কৰিব পাৰি যে, যদি অঞ্চল-টোৰ কৃষি উৎপাদনশীলতা দেশৰ অন্য কৃষিগতভাৱে উন্নত ৰাজ্যসমূহৰ সমান্তৰালভাৱে বঢ়াব পাৰি ইয়াৰ কৃষি উৎপাদন নিশ্চিতভাৱে বাঢ়িব।

তালিকা ৫.৬ ঃ ৰাজ্য হিচাপে মুঠ খাদ্য শস্য উৎপাদনৰ পৰিমাণ ('০০০ টনত)

ৰাজ্য/বছৰ	১৯৯৬-৯৭	২০০০-০১	২০০৪-০৫	২০০৭-০৮	২০১১-১২
অৰুণাচল প্ৰদেশ	২০৫.৮	২১৫.৩	২২৬.৯	২৪৮.৫	৩৬২.৫
অসম	৩৫৩২.১	৪১৬৬.৫	৩৬১৮.২	৩৪৭০.০	২৭৩৬.২
মণিপুৰ	৩৯০.৭	৩৯৫.৮	৪৪৭.৮	৪২১.৮	৬৬৯.১
মেঘালয়	১৭৮.৩	২১৬.০	২২৫.২	২৩১.৮	২৪৯.১
মিজোৰাম	১৩৩.৮	১২৪.০	১২৪.৬	১৯.১	৬৮.০
নাগালেণ্ড	২১২.৩	৩২২.৭	৪০৩.৫	৪৭৩.২	৫৬৬.৫
চিক্কিম	১০৫.৮	১০৩.২	১০৩.৯	১১১.৬	১০৩.২
ত্ৰিপুৰা	৫৫৬.১	৫২৩.১	৫৫৬.৪	৬৩৩.৩	৭১২.৪
উত্তৰ-পূৰ্বাঞ্চল (সৰ্বমুঠ)	**৫৩১৪.৯**	**৬০৬৬.৬**	**৫৭০৬.৫**	**৫৬০৯.৩**	**১১৪৮৮.৯**
উত্তৰ-পূৰ্বাঞ্চল (গড়)	**৬৬৪.৪**	**৭৫৮.৩**	**৭১৩.৩**	**৭০১.২**	

উৎস ঃ *Directorate of Economics and Statistics, Dept of Agriculture and Cooperation, Ministry of Agriculture, GOI.*

কৃষিৰ বাবে ব্যৱহৃত কৃষি ভূমিৰ পৰিমাণলৈ লক্ষ্য কৰিলে দেখা যায় য়ে অঞ্চলটোত অসমেই একমাত্ৰ ৰাজ্য যাক দেশৰঅন্য কৃষিগতভাৱে উন্নত ৰাজ্যসমূহৰ লগত তুলনা কৰিব পাৰি (অনুগ্ৰহ কৰি ৫.৩নং তালিকাখনৰ সংশ্লিষ্ট আলোচনালৈ লক্ষ্য কৰক)। কিন্তু এই ৰাজ্যখন অন্য উন্নত ৰাজ্য; যেনে— হাৰিয়ানা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, পাঞ্জাৰ আৰু উত্তৰপ্ৰদেশৰ তুলনাত দুখ লগাভাৱে পিছ পৰা। উপৰোক্ত তালিকাত দেখুওৱাৰ দৰে উক্ত সকলো বছৰতেই ৰাজ্যখনত খাদ্য শস্য উৎপাদনৰ পৰিমাণ অন্য ৰাজ্যসমূহৰ তুলনাত লক্ষ্যণীয়ভাৱে কম। তালিকাখনত লক্ষ্যণীয় আন

এটা দৰকাৰী কথা হ'ল বিগত প্ৰায় দহ বছৰত (১৯৯৬-৯৭ চনৰ পৰা ২০০৭-০৮ চনলৈ) অসম আৰু অন্য ৰাজ্যসমূহৰ মাজত খাদ্য শস্য উৎপাদনৰ সামগ্ৰিক পাৰ্থক্য বেছিভাগ ক্ষেত্ৰতেই ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। উদাহৰণস্বৰূপে, ১৯৯৬-৯৭ চনত অসম আৰু হাৰিয়ানাৰ মাজত খাদ্য শস্য উৎপাদনৰ পাৰ্থক্য আছিল (১১৪৪৮-৩৫৩২) ৭৯১৬ হাজাৰ টন। ২০০৭-০৮ চনত ই হ'লগৈ (১৫৩০৭-৩৪৭০) ১১৮৩৭ হাজাৰ টন। এইদৰে এই পাৰ্থক্য বিগত দশকটোত ক্ৰমাগতভাৱে বাঢ়ি আছে। এইটো ইতিবাচক যে যদি অন্য ৰাজ্যসমূহ; যেনে— মহাৰাষ্ট্ৰ আৰু পাঞ্জাৱৰ স'তে খাদ্য শস্য উৎপাদনৰ পৰিমাণ তুলনাত্মক। লক্ষ্যণীয়ভাৱে এই পাৰ্থক্য ৰাজ্যৰ গড় খাদ্য শস্য উৎপাদন আৰু সামগ্ৰিকভাৱে জাতীয় গড়ৰ পৰিমাণ সংশ্লিষ্ট উক্ত দশকটোত ক্ৰমাগতভাৱে বাঢ়ি আহিছে।

এইটো মনত ৰাখিব লাগিব যে অঞ্চলটোত উৎপাদিত কৃষি শস্যসমূহৰ মাজত ঘেঁহু, মাহজাতীয় শস্য, তেল, কুঁহিয়াৰ আদিৰ সৈতে তুলনা কৰিলে দেখা যায় যে ধানৰ উৎপাদনেই সৰ্বাধিক। কিছুমান পাহাৰীয়া ৰাজ্যত, যেনে-- মেঘালয়, মণিপুৰ আদিত উদ্যান শস্য, যেনে-- আঁঙুৰ, কমলা আদিও উৎপাদন হয় ; যাৰ সহায়ত অঞ্চলটোৰ খাদ্য সংসাধন উদ্যোগসমূহৰ উত্থান হোৱাৰ অৱকাশ আছে। আমি এতিয়া খাদ্য শস্যৰ উৎপাদনশীলতাৰ বিষয়ে আলোচনা কৰিম।

৫.৫.২ কৃষি উৎপাদনশীলতা

কৃষি উৎপাদনশীলতাৰ হিচাপ বুজিবলৈ অতি সাধাৰণভাৱে ব্যৱহৃত ধাৰাটো হৈছে প্ৰতি হেক্টৰ ভূমিৰ গড় উৎপাদন। দেশত সেউজ বিপ্লৱ (যেনে-- হাইব্ৰিড শস্যৰ গুটি, জলসিঞ্চন ব্যৱস্থাৰ প্ৰসাৰ আৰু ভূ-কৰ্ষণৰ উন্নত পদ্ধতিৰ ব্যৱহাৰ) আৰম্ভ হোৱাৰ পিচত প্ৰতি হেক্টৰত উৎপাদিত শস্যৰ পৰিমাণৰ এক বৰ্দ্ধিত ধাৰা আৰম্ভ হৈছিল। কিন্তু উত্তৰ-পূৰ্বাঞ্চলত কৃষি উৎপাদনশীলতা নিম্নমানশীলেই হৈ থাকিল। ইয়াৰ অৰ্থ এই যে অঞ্চলটোত সেউজ বিপ্লৱৰ বিশেষ প্ৰভাৱ পৰা নাছিল। যিটো আছিল অৱধাৰিত। ইয়াৰ কাৰণ আছিল ১৯৬০ দশকত ভাৰতবৰ্ষত যেতিয়া সেউজ বিপ্লৱ আৰম্ভ কৰা হৈছিল ইয়াক হাৰিয়ানা আৰু পাঞ্জাৱ আদি কেইখনমান নিৰ্বাচিত ৰাজ্যৰ বাহিৰে সমগ্ৰ দেশতে ৰূপায়ণ কৰা হোৱা নাছিল। আকৌ অঞ্চলটোত, বিশেষভাৱে মুখ্য কৃষিনিৰ্ভৰ ৰাজ্য অসমত সেউজ বিপ্লৱ সবাতোকৈ শেষত আৰম্ভ হৈছিল। সেয়ে সকলো বস্তুৰেই প্ৰতি হেক্টৰৰ গড় উৎপাদন (১৯৮১-৮২= ১০০ৰ হিচাপত) উত্তৰ ভাৰতৰ অন্য ৰাজ্যসমূহৰ তুলনাত নিচেই কম। ২০০৫-০৬ চনত অসমত প্ৰতি হেক্টৰ ভূমিৰ উৎপাদন আছিল এনেধৰণৰ ঃ খাদ্য শস্য ১৩৫.৪১, অন্য শস্য ১০৭.৩৪ আৰু সকলো ধৰণৰ বস্তু ১২২.৫০।

উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰেই মুখ্য শস্য ধান; অসমত প্ৰতি হেক্টৰত গড় উৎপাদন ২০০৫-০৬ চনত ১৬৯৫ কি.গ্ৰা., মণিপুৰত ২১৭০ কি.গ্ৰা., ত্ৰিপুৰাত ২১২০ কি.গ্ৰা.। ঘেঁহুৰ ক্ষেত্ৰত অসমত প্ৰতি হেক্টৰত গড় উৎপাদন ১৩৪০ কি.গ্ৰা., অৰুণাচল প্ৰদেশত ১১৫০ কি.গ্ৰা.। ইয়াক পাঞ্জাৰৰ ৩৭৮০ কি.গ্ৰা. আৰু হাৰিয়ানাৰ ৩২৮৫ কি.গ্ৰা.ৰ স'তে তুলনা কৰিলে প্ৰতি হেক্টৰৰ উৎপাদন আছিল নিচেই কম।

এতিয়া সামগ্ৰিক খাদ্য শস্য উৎপাদনশীলতালৈ লক্ষ্য কৰা যাওক। সেয়া তলৰ ৫.৭নং তালিকাত দেখুওৱা হ'ল। তালিকাখনৰ পৰা এইটো দেখা যায় যে অঞ্চলটোৰ গোটেইখন ৰাজ্যৰ ভিতৰত ২০০৪-০৫ চনলৈ মণিপুৰতেই কৃষি উৎপাদনশীলতা অধিক। ২০০৭-০৮ চনৰ সৰ্বোচ্চ উৎপাদনশীলতা হ'ল ত্ৰিপুৰাত, ২৫৬৩ কি.গ্ৰা./হেক্টৰ। তালিকাত দেখুওৱাৰ দৰে ইয়াৰ পিচৰ সকলো বছৰতেই আটাইকেইখন ৰাজ্যৰ ভিতৰত ত্ৰিপুৰায়েই দ্বিতীয় স্থান অধিকাৰ কৰি আছে। ২০০৭-০৮ চনৰ বাহিৰে মেঘালয়ৰ কৃষি উৎপাদনশীলতা ক্ৰমাগতভাৱে বৃদ্ধিমান। মিজোৰামৰ স্থানো যথেষ্ট আশাপ্ৰদ। এই ৰাজ্যখনৰ উৎপাদনশীলতা কিয় হঠাৎ ২০০৪-০৫ চনত ১৮৮৮ কি.গ্ৰা./হেক্টৰৰ পৰা ২০০৭-০৮ চনত ২৮৫ কি.গ্ৰা./হেক্টৰলৈ হ্ৰাস পালে সেয়া দৰাচলতে এক পৰিক্ষণীয় বিষয়। উপলব্ধ পাৰিসাংখ্যিক তথ্যই দেখুৱাই যে ২০০০-০১ চনত ২০৩৬ কি.গ্ৰা./ হেক্টৰেৰে ৰাজ্যখনৰ খাদ্য শস্য উৎপাদনৰ পৰিমাণ আছিল সৰ্বোচ্চ (১৯৯৬-৯৭ চনৰ পৰা ২০০৭-০৮ চনলৈ)। তাৰ পিচত ই পাচৰ তিনি বছৰত ক্ৰমাগতভাৱে ১৯১৭ কি.গ্ৰা./হেক্টৰ, ১৮৬৬ কি.গ্ৰা./হেক্টৰ আৰু ১৮৫৪ কি.গ্ৰা./হেক্টৰলৈ হ্ৰাস পায় (তালিকাত দেখুওৱা হোৱা নাই)। তাৰ পাছত ই মধ্যমীয়াভাৱে ২০০৪-০৫ চনত ১৮৮৮ কি.গ্ৰা./ হেক্টৰলৈ বৃদ্ধি পায়।

তালিকা ৫.৭ ঃ উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ কিছু নিৰ্বাচিত ৰাজ্যত খাদ্য উৎপাদনশীলতা (পৰিমাণবোৰ কি.গ্ৰা./হেক্টৰত)

ৰাজ্য/বছৰ	১৯৯৬-৯৭	২০০০-০১	২০০৪-০৫	২০০৭-০৮	২০১১-১২
অৰুণাচল প্ৰদেশ	১১৬৫	১১৪৮	১১৭৮	১২৪১	১৭৬৭.০
অসম	১২৯৪	১৪৫৭	১৪০৫	১৩৭৮	১৭০৪.০
মণিপুৰ	২২৬৫	২৩৫৯	২৩৯০	২২৯৭	২৩৯৭.০
মেঘালয়	১৩৪৯	১৫৯৮	১৬৭৪	১৭৭৪	১৮৭৩.০
মিজোৰাম	১৭২৬	২০৩৬	১৮৮৮	২৮৫	১৩৮২.০
নাগালেণ্ড	১০৫৩	১৪০৬	১৫৭৭	১৫৬৭	১৯২০.০
চিক্কিম	১৩৭৪	১৩৫৬	১৪০৬	১৩৭৮	১৪৯৫.০
ত্ৰিপুৰা	২০৩৯	২০৬০	২১৭৬	২৫৬৩	২৪৯৮.০
উত্তৰ-পূৰ্বাঞ্চল (সৰ্বমুঠ)	**১৫৩৩.২**	**১৬৭৭.৫**	**১৭১২.১**	**১৫৬০.২**	
হাৰিয়ানা	২৮৪৩	৩০৬০	৩০৯২	৩৪২০	
মধ্যপ্ৰদেশ	১১০৩	৯৪৫	১১৩১	১০৬৯	
মহাৰাষ্ট্ৰ	১০৫৮	৭৫৭	৮৩৬	১১৫০	

পাঞ্জাৰ	৩৭৮৬	৪০৩২	৪০৪০	৪২৫৫	
উত্তৰ প্ৰদেশ	২০৮৮	২১০৫	১৯৬১	২২০৬	
সমগ্ৰ ভাৰত	**১৬১৪**	**১৬২৬**	**১৬৫২**	**১৮৬০**	

উৎস ঃ *Directorate of Economics and Statistics, Dept of Agriculture and Cooperation, Ministry of Agriculture, GOI.*

কিন্তু ইয়াৰ ঠিক পাচৰ বছৰ ২০০৫-০৬ত ই পুনৰ ১৭৫৪ কি.গ্ৰা./হেক্টৰলৈ হ্ৰাস পায়। তাৰ পাছৰ বছৰত ই আকৌ ৮২২ কি.গ্ৰা./হেক্টৰ (তালিকাত দেখুওৱা হোৱা নাই) লৈ হ্ৰাস পায় আৰু ২০০৭-০৮ চনত ২৮৫ কি.গ্ৰা./হেক্টৰ হয়গৈ। এই তীব্ৰ হ্ৰাসমানতাৰ কাৰণ ২০০৬-০৭ আৰু ২০০৭-০৮ চনৰ 'খৰাং আৰু খৰাং সদৃশ' পৰিস্থিতিও হ'ব পাৰে। তথাপি বিষয়টোৰ আলোচনা হোৱাৰ আগেয়ে ইয়াৰ কাৰণ বিশ্লেষণ কৰাটো দৰকৰী। অসমত খাদ্য শস্যৰ উৎপাদনশীলতা অতি কম। ১৯৯৬-৯৭ৰ পৰা ২০০৭-০৮ চনলৈ এই সময়ছোৱাত ই কেতিয়াবা ঊৰ্ধ্ব আৰু কেতিয়াবা নিম্নগামী হৈ থকা দেখা যায়। ১৪৭২ কি.গ্ৰা./হেক্টৰ উৎপাদনেৰে ২০০৩-০৪ চনত ৰাজ্যখনত সৰ্বোচ্চ উৎপাদনশীলতা পৰিলক্ষিত হৈছিল। ইয়াৰ ঠিক পিছৰ বছৰত ই ১৪০৫ কি.গ্ৰা./হেক্টৰলৈ হ্ৰাস পায়। ইয়াৰ পিছৰ দুটা বছৰ ক্ৰমে ২০০৫-০৬ আৰু ২০০৬-০৭ বৰ্ষত (তালিকাত দেখুওৱা হোৱা নাই) উৎপাদনশীলতা আছিল ক্ৰমে ১৪০৫ কি.গ্ৰা./হেক্টৰ আৰু ১৪১৬ কি.গ্ৰা./হেক্টৰ। ২০০৭-০৮ চনত এই সংখ্যাটো বৃদ্ধি হৈ ১৩৭৮ কি.গ্ৰা./হেক্টৰ হয়গৈ। উক্ত বছৰকেইটাত ৰাজ্যখনৰ উৎপাদনশীলতা মণিপুৰ, মেঘালয় অথবা ত্ৰিপুৰাতকৈ কম হৈয়েই থাকে। ২০০৮ চনৰ বাদে মিজোৰামৰো উৎপানশীলতা অসমতকৈ অধিক। উপৰোক্ত তালিকাৰ পৰা দেখা যায় যে অঞ্চলটোত সৰ্বনিম্ন উৎপাদনশীলতা প্ৰদৰ্শন কৰিছে কেৱল অৰুণাচলে।অৱশ্যে কেৱল ২০০৭-০৮ চনত মিজোৰামৰ উৎপাদনশীলতা আছিল সবাতোকৈ কম।

এতিয়া অঞ্চলটোৰ ৰাজ্যকেইখনৰ উৎপাদনশীলতা দেশৰ কৃষিগতভাৱে উন্নত নিৰ্বাচিত তালিকাত দেখুওৱা অন্য ৰাজ্যকেইখনৰ স'তে তুলনা কৰি চোৱা যাওক। তালিকাখনৰ পৰা দেখা যায় যে উক্ত বছৰকেইটিত ভাৰতবৰ্ষৰ দুখন ৰাজ্য পাঞ্জাৰ আৰু হাৰিয়ানাৰ খাদ্য শস্যৰ উৎপাদনশীলতা উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ অধিক উৎপাদনশীল ৰাজ্য; যেনে— মণিপুৰ অথবা ত্ৰিপুৰাতকৈও বহু বেছি। তথাপি অঞ্চলটোৰ এই দুখন ৰাজ্য তুলনামূলকভাৱে ভাল অৱস্থাত প্ৰত্যক্ষ কৰা যায় (অনুগ্ৰহ কৰি ৫.৭ তালিকাখন চাওক), যেতিয়া ইয়াৰ কৃষি উৎপাদনশীলতাক আমি ভাৰতবৰ্ষৰ তালিকাত দেখুওৱা অন্য কৃষিগতভাৱে উন্নত ৰাজ্যকেইখনৰ লগত তুলনা কৰো। তালিকাখনৰ পৰা দেখা যায় যে এটা বছৰক বাদ দি এই দুখন ৰাজ্যৰ উৎপাদনশীলতা দেশৰ অন্য তিনিখন কৃষিগত-ভাৱে উন্নত ৰাজ্য মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু উত্তৰপ্ৰদেশতকৈ অধিক। কেৱল ১৯৯৬-৯৭ চনত উত্তৰপ্ৰদেশ (২০৮৮

কি.গ্রা./হেক্টৰ) ৰ কৃষি উৎপাদনশীলতা ত্রিপুৰা (২০৩৯ কি.গ্রা./হেক্টৰ)তকৈ সামান্য বেছি। আকর্ষণীয়ভাৱে অঞ্চলটোৰ বৃহত্তম কৃষিপ্রধান ৰাজ্য অসম দৃশ্যপটত নাই। কিন্তু অঞ্চলটোত কৃষিৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ বিবেচনা কৰিলে দেখা যায় যে দেশৰ কৃষিগতভাৱে উন্নত ৰাজ্যসমূহৰ লগত তুলনা কৰিব পৰা ৰাজ্য কেৱল অসম। অৱশ্যে মণিপুৰ আৰু ত্রিপুৰাৰ খাদ্য শস্য উৎপাদনশীলতা কিয় অসমতকৈ অধিক সেই আলোচনা আমাৰ বর্তমান আলোচনাৰ পৰিধিৰ বাহিৰত। ইয়াৰ কিছু বিস্তৃত আলোচনাৰ প্রয়োজন আছে। আপুনি এই কামটো নিজাববীয়াকৈ কৰিব পাৰে আৰু অন্যৰ স'তে আলোচনা কৰিব পাৰে।

অনুশীলনী ৫.১



ওপৰোক্ত আলোচনাৰ পৰা অসমক বাদ দি অন্য ৰাজ্যসমূহৰ কৃষি উৎপাদনশীলতা আপুনি কিয় কম বুলি ভাবে? আকৌ অসমৰ উৎপাদনশীলতা অধিক হোৱাৰ মুখ্য কাৰণ কি বুলি ভাৱে— অধিক উৎপাদনশীলতা নে খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত ভূমিৰ অধিক পৰিমাণ? পাৰসাংখ্যিক তথ্যৰ যোগেদি আপোনাৰ যুক্তি প্রতীয়মান কৰক। (ইংগিত ঃ আপুনি ৪.৩, ৪.৪, ৪.৬ আৰু ৪.৭ নং পাৰিসাংখ্যিক তালিকাকেইখনৰ সহায় ল'ব পাৰে)।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৪ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) অঞ্চলটোৰ অন্য ৰাজ্যসমূহৰ লগত তুলনা কৰিলে অসমৰ অধিক খাদ্য শস্য উৎপাদনৰ কাৰণ হ'ল মূলত ঃ ইয়াৰ কৃষি খণ্ডৰ অধিক উৎপাদনশীলতা। (শুদ্ধ/অশুদ্ধ)

(খ) গোটেইকেইটি বছৰতে ত্রিপুৰাত খাদ্য শস্যৰ উৎপাদনশীলতা সর্বাধিক। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ উত্তৰ-পূর্বাঞ্চলৰ কৃষি উৎপাদনশীলতা ভাৰতবর্ষৰ মুঠ উৎপাদনশীলতাতকৈ অধিক নেকি? (৬০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

.....

৫.৬ উত্তৰ-পূৰ ভাৰতত কৃষিৰ আধুনিকীকৰণ

ষাঠিৰ দশকতেই ভাৰতবৰ্ষত সেউজ বিপ্লৱৰ সুচনা কৰা হৈছিল। কিন্তু ই দেশৰ উত্তৰ অঞ্চলতেই সীমাৱদ্ধ হৈ থাকিল আৰু উত্তৰ-পূৰ্বাঞ্চল পিছ পৰি ৰ'ল। তাৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত কৃষি উৎপাদনশীলতা নিম্নগামী হৈয়েই ৰ'ল। খাদ্যদ্রব্যৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে কিছু অঞ্চলটোত খাদ্য শস্যৰ উৎপাদনশীলতা বৃদ্ধি কৰা আৰু কৃষিক্ষেত্রৰ আধুনিকীকৰণৰ বাবে পদক্ষেপ লোৱা জৰুৰী হৈ পৰিছে। এনে পদক্ষেপসমূহ হ'ব পাৰে—

- জলসিঞ্চন ব্যৱস্থাৰ উন্নয়ন সাধন,
- উচ্চ উৎপাদনশীল বীজৰ ব্যৱহাৰ,
- সাৰ আৰু কীটনাশক দ্রব্যৰ ব্যৱহাৰ,
- কৃষিৰ যান্ত্রিকীকৰণ

অঞ্চলটোৰ ৰাজ্য বিশেষে জলসিঞ্চনৰ সু-ব্যৱস্থা থকা কৃষিভূমিৰ পৰিমাণ বিভিন্ন। ২০০৭-০৮ চনত অসমৰ জলসিঞ্চনৰ ব্যৱস্থা থকা কৃষিভূমিৰ পৰিমাণ আছিল ৯২ হাজাৰ হেক্টৰ। খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত ভূমিৰ মুঠ (২৫১৮ হাজাৰ হেক্টৰ) হিচাপত ইয়াৰ পৰিমাণ মাত্র ৩.৬৫ শতাংশ। অসমত পানীৰ নাটনি নাই (নদীসমূহ থকা বাবে) যদিও ইয়াত সু-জলসিঞ্চনৰ যথেষ্ট প্রয়োজনীয়তা আছে। ই ইয়াৰে কৃষকসকলৰ বাৰিষাৰ ওপৰত থকা ভৰসা হ্রাস কৰিব আৰু বানপানীৰ কৱলৰ পৰা উৎপাদিত শস্যসমূহ ৰক্ষা কৰিব। ২০০৪-০৫ চনত মণিপুৰত জলসিঞ্চনৰ ব্যৱস্থা থকা কৃষিভূমিৰ পৰিমাণ আছিল ৫৪ হাজাৰ হেক্টৰ। সেই বিশেষ বছৰটোও খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত কৃষিভূমিৰ পৰিমাণৰ (১৮৭.৪ হাজাৰ হেক্টৰ) তুলনাত সেয়া আছিল মাথোঁ ২৯ শতাংশ। (অন্য ৰাজ্যসমূহৰ বাবেও তালিকা একেখনেই)। ২০০৭-০৮ চনত মেঘালয়ত ৭৩ হাজাৰ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল, যিটো খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত মুঠ ভূমি (১৩০.৭ হাজাৰ হেক্টৰ)ৰ হিচাপত আছিল ৫৬ শতাংশ। ২০০৭-০৮ চনত মিজোৰামত ১০ হাজাৰ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল, যিটো খাদ্য-শস্য উৎপাদনৰ বাবে ব্যৱহৃত মুঠ ভূমি (৬৭.১ হাজাৰ হেক্টৰ)ৰ হিচাপত আছিল ১৫ শতাংশ। ২০০৪-০৫ চনত নাগালেণ্ডত ১০৪ হাজাৰ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল। উক্ত বছৰটোত এই পৰিমাণ খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত মুঠ ভূমি (২৫৫.৮ হাজাৰ হেক্টৰ)ৰ হিচাপত ৪০ শতাংশ আছিল। ২০০৬-০৭ চনত অৰশ্যে ৰাজ্যখনত এই পৰিমাণ ১০৬ হাজাৰ হেক্টৰলৈ বৃদ্ধি পায়। ২০০৯ চনৰ মার্চ মাহলৈ ত্রিপুৰাত খাদ্য শস্য উৎপাদনৰ বাবে ব্যৱহৃত ২৫২ হাজাৰ হেক্টৰ ভূমিৰ ৯৮ হাজাৰ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল। এইদৰে মুঠ খেতিৰ বাবে ব্যৱহৃত মুঠ ভূমিৰ ৩৯ শতাংশ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছে। ২০০৩-০৪ চনত চিকিমত ২৪ হাজাৰ হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল। ২০০৪-০৫ চনত খাদ্য শস্যৰ বাৰে ব্যৱহৃত মুঠ ভূমি (৭৩.৯ হাজাৰ হেক্টৰ)ৰ স'তে তুলনা কৰিলে এই পৰিমাণন আছিল ৩২ শতাংশ। (উৎস ঃ

www.indiastat.com, Economic Review of Tripura, 2008-09, Economic Survey of Sikkim, 2006-07)

আলোচনাৰ পৰা এইটো দেখা যায় যে অসমেই অঞ্চলটোৰ সৰ্বাধিক খাদ্য শস্য উৎপাদিত ৰাজ্য, য'ত জলসিঞ্চনৰ ব্যৱস্থা থকা ভূমিৰ পৰিমাণ সবাতোকৈ কম। ইয়েই অঞ্চলটোৰ অন্য ৰাজ্য; যেনে— মণিপুৰ, মেঘালয়, ত্রিপুৰা আৰু মিজোৰাম (২০০৭-০৮ চন দি) আদিতকৈ অসমত তুলনামূলকভাৱে কম খাদ্য শস্য উৎপাদন হোৱাৰ কাৰণসমূহৰ ভিতৰত এক অন্যতম সাম্ভাব্য কাৰণ হ'ব পাৰে। ই এইটোও প্ৰতীয়মান কৰে যে ৰাজ্য এখনত জলসিঞ্চনৰ ব্যৱস্থা যথোচিত হ'লে তাৰ কৃষি উৎপাদনশীলতাও অধিক হয়।

উত্তৰ-পূৰ্বাঞ্চলত উচ্চ উৎপাদনশীল বীজ ব্যৱহাৰৰ তথ্য সুলভ নহয়। তথাপি শ্বিলঙত অৱস্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR)এ অঞ্চলটোৰ জলবায়ুৰ সতে খাপ খোৱা এইচ ৰাই ভি (HYV) বীজ প্ৰচলন কৰাৰ অৰ্থে প্ৰচেষ্টা অব্যাহত ৰাখিছে। অলপতে যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ে ৰাজ্যখনৰ সতে খাপ খোৱাকৈ উন্নত ধানৰ বীজ প্ৰস্তুত কৰি উলিয়াইছে।

ৰাসায়নিক সাৰৰ ব্যৱহাৰো হ'ল অসমৰ অৰ্থনীতিত কৃষিক্ষেত্ৰৰ আধুনিকীকৰণ হোৱাৰ এক অন্যতম সূচক। অঞ্চলটোৰ ৰাজ্যসমূহত ৰাসায়নিক সাৰৰ ব্যৱহাৰ হোৱাৰো কোনো তথ্য সুলভ নহয়। সুলভ তথ্যই দেখুৱায় যে ২০০৮-০৯ চনত অসমত প্ৰতি হেক্টৰ কৃষিভূমিত ব্যৱহৃত সাৰৰ পৰিমাণ হ'ল ৬২.১ কি.গ্ৰা./হেক্টৰ; যিটো দেশত হোৱা গড় ব্যৱহাৰ ১২৮.১ কি.গ্ৰা./হেক্টৰৰ আধাতকৈও কম। কীটনাশক দ্ৰব্যৰ ব্যৱহাৰো হ'ল এক অন্যতম সূচক। অৱশ্যে ব্যৱহাৰৰ পৰিমাণ বৃদ্ধি কৰাতকৈ, যথোচিত ব্যৱহাৰ বেছি লাভদায়ক। সুলভ তথ্যই দেখুৱাই যে ২০০৮-০৯ চনত অৰুণাচল প্ৰদেশৰ কৃষিখণ্ডত ১০ মেট্ৰিক টন ৰাসায়নিক সাৰ ব্যৱহাৰ হৈছিল। উক্ত বছৰটোত অন্য ৰাজ্যসমূহত ব্যৱহাৰ হোৱা ৰাসায়নিক সাৰৰ পৰিমাণ আছিল এনেধৰণৰ অসম ঃ ১৫০ মেট্ৰিকটন, মণিপুৰঃ ৩০.৩৬ মেট্ৰিক টন, মিজোৰামঃ ৪৪.২৫ মেট্ৰিক টন, নাগালেণ্ডঃ ১৭.৮৩ মেট্ৰিক টন' চিকিমঃ ২.৬৮ মেট্ৰিক টন, আৰু ত্রিপুৰাঃ ৩৮ মেট্ৰিক টন, মেঘালয়ত ২০০৭-০৮ চনত ব্যৱহৃত ৰাসায়নিক সাৰৰ পৰিমাণ আছিল ৬ মেট্ৰিক টন, উক্ত বছৰটোত অসমত এই ব্যৱহাৰৰ পৰিমাণ ২০০০-০১ চনতকৈ যথেষ্ট কম আছিল। সেই বছৰটোত ৰাজ্যখনত ব্যৱহৃত ৰাসায়নিক সাৰৰ পৰিমাণ আছিল ২৪৫ মেট্ৰিক টন, ২০০০-০১ ত অঞ্চলটোৰ অন্য ৰাজ্যসমূহত ব্যৱহৃত ৰাসায়নিক সাৰৰ পৰিমাণ আছিল এনেধৰণৰ— অৰুণাচল প্ৰদেশঃ ১৩ মেট্ৰিক টন, মণিপুৰঃ ২০ মেট্ৰিক টন, মেঘালয়ঃ ৬ মেট্ৰিক টন, মিজোৰামঃ ৮ মেট্ৰিক টন, নাগালেণ্ডঃ ৮ মেট্ৰিক টন, চিকিমঃ ৪ মেট্ৰিক টন আৰু ত্রিপুৰাঃ ১১ মেট্ৰিক টন। সামগ্ৰিকভাৱে ভাৰতবৰ্ষত ৰাসায়নিক সাৰৰ ব্যৱহাৰ ২০০০-০১ চনত ৪৩৫৮৪ মেট্ৰিক টনৰ পৰা ২০০৮-০৯ চনত ৪৩,৮৬০ মেট্ৰিক টন লৈ সামান্য বৃদ্ধি হৈছিল।

কৃষিক্ষেত্ৰৰ যান্ত্ৰিকীকৰণৰ ক্ষেত্ৰত যথেষ্ট পাৰিসাংখিক তথা সুলভ নহয় যদিও বিগত সময়ছোৱাত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ ব্যৱহাৰ উচ্চ হাৰত বৃদ্ধি হোৱা দেখা যায়।

মুঠতে ইয়াকে ক'ব পাৰি যে উক্ত আধুনিক কৌশলসমূহ ব্যৱহাৰ কৰিলে, অঞ্চলটোত উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধি পাব বুলি আশা কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিক্ষেত্র যথেষ্ট সময়োচিত। (শুদ্ধ/অশুদ্ধ)

(খ) অসমত যথেষ্ট পৰিমাণৰ পানী সুলভ আৰু সেয়ে ইয়াত জলসিঞ্চনৰ প্রয়োজন নাই। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৭ ঃ ত্রিপুৰাৰ জলসিঞ্চন ব্যৱস্থাৰ ওপৰত এটি টোকা লিখক (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ আপোনাৰ দৃষ্টিত উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিক্ষেত্রৰ আধুনিকীকৰণত সেউজ বিপ্লৱৰ কিবা প্রভাৱ আছেনে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পূৰ্বাঞ্চলৰ অর্থনীতিত কৃষিৰ এক মুখ্য ভূমিকা আছে। অঞ্চলটোৰ কৃষি নির্ভৰ উদ্যোগসমূহো কৃষিৰ ওপৰত যথেষ্ট নির্ভৰশীল। দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP) লৈও কৃষিক্ষেত্রৰ বৰঙণি যথেষ্ট।
- অঞ্চলটোত কৃষি বিপ্লৱৰ প্রভাৱ আছিল তেনেই ক্ষীণ আৰু যাৰ বাবে দেশৰ অন্য ৰাজ্য-সমূহৰ তুলনাত অঞ্চলটোৰ কৃষি উৎপাদনশীলতা তেনেই কম। ধানেই হ'ল অঞ্চলটোৰ মুখ্য কৃষি শস্য। খাৰিফ ঋতুতেই ইয়াত অধিকাংশ কৃষি উৎপাদন কৰা হয়।
- অঞ্চলটোৰ কৃষিক্ষেত্রৰ এক মুখ্য বৈশিষ্ট্য হ'ল 'স্থানান্তৰিত কৃষি', য'ত পাহাৰীয়া অঞ্চল-সমূহত প্রথমতে এটুকুৰা ভূমি নির্বাচিত কৰা হয় আৰু তাত থকা গছ-গছনি আদি কাটি আৰু পাছত পুৰি ঠাইখিনি খেতিৰ বাবে মুকলি কৰি লোৱা হয়। শস্য

ৰোপণ আৰু চপোৱাৰ পাছত পুনৰ একে পদ্ধতিৰে খেতিৰ বাবে অন্য এটুকুৰা ঠাই নির্বাচন কৰি লোৱা হয়। ই ভূমিৰ উর্বৰতা হ্রাস কৰে আৰু ইয়াৰ ফলত ভূমিস্খলন, পাৰিপার্শ্বিক ভাৰসাম্য বিনষ্ট হয় আৰু পৰিৱেশৰ ওপৰত বিৰূপ প্রভাৱ পৰে।

- স্থানান্তৰিত কৃষিৰ বহুতো কু-ফল আছে, সেয়ে এই পদ্ধতি ৰোধ কৰাৰ বাবে চিন্তা কৰা প্রয়োজন হৈ পৰিছে। কিছুমান কৌশল এনে হ'ব পাৰে ঃ নির্বণানীকৰণ ৰোধ কৰা, ভূমি সংৰক্ষণ কৰা, উদ্যান শস্য ৰোপণ কৰা, পোহনীয়া জীৱ-জন্তুৰ ফার্ম আৰু সিহঁতৰ খাদ্যৰ বাবে ঘাঁহ শস্য ৰোপণ কৰা, ভূমিৰ যথোচিত ব্যৱহাৰৰ বাবে জলবিভাজিকা তৈয়াৰ কৰা, ৰাৰাৰ, কফি আদি ৰোপণ কৰা, জনজাতীয় পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা লোৱা, স্থায়ী কৃষি ব্যৱস্থা গ্রহণ কৰা ইত্যাদি।
- ক্রমাগতভাৱে বৃদ্ধি হোৱা জনসংখ্যাৰ সমান্তৰালভাৱে খাদ্য-শস্যৰ বর্দ্ধিত চাহিদা পূৰণ কৰিবৰ বাবে পৰাম্পৰাগত কৃষি পদ্ধতিৰ ঠাইত কৃষিক আধুনিকৰণ কৰাটো অতি জৰুৰী। কৃষি ক্ষেত্রৰ আধুনিকৰণৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহ হ'ল ঃ জলসিঞ্চন আঁচনিৰ উন্নতি সাধন কৰা, উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ, ৰাসায়নিক সাৰ আৰু কীটনাশক দ্রব্যৰ ব্যৱহাৰ, কৃষি ক্ষেত্রত যান্ত্রিকীকৰণ, ইত্যাদি। এই উপায়বোৰ হাতত ল'লে এইটো আশা কৰিব পাৰি যে অঞ্চলটোত কৃষি উৎপাদন আৰু উৎপাদনশীলতা আশাপ্রদভাৱে বৃদ্ধি হ'ব।



৫.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ড° প্রণৱ কুমাৰ ধৰঃ *অসমৰ অর্থনীতি (উত্তৰ-পূৰ ভাৰতৰ অর্থনীতিসহ)*, কল্যাণী পাব্লিচার্চছ।

ইংৰাজী গ্রন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (গ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ অৰুণাচল প্রদেশ, মণিপুৰ, মিজোৰাম আৰু নাগালেণ্ড আদি ৰাজ্যত ২০০০-০১ চনৰ পৰা খেতিৰ বাবে ব্যৱহৃত ভূমিৰ পৰিমাণ বৃদ্ধি পাইছে। অঞ্চলটোৰ

অন্য ৰাজ্যসমূহত অৱশ্যে এনে কোনো সঠিক ধাৰা পৰিলক্ষিত নহয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ধানেই হ'ল অঞ্চলটোৰ মুখ্য খাদ্য শস্য আৰু পাহাৰীয়া অঞ্চলসমূহক বাদ দি ইয়াত বৃহৎ পৰিমাণত ধান খেতি কৰা হয়। অঞ্চলটোত উৎপাদিত বেছি ভাগ শস্যই খাৰিফ ঋতুত হোৱা শস্য। উত্তৰ-পূৰ্বাঞ্চলৰ মাহজাতীয় আৰু অন্য ৰবি শস্যসমূহ অতি কম মাত্ৰাত উৎপাদন হয়, যি মুঠ কৃষিভূমিৰ মাত্ৰ ৫.৬ শতাংশহে অধিকাৰ কৰি আছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অঞ্চলটোৰ অধিকাংশ ৰাজ্যৰেই কৃষি উৎপাদনশীলতা সৰ্বভাৰতীয় উৎপাদনৰ তুলনাত কম। যদিও মণিপুৰ আৰু ত্ৰিপুৰাৰ কৃষি উৎপাদনশীলতা দেশৰ অন্য ৰাজ্যসমূহৰ স'তে তুলনাত্মক। অৱশ্যেই ই পঞ্জাৱ আৰু হাৰিয়ানাৰ উৎপাদনশীলতাৰ স'তে তুলনাত নাহে। অঞ্চলটোৰ গুৰুত্বপূৰ্ণ কৃষিভিত্তিক ৰাজ্য অসমৰ কৃষি উৎপাদনশীলতা অৱশ্যে তুলনামূলকভাৱে কম।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্চ ২০০৯ চনৰ হিচাপ মতে ত্ৰিপুৰাত কৃষিৰ বাবে ব্যৱহৃত মুঠ ২৫২ হাজাৰ হেক্টৰ ভূমিৰ ভিতৰত ৯৮ হাজাৰ হেক্টৰতকৈও অধিক ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল। এইদৰে মুঠ ভূমিৰ ৩৯ শতাংশ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা আছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬০ৰ কালছোৱাত ভাৰতবৰ্ষত সেউজ বিপ্লৱৰ সূচনা কৰা হৈছিল। কিন্তু সেয়া প্ৰধানতঃ দেশখনৰ উত্তৰ অঞ্চলৰ ৰাজ্যখনৰ মাজতে সীমাবদ্ধ আছিল। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে উত্তৰ-পূব অঞ্চলটোত তাৰ প্ৰভাৱ আছিল একেবাৰে শূন্য। সেই কাৰণে, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কৃষি উৎপাদনশীলতা একেবাৰে কম হৈয়ে থাকিল।



৫.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

প্ৰশ্ন ১ ঃ উত্তৰ-পূৰ্বাঞ্চলত কৃষিৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলত ভূমি ব্যৱহাৰৰ ধৰণ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ উত্তৰ-পূৰ্বাঞ্চলত শস্য উৎপাদনৰ ধাৰা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলত কৃষিক্ষেত্ৰৰ আধুনিকীকৰণৰ স'তে জড়িত উপাদ্য বিষয়সমূহ চমুকৈ আলোচনা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

প্রশ্ন ১ ঃ উত্তৰ-পূর্বাঞ্চলৰ কৃষি উৎপাদনশীলতাৰ ধাৰা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ কৃষি উৎপাদনশীলতা আৰু ভূমি ব্যৱহাৰৰ আর্হি সম্পর্কত এখন ৰচনা লিখক।

প্রশ্ন ৩ ঃ উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ কৃষি উৎপাদনশীলতাৰ স'তে ভাৰতবর্ষৰ কৃষিগতভাৱে উন্নত ৰাজ্যসমূহৰ উৎপাদনশীলতাৰ এটি তুলনামূলক বিশ্লেষণ আগবঢ়োৱা। আপুনি ভাবানে যে অসমক পাঞ্জাৱ অথবা হাৰিয়ানাৰ দৰে ৰাজ্যসমূহৰ স'তে তুলনা কৰিব পাৰি? আপোনাৰ যুক্তিসমূহ প্রতীয়মান কৰক।

*** ***** ***

অধ্যায় ৬ঃ উত্তৰ-পূব পৰিষদ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ উত্তৰ-পূব পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য
৬.৪ উত্তৰ পূব পৰিষদৰ সংগঠন
৬.৫ উত্তৰ-পূব পৰিষদৰ কার্যাৱলী আৰু ভূমিকা
৬.৬ উত্তৰ-পূব পৰিষদৰ কার্যাৱলীৰ ওপৰত এক সমালোচনাত্মক আলোকপাত
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ পূব পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ উল্লেখ কৰিব পাৰিব
- উত্তৰ পূব পৰিষদৰ সংগঠন বর্ণনা কৰিব পাৰিব
- আঞ্চলিক বিকাশত উত্তৰ পূব পৰিষদৰ ভূমিকা আৰু কার্য্যাৱলী বর্ণনা কৰিব পাৰিব
- উত্তৰ পূব পৰিষদৰ ভূমিকা আৰু কার্য্যাৱলীৰ সমালোচনাত্মক মূল্যায়ন কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টিয়ে প্রাথমিকভাৱে ভাৰতৰ উত্তৰ পূব পূর্বাঞ্চলৰ বিকাশৰ বাবে গঢ় লৈ উঠা সংগঠনৰ বিষয়ে আলোচনা কৰিছে। এই সংগঠনটো হ'ল উত্তৰ-পূব পৰিষদ (NEC)। উত্তৰ-পূব পৰিষদক উত্তৰ পূর্বাঞ্চলৰ দ্রুত আৰু সুষম আর্থ সামাজিক বিকাশৰ বাবে এক অন্যতম গুৰুত্বপুর্ণ বিকাশ সংস্থা বুলি গণ্য কৰা হয়। এই অধ্যায়টোৱে উত্তৰ-পূব পৰিষদৰ লক্ষ্য উদ্দেশ্য, ইয়াৰ সংগঠন, আঞ্চলিক বিকাশত উত্তৰ-পূব পৰিষদৰ ভূমিকা আৰু কার্য্যাৱলী আৰু ইয়াৰ সমালোচনাত্মক মূল্যায়নৰ স্পষ্ট আভাস দিয়াৰ প্রয়াস কৰিছে।

অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিক্কিম আৰু ত্রিপুৰাৰে গঠিত উত্তৰ-পূর্বাঞ্চলৰ আঠোখন প্রদেশৰ অর্থনৈতিক আৰু সামাজিক বিকাশৰ লগত জড়িত কেন্দ্রীয় সংস্থাটো হৈছে উত্তৰ-পূৱ পৰিষদ (North Eastern Council)।

১৯৭১ চনত সংসদে গ্রহণ কৰা আইন অনুসৰি উত্তৰ-পূব পৰিষদখন গঠিত হৈছিল। ১৯৭২চনৰ ১ আগষ্টৰ পৰা এই পৰিষদখনে নিজৰ কাম-কাজ আৰম্ভ কৰে। এই পৰিষদখনৰ গঠনে ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ ৰাজ্য কেইখনৰ দ্রুত উন্নয়নৰ ক্ষেত্রত এক পৰিকল্পিত অধ্যায়ৰ পাতনি মেলিছে। যোৱা বিগত বছৰসমূহত উত্তৰ-পূৱ পৰিষদে এই অঞ্চলটোৰ পৰা অনগ্রসৰতা দূৰ কৰিবলৈ অর্থনৈতিক প্রয়াস (economic endeavour) আৰম্ভ কৰিএই পিছপৰা অঞ্চলটোক এটা নতুন দিশৰ সন্ধান দিলে। এইদৰে, উত্তৰ-পূব পৰিষদে প্রচুৰ সম্ভাৱনাপূর্ণ অথচ অনগ্রসৰ হৈ থকা এই উত্তৰ-পূবাঞ্চললৈ নতুন আশাৰ বতৰা কঢ়িয়াই আনিছে।

৬.৩ উত্তৰ-পূব পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য

প্রতিটো সংগঠন বা অনুষ্ঠানৰে ইয়াৰ বহল উদ্দেশ্যত উপনীত হ'বলৈ কিছুমান নির্দিষ্ট লক্ষ্য বা উদ্দেশ্য থাকে। উত্তৰ-পূব পৰিষদৰো কিছুমান নির্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য আছে। এইসমূহ হৈছে তলত দিয়াধৰণৰ-

- উত্তৰ পূর্বাঞ্চলৰ আর্থসামাজিক বিকাশৰ কাৰণে সমন্বয়ৰক্ষী পৰিকল্পনাৰ যোগেদি সর্বতোপ্রকাৰে চেষ্টা কৰা।
- সুষম আঞ্চলিক বিকাশৰ যোগেদি আঞ্চলিক অসমতা আৰু বৈষম্য দূৰ কৰা।
- উপযুক্ত পৰামর্শ দানৰ যোগেদি সদস্য ৰাজ্যকেইখনৰ মাজত সহযোগিতা আৰু সমন্বয় সুনিশ্চিত কৰা।
- উপযুক্ত আন্তঃগাঁনি নির্মাণত সদস্যৰাজ্যকেইখনক সহযোগিতা আগবঢ়োৱা।

৬.৪ উত্তৰ পূব পৰিষদৰ সংগঠন

উত্তৰ পূব পৰিষদ উত্তৰ পূর্বাঞ্চলৰ গোটেই আঠখন ৰাজ্যৰ মূখামন্ত্রী আৰু ৰাজ্যপালসমূহক সদস্য হিচাপে লৈ গঠন কৰা হয় আৰু ইয়াত এজন সভাপতি থাকে। ভাৰতৰ গৃহ মন্ত্রী সম্প্রতি ইয়াৰ সভাপতি আৰু উত্তৰ-পূৱ উন্নয়ন দপ্তৰৰ মন্ত্রী ইয়াৰ উপ সভাপতি পৰিষদে ইয়াৰ শ্বিলঙত থকা স্থায়ী কার্য্যালয়ৰ পৰা কাম কাজ পৰিচালনা কৰে। পৰিষদে আটাইকেইখন ৰাজ্যৰে উমৈহতীয়া স্বার্থ সন্নিবিষ্ট হৈ থকা বিষয়সমূহ আলোচনা কৰে আৰু দুখন বা তাতোধিক ৰাজ্য জড়িত হৈ থকা প্রকল্পত অনুমোদন জনায়।

আগতে উত্তৰ পূব পৰিষদত সাতখন সদস্যৰাজ্যহে আছিল আৰু ছিক্কিমক ইয়াৰ আঁওতালৈ অনাহোৱা নাছিল। ১৯৯৮ চনৰ ৮ মে'ত তেতিয়াৰ প্রধানমন্ত্রী অটল বিহাৰী বাজপেয়ী আৰু উত্তৰ পূর্বাঞ্চল তথা ছিক্কিমৰ মূখ্যমন্ত্রীৰ মাজত হোৱা সম্মিলনত চৰকাৰে উত্তৰ পূব পৰিষদ পুনৰ গঠন কৰাৰ কথা ঘোষণা কৰে আৰু ছিকিমক ইয়াৰ অষ্টম সদস্যৰাজ্য হিচাপে অন্তর্ভুক্ত কৰা হয়।

৬.৫ উত্তৰ-পূব পৰিষদৰ কার্যাৱলী আৰু ভূমিকা

উত্তৰ-পূব পৰিষদখন তলত উল্লেখ কৰা কার্যাৱলী ৰূপায়নৰ বাবে গঠন কৰা হৈছিল—

- আটাইকেইখন ৰাজ্যৰ সামূহিক স্বার্থৰ লগত জড়িত কোনো সমস্যা বা দিশৰ আলোচনা কৰা আৰু কেন্দ্রীয় চৰকাৰ তথা সংশ্লিষ্ট, ৰাজ্যকেইখনক নির্দিষ্ট সমস্যা বা দিশটোলৈ পৰামর্শ আগবঢ়ায়।বিশেষকৈ পৰিষদে এনে বিষয় লৈ পৰামর্শ আগবঢ়ায় যি বিষয় সংশ্লিষ্ট ৰাজ্যসমূহৰ অর্থনৈতিক আৰুসামাজিক পৰিকল্পনাৰ লগত জড়িত, আন্তঃৰাজ্যিক পৰিবহণ আৰু যোগাযোগৰ লগত জড়িত উমৈহতীয়া স্বার্থজনিত বিষয়, বা শক্তিখণ্ড বা বান নিয়ন্ত্রণ প্রকল্পৰ লগত জড়িত।
- কেন্দ্রীয় চৰকাৰক আঞ্চলিক আঁচনিত অন্তর্ভুক্ত হোৱা প্রকল্প আৰু আঁচনিসমূহৰ স্থানভিত্তিক কার্যকৰীকৰণৰ বাবে পৰামর্শ আগবঢ়োৱা। যেতিয়া কোনো এটা প্রকল্প বা আঁচনি দুখন বা অধিক ৰাজ্যৰ লাভালাভৰ বাবে কার্যকৰী কৰা হয়, তেতিয়া তেনে প্রকল্প বা আঁচনি কিদৰে ৰূপায়িত হ'ব, তাৰ ব্যৱস্থাপনা কৰা, সংশ্লিষ্ট ৰাজ্যকেইখনে তাৰ পৰা পোৱা সুফল বা লাভ কিদৰে ভগাই ল'ব আৰু আঁচনিৰ কার্যকৰীকৰণত লগা ব্যয় কিদৰে কৰা হ'ব, ইত্যাদি দিশৰ চোৱাচিতা কৰা।
- প্রকল্পসমূহত ব্যয় হোৱা ধনৰাশি সঠিক ক্ষেত্রত ব্যয় হৈছে নে নাই তাৰ পৰীক্ষা কৰি কেন্দ্রীয় চৰকাৰক আঞ্চলিক আঁচনিভুক্ত প্রকল্পসমূহ ৰূপায়ন কৰা ৰাজ্যসমূহক কিমান পৰিমাণৰ ধন আবণ্টন কৰিব লাগিব তাক নির্ধাৰিত কৰি দিয়া।
- আৱশ্যকীয় জৰীপ কার্য চলোৱাৰ বাবে ৰাজ্যসমূহৰ চৰকাৰক বা কেন্দ্রীয় চৰকাৰক পৰামর্শ আগবঢ়োৱা।
- সময়ে সময়ে পৰিষদৰ সদস্যভুক্ত ৰাজ্যসমূহৰ সুৰক্ষা ব্যৱস্থা আৰু ৰাজহুৱা আইন-শৃংখলাৰ অৱস্থাৰ পর্যবেক্ষণ কৰা আৰু তেনে ব্যৱস্থা দৃঢ় কৰাৰ ক্ষেত্রত সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহক ব্যৱস্থা ল'বলৈ নীতি-নির্দেশনা জাৰি কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উত্তৰ পূব পৰিষদ কেতিয়া গঠন কৰা হয় আৰু ইয়াৰ মূখ্য উদ্দেশ্য কি আছিল?

.....

.....

প্রশ্ন নং ২ ঃ উত্তৰ পূব পৰিষদৰ সদস্যৰাজ্য সমূহ কি কি?

.....

প্রশ্ন নং ৩ ঃ উত্তৰ পূব পৰিষদৰ সভাপতিক কোনে মনোনীত কৰে?

.....

.....

প্ৰশ্ন নং ৪ ঃ কোন চনত ছিক্কিমক উত্তৰ পূব পৰিষদৰ সদস্য ৰাজ্য হিচাপে অন্তৰ্ভুক্ত কৰা হয়?

.....

.....



অনুশীলনী ৬.১

উত্তৰ পূব পৰিষদৰ বিভিন্ন সন্মিলনসমূহৰ প্ৰতিবেদন সমূহ অধ্যয়ন কৰক আৰু ইয়াৰ গুৰুত্বপূৰ্ণ অংশসমূহ লিপিবদ্ধ কৰক।

.....

.....

.....

.....

৬.৬ উত্তৰ-পূব পৰিষদৰ কাৰ্যাৱলীৰ ওপৰত এক সমালোচনাত্মক আলোকপাত

১৯৭১ চনত উত্তৰ-পূব পৰিষদ স্থাপিত হোৱাৰ পিছৰ পৰা ই অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে ভালেসংখ্যক পদক্ষেপ লৈ আহিছে। দশম পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱালৈকে পৰিষদখনে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ হৈছে ক্ৰমে—

- **কৃষি আৰু তাৰ লগত জড়িত বিশিষ্ট খণ্ডসমূহ ঃ** অঞ্চলটোৰ কৃষিখণ্ডৰ ক্ষেত্ৰত দেখা দিয়া তিনিটা প্ৰধান প্ৰতিবন্ধকতাৰ কথা উত্তৰ-পূব পৰিষদে চিনাক্ত কৰিছে। এই প্ৰতিবন্ধকতাসমূহ হৈছে— (ক) উন্নত মানৰ ভাল বীজৰ অভাৱ, (খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ, আৰু (গ) সাৱসমূহৰ সৰবৰাহৰ ক্ষেত্ৰত দেখা দিয়া যাতায়তৰ অসুবিধা। এই অসুবিধাসমূহ আঁতৰ কৰিবলৈ উত্তৰ-পূব পৰিষদে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিছে—
  - উত্তৰ-পূব পৰিষদে অসম, ত্ৰিপুৰা আৰু মণিপুৰত একোখনকৈ বীজৰ ফাৰ্ম (farm) প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰিছিল। এইটো আশা কৰা হৈছিল যে এই ফাৰ্মকেইখনে অঞ্চলটোত থকা উন্নত বীজৰ চাহিদা পূৰণ কৰিব পাৰিব।
  - জলসিঞ্চন ব্যৱস্থাৰ উন্নতিৰ বাবে উত্তৰ-পূব পৰিষদে কেন্দ্ৰীয় ভূ-জল ব'ৰ্ড (CGWB)ৰ সহায়ত ষষ্ঠ পাঁচ বছৰীয়া পৰিকল্পনাৰ সময়ত কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে।
  - ঝুম খেতিৰ লগত জড়িত সমস্যাসমূহ সমাধানৰ বাবে উত্তৰ-পূব পৰিষদে কেইটামান বিশেষ অঞ্চল উন্নত কৰি সেই সেই অঞ্চলত ঝুম খেতিৰ লগত জড়িত লোকক স্থায়ীভাৱে বসতি কৰাবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষ পৰামৰ্শদানকাৰী সংস্থাৰ সহযোগত পৰিষদে জলচ্ছেদ পৰিচালনা (watershed

management)ৰ বাবেও কেইবাখনো আঁচনি গ্ৰহণ কৰিছে।

এইবোৰৰ বাহিৰেও উত্তৰ-পূব পৰিষদে অন্যান্য বহু ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে।

- **পশুপালন আৰু পশু চিকিৎসা খণ্ড ঃ** স্থানীয় পশু প্ৰজাতিৰ মানদণ্ড উন্নত কৰিবলৈ উত্তৰ-পূব পৰিষদে উন্নত প্ৰজাতিৰ পশুৰ বংশ বৃদ্ধিৰ বাবে ব্ৰীডিং ফাৰ্ম (breeding farms) স্থাপন কৰিছে, যাতে সমগ্ৰ অঞ্চলটোৰ লাভ হয়। পশু খাদ্যৰ উৎপাদন উন্নত কৰিবলৈ পশু খাদ্যৰ বীজ উৎপাদনৰ ফাৰ্ম দুখন ক্ৰমে ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত স্থাপন কৰা হৈছে।
- **মীন ক্ষেত্ৰৰ উন্নয়ন ঃ** অঞ্চলটোৰ জলাশয়সমূহত হোৱা মাছৰ পোনাৰ অভাৰ পূৰণ কৰিবলৈ উত্তৰ-পূব পৰিষদে ত্ৰিপুৰাত এখন মাছৰ পোনা উৎপাদনকাৰী ফাৰ্ম স্থাপন কৰিছে। তেনে দুখন অন্য ফাৰ্ম নাগালেণ্ডৰ থিজামা আৰু অৰুণাচল প্ৰদেশত অৱস্থিত। মাছৰ পোনা উৎপাদনক অধিক ত্বৰান্বিত কৰিবলৈ ত্ৰিপুৰাত এটা পিটুইটাৰী গ্লেণ্ড বেংক (pituitary gland bank) প্ৰতিষ্ঠা কৰা হৈছে। চাহিদা আৰু যোগানৰ মাজত থকা পাৰ্থক্য কমাবলৈকে এই চাৰিওটা প্ৰকল্প গ্ৰহণ কৰা হৈছে। এইবোৰৰ বাহিৰেও শ্বিলঙত অৱস্থিত উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে জলাশয়, জলাধাৰসমূহৰ হাইড্ৰ'-বায়োল'জিকেল অৱস্থাৰ পৰীক্ষামূলক অধ্যয়নৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।
- **জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু বনভূমিৰ পৰিচালনা ঃ** অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু বনভূমিৰ পৰিচালনাৰ বাবে উত্তৰ-পূব পৰিষদে ভালেকেইটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত পৰিষদে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ হৈছে ক্ৰমে—
  - গুৱাহাটীৰ জালুকবাৰীত 'ৰিজিঅনেল ফৰেষ্ট ৰেঞ্জাৰ কলেজ' (Forest Rangers' College) প্ৰতিষ্ঠা।
  - ইটানগৰত অৱস্থিত 'ষ্টেট ফৰেষ্ট ৰিচাৰ্চ ইন্‌ষ্টিটিউট'লৈ (State Forest Research Institute) আৰ্থিক সাহায্য প্ৰদান।
  - উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ-বৈচিত্ৰ্যৰ গৱেষণা কেন্দ্ৰটো প্ৰতিষ্ঠা হৈছে।
  - মণিপুৰৰ লোক্‌টক্‌ হ্ৰদৰ সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ।
- **বাগান শস্য ঃ** অঞ্চলটোৰ বাগান শস্যৰ বিকাশ আৰু প্ৰসাৰৰ বাবে তলত উল্লেখ কৰা পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে ঃ
  - উত্তৰ-পূব পৰিষদে অঞ্চলটোত ছটা এনে উৎপাদন ক্ষেত্ৰ প্ৰতিষ্ঠা কৰিছে য'ত প্ৰধান ফলমূল; যেনে— আপেল, কমলা, নাচপতি, মধুৰিয়াম, পিচফল (peach) আদিৰ পুলিসমূহৰ প্ৰতিপালন হোৱাৰ লগতে সেইসমূহৰ ব্যৱসায়িক ভিত্তিত খেতিও হয়।

- আলু উৎপাদনৰ বাবে পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাৰ সময়ত পাঁচটা আঞ্চলিক আলু বীজৰ ফাৰ্ম পাহাৰীয়া অঞ্চলসমূহত প্ৰতিষ্ঠিত হৈছিল। ইয়াৰ লগতে আদা আৰু মূল জাতীয় শস্যৰ (root crops) বৰ্ধিত উৎপাদনৰ বাবে দুখন ফাৰ্ম স্থাপন কৰা হৈছে।
- বিপণনৰ (marketing) ক্ষেত্ৰত দেখা দিয়া প্ৰতিবন্ধকতাসমূহ আঁতৰাবলৈ আৰু এনেধৰণৰ সংকটপূৰ্ণ স্থিতিৰ পৰা হাত সাৰিবলৈ উত্তৰ-পূব পৰিষদে এটা আঞ্চলিক কৃষি বিপণন নিগম (Agricultural Marketing Corporation) প্ৰতিষ্ঠা কৰিছে। এই উদ্দেশ্য আগত ৰাখি পৰিষদে ১০০ লাখ টকা মোকলাই দিছিল। উত্তৰ-পূব পৰিষদে স্থাপন কৰা কেইবাটাও প্ৰতিষ্ঠানৰ ভিতৰত এইটো প্ৰতিষ্ঠান (NERAMAC) সম্প্ৰতি DONER মন্ত্ৰালয়ৰ অধীন।

- **উদ্যমিতা বিকাশৰ কাৰ্যক্ৰমৰ প্ৰতি সহযোগিতা (EDPs) ঃ** উত্তৰ-পূব পৰিষদে অঞ্চলটোৰ উদ্যমিতা বিকাশৰ কাৰ্যক্ৰমসমূহক পুঁজিৰ যোগান ধৰি আহিছে। অঞ্চলটোৰ নিবনুৱা যুৱক-যুৱতীসকলৰ লাভৰ বাবে অঞ্চলটোত অৱস্থিত IIE, NEITCO, NECON আৰু NSIC আদি প্ৰতিষ্ঠানে এনে কাৰ্যসূচী পৰিচালনা কৰে। পৰিষদে এনে কাৰ্যক্ৰম চলাবলৈ প্ৰতিষ্ঠানসমূহক পুঁজিৰ যোগান ধৰে।
- **শক্তি ঃ** শক্তি খণ্ডৰ লগত জড়িত ভালেমান প্ৰকল্প অঞ্চলটোৰ প্ৰদেশসমূহত কাৰ্যকৰী কৰা হৈছে। এনে কেইটামান প্ৰকল্প বৰ্তমানেও কাৰ্যকৰী কৰা হৈ আছে। এই আঁচনিৰ অন্তৰ্ভুক্ত প্ৰকল্পসমূহ হ'ল বৰ্তমানে প্ৰতিষ্ঠিত কেন্দ্ৰসমূহৰ উন্নয়ন, উচ্চ বিদ্যুৎ পৰিবাহী তাঁৰৰ নিৰ্মাণ, শক্তি উপকেন্দ্ৰৰ নিৰ্মাণ, ইত্যাদি।
- **নবীকৰণযোগ্য শক্তি** (Renewable Energy) **ঃ** পোন প্ৰথমবাৰৰ বাবে ১৯৮২ চনত উত্তৰ-পূব পৰিষদে নবীকৰণযোগ্য শক্তি উৎপাদনৰ কাৰ্যসূচী (Renewable Resources of Energy) গ্ৰহণ কৰিছিল। এই কাৰ্যক্ৰমৰ অধীনত ১৯৮২ চনৰ পৰা উত্তৰ-পূব পৰিষদে ভালেকেইটা আঁচনিৰ বাবে পুঁজি যোগান ধৰি আহিছে। ৩০০খনতকৈয়ো অধিক দুৰ্গম অঞ্চলত অৱস্থিত গাঁও ইয়াৰ দ্বাৰা উপকৃত হৈছে। সিবিলাক গাঁৱৰ সৌৰ বিদ্যুৎ, নিম্ন জলবিদ্যুৎ শক্তি, সৌৰ চালিত কুকাৰ, জৈৰ গেছ প্ৰকল্প, সংহত গ্ৰাম্য শক্তি কাৰ্যসূচী (Integrated Rural Energy Programme), সৌৰশক্তি চালিত পানীৰ পাম্প, সৌৰশক্তি চালিত পানী বিশুদ্ধিকৰণ, ইত্যাদি প্ৰদান কৰি উপকৃত কৰা হৈছে। সেই বিভিন্ন নবীকৰণযোগ্য শক্তি উৎপাদনৰ আহিলাসমূহ প্ৰদানৰ ফলত প্ৰায় ৫০টা আশ্ৰয় গৃহ (Charitable homes), চিকিৎসালয়, স্কুল, কলেজ, গীৰ্জা, NIC জিলা মুখ্যালয়সমূহ উপকৃত হৈছে। এইবোৰৰ বাহিৰেও বহুতধৰণৰ প্ৰশিক্ষণ কাৰ্যসূচী, প্ৰদৰ্শনী, শক্তি উদ্যান, মূল্যায়নকাৰী অধ্যয়ন আদি হাতত লোৱা হৈছে।
- **পৰিবহণ আৰু যোগাযোগ ঃ** অপৰ্যাপ্ত পৰিবহণৰ সুবিধাসমূহে আজিও অঞ্চলটোৰ উন্নয়নত দেখা দিয়া এটা ডাঙৰ প্ৰতিবন্ধক। এনে অসুবিধাৰ বাবে অঞ্চলটো

অর্থনৈতিকভাৱেই যে লোকচানৰ সন্মুখীন হৈছে এনে নহয়, বৰঞ্চ দেশৰ অন্যান্য অঞ্চলৰ পৰাও বিচ্ছিন্ন হৈ পৰাৰ হৈছে। পৰিবহণৰ ক্ষেত্ৰত দেখা দিয়া এই প্ৰতিবন্ধকতাৰ বাবে অঞ্চলটোত উপভোক্তাৰ সামগ্ৰী (consumer goods)ৰ মূল্য অধিক হোৱাৰ লগতে উৎপাদন ব্যয়ো অধিক। ইয়াৰ বিৰূপ প্ৰভাৱ প্ৰত্যক্ষভাৱে অঞ্চলটোৰ অর্থনীতিত পৰে। যদিওবা অঞ্চলটোত ৰে'ল পৰিবহণ ব্যৱস্থা পর্যাপ্ত নহয়, তথাপিতো এইটো লক্ষ্য কৰা যায় যে দেশৰ অন্য প্ৰান্তৰ পৰা অহা মুঠ বয়-বস্তুৰ তিনি-চতুর্থাংশ ৰে'ল পথেৰে পৰিবহণ কৰা হৈ আহিছে। এই চাহিদা পূৰণৰ বাবে সম্প্ৰতি উত্তৰ-পূব পৰিষদে সকলো যোগান ধৰোঁতা নিয়ন্ত্ৰণকাৰী সংস্থা (Commodity controllers), ভাৰতীয় খাদ্য নিগম (FCI) আৰু ৰে'লৱেৰ অঞ্চলটোৰ উপভোক্তাসকলৰ চাহিদা সন্তোষজনক-ভাৱে পূৰণ কৰিব পৰা বিভিন্ন ব্যৱস্থা সম্পর্কে এক আলোচনাচক্ৰ অনুষ্ঠিত কৰিছিল। উত্তৰ-পূব পৰিষদে নিউ বঙাইগাঁৱত পৰিলক্ষিত হোৱা ৰে'ল পৰিবহণ ব্যৱস্থাৰ প্ৰতিবন্ধকতাৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰডগজ লাইনটো গুৱাহাটীলৈকে প্ৰসাৰিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে এই কাম শেষ হৈছে। তদুপৰি আন্তঃৰাজ্যিক পথসমূহৰ উন্নয়নৰ প্ৰতিও সমানে গুৰুত্ব আৰোপ কৰা হৈছে। বায়ু পৰিবহণ (Air connectivity)ৰ উন্নয়নৰ বাবে কিছু ব্যৱস্থা হাতত লোৱা হৈছে।

- **সামাজিক বিকাশ আৰু সমজুৱাসকলৰ মংগলৰ বাবে লোৱা পদক্ষেপ ঃ** এই ক্ষেত্ৰত উত্তৰ-পূব পৰিষদে লোৱা পদক্ষেপসমূহ হৈছে ক্ৰমে—
  - আগষ্ট, ১৯৮৯ত উত্তৰ-পূব পৰিষদে অসম চৰকাৰৰ পৰমাণু শক্তি বিভাগ, ভাৰত চৰকাৰৰ লগত এখন ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিলে। এই চুক্তিৰ উদ্দেশ্য আছিল পৰমাণু শক্তি বিভাগৰ সম্পদ (resources)সমূহৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ কর্কট ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত অঞ্চলটিৰ অগ্ৰণী অনুষ্ঠান বি. বৰুৱা কর্কট প্ৰতিষ্ঠানখনৰ বিভিন্ন অসুবিধাসমূহ দূৰ কৰা। মার্চ ১৯৯৫ চনত এই ব্যৱস্থাৰ অন্ত পৰে (এইটোক স্তৰ-১ হিচাপে জনা যায়)।যিহেতু এই সময় সীমাৰ ভিতৰত প্ৰকল্পটোৱে নির্ধাৰণ কৰা লক্ষ্যতে ই উপনীত হ'ব নোৱাৰিলে অঞ্চলটোৰ বৃহৎ স্বার্থৰ প্ৰতি লক্ষ্য ৰাখি গঢ় লৈ উঠা প্ৰতিষ্ঠানটোৱে অঞ্চলটোৰ কর্কট ৰোগীসকলক যথোপযুক্ত সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হৈছিল। সেয়েহে, ৯ অক্টোবৰ, ১৯৯৭ত ত্ৰিপাক্ষিক চুক্তিখনৰ নবীকৰণ হয় আৰু পুন ঃ উজ্জীৱিকৰণ আঁচনি (Revitalization Plan) স্তৰ-২ (phase -II) সম্প্ৰতি চলিত অৱস্থাত আছে। সম্প্ৰতি চিকিৎসালয়খন ৮৫খন বিচনাযুক্ত যদিও অদূৰ ভৱিষ্যতে সেই সংখ্যাটো ২৫০খনলৈ বৃদ্ধি কৰা হ'ব।
  - অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ মাজত বিভিন্ন খেল-ধেমালিৰ প্ৰচলন আৰু উন্নয়ন কৰিবলৈ উত্তৰ-পূব পৰিষদে ৰাজ্যসমূহৰ আর্থিক সাহায্য প্ৰদান কৰাৰ লগতে পঞ্জীয়নকৃত ক্ৰিয়া ক্লাৰ / সংস্থা / আত্মসহায়ক গোটসমূহক বিভিন্ন দিশৰ পৰা

সহায় কৰি আহিছে । ইয়াৰ মূখ্য উদ্দেশ্য হ'ল— খেল পথাৰৰ উন্নয়ন, ক্রিয়াৰ বিভিন্ন সা-সঁজুলিৰ ক্রয়, প্রশিক্ষণ কার্যসূচী চলোৱা, ক্রিয়াৰ লগত জড়িত আন্তঃগাঁথনিৰ উন্নতি আৰু আঞ্চলিক তথা ৰাষ্ট্রীয় ভিত্তিত বিভিন্ন ক্রিয়া প্রতিযোগিতাৰ আয়োজন। অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাৰ সময়ছোৱাত এই আঁচনিখনৰ শুভাৰম্ভ কৰা হয় (১৯৯২-৯৭)। তেতিয়াৰে পৰা ই প্রত্যক্ষভাৰে ক্রিয়াৰ লগত জড়িত আত্ম সহায়ক গোট / ক্লাৰসমূহক ৰাজ্য চৰকাৰসমূহৰ যোগেদি সাহায্য আগবঢ়াই আহিছে।

- অঞ্চলটোত অর্ধ-চিকিৎসক গোট (Para-medical man power)ৰ অভাৱৰ প্রতি লক্ষ্য ৰাখি উত্তৰ-পূব পৰিষদে আইজলত ১৯৯২-৯৩ চনত The Regional Para-Medical and Nursing Training Instituteখন মুকলি কৰিবলৈ প্রস্তাৰ আগবঢ়ালে। ১৯৯৬ চনৰ পৰা এই প্রতিষ্ঠানটোৱে পাৰা মেডিকেল ডিগ্রী, ডিপ্ল'মা আৰু চার্টিফিকেট পাঠ্যক্রম আগবঢ়াই আহিছে। আৰম্ভণিতে ইয়াৰ ব্যয় ৪৭৫.০০ লাখ টকা হিচাপে ধৰা হৈছিল যদিও পাছলৈ এই ধনৰ পৰিমাণ ২৩১৫.৩৯ লাখ হিচাপে নির্ধাৰণ কৰা হয়।
- ষষ্ঠ পঞ্চ বার্ষিক পৰিকল্পনাৰ সময়ছোৱাত উত্তৰ পূব পৰিষদে গুৱাহাটীত আঞ্চলিক দন্ত মহাবিদ্যালয় (Regional Dental College) প্রতিষ্ঠা কৰে। পৰিষদে অষ্টম পাঁচ বছৰীয়া পৰিকল্পনালৈকে আর্থিক সাহায্য মঞ্জুৰ কৰিছিল। সমগ্র উত্তৰ-পূর্বাঞ্চলত এইখনেই একমাত্র দন্ত চিকিৎসা মহাবিদ্যালয়। দন্ত চিকিৎসা দিনে দিনে বাঢ়ি অহা চাহিদাৰ প্রতি লক্ষ্য ৰাখি আৰু অধিক চিকিৎসকক প্রশিক্ষীত কৰি তুলিবলৈ, দন্ত চিকিৎসা বিজ্ঞানত হোৱা নিত্য নতুন প্রয়োগ আৰু আধুনিকীকৰণ যথাযথ ক্ষেত্রত কার্যকৰী কৰিবলৈ পৰিষদে নৱম পঞ্চবার্ষিক পৰিকল্পনাত পুঁজি মুকলি কৰি দিছে।
- ১৯৭৭ চনত গুৱাহাটীত প্রতিষ্ঠা হোৱা আঞ্চলিক নার্চিং (The Regional College of Nursing) উত্তৰ-পূর্বাঞ্চলৰ একমাত্র নার্চিং মহাবিদ্যালয় এই অঞ্চলটোৰ আটাইকেইখন ৰাজ্যৰ পৰা অহা নার্চিঙৰ শিক্ষার্থীৰ বাবে এই শিক্ষা প্রতিষ্ঠানটো স্থাপিত হৈছে। ষষ্ঠ পঞ্চ বার্ষিক পৰিকল্পনাৰ কালছোৱাৰ পৰা এই প্রতিষ্ঠানে ইয়াৰ আধুনিকীকৰণ আৰু সম্প্রসাৰণ বাবে উত্তৰ-পূর্ব পৰিষদৰ পৰা আর্থিক সাহায্য লাভ কৰি আহিছে। প্রতিষ্ঠানটোৱে B.Sc. স্তৰৰ নাচিং পাঠ্যক্রম আগবঢ়াইছে আৰু শিক্ষার্থীৰ আসনৰ সংখ্যা ৫০। ইয়াত নার্চিঙৰ M.Sc. পাঠ্যক্রম খোলা হৈছে য'ত অসম আৰু উত্তৰ-পূর্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ মহিলা শিক্ষার্থীৰ বাবে আসনৰ সংখ্যা বঢ়োৱাৰ চিন্তা-চর্চা কৰা হৈছে। ইতিমধ্যে এই দিশটো কার্যকৰী হৈছে। ৯ম পৰিকল্পনাৰ সময়ছোৱাত উত্তৰ-পূব পৰিষদে নার্চিং প্রতিষ্ঠানটোক নিম্নোক্ত দিশসমূহত আর্থিক অনুদান আগবঢ়াইছিল— (ক) মহাবিদ্যালয়ৰ ভৱন আৰু

শিক্ষক-সকলৰ বাসগৃহ নির্মাণ, (খ) ১০০টা আসনযুক্ত ছাত্র / ছাত্রী নিবাসৰ ভৱন নির্মাণ, (গ) সহায়ক কর্মচাৰীৰ দৰমহা,(ঘ) কিতাপ-পত্র, আলোচনী আৰু আচবাব-পত্রৰ বাবে অনুদান।

- ইয়াৰ বাহিৰেও উত্তৰ-পূব পৰিষদে এনেধৰণৰ অন্য গুৰুত্বপূর্ণ প্রতিষ্ঠানক আর্থিক সাহায্য আগবঢ়াইছে। এইবোৰৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়; অসম চিকিৎসা মহাবিদ্যালয়, ডিব্রুগড়; চৰকাৰী আয়ুবেদিক মহাবিদ্যালয়, জালুকবাৰী; আঞ্চলিক ফার্মাচী প্রতিষ্ঠান (Regional Pharmacy Institute), আগৰতলা; জে. এন. শইকীয়া হোমিঅ'পেথিক মহাবিদ্যালয়, যোৰহাট; শংকৰদেৱ নেত্রালয়, গুৱাহাটী ইত্যাদি।
- আকৌ পর্যটন খণ্ডৰ উন্নয়নৰ বাবে উত্তৰ-পূব পৰিষদে ২০০৫ চনত উত্তৰ-পূব পর্যটন উন্নয়ন পৰিষদ (North East Tourism Development Council)খন গঠন কৰিলে। ১০ কোটি টকাৰে NETDC প্রতিষ্ঠা কৰা হৈছে। ইয়াৰ ভিতৰত উত্তৰ-পূব পৰিষদে ১.০০ কোটি টকা আগবঢ়াইছে, NEDFIয়ে আগবঢ়ায় ১.০০ কোটি টকা আৰু ভাৰত চৰকাৰৰ পর্যটন বিভাগে আগবঢ়ায় ৮.০০ কোটি টকা।

অৱশ্যে ওপৰক্ত চলি অহা বা ভৱিষ্যতে ৰূপায়িত হ'বলগা আঁচনিসমূহ সমালোচনাত্মক ভাৱে মূল্যায়ন কৰিলেহে উত্তৰ পূব পৰিষদৰ সফলতা আৰু বিফলতাৰ এটা সঠিক ছবি পাবপৰা যাব। উত্তৰ পূব পৰিষদৰ কার্যকুশলতা ইয়াৰ দীঘলীয়া ৩৪ বছৰৰ সংগঠনৰ প্রতি লক্ষ্য ৰাখি তলত দিয়া ধৰণে আলোচনা কৰিবপৰা যায়-

উত্তৰ-পূর্বাঞ্চলৰ ৬৩.২৫৭ মেগাৱাট জলবিদ্যুৎ শক্তি উৎপাদনৰ সম্ভাব্য ক্ষমতা আছে বুলি চিনাক্ত কৰা হৈছে। বর্তমান অঞ্চলটোৱে মাত্র ১,৯১১ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰি আছে। এই পৰিমান মুঠ সম্ভাৱনীয়তাৰ মাত্র ৩.০৫ শতাংশ। বর্তমান অঞ্চলটোত সক্রিয় হৈ থকা প্রধান জলবিদ্যুৎ প্রকল্প দুটা হ'ল— উত্তৰ-পূর্বাঞ্চল বিদ্যুৎ শক্তি নিগম (নিপক') আৰু কামেং জলবিদ্যুৎ শক্তি প্রকল্প। নিপক'ই বর্তমান ৬০০ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰি আছে। ৰাষ্ট্রীয় জলবিদ্যুৎ নিগম (NHPC)ৰ নামণি সোৱণশিৰি শক্তি প্রকল্পৰ কাম সম্পূর্ণ হৈ উঠা নাই। প্রকল্পটোৱে এতিয়ালৈকে বনবিভাগ আৰু পৰিৱেশ বিভাগৰ পৰা যাৱতীয় অনুমতি লাভ কৰা নাই আৰু প্রকল্পটোক লৈ বিভিন্ন আইন-শৃখলাজনিত সমস্যা, স্থানীয় সমস্যা, ভূমি অধিগ্রহণ সমস্যা, পুনৰ সংস্থাপন তথা পুনৰ বসতি স্থাপনৰ সমস্যাই দেখা দিছে। ইয়াৰ উপৰি প্রকল্পটো বিভিন্ন প্রাকৃতিক দুর্য্যোগ বিষয়ক সমস্যা, ঠিকাভিত্তিক কর্মসংস্থাপন বিষয়ক সমস্যা, আর্হি সাল-সলনিৰ সমস্যা, ভূ-তাত্ত্বিক প্রতিবন্ধকৰ সমস্যা, দুর্গম আৰু দুর্বল যাতায়াত ব্যৱস্থাৰ সমস্যা, দক্ষ-অদক্ষ কর্মশক্তিৰ অভাৱ, প্রয়োজনীয় সামগ্রী যোগানত বিলম্ব আদি নানা সমস্যাৰে ভাৰাক্রান্ত হৈ পৰিছে।

বিগত কিছুবছৰ উত্তৰ পূব পৰিষদে বিভিন্ন প্রকল্প ৰূপায়ন কৰোঁতে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আছে। এই সমূহৰ ভিতৰত আছে প্রকল্পৰ লেহেমীয়া আৰম্ভণি, পৰিষদৰপৰা

ৰাজ্যৰ বিভিন্ন বিকাশ সংস্থাসমূহে পোৱা সাহাৰ্যৰ লেহেমীয়া মুকলিকৰণ, অধিক সময় খৰচ আৰু অত্যাধিক ব্যয় হোৱা,দুৰ্বল নিৰীক্ষণ ব্যৱস্থা, প্ৰয়োজনীয় পুঁজিৰ নাটনি আৰু পুঁজিৰ যথোচিত ব্যৱহাৰৰ সমস্যা ইত্যাদি।

অৱশ্যে উত্তৰ-পূব পৰিষদে উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ আশা আকাংক্ষাসমূহ পু�ৰণত সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলি ক'লে ভূল কোৱা হ''ব। এই পৰিষদে বিভিন্ন সময়ত অঞ্চলটোৰ বিকাশৰ বাবে বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প হাতত লৈছে আৰু সম্পূৰ্ণ কৰিছে। আৱশ্য পৰিষদৰ কাৰ্য্যাৱলীসমূহ বৰ লেহেমীয়া গতিত হৈছ। এইটো উল্লেখযোগ্য যে আৰম্ভণিৰ সময়ৰপৰা উত্তৰ-পূব পৰিষদে পুঁজিৰ যোগান ধৰোতাতকৈ পৰমৰ্শদাতা সংস্থা হিচাপেহে কাম কৰি আহিছে। এইবাবে এখন আঁচনি বা এটা প্ৰকল্প সফলভাৱে সম্পাদন কৰাত পৰিষদৰ কেতবোৰ সমস্যা আহি পৰে। গতিকে পৰিষদক এক সম্পূৰ্ণ পুঁজি যোগান ধৰোঁতা হিচাপে গঢ়ি তুলি উত্তৰ-পূব পৰিষদ আইনখন (NEC Act) সংশোধন কৰাৰ সম্পূৰ্ণ প্ৰয়োজন আহি পৰিছে। এইটো এইবাবেই দৰকাৰী কিয়নো উত্তৰ পূৰ্বাঞ্চললৈ সম্পদ বা পুঁজিৰ আগমন কমকৈ হয় আৰু যিখিনি পুঁজি অঞ্চলটোৱে লাভ কৰে তাৰো ভালেখিনি অংশ পৰিকল্পিত ব্যৱহাৰৰ অভাৱত উলটি যায়।

ইয়াৰ উপৰি উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতা আৰু সমন্বয়ৰ অভাৱ পৰিলক্ষিত হয়। এই কাৰণে বহু আৱশ্যকীয় প্ৰকল্পৰ ৰূপায়ন সম্ভৱপৰ হোৱা নাই। যদিহে ৰাজ্যকেইখনৰ মাজত আন্তৰিক সহযোগিতা আৰু উমৈহতীয়া প্ৰচেষ্টাৰ এক বাতাবৰণ আনিব পৰা যায়; বিভিন্ন অভিলাষী প্ৰকল্প যেনে শক্তি আৰু যাতায়ত, পথ আৰু ৰেল পৰিবহণ আদিবোৰ সফলভাৱে ৰূপায়ন কৰিব পৰা যাব। এই বহল উদ্দেশ্যসমূহ পূৰণৰ বাবে উত্তৰ-পূব পৰিষদৰ সংস্কাৰ আৰু পুনৰগঠন অতি আৱশ্যকীয় হৈ পৰিছে।

তালিকা নং ৬.১ ঃ ৰাজ্য অনুযায়ী উত্তৰ-পূৱ পৰিষদে মোকলাই দিয়া ধন (কৌটি টকাত)

ৰাজ্য	২০১২-১৩	২০১৪-১৫	২০১৫-১৬
অৰুনাচল প্ৰদেশ	৯১.৭০	৬২.২১	১০৪.৬২
অসম	৯১.৪০	৪৬.০৬	২৬.৮৮
মনিপুৰ	৫২.৫৫	৪৮.০৩	১৫৪.৮০
মেঘালয়	৮৬.৩৫	৫৬.১১	৭০.৫৯
মিজোৰাম	৮৩.১৮	৩৬.৮১	৮০.৮৫
নাগালেণ্ড	৮৪.০০	৯৩.০২	৯৩.৬২
চিকিম	৫৫.৮৪	৩৩.৯৭	৩১.৮২
ত্ৰিপুৰা	৩৭.৯৯	৬১.৭৯	৩১.০২
উঃ পূ	৫৮৩.০১	৪৩৭.৯৯	১৭০.৬২

গতিকে ওপৰত কৰি অহা আলোচনাৰ পৰা এইটো দেখা পোৱা গ'ল যে অঞ্চলটোৰ দ্ৰুত আৰ্থিক উন্নয়নৰ বাবে উত্তৰ-পূব পৰিষদে কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে

এতিয়াও আৰু বহুত কৰিবলৈ বাকী আছে। উদাহৰণস্বৰূপে, এই অঞ্চলটোত পর্যটন খণ্ডটোৰ প্ৰচুৰসম্ভাৱনীয়তা আছে। কিন্তু এই খণ্ডটোৰ যথোচিত বিকাশ আৰু প্ৰসাৰৰ সম্ভাৱনীয়তা থকা সত্ত্বেও উচিত কর্ম পন্থা আৰু দিশ নির্দেশনাৰ অভাৱৰ বাবে আজিও এই অঞ্চলৰ পর্যটন খণ্ডৰ যথোচিত উন্নয়ন হোৱা নাই। অঞ্চলটোত বিকল্প পর্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। যেনে— চাহ পর্যটন, ধর্মীয় আৰু সাংস্কৃতিক পর্যটন, পৰিৱেশ পর্যটন (Eco tourism), গ্ৰাম্য পর্যটন, ইত্যাদি। কিন্তু এতিয়ালৈকে অঞ্চলটোৰ কেইখনমান বিশেষ ক্ষেত্ৰহে পর্যটকৰ দৃষ্টি আৰ্ষণ কৰিছে। বিকল্প পর্যটনৰ লগত জড়িত দিশসমূহে উপযুক্ত গুৰুত্ব লাভ কৰা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শুদ্ধনে অশুদ্ধ বাচি উলিয়াওক।

(ক) উত্তৰ-পূব পৰিষদৰ কার্য্যাৱলী কেৱল অঞ্চলটোৰ উদ্যোগিক খণ্ডতেই সীমাবদ্ধ। (শুদ্ধ/অশুদ্ধ)

(খ) উত্তৰ-পূব পৰিষদে অসম, ত্ৰিপুৰা আৰু মনিপুৰত এখনকৈ সর্বমুঠ তিনিখন বীজ পাম (seed farm) স্থাপন কৰাৰ পৰিকল্পনা কৰিছে। (শুদ্ধ/অশুদ্ধ)

(গ) আঞ্চলিক নার্চিং মহাবিদ্যালয়খন (Regional college of nursing) মিজোৰামৰ আইজলৰ অৱস্থিত। (শুদ্ধ/অশুদ্ধ)

(ঘ) উত্তৰ-পূব পৰিষদে ১৯৯২ চনত প্ৰথমবাৰৰ বাবে নবীকৰণযোগ্য শক্তি সম্পদ আঁচনি হাতত লয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৬ ঃ উত্তৰ পূব পৰিষদে অঞ্চলটোৰ সাংগঠনিক দক্ষতা বিকাশৰ বাবে লোৱা ভূমিকাৰ বিষয়ে চমুকৈ আলোচনা কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ উত্তৰ পূব পৰিষদে সফলতাৰে সম্পাদন কৰা দুখন আঁচনিৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ উত্তৰ পূব পৰিষদে সন্মুখীন হোৱা কিছুমান সমস্যা উল্লেখ কৰক।

.....

.....

.....

.....



অনুশীলনী ৬.২

উত্তৰ পূব পৰিষদৰ পৃষ্ঠপোষকতাত সম্পূর্ণ হোৱা আঁচনি সমূহৰ তালিকা কৰক আৰু এই আঁচনিসমূহৰপৰা কি কি সুবিধা হৈছে উল্লেখ কৰক।

.....

.....

.....

.....



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- উত্তৰ পূব পৰিষদ ১৯৭১ চনত সংসদৰ আইনযোগে গঠন কৰা হয়।
- উত্তৰ পূব পৰিষদ হৈছে উত্তৰ পূর্বাঞ্চলৰ আঠখন ৰাজ্যৰ আর্থসামাজিক বিকাশৰ বাবে গঠন হোৱা সংস্থা। এই আঠখন ৰাজ্য হ'ল অৰুনাচল প্রদেশ, অসম, মনিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্রিপুৰা।
- উত্তৰ পূব পৰিষদ সাধাৰণতে উত্তৰ পূর্বাঞ্চলৰ আঠখন ৰাজ্যৰ মুখ্যমন্ত্রী আৰু ৰাজ্যপালসমূহক লৈ গঠন কৰা হয় আৰু ইয়াত এজন সভাপতি থাকে।
- উত্তৰ পূব পৰিষদে সমন্বিত আঞ্চলিক পৰিকল্পনাৰ জৰিয়তে উত্তৰ পূর্বাঞ্চলৰ সর্বময় আর্থসামাজিক উন্নয়নৰ বাবে চেষ্টা কৰে।
- উত্তৰ পূব পৰিষদে সুষম আঞ্চলিক বিকাশৰ জৰিয়তে আঞ্চলিক বৈষম্য আৰু অসমতা দূৰীকৰণৰ চেষ্টা চলায়।
- উত্তৰ পূব পৰিষদে বিভিন্ন ক্ষেত্রত পৰামর্শৰ জৰিয়তে ইয়াৰ সদস্য ৰাজ্যকেইখনৰ মাজত সহযোগিতা আৰু সমন্বয় সৃষ্টি কৰে।
- উত্তৰ পূব পৰিষদে অঞ্চলটোৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্যসমূহক সহযোগিতা কৰে।
- উত্তৰ পূব পৰিষদে দুখন বা তাতোধিক সদস্যৰাজ্যৰ উমৈহতীয়া স্বার্থজড়িত বিষয়সমূহ আলোচনা কৰে।
- উত্তৰ পূব পৰিষদে উত্তৰ পূর্বাঞ্চলৰ সমবিকাশৰ বাবে বিভিন্ন প্রস্তাৱ আগবঢ়ায়।
- উত্তৰ পূর্বাঞ্চলে ইতিমধ্যে অঞ্চলটোৰ কৃষি আৰু আনুষসিক বিষয়, উদ্যোগ, যাতায়াত আৰু যোগাযোগ, শিক্ষা আৰু স্বাস্থ্য সংক্রান্তীয় বিষয়ত ভালেমান বিকাশমূলক কাম সম্পাদন কৰিছে।

- উত্তৰ পূব পৰিষদে বৰ্তমান সহযোগিতা আৰু সাংগঠনিক দিশত কেতবোৰ সমস্যাৰ সন্মুখীন হৈছে যিবোৰ অঞ্চলটোৰ বৃহত্তৰ স্বাৰ্থত দ্রুত সমাধান কৰিব লাগিব।



৬.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ড° প্রণৱ কুমাৰ ধৰঃ *অসমৰ অৰ্থনীতি (উত্তৰ-পূব ভাৰতৰ অৰ্থনীতিসহ)*, কল্যাণী পাব্লিচাৰ্ছ।

ইংৰাজী গ্রন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূব পৰিষদ ১৯৭১ চনত সংসদৰ আইযোগে গঠন কৰা হয়। এই পৰিষদ গঠনৰ মূল উদ্দেশ্য আছিল উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বময় বিকাশ সাধন কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূব পৰিষদৰ সদস্যৰাজ্য কেইখন হৈছে অৰুণাচল প্রদেশ, অসম, মণিপুৰ, মেঘালয়া, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্রিপুৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূব পৰিষদৰ সভাপতিজনক ৰাষ্ট্রপতিয়ে মনোনীত কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৮ চনত ছিক্কিমক উত্তৰ পূব পৰিষদৰ সদস্য ৰাজ্য হিচাপে অন্তর্ভুক্ত কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূব পৰিষদে অঞ্চলটোৰ সাংদঠনিক দক্ষতাৰ বিকাশৰ বাবে অনুদান আগবঢ়াই আহিছে। ভাৰচীয় সাংগঠনিক প্রতিষ্ঠান (Indian Institute of Entrerpreneurship), উত্তৰ পূৰ্বাঞ্চলৰ ঔদ্যোগিক আৰু প্রযুক্তিগত পৰামৰ্শদাতা সংগঠন (North Eastern Industrial and Technical Consultancy Organisation Limited), উত্তৰ পূৰ্বাঞ্চলৰ ঔদ্যোগিক পৰামৰ্শদাতা (North Eastern Industrial Consultant) আৰু ৰাষ্ট্রীয় ক্ষুদ্র উদ্যোগ সংস্থা আদি সংস্থাসমূহে অঞ্চলটোৰ নিবনুৰা যুৱকসকলকৰ সুবিধাৰ কাৰণে বিভিন্ন আঁচনিসমূহ

পৰিচালনা কৰে। উত্তৰ পূব পৰিষদে এই সংস্থাসমূহলৈ আর্থিক অৱদান আগবঢ়ায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ পূব পৰিষদে সফলতাৰে সম্পাদন কৰা দুটা প্রকল্প হ'ল আঞ্চলিক দন্ত মহাবিদ্যালয়, গুৱাহাটী আৰু আঞ্চলিক নার্চিং মহাবিদ্যালয় (Regional college of Nursing), গুৱাহাটী।

৮ নং প্রশ্নৰ উত্তৰ ঃ বিগত সময়ছোৱাত উত্তৰ-পূৰ পৰিষদে ইয়াৰ প্রকল্পসমূহ সম্পাদন কৰাত বহুতো সমস্যাৰ সন্মুখীন হৈ আহিছে। এই সমূহৰ ভিতৰত আছে প্রকল্পৰ লেহেমীয়া আৰম্ভনি, ৰাজ্য চৰকাৰে পৰিষদৰপৰা পোৱা ধন সময়মতে আৰু সোনকালে বিকাশ সংস্থাসমূহলৈ মুকলি কৰি নিদিয়া, অধিক সময় আৰু ধন খৰচ হোৱা, আঁচনিসমূহৰ সঠিক নিৰীক্ষণত ৰাজ্য চৰকাৰসমূহৰ দুর্বলতা, আৱশ্যকীয় পুঁজিৰ সঠিক আৰু সদ-ব্যৱহাৰ নোহোৱা ইত্যাদি।



৬.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ উত্তৰ পূব পৰিষদে বর্তমানলৈকে কেইখন খাদ্য বীজ উৎপাদন পাম স্থাপন কৰিছে।

প্রশ্ন ২ ঃ উত্তৰ পূব পৰিষদে এতিয়ালৈকে কিমানখন সঁচৰ বাগিচা (Progeny Orchard cum Nurseries) স্থাপন কৰিছে।

প্রশ্ন ৩ ঃ আদা আৰু শিপাজাতীয় শস্যৰ বিকাশৰ কাৰণে উত্তৰ পূব পৰিষদে এতিয়ালৈকে কিমান পাম স্থাপন কৰিছে?

প্রশ্ন ৪ ঃ উত্তৰ পূব পৰিষদে কেতিয়া প্রথম নবীকৰণযোগ্য শক্তি সম্পদ আঁচনি হাতত লয়।

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উন্নত জাতৰ বীজৰ নাটনিৰ সমস্যা নোহোৱা কৰিবলৈ উত্তৰ পূব পৰিষদে গ্রহণ কৰা প্রদক্ষেপসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ উত্তৰ পূর্বাঞ্চলৰ জলমিঞ্চন ব্যৱস্থাৰ উন্নতিসাধনৰ বাবে উত্তৰ পূব পৰিষদে লোৱা ব্যৱস্থাসমূহ কি কি?

প্রশ্ন ৩ ঃ উত্তৰ পূর্বাঞ্চলৰ পর্যটন বিকাশৰ বাবে উত্তৰ পূব পৰিষদে গ্রহণ কৰা প্রদক্ষেপৰ বিষয়ে আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ পূৰ্বাঞ্চলৰ কৃষি আৰু আনুষংগিক খণ্ডৰ বিকাশৰ বাবে উত্তৰ পূব পৰিষদে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উত্তৰ পূৰ্বাঞ্চলৰ সামাজিক আৰু জনগোষ্ঠীয় বিকাশৰ বাবে উত্তৰ পূব পৰিষদে লোৱা ব্যৱস্থাসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ উত্তৰ পূৰ্বাঞ্চলৰ বিকাশত উত্তৰ পূব পৰিষদৰ অৱদান সম্পৰ্কে সমালোচনাত্মক আলোচনা যুগুত কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ঝুম খেতি

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ঝুম খেতিৰ ধাৰণা
৭.৪ ঝুম খেতিৰ প্রভাৱ সমূহ
৭.৫ ঝুম খেতিৰ বৰ্ত্তমানৰ অৱস্থাৰ পৰিবৰ্তনৰ কৌশল
৭.৬ পাহাৰীয়া অঞ্চলৰ কৃৰ্ষিৰ অসুবিধা সমূহ
৭.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৭.৮ অধিক জানিবলৈ
৭.৯ অগ্রগতিৰ খতিয়ান
৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

ঝুম খেতি এক পৰম্পৰাগত কৃষি পদ্ধতি। বিভিন্ন ঠাইত ইয়াক বিভিন্ন নামেৰে নামাকৰণ কৰে। যেনে পূৰা কৃষি, ভূমি পৰিভ্রমন কৃষি, প্রবর্জন কৃষি আদি উত্তৰ-পূৱ অঞ্চলত ই ঝুম খেতি নামেৰে জনাজাত। যিহেতু এটুকুৰা মাটিত বাৰে বাৰে খেতি কৰি থাকিলে মাটিৰ গুণ নষ্ট হয় সেয়ে এই খেতি বেলেগ বেলেগ ঠাইত কৰা হয় আৰু সেয়ে ইয়াক পৰিবর্তিত খেতি বুলিও কোৱা হয়।

এই অধ্যায়টিৰ অধ্যয়নৰ জৰিয়তে আপোনালোকে—

- ঝুম খেতিৰ ধাৰণা লাভ কৰিব
- ঝুম খেতিৰ অসুবিধা সমূহ আৰু ইয়াক নিৰাময়ৰ ব্যৱস্থা সম্পর্কে ধাৰণা কৰিব পাৰিব আৰু
- পাহাৰীয়া অঞ্চলত কৃষিকার্যৰ সমস্যাসমূহৰ বিষয়ে বিশদভাৱে জানিবলৈ সক্ষম হ'ব।

৭.২ পৰিচয়

উত্তৰ-পূৱ অঞ্চলৰ ঝুম খেতি হৈছে জনজাতীয় লোক সকলে কৰা এক পৰম্পৰাগত কৃষি পদ্ধতি। ঝুম খেতিক ভূমি পৰিৱর্তিত কৃষি বুলিও কোৱা হয়। কিয়নো এই খেতি এটুকুৰা ঠাইৰ পৰা অইন এটুকুৰা ঠাইলৈ পৰিবর্তন কৰি কৰা হয়। ঝুম খেতি কৰা খেতিয়ক সকলোক ঝুমীয়া বুলি কোৱা হয়। এই ঝুমিয়া বিলাকে প্রথমে এটুকুৰা নির্দিষ্ট ঠাই চিনাক্ত কৰি লয় আৰু খেতি আৰম্ভ কৰে তাৰ পৰৱর্তী বছৰত আকৌ এটুকুৰা নতুন মাটিত খেতি কৰে। এনেদৰে কেইবা বছৰো খেতি কৰাৰ পিছত আকৌ আৰম্ভণিৰ মাটি টুকুৰালৈ ঘুৰি আহে। এনেদৰে

ঝুমীয়া বিলাকে একোটা চক্র পূৰণ কৰে। সেয়ে ঝুম খেতিয়ে এটা ঝুম খেতি চক্র সমাপ্ত কৰে।

৭.৩ ধাৰণা

জনজাতীয় লোকসকলৰ জীৱিকা নির্বাহৰ প্রধান আহিলা হৈছে ঝুম খেতি। ঝুম খেতিত বিভিন্ন ধৰণৰ শস্য খেতি কৰা হয়। ইয়াৰ ভিতৰত প্রধান শস্য হৈছে ধান তথা মাহ জাতীয় শস্য। পাহাৰুৱা জনজাতি লোকসকলৰ ঝুম খেতিৰ বাদে অইন খেতি কৰাৰ কোনো সুবিধা নাই। ঐতিহাসিক যুগৰ পৰা আজিলৈকে উত্তৰ-পূৰ অঞ্চলৰ জনজাতীয় লোক সকলে কৰি থকা কৃষিয়েই হৈছে ঝুম খেতি। উত্তৰ-পূৰ অঞ্চলৰ শতকৰা ৬ ভাগ মাটিত প্রায় ৪ লাখ পৰিয়ালে এই খেতি কৰি আছে (Kalita, 2001)।

ঝুম খেতিৰ কেইবাটাও স্তৰ আছে —

- **স্থান চিনাক্ত কৰণ ঃ** প্রথমে ঝুমীয়া বিলাকে ঝুম খেতিৰ বাবে উপযুক্ত এখন ঠাই চিনাক্ত কৰি লয়।
- **ভূমি প্রস্তুত কৰণ ঃ** ঝুম খেতিৰ দ্বিতীয় স্তৰটো হৈছে চিনাক্ত কৰা ঠাই এখনৰ হাবি জংঘলবোৰ ডিচেম্বৰ- জানুৱাৰী মাহৰ ভিতৰত কাটি চাফা কৰি লয়। তাৰ পিছত কাটি যোৱা গছৰ মূঢ়াবোৰ আৰু ডাল-পাত ৰদ'ত শুকাই আৰু শুকান পাতবোৰ জুই জ্বলাই পুৰি চাফা কৰে। জুইৰ পোৰা অংশবোৰ অর্থাৎ ছাই বোৰ খেতিত সাৰ হিচাপে ব্যৱহাৰ কৰে।
- **খেতিৰ পদ্ধতি ঃ** এই খেতিৰ তৃতীয় স্তৰটো হৈছে মাটিত গাঁত খন্দা। ইয়াৰ পিছত সাধাৰণ সজুলি যেনে — খুঁচৰি গাঁত কৰা লাঠিৰ সহায়ত (চিপৰাং বা কোৰৰ) মাটিত গাঁত কৰি বিভিন্ন ধৰণৰ শস্যৰ গুটি সিঁচা হয়। এই গাঁত খন্দা আৰু গুটি সিচা কামবোৰ সাধাৰণতে মহিলা শ্রমিক সকলে কৰে। পাহাৰৰ হেলনীয়া ঠাইত গাঁতবোৰ দুটা শাৰীৰ মাজত পার্থক্য ৰাখি খন্দা হয়। যথেষ্ট পৰিমান বৰষুণ হোৱাৰ পিছত যেতিয়া ছাই বোৰ বহি যায় তেতিয়া গাঁতবোৰত বিভিন্ন শস্যৰ গুটি সিঁচাৰ বাবে উপযুক্ত হয়।
- **শস্য চপোৱা ঃ** ঝুম খেতিৰ একেবাৰে শেষৰ স্তৰটো হৈছে শস্য চপোৱা। গুটি ৰোৱাৰ ৩ মাহৰ পিছৰ পৰা শস্য চপোৱাৰ কাম আৰম্ভ হয়। এই কাম পৰৱর্তী মাহলৈকে চলি থাকে। ইয়াৰ লগতে ঝুম খেতিৰ এটা কাল চক্র সম্পূর্ণ হয়। ইয়াৰ পিছৰ পর্য্যায়ত জনজাতীয় লোক সকলে তেওঁলোকৰ নিজৰ পৰস্পৰাৰে সমূহীয়া উৎসৱ পালনৰ জৰিয়তে শস্য চপোৱা, মজুত কৰণ, মাটি ছন কৰা আদি কামবোৰ সমাপ্ত কৰে। এইদৰে এটা কালচক্র সম্পূর্ণ হোৱাৰ পিছত ঝুমীয়া সকলে পৰৱর্তী শীতকাললৈ আন এটুকুৰা উপযুক্ত নতুন ঠাই ঝুম খেতিৰ বাবে চিনাক্ত কৰি উলিয়াই। দুটা একেৰাহে হোৱা ঝুম খেতিৰ মাজৰ বছৰকে ঝুম চক্র বোলা হয়। সোনকালে হোৱা ঝুম চক্রবোৰ ৪-৯ বছৰৰ ভিতৰত হয় আৰু দেৰীকৈ হোৱা বোৰ ২০-৩০ বছৰৰ ভিতৰত।

আগত উল্লেখ কৰাৰ দৰে, সমগ্ৰ উত্তৰ পূৱৰ পাহাৰীয়া অঞ্চলৰ প্ৰায়ভাগ জনজাতীয় লোকেই ঝুম খেতি কৰে। উত্তৰ -পূৱ আয়োগৰ এক সমীক্ষা মতে, সমগ্ৰ উত্তৰ-পূৱ অঞ্চলৰ মুঠ জনজাতীয় পৰিয়ালৰ প্ৰায় ৪.৫০ লাখ মানুহ ঝুম খেতিৰ ওপৰত নিৰ্ভৰশীল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ঝুম খেতি কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ঝুম খেতিৰ বিভিন্ন স্তৰ বোৰৰ নাম লিখা (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৭.৪ ঝুম খেতিৰ প্ৰভাৱ সমূহ

- **সু-প্ৰভাৱ ঃ** এই খেতি কৰিবলৈ বৰ সহজ। কিয়নো খেতি কৰা পদ্ধতি তেনেই সৰল। ইয়াৰ উপৰিও অতি সোনকালে আৰু কম খৰচতে মাটি টুকুৰা খান্দি বা পুৰি চাফা কৰি লব পাৰি। প্ৰথম বছৰত এই খেতিৰ উৎপাদন বেচি।
- **কু-প্ৰভাৱ ঃ** যদিও উত্তৰ-পূৱ অঞ্চলৰ পাহাৰুৱা লোক সকলোৰ মূল জীৱিকা নিৰ্বাহৰ আহিলাই হৈছে ঝুম খেতি, তথাপিও কিন্তু এই অঞ্চলৰ অৰ্থনৈতিক আৰু সামাজিক দিশত ইয়াৰ যথেষ্ট অনিষ্টকাৰী প্ৰভাৱ দেখিবলৈ পোৱা যায়। তলত এইবোৰৰ বিষয়ে বিতং ভাৱে আলোচনা কৰা হ'ল—
  - ➢ *অস্থায়ী বন্দবস্ত ঃ* ঝুম খেতি পাহাৰুৱা লোক সকলোৰ এটা যাযাবৰী অভিপ্ৰায়। এই খেতি পৰিবৰ্তিত গাওঁৰ লগত সংযোজিত হৈ থাকে। যিহেতু ঝুম খেতিত খেতি পথাৰ পৰিবৰ্তন হৈ থাকে সেয়ে, খেতি কৰা মানুহ খিনিও এটা ঠাইৰ পৰা পিছৰ বছৰত অইন এখন ঠাইলৈ পৰিভ্ৰমণ কৰি থাকে অৰ্থাৎ মানুহখিনিৰ এটুকুৰা নিদিষ্ট ঠাইতেই স্থায়ী বন্দবস্তী নহয় আৰু তেওঁলোকে কোনো ঠাইৰেই স্থায়ী বাসিন্দা হিচাপে চিহ্নিত নহয়। ফলস্বৰূপে তেওঁলোকে সামাজিক আৰু আৰ্থিক জীৱনত যথেষ্ট দুখ কষ্টৰ সন্মুখীন হ'ব লগা হয়।

- *নিম্ন উৎপাদনশীলতা ঃ* খেতি পথাৰৰ ওখ ভূমি বোৰ যিমানেই হ্রাস হয় সিমানেই মাটিৰ সাৰুৱা শক্তি কমি যায়। সাধাৰণতে ৫-৭ বছৰৰ ভিতৰত এটা ঝুম কাল চক্র সম্পূর্ণ হয়। সেয়ে ইমান কম সময়ৰ ভিতৰত অইন এটুকুৰা মাটিত পুনৰ সাৰুৱা কৰি তুলিবলৈ বহুত কঠিন হয়। ফলস্বৰূপে উৎপাদনৰ পৰিমান নিম্ন হয়। সেয়েহে জনজাতীয় সম্প্রদায়ৰ এটা অতি গুৰুত্বপূর্ণ আর্থিক সমস্যা হৈছে খাদ্য শস্যৰ উৎপাদনশীলতা কম হোৱাটো।
- *বনাঞ্চল ধংস ঃ* বনাঞ্চল ধংসৰ অন্যতম কাৰণ হৈছে ঝুম খেতি। বনাঞ্চল ধংসই বনাঞ্চলৰ উৎপাদনশীলতা আৰু বাস্তৱিকতাৰ মূল্য বৃহৎ মাত্রাত নোহোৱা কৰে। অন্যহাতে এটা অঞ্চলৰ জলবায়ু নিয়ন্ত্রনৰ বাবে সেই অঞ্চলৰ বনাঞ্চলৰ প্রকৃতিগত ভৌগলিক বৈশিষ্ট্য অতি প্রয়োজনীয়।
- *পৰিৱেশ নিয়ন্ত্রণ ঃ* ঝুম খেতিৰ সবাতোকৈ অনিষ্টকাৰী প্রভাৱটো হৈছে পৰিৱেশতন্ত্রৰ ভাৰসাম্যহীন অৱস্থা। এটা অঞ্চলৰ জলবায়ু নিয়ন্ত্রনত ঝুম খেতিৰ বহুত প্রভাৱ আছে। এইটো পর্য্যবেক্ষন কৰা হৈছে যে ঝুম খেতিয়ে জলবায়ু নিয়ন্ত্রণত এটা সাংঘাটিক পৰিৱর্তন আনিব পাৰে, ফলস্বৰূপে স্বাস্থ্য ৰক্ষা আৰু জৈৱতন্ত্র সুৰক্ষাত ঝুম খেতিৰ প্রভাৱ অভূতপূর্ব।
- *বানপানী সমস্যা ঃ* ঝুম খেতিয়ে পাহৰুৱা অঞ্চলত বনাঞ্চল ধ্বংস কৰাৰ পৰিণতিত বাৰিষা সময়ত ভয়াবহ ভূমিস্খলন হয় আৰু ফলস্বৰূপে সমতল ভূমিত বানপানীৰ সৃষ্টি হয়। সাধাৰণতে পাহাৰৰ ওখ অংশৰ পৰা খহি অহা ভূমিয়ে নদীৰ তলি আৰু সমতল ওপচাই পেলাই। লগে লগে নদীৰ বুকুৰে বৰষুণৰ পানী কঢ়িয়াই নিব পৰা ক্ষমতা হ্রাস হয় আৰু সমতল ভূমিত বানপানীয়ে তাণ্ডৱ কৰে।
- *ধ্বংসাত্মক পদ্ধতি আৰু নিম্ন বিনিয়োগ ঃ* ঝুম খেতি ৰাষ্ট্রৰ কাৰণে এটা ধ্বংসাত্মক পদ্ধতি যিহেতু ই সেউজীয়া অৰণ্যবোৰ ধ্বংস কৰি এক খালী পৰিতপ্ত অৰণ্যৰ সৃষ্টি কৰে। প্রত্যেকটো ঝুম কাল চক্র সমাপ্ত হোৱাৰ লগে লগে কেৱল মাত্র এক ক্ষুদ্র সংখ্যক জনসংখ্যাৰ জীৱিকা নির্বাহে সমাপ্ত হয়।এই খেতিৰ দ্বাৰা ভৱিষ্যতে কৃষি উন্নয়নৰপৰা আশা কৰা উৎপাদন সম্ভাৱনীয়তাও যথেষ্ট কম।
- *ভৰণ-পোষণ কৃষি পদ্ধতি ঃ* ঝুম খেতি হৈছে ভোগ নিৰাৰণৰ বাবে কৰা খেতি, য'ত ঝুমীয়া সকলে নিজৰ ভোগ্য বস্তুৰ অভাৱ পূৰণৰ বাবেহে কেৱল খেতি কৰে, সেয়েহে ইয়াক ভোৰণ-পোষণ কৃষি পদ্ধতি বোলে। কিয়নো এই খেতিৰ দ্বাৰা কৃষক সকলে কেৱল নিজৰ নিজৰ ঘৰৰ ভোৰণ-পোষণ ধৰিব পাৰে। ইয়াৰ কাৰণ হ'ল ঝুম খেতি কেতিয়াও বৃহৎ মাত্রাত সংগঠিত নহয়. যিহেতু ইয়াৰ ভূমিৰ উৎপাদনশীলতা কম।
- *নম্ন দক্ষতা ঃ* ঝুম খেতিৰ উৎপাদন ব্যয় বেছি। ইয়াত প্রতি একক উৎপাদনত তুলনামূলক ভাৱে অধিক শ্রমিকৰ প্রয়োজন হয়, যিহেতু শ্রমিকৰ কর্মদক্ষতা কম

ফলস্বৰূপে ঝুম খেতিত উৎপাদন ব্যয় স্থায়ী খেতিত কৈ বহুত বেছি।

- *প্ৰাকৃতিক সৌন্দৰ্য্য ধ্বংস ঃ* ঝুম খেতিয়ে পাহাৰৰ গছ-লতা কাটি পুৰি চাফা কৰি দিয়ে, ফলত সেউজীয়া পাহাৰৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্য ধ্বংস হয়।
- *জলসিঞ্চনৰ অভাৱ ঃ* পাহাৰুৱা অঞ্চলৰ পানীৰ যথেষ্ট অভাৱ দেখিবলৈ পোৱা যায়। খৰালি শস্যই জলসিঞ্চনৰ অসুবিধাৰ বাবে যথেষ্ট সমস্যাৰ সন্মুখীন হয় ফলত উৎপাদনশীলতা কমি যায়।

৭.৫ ঝুম খেতিৰ অৱস্থাৰ পৰিবৰ্তনৰ কৌশল সমূহ

ঝুম খেতিৰ বৰ্ত্তমান অৱস্থাৰ অনিষ্টকাৰী প্ৰভাৱ সমূহ নোহোৱা কৰিবলৈ কিছু ব্যাপক কৌশল গ্ৰহণ কৰাটো এক যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। কিয়নো ঝুম খেতিৰ কু-প্ৰভাৱে পাহাৰুৱা অঞ্চলটোৰ কৃৰ্ষি কাৰ্য্যত এক গুৰুতৰ সমস্যাৰ সৃষ্টি হৈছে। জনজাতীয় লোক সকলৰ অস্থায়ী কৃৰ্ষি কৰ্মৰ পৰি সমাপ্তি ঘটাই এক স্থায়ী কৃৰ্ষি পদ্ধতিৰ ব্যৱস্থা কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় কৌশল বোৰ হ'ল —

- কৃষি ভূমি ওখকৈ বন্ধা সমান ঠাইত ব্যৱহাৰ কৰিব লাগে।
- পাহাৰুৱা কৃষি ভূমিত উদ্যান জাতীয় আৰু মাহ জাতীয় শষ্য যেনে ফলমূল, ৰবৰ, কফি আৰু তেলগুটি আদিৰ খেতি কৰিব লাগে।
- পাহাৰুৱা ভূমি ঘৰচীয়া জন্তু যেনে গৰু-ম'হৰ খুটি বা পাম হিচাপে ব্যৱহাৰ কৰিব লাগে আৰু এইবোৰৰ খাদ্য উৎপাদনৰ বাবে ব্যৱহাৰ কৰিব পাৰে।
- ভূমিৰ সৰ্বোচ্চ ব্যৱহাৰৰ বাবে জলচ্ছেদ কাৰ্য্যনিৰ্বাহ তথা জলসম্পদৰ ব্যৱহাৰ কৰা হৈছিল।
- জনজাতীয় পৰিয়াল সকলে এতিয়া প্ৰয়োজনীয় স্থায়ী কৃৰ্ষি পদ্ধতি গ্ৰহণ কৰি স্থায়ী ভাবে বসবাস কৰিব লাগে। ভূমিৰ গুণাগুণ, জলবায়ুৰ বৈশিষ্ট্য, সামাজিক নিয়ম, খাদ্যাভাষ আদিক সামৰি ভিন্ন প্ৰকাৰৰ তথা এক নতুন পদ্ধতি বলবৎ কৰা উচিত।
- ঝুম খেতিক নিয়ন্ত্ৰণ কৰিবলৈ ৰাবাৰ, তেলগুটি, কফি আদিৰ অৰ্ন্তকালীন আৰু বহিঃকালীন কৃষি কাৰ্য্য কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ লোৱা উচিত।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৩ ঃ ঝুম খেতিৰ অনিষ্টকাৰী প্ৰভাৱ সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। (৮০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৭.৬ পাহাৰীয়া অঞ্চলত কৃষিৰ অসুবিধা সমূহ

উত্তৰ-পূৱ অঞ্চলৰ মানুহৰ ভাষা, সংস্কৃতি ধর্ম, পৰম্পৰা আদিৰ বৈচিত্রতা বিৰাজমান। উত্তৰ-পূৱ অঞ্চলৰ ভৌগলিক এলেকা ২৫.৫ মিলিয়ন হেক্টৰতকৈ অলপ বেচি আৰু ৯০% মানুহেই গাওঁত বাস কৰে। এতিয়াও এই অঞ্চল ভৌগলিক ভাৱে মূল সূতিৰ পৰা পৃথক কিয়নো ইয়াৰ পৰিকাঠামো ব্যৱস্থা অতি নিম্ন স্তৰৰ। তলত পাহাৰীয়া অঞ্চলৰ কৃষি কার্য্যৰ অসুবিধা সমূহ বাখ্যা কৰা হ'ল —

- **ক্ষুদ্র ক্ষুদ্র ভূমিৰ অৱস্থান ঃ** উত্তৰ-পূৱ অঞ্চলৰ পাহাৰীয়া অঞ্চলৰ ৰাজ্যবোৰৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট হৈছে যে এই কৃষি ভূমি বোৰ ক্ষুদ্র ক্ষুদ্র অংশত বিভক্ত যিতো আর্থিক ফালৰ পৰা অতি বিপদজনক। সৰু সৰু অংশত বিভক্ত ভূমিত যেতিয়া খেতি কৰা হয় তেতিয়া আধুনিক যন্ত্রপাতি তথা খেতিৰ আধুনিক পদ্ধতি প্রয়োগ কৰা সম্ভৱ নহয় কিয়নো ইমান ক্ষুদ্র ভূমিত এইবোৰ প্রয়োগ কৰিলে উৎপাদন ব্যয় বেচি হ'ব। সেয়েহে আধুনিক কৃষি পদ্ধতিৰ অভাৱে কৃষিৰ উৎপাদনশীলতা হ্রাস কৰে। অন্য হাতে এই অঞ্চলৰ শতকৰা ৮০% মানুহেই যিহেতু কৃষি কার্য্যত নিয়োজিত সেয়েহে কৃষিৰ নিম্ন উৎপাদনশীলতাই অর্থনীতিত যথেষ্ট সমস্যাৰ সৃষ্টি কৰে।
- **পুৰণি যন্ত্রপাতিৰ ব্যৱহাৰ ঃ** বেচি ভাগ পাহাৰীয়া অঞ্চলত ঝুম খেতি কৰা হয়। আগত উল্লেখ কৰাৰ দৰে ঝুম খেতিত কোনো ধৰনৰ আধুনিক যন্ত্রপাতি বা কৃষি কার্য্যৰ বাবে আধুনিক সঁজুলি ব্যৱহাৰ কৰা নহয়। ফলস্বৰূপে উৎপাদন হ্রাস হয় আৰু ই খাদ্য শস্যৰ অভ্যৱ সৃষ্টি কৰে।
- **ধান, মাহ জাতীয় শস্যৰ অগ্রাধিকাৰ ঃ** ধান, মাহ জাতীয় শস্যক উত্তৰ-পূৱ অঞ্চলৰ প্রধান শস্য হিচাপে অভিহিত কৰা হয়। উত্তৰ-পূৱ অঞ্চলৰ কৃষি কার্য্যৰ আটাইতকৈ গুৰুত্বপূর্ণ শস্যটো হৈছে ধান। এই অঞ্চলৰ মানুহৰ আর্থ-সামাজিক কল্যাণ বাৰুকৈয়ে নির্ভৰ কৰে ধান খেতিৰ উৎপাদনৰ সফলতা আৰু বিফলতাৰ ওপৰত। ধানৰ উপৰিও মাকৈ, জোৱাৰ, সৰিয়হ আদিৰ খেতিও এই সমগ্র অঞ্চলত কৰা হয়।

  কিন্তু এই মাহ জাতীয় শস্য উৎপাদনৰ প্রধান অন্তৰায় হ'ল এই জাতীয় শস্য ভোগ্য বস্তু উৎপাদন হিচাপে গণ্য হয় ফল স্বৰূপে আয় আহৰণত অৰিহণা নোযোগায়। ইয়াৰ প্রধান কাৰণ হ'ল যে এই অঞ্চলত ঝুম খেতিৰ প্রচলন হেতু কৃষিৰ বাবে প্রয়োজনীয় পৰিকাঠামো ব্যৱস্থাৰ এতিয়াও অভাৱ।
- **জীৱিকা নির্বাহৰ আর্হি ঃ** সমগ্র উঃ-পূৱ অঞ্চলৰ লোক কৃষিৰ ওপৰত প্রধানকৈ নির্ভৰশীল যিতো অনুন্নত অর্থনীতিৰ প্রধান বৈশিষ্ট্য। উত্তৰ-পূৱৰ কর্মৰত জনসংখ্যাৰ প্রায় ৭০% লোক প্রাথমিক খণ্ডত জড়িত হৈ আছে। এই অঞ্চলত যিহেতু কোনো ধৰণৰ গুৰু উদ্যোগ নাই সেয়ে কৃষিৰ পৰা অহা আয়, কৃষিত জড়িত হৈ থকা লোকতকৈ বহুত বেচি কম।

- **নিম্ন জনমূৰি আৰু ঘৰুৱা উৎপাদন ঃ** যিহেতু কৃষিখণ্ডই সমগ্ৰ উত্তৰ-পূৰ অঞ্চলৰ প্ৰধান জীৱিকা আৰু এই খণ্ড যিহেতু আধুনিক আৰু উন্নত যন্ত্ৰপাতিৰ দ্বাৰা পৰিবেষ্টিত নহয় সেয়ে ই অনুন্নত। এই অনুন্নত কৃষিৰ প্ৰধান অন্তৰাই হৈছে উত্তৰ-পূৰ অঞ্চলৰ ভৌগলিক বিচিত্ৰতা আৰু প্ৰয়োজনীয় পৰিকাঠামো ব্যৱস্থাৰ অভাৱ। ফলস্বৰূপে উৎপাদন কম আৰু তাৰ ফলত জনমূৰি আয় নিম্ন সেয়ে ঘৰুৱা উৎপাদনো যথেষ্ট কম।
- **অনুন্নত বজাৰ ব্যৱস্থা ঃ** উত্তৰ-পূৱৰ কৃষিখণ্ডৰ আন এটা প্ৰধান অন্তৰায় হৈছে সুসংগঠিত বজাৰৰ অভাব। যদিও কিছু ৰাজ্যৰ চৰকাৰে কৃষিজাত বস্তুৰ বজাৰৰ বাবে কিছু নীতি নিয়ম বান্ধি দিছে কিন্তু ইয়াৰ উপযুক্ত ব্যৱহাৰ এতিয়াও হোৱা নাই, ফলস্বৰূপে উদ্যোক্তা সকলে যি নিম্ন পৰিমানৰ কৃষিজাত বস্তুৰ উদ্বৃত থাকে সেয়া বিক্ৰী কৰিবলৈ লওতেই মধ্যভোগীৰ হাতত পৰি নিৰ্য্যাতিত হয়।
- **বিত্তীয় অসুবিধা ঃ** উত্তৰ-পূৰ অঞ্চলৰ কৃষিখণ্ডৰ আন এটা অন্যতম অসুবিধা হৈছে বিত্তীয় অসুবিধা। কৃষি ঋণৰ অভাৱ তথা সময়মতে আৰু সঠিক ভাৱে এই ঋন নোপোৱাৰ বাবে এই অঞ্চলৰ কৃষিখণ্ডই যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।
- **পৰ্য্যাপ্ত পৰিমানৰ উৎপাদনৰ উপাদানৰ অভাৱ ঃ** কৃষিখণ্ডৰ অইন এটা প্ৰধান অসুবিধা হৈছে জলসিঞ্চনৰ অভাৱ আৰু ঝুম খেতিৰ প্ৰচলনৰ বাবে পৰ্যাপ্ত পৰিমানৰ ৰাসায়নিক সাৰ প্ৰয়োগ কম, ফলত উৎপাদনৰ পৰিমানো সীমিত।
- **উপযুক্ত ভূমি সংস্কাৰ নীতিৰ অভাৱ ঃ** আজিও এই অঞ্চলত এটা উপযুক্ত ভূমি সংস্কাৰ নীতিৰ প্ৰৱৰ্তন কৰা হোৱা নাই। ইয়াৰ ফলত উৎপাদিকা শক্তিও নিম্ন মানৰ।
- **বানপানী আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ ঃ** বানপানী আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ আধিক্য আগত উল্লেখ কৰাৰ দৰে এই অঞ্চল বানপানী তথা অইন প্ৰাকৃতিক দুৰ্য্যোগ যেনে ভূমিস্খলন আদিৰে আবৃত অঞ্চল। সেয়ে উপযুক্ত বানপানী প্ৰতিৰোধ ক্ষমতা নোলোৱালৈকে কৃষিখণ্ডৰ উন্নতি সম্ভৱ নহয়।

উত্তৰ-পূৱ অঞ্চল ভৌগলিক ভাৱে ভাৰতৰ মূলসূতিৰ পৰা বহু পৃথক। সেয়ে এই অঞ্চলৰ পৰিকাঠামো ব্যৱস্থা বৰ দুৰ্বল ফলস্বৰূপে সমগ্ৰ অঞ্চলটো অৰ্থনৈতিক ভাবে এতিয়াও অনগ্ৰসৰ। যদিও চৰকাৰে বৰ্ত্তমানে বহুতো নতুন নীতি প্ৰবৰ্তন কৰিছে তথাপিও এইবোৰৰ উপযুক্ত ব্যৱহাৰ বৰ্তমানেও সম্ভৱ হৈ উঠা নাই। অদুৰ ভৱিষ্যতে এই অঞ্চলৰ উন্নতিয়ে ভাৰতৰ অৰ্থনীতিক যথেষ্ট সবল কৰি তুলিব বুলি আশা কৰিব পাৰি।



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঝুম খেতি পাহাৰীয়া জনজাতীয় সকলে কৰা এক পৰম্পৰাগত কৃষি পদ্ধতি। বিভিন্ন ঠাইত ইয়াক বিভিন্ন নামেৰে নামাকৰণ কৰা হয়। উদাহৰণ স্বৰূপে পোৱা খেতি, পৰিবৰ্তিত

খেতি, প্রবজনিত খেতি, পৰিভ্রমিত খেতি ইত্যাদি।

- উত্তৰ-পূৱ ভাৰতত ইয়াক ঝুম খেতি আৰু খেতি কৰা লোক সকলক ঝুমীয়া বোলে।
- এটুকুৰা নির্দিষ্ট ঠাইত খেতি কৰাৰ পিছত তাৰ সাৰুৱা গুণ কমি যোৱা বাবে ঝুমীয়া বিলাকে নতুন খেতি কৰিবলৈ নতুন ঠাইলৈ পৰিবর্তন কৰে বাবে এই খেতিক পৰিবর্তিত খেতিও বোলা হয়।
- ঝুম খেতিৰ কেইবাটাও স্তৰ আছে — ঠাই নির্বাচিত, ঠাই প্রস্তুত কৰণ, খেতি পদ্ধতি, শষ্যচপোৱা আৰু মজুত কৰন।
- একেদোখৰ মাটিত একেৰাহে খেতি থাকিলে আৱস্তনিৰ নিচিনা মাটিৰ সাৰুৱা গুণ লোপ পায় আৰু উৎপাদন শীলতা কমে।
- মাটিৰ সাৰুৱা গুণ লোপ পোৱাৰ বাবে সুকীয়া বিলাকে নতুন নতুন ঠাইলৈ পৰিভ্রমন কৰে আৰু আগৰ দৰে জুই দি হাবি জংঘল চাফা কৰি লয়।
- দুটা একেৰাহে হোৱা ঝুম খেতিৰ মাজৰ সময়খিনিক ঝুম চক্র বোলা হয়। একোটা ক্ষুদ্র সময়ৰ বাবে হোৱা ঝুম চক্র ৪-৯ বছৰৰ আৰু দীঘলীয়া সময়ৰ বাবে হোৱা ঝুম চক্র ২০-৩০ বছৰৰ সময়ৰ বাবে প্রযোজ্য হয়।
- ঝুম খেতিৰ কেইটামান অনিষ্টকাৰী প্রভাৱ হ'ল— পৰিৱেশ বিনষ্ট, খাদ্য সমস্যা, উচ্চ দৰৰ শ্রমিক নিয়োগ প্রান্তিয় কৃষি পদ্ধতি, প্রাকৃতিক সৌন্দর্য্যৰ ধ্বংস, বনাঞ্চল ধ্বংস ইত্যাদি।
- ঝুম খেতিৰ বর্তমান অৱস্থাৰ অনিষ্টকাৰী প্রভাৱ সমূহ নোহোৱা কৰিবলৈ কিছু ব্যাপক কৌশল গ্রহণ কৰাটো এটা যথেষ্ট গুৰুত্বপূর্ণ বিষয়। জনজাতীয় লোক সকলে তেওঁলোকৰ অঘৰী জীৱনৰ পৰিসমাপ্তি ঘটাই এক স্থায়ী জীৱন আৰম্ভ কৰাটোএক অতি জৰুৰী বিষয়।



৭.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Dr. N.N. Bhattacharyya (2005): *North East India-A System atic Geography*, Rajesh Publicaave a broad based strategy for changing the status of shifting cultivation.tions, New Delhi

২) R.K Lekhi and R.K. Choudhury (1996): *Economy of India including Assam and North East*. Kalyani publication.

৩) Dr. J. Kalita (2001): *Agriculture in the hill areas of Assam*, Proceeding Volume, NEEA.



৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঝুম খেতি উঃপূৰ অঞ্চলৰ জনজাতীয় লোক সকলে গ্রহণ কৰা এক পৰম্পৰাগত কৃৰ্ষি পদ্ধতি। ঝুম খেতিক পৰিবৰ্তিত খেতি বুলিও কোৱা হয়। নামটোৰ নিচিনা এই খেতি এঠাইৰ পৰা আন ঠাইলৈ পৰিবৰ্তন কৰি কৰা হয়। ই এটা পৰিভ্রমিত কৃষি য'ত খেতিয়ক সকলে এটুকুৰা নির্দিষ্ট ঠাইত খেতি কৰাৰ পিছত আকৌ অইন ঠাইত খেতি কৰে আৰু এনেকৈ গৈ গৈ একেবাৰে শেষত আৰম্ভনীৰ ঠাইলৈ পুনৰ ঘূৰি আহে। উত্তৰ-পূৰ ভাৰতত এই খেতিক পৰিবৰ্তিত খেতি বুলিও কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ঝুম খেতিৰ বিভিন্ন স্তৰ বোৰ হ'ল — ভূমি নির্বাচন ভূমি প্রস্তুতকৰণ, কৃৰ্ষি পদ্ধতি, মজুত কৰণ আৰু শষ্য চপোৱা আদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ তলত দিয়াবোৰ ঝুম খেতিৰ অনিষ্টকাৰী প্রভাৱ ঃ-

(ক) **বানপানী সমস্যা ঃ** ঝুম খেতিৰ আটাইতকৈ গুৰুত্বপূর্ণ কু-প্রভাবতো হ'ল এই খেতিত সেউজীয়া পাহাৰ বোৰ ধ্বংস হয়। ফলস্বৰূপে বৰষুণৰ দিনত ভূমিস্খলন হৈ নদীৰ বুকু ভৰি যায় আৰু সমতল ভূমিত বানপানীৰ সৃষ্টি হয়।

(খ) **বনাঞ্চল ধ্বংস ঃ** ঝুম খেতিত যিহেতু বনাঞ্চল পুৰি বা কাতি চাফা কৰি দিয়া হয় ফলত বনাঞ্চলৰ উৎপাদিত আৰু বাস্তবিক গুৰুত্ব হ্রাস হয়।

(গ) **পৰিবেশ বিনষ্ট ঃ** ঝুম খেতিৰ ফলস্বৰূপে জৈৱতন্ত্রৰ ভাৰসম্যতা ৰক্ষা কৰাতো কঠিন হৈ পৰে। ফলত পৰিবেশ বিনষ্ট হয়। প্রত্যেক বছৰেই গুৰুত্বপূর্ণ আৰু উপযোগী বহু মূল্যবান কাঠ তথা ঔষধী গছৰ বিলুপ্তি ঘটে।



৭.১০ আৰ্হি প্রশ্ন

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ঝুম খেতি কি? ইয়াৰ অনিষ্টকাৰী প্রভাৱ বোৰ কি কি?

প্রশ্ন ২ ঃ পাহাৰুৱা অঞ্চলৰ কৃৰ্ষিৰ সমস্যা বোৰ কি কি?

প্রশ্ন ৩ ঃ ঝুম খেতিক আমি কেনেদৰে সমাপ্তি ঘটাব পাৰিম? চমুকৈ আলোচনা কৰা।

*** ***** ***

অধ্যায় ৮ ঃ উত্তৰ-পূৰ্বাঞ্চলত আন্তঃগাঁথনি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ অঞ্চলটোৰ বাস্তৱিক আন্তঃগাঁথনি

৮.৩.১ বিদ্যুৎ

৮.৩.২ পৰিবহণ

৮.৩.৩ যোগাযোগ

৮.৪ অঞ্চলটোৰ বিত্তীয় আন্তঃগাঁথনি

৮.৫ অঞ্চলটোৰ সামাজিক আন্তঃগাঁথনি

৮.৫.১ স্বাস্থ্য

৮.৫.২ শিক্ষা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অঞ্চলটোৰ বাস্তৱিক আন্তঃগাঁথনিৰ অৱস্থা বিশেষকৈ বিদ্যুৎ, পৰিবহণ আৰু যোগাযোগৰ দৰে খণ্ডবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অঞ্চলটোত বিত্তীয় আন্তঃগাঁথনিৰ পর্যাপ্ততা নির্ণয় কৰিব পাৰিব
- সামাজিক আন্তঃগাঁথনিৰ অর্থ ব্যাখ্যা কৰাৰ লগতে অঞ্চলটোৰ সামাজিক আন্তঃ-গাঁথনিৰ অৱস্থা বিশেষকৈ, স্বাস্থ্য আৰু শিক্ষা সম্পর্কীয় আন্তঃগাঁথনিৰ ছবিখন বুজিব পাৰিব।

৮.২ পৰিচয়

আমি সকলোৱে জানোঁ যে একোখন ৰাজ্য, অঞ্চল, দেশৰ অর্থনৈতিক উন্নয়নত আন্তঃগাঁথনিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দেশৰ আন্তঃগাঁথনি নির্মাণত বিশেষকৈ, ঔদ্যোগিক খণ্ডৰ সৈতে সম্পর্কযুক্ত আন্তঃগাঁথনি নির্মাণত আৰোপ কৰা গুৰুত্ব সম্পর্কে আমি আগৰ অধ্যায়ত আলোচনা কৰিছিলো। আন্তঃগাঁথনিসমূহক ভিন ভিন শ্রেণীত বিভক্ত কৰিব পাৰি। উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনিৰ বিষয়ে আলোচনা কৰোতে আমি তিনিটা গুৰুত্বপূর্ণ শ্রেণীত

ইয়াক বিভক্ত কৰিম— বাস্তৱিক আন্তঃগাঁথনি (Physical Infrastructere), বিত্তীয় আন্তঃগাঁথনি (Financal Infrastrueture) আৰু সামাজিক আন্তঃগাঁথনি (Social Infrestruethure)। অঞ্চলটোৰ এই তিনি প্ৰকাৰৰ আন্তঃগাঁথনিৰ বিষয়ে এটা সামগ্ৰিক ধাৰণা আহৰণ কৰাত এই অধ্যায়টিয়ে আপোনালোকক যথেষ্ট সহায় কৰিব।

৮.৩ অঞ্চলটোৰ বাস্তৱিক আন্তঃগাঁথনি

বাস্তৱিক আন্তঃগাঁথনি (Physical infrastructure)ৰ কথা ক'লে বহুকেইটা খণ্ডৰ কথা আহি পৰে। বিদ্যুৎ, পৰিবহণ আৰু যোগাযোগ, মৌলিক উদ্যোগসমূহ— মূলতঃ তীখা, চিমেণ্ট আদি বাস্তৱিক আন্তঃগাঁথনিৰ অন্তৰ্ভুক্ত। এই অধ্যায়টিত আমি প্ৰধানতঃ বিদ্যুৎ তথা পৰিবহণ আৰু যোগাযোগৰ বিষয়ে আলোচনা কৰিম। বিশেষকৈ, অঞ্চলটিত এই ক্ষেত্ৰসমূহৰ অৱস্থানো কেনেধৰণৰ, সেই কথাৰ ওপৰত প্ৰধানতঃ আলোকপাত কৰিম।

৮.৩.১ শক্তি

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত অসমৰ শক্তি উৎপাদনৰ ক্ষমতা সৰ্বাধিক। ২০১১-১২ চনত ৰাজ্যখনৰ উৎপাদিত শক্তিৰ প্ৰয়োজন আছিল ১৭২২ মেগাৱাট আৰু ই মুলত তাপ বিদ্যুৎ প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ পিছত ত্ৰিপুৰাই ৮১৭ মেগাৱাট উৎপাদন কৰি ২য় স্থান অৰ্জন কৰিছে। মেঘালয়ে মুঠ ৫১৯ মেগাৱাট উৎপাদন কৰে যি সম্পূৰ্ণৰূপে জল প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ মুঠ শক্তি আহৰণ (মেগাৱাট) আৰু ২০১১-১২ চনৰ বিভিন্ন শক্তিৰ পৰা পোৱা তথ্য তলৰ তালিকা ৮.১ ত দিয়া হৈছে।

তালিকা নং ৮.১ ঃ উত্তৰ পূৰ্বাঞ্চলৰ শক্তি আহৰণ (মেগাৱাট)

ৰাজ্য	২০০৮	২০০৯	২০১০	২০১১-১২			
	২০০৯	২০১০	২০১১	থাৰ্মেল		গেছ	মুঠ
অৰুণাচল প্ৰদেশ	৮৪	৫৭	৬০	০	৬১	০	৬১
অসম	১৬৮৩	১৭১২	১৭০৮	০	৪৫৫	১৩১৭	১৭৭২
মণিপুৰ	১	২	২	০	২	০	২
মেঘালয়	৫৫৪	৫৩৬	৭০৮	০	৫১৯	০	৫১৯
মিজোৰাম	১১	১৮	৩৮	০	২৩	০	২৩
নগালেণ্ড	৮১	৭৯	৮১	০	৮৮	০	৮৮
চিকিম	৪৮	৩৯	৪২	০	৪২	০	৪২
ত্ৰিপুৰা	৬৫৯	৬৫৮	৭৭২	০	৩৯	৭৭৮	৮১৭
সমগ্ৰ ভাৰত	৩৪৩,৬৬৮	৩৪৭,৩৭৩	৩৪৮,০৮০	২৭১৮৬৪	৭৬,৮০৬	২০,২৯০	৩৭৩,১৯১

উৎস ঃ *উত্তৰ পূৰ অঞ্চলৰ মূল পৰিসংখ্যা, ২০১৫*

মেঘালয়ে নিজৰ চাহিদাতকৈ অধিক বিদ্যুৎ উৎপাদিত কৰে, সেয়ে ; প্ৰধানকৈ অসমলৈ ৰাজ্যখনে বিদ্যুৎ যোগান ধৰে। মেঘালয় অতিৰিক্ত বিদ্যুৎ উৎপাদনকাৰী ৰাজ্য হ'লেও ইয়াৰ প্ৰধান কাৰণটো হৈছে ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলত বিদ্যুতৰ ব্যৱহাৰ তেনেই সামান্য আৰু জনমূৰি বিদ্যুৎ ব্যয়ৰ পৰিমাণ অত্যন্ত কম। আমোদজনক কথা হৈছে অতিৰিক্ত বিদ্যুৎ উৎপাদনকাৰী আৰু উৎপাদিত বিদ্যুতৰ ৩৬% ৰপ্তানি কৰা মেঘালয়ৰ বিদ্যুৎ সংযোজিত গাঁৱৰ সংখ্যা বহু কম (৪৭.৫%)। পৰিকল্পনা আয়োগৰ তথ্য অনুসৰি, ২০০৬ চনত ৰাজ্যখনত বৈদ্যুতিকিকৰণৰ হাৰ আছিল ৫৩.৩%। ১৯৮০ চনত মেঘালয়ৰ মাত্ৰ ২৯% গ্ৰাম্য জনসাধাৰণক বিদ্যুৎ সংযোগে সামৰি লৈছিল। এই পৰিমাণ অৰুণাচল প্ৰদেশ (২৪.২%) আৰু মিজোৰাম (২২.৭%)ত কৈহে অধিক আছিল। সেয়ে দেখা যায় যে, মেঘালয়ত গাঁৱতকৈ নগৰত বিদ্যুতৰ ব্যৱহাৰ অধিক। গাঁও অঞ্চলবিলাকত বসবাস কৰা এক বৃহৎ সংখ্যক জনসাধাৰণৰ মাজত বিদ্যুতৰ ব্যৱস্থা নথকাৰ ফলতে মেঘালয় অতিৰিক্ত বিদ্যুৎ উৎপাদনকাৰী ৰাজ্য হিচাপে পৰিগণিত হৈছে।

অন্য ৰাজ্যকেইখনে মেঘালয় অথবা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন প্ৰকল্প (নীপকো, লোকটাক আৰু কপিলি) অথবা উত্তৰাঞ্চলৰ পৰা বিদ্যুৎ ক্ৰয় কৰিবলগীয়া হয়। অসমে ইয়াৰ সৰ্বমুঠ চাহিদাৰ প্ৰায় ৫০% বিদ্যুতৰ বাবে আনৰ ওপৰত (প্ৰধানকৈ মেঘালয়, কেন্দ্ৰীয় প্ৰকল্প আৰু উত্তৰাঞ্চল) নিৰ্ভৰ কৰিবলগীয়া হয়। অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম আৰু নাগালেণ্ডে নিজ নিজ ৰাজ্যৰ চাহিদাৰ এটা সামান্য অংশহে নিজাকৈ উৎপাদন কৰিব পাৰে আৰু বিদ্যুতৰ আমদানিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। কেৱল ত্ৰিপুৰাৰ অৱস্থাহে তুলনামূলকভাৱে কিছু উন্নত, ৰাজ্যখনৰ সৰ্বমুঠ আৱশ্যকতাৰ এক তৃতীয়াংশহে বিদ্যুৎ আমদানি কৰে।

৮.৩.২ পৰিবহণ

এই অঞ্চলটোৰ প্ৰধান পৰিবহণ ব্যৱস্থা ভিতৰত আছে ৰে'ল পৰিবহণ, পথ পৰিবহণ, জলপৰিবহণ আৰু বিমান সেৱা। অঞ্চলটোৰ অধিকাংশ ঠাইয়ে পাহাৰেৰে আৱৰি থকা বাবে পৰিবহণৰ ক্ষেত্ৰত পথ পৰিবহণেই হৈছে প্ৰধান ব্যৱস্থা। অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয় আৰু মিজোৰামত ৰে'লপথ নাই। ত্ৰিপুৰা আৰু নাগালেণ্ডৰ সমতল অঞ্চল-বিলাকত ৰে'লপথ আছে। অৱশ্যে অসমত ৰে'লপথৰ এক পৰিপূৰক দৈর্ঘ্য আছে। এই অধ্যায়ত আমি প্ৰধানকৈ পথ আৰু ৰে'ল পৰিবহণৰ ওপৰত আলোকপাত কৰিম।

- *পথ পৰিবহণ (Road Transport)* ঃ পথ পৰিবহণ ব্যৱস্থা হৈছে উত্তৰ-পূব অঞ্চলৰ পৰিবহণৰ এটা গুৰুত্বপূৰ্ণ প্ৰণালী। জটিল আৰু দুৰ্গম অঞ্চলবিলাকত পথ পৰিবহণেই হৈছে পৰিবহণৰ একমাত্ৰ ব্যৱস্থা। অঞ্চলটোৰ চমু বাট-পথবিলাকত পথ পৰিবহণ হৈছে মূল্যবান আৰু দ্ৰুত পৰিবহণ সেৱা। উত্তৰ-

পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত ৰে'ল পৰিবহণৰ সম্প্রসাৰণৰ সুচল নথকা বাবে ইয়াত পথ পৰিবহণৰ গুৰুত্ব যথেষ্ট বেছি।

২০১১ চনত অঞ্চলটোত পথৰ দৈর্ঘ্য আছিল ৩.৭৬ লাখ কিলোমিটাৰ, ইয়াৰে ০.৫৯ লাখ কিলোমিটাৰ পকীপথ (surfaced)। এই পৰিমাণ সৰ্বভাৰতীয় স্তৰত আছিল ৫৭% আৰু উত্তৰ-পূৰ্বাঞ্চলত সৰ্বমুঠ পথ দৈর্ঘ্যৰ পকী পথৰ পৰিমাণ আছিল প্রায় ২১%। অৱশ্যে, জনসংখ্যাৰ ঘনত্ব কম হোৱাৰ বাবে জনমূৰি প্রতি এহাজাৰ জনসংখ্যাত পকী পথৰ দৈর্ঘ্য দেশৰ গড় পৰিমাণতকৈ (২.৪৪ কিলোমিটাৰ) উত্তৰ-পূবৰ পৰিমাণ অধিক (৩.৭৩ কিঃমিঃ)। অর্থনৈতিকভাৱে, ইয়াৰ ফলত মানুহ আৰু পণ্য উভয়ৰে পৰিবহণ ব্যয় বৃদ্ধি পায়। অঞ্চলটোৰ পৰিবহণৰ গুৰুত্বপূর্ণ দিশটো হৈছে দেশৰ আন আন ৰাজ্যৰ তুলনাত ইয়াত পৰিবহণৰ ক্ষেত্রত ধন, সময় আৰু ধাৰাবাহিকতাৰ ব্যয় অধিক। এই ব্যয় অৱশেষত পণ্য সামগ্রীৰ মূল্য আৰু জীৱন নির্বাহৰ ব্যয়ৰ লগতে মজুৰিৰ নিৰিখত প্রতিফলিত হৈছে। দেশৰ আন সকলো ৰাজ্যতকৈ উত্তৰ-পূবত মজুৰিৰ নিৰিখ বেছি আৰু অঞ্চলটোৰ ভিন ভিন ঠাইত পণ্য সামগ্রীৰ মূল্যও প্রয়োজনতকৈ অধিক হোৱা দেখা যায়। পণ্য সামগ্রী আৰু বিভিন্ন উপাদানৰ বজাৰসমূহৰ (factor markets) এই অশুদ্ধ মূল্য অৱশেষত গৈ অঞ্চলটোৰ বেপাৰ-বাণিজ্যৰ উচ্চ ব্যৱধানৰ লাভালাভত প্রতিফলিত হোৱা দেখা যায়।

তালিকা ৮.২ উত্তৰ-পূৰ্বঞ্চলৰ মুঠ আৰু পকী পথৰ দীর্ঘ (মার্চ-২০১২)- কিলো মিঃ

ৰাজ্য	মুঠ/পকী পথ	২০০৯	২০১০	২০১১	২০১২
১	২	৩	৪	৫	৬
অৰুণাচল প্রদেশ	মুঠ	২০,৩৮৪	২১,১২২	২১,৫৫৫	১৪,৯৮০
	পকী পথ	১৩,৩১৪	১৩,৯৫৯	১৪,৩৩৬	১৩,১৫৭
অসম	মুঠ	২৩৬,৯৮৫	২৩৯,৩৯৪	২৪১,৭৮৯	২৮৪,২৩২
	পকী পথ	৩৩,৪০৫	৩৫,৬২২	৩৭,৮১৬	৫৩,৫২৫
মণিপুৰ	মুঠ	১৭,৭২৪	১৮,৬০৪	১৯,১৩৩	১৯,২৫২
	পকী পথ	৬,৭৩২	৭,৬১২	৮,১৪০	১০,৪৫৭
মেঘালয়া	মুঠ	১১,০১৯	১১,৭০২	১১,৯৮৪	১২১০৩
	পকী পথ	৬,৬১৫	৬,৭৫৮	৭,০৭২	৭৯২১
মিজোৰাম	মুঠ	৭,৭৪২	৮,৭২৭	৯,৮১০	১১২৯৩
	পকী পথ	৬,৩৮৩	৬,৯২৯	৭,০০১	৮০৯৯
নাগালেণ্ড	মুঠ	৩২,৫৯৭	৩৩,৪২৩	৩৪,১৪৬	৩৫১৮৯
	পকী পথ	১৪,৫১৮	১৫,০৭৬	১৫,৪৭০	১৬৮৩৩
চিকিম	মুঠ	৪,১৯৯	৪,৪২০	৪,৬৩০	৫,৬১৬
	পকী পথ	৩,৭১৯	৩,৯৪০	৪,১১৯	৪,৮৬২
ত্রিপুৰা	মুঠ	৩২,৭৬৭	৩৩,৩৩৮	৩৩,৭৭২	২৯,২৪৮
	পকী পথ	১৩,২১৭	১৩,৭৬০	১৪,২০৩	১৪,৫৪৮
মুঠ ভাৰত	মুঠ	৩,৫৭১,৫১০	৩,৬৮২,৪৩৯	৩,৭৯০,৩৪২	৩,৯৬৫,৩৯৪
	পকী পথ	২,১৪১,৩০২	২,২৪৯,৬১১	২,৩৪১,৪৮০	২,৫১৫,৩৮৮

শেহতীয়াভাৱে, উত্তৰ-পূৰ্বাঞ্চলৰ আওহতীয়া গুৰুত্বপূৰ্ণ ঠাইবিলাকৰ সৈতে পথ সংযোগ উন্নত কৰিবলৈ ভাৰত চৰকাৰেউত্তৰ-পূবৰ বিশেষ ত্বৰান্বিত পথ উন্নয়ন আঁচনি (Special Accelerated Road Development Programme in the North-Eastern Regon (SARDP-NE) নামেৰে এক প্ৰকল্প ৰূপায়ণ কৰিছে। এই কাৰ্যক্ৰমে অঞ্চলটোৰ অভ্যন্তৰীণ যোগাযোগৰ লগতে অঞ্চলটোৰ আওহতিয়া ঠাইবিলাকক দেশৰ অন্যান্য অংশৰ সৈতে সংযোগ কৰাৰ আঁচনি গ্ৰহণ কৰিছে।

- *ৰে'ল পৰিবহণ (Rail Transport)* ঃ মেঘালয় আৰু চিক্কিমৰ বাহিৰে উত্তৰ-পূবৰ আন ছখন ৰাজ্য ভাৰতৰ ৰে'ল-মানচিত্ৰত অন্তৰ্ভুক্ত। ২০১১-১২ চনত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল পথৰ সৰ্বমুঠ দৈৰ্ঘ্য আছিল ২৬২৭ কিঃমিঃ, ইয়াৰে মিটাৰগজ পথৰ দৈৰ্ঘ্য হৈছে ১১২৭.৪ কিঃমিঃ (৪৮%) আৰু ব্ৰডগজ পথৰ দৈৰ্ঘ্য হৈছে ১২৩৮.৩ কিঃ মিঃ। ভাৰতীয় ৰে'লৰেই অলপতে উত্তৰ-পূবৰ মাজেৰে ম্যানমাৰলৈ ৰে'লপথৰ সংযোগ কৰাৰ প্ৰস্তাৱ দিছে। এই প্ৰকল্পমতে, জিৰিবাম—ইম্ফল—ম'ৰে খণ্ডত ৰে'ল লাইন স্থাপন কৰাৰ কথা। এই পথটো দিল্লী-হানয় ৰে'ল পথৰ অংশ হিচাপে মাণ্ডালয়লৈ সম্প্ৰসাৰণ কৰিব পৰা যাব। বৰ্তমানলৈকে মণিপুৰত ১.৩৫ কিলোমিটাৰ নেৰ'গজ ৰে'ল লাইন আছে। চিক্কিমত প্ৰথমবাৰৰ বাবে ৰে'লপথ বহুৱাবলৈ চলোৱা জৰীপ অলপতে সম্পূৰ্ণ হৈছে। এই প্ৰস্তাৱিত ব্ৰডগজ লাইনটো ৫২.৭ কিলোমিটাৰ দীঘল হ'ব আৰু ই পশ্চিমবংগৰ সেৱকক পশ্চিমবংগ— চিক্কিম সীমান্তৰ ৰংপোৰ সৈতে সংযুক্ত কৰিব। এই ৰে'লপথৰ ৫১.৭ কিলোমিটাৰহে চিক্কিমত পৰিব। ভাৰতীয় ৰে'ল মানচিত্ৰত বৰ্তমানলৈকে চিক্কিম অন্তৰ্ভুক্ত হোৱা নাই আৰু ভৱিষ্যতে এই ৰাজ্যখনক সামৰি লোৱাৰ প্ৰচেষ্টা অব্যাহত আছে। ২০১২ চনৰ ভিতৰত অঞ্চলটোৰ সকলো প্ৰধান মহানগৰকে ৰে'লৰে নেটৱৰ্কত সংযুক্ত কৰিবলৈ ভাৰত চৰকাৰে অলপতে এখন আঁচনি আৰম্ভ কৰিছে।

তালিকা নং ৮.৩ ঃ উত্তৰ পূৱ অঞ্চলৰ ৰেলপথৰ দৈৰ্ঘ্য (কিঃমিঃ)

ৰাজ্য	২০০৬-০৭	২০০৮-০৯	২০০৯-১০	২০১০-১১	২০১১-১২
অৰুণাচল প্ৰদেশ	১	১	১	১	১
অসম	২,২৮৪	২,২৮৪	২,২৮৪	২,৪৩৩	২,৪৫৯
মণিপুৰ	১	২	২	০	২
মেঘালয়	০	০	০	০	০
মিজোৰাম	২	২	২	২	২
নগালেণ্ড	১৩	১৩	১৩	১৩	১৩
চিকিম	০	০	০	০	০
ত্ৰিপুৰা	৬৪	৬৪	১৫১	১৫১	১৫১
সমগ্ৰ ভাৰত	৬৩,২৭৩	৬৩,২৭৩	৬৪,০১৫	৬৩,৯৭৪	৬৪,৬০০

উৎস ঃ *প্ৰাথমিক পৰিসংখ্যা, ২০১৫*

৮.৩.৩ যোগাযোগ

এই অধ্যায়ত প্ৰধানতঃ দুই প্ৰকাৰৰ যোগাযোগ সেৱা যেনে দূ�ৰ সংযোগ আৰু ডাক সেৱাৰ বিষয়ে আলোচনা কৰা হ'ব।

- *দূৰ সংযোগ (Telecommunication)* ঃ একোটা অৰ্থনীতিৰ বিকাশৰ প্ৰক্ৰিয়াত দূৰ সংযোগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশেষকৈ, বিশ্বায়নৰ এই যুগত আৰু ইণ্টাৰনেট সেৱাৰ ব্যাপক প্ৰসাৰৰসময়ত আজিৰ তাৰিখত গোটেই পৃথিৱীখন এটা বুটাম টিপিলেই যোগাযোগৰ পৰিসৰলৈ আনিব পাৰি। এই অঞ্চলটোৰ দূৰ সংযোগ সেৱা প্ৰদানকাৰী প্ৰধান প্ৰতিষ্ঠানবিলাকৰ ভিতৰত আছে BSNL, Reliance, Airtel, Aircel, Vodafone আৰু Tata Indicom। BSNLএ সমগ্ৰ অঞ্চলটো চাৰিটা চক্ৰত ভাগ কৰিছে। অসম চক্ৰত অসম ৰাজ্যক সামৰি লোৱা হৈছে; মেঘালয়, মিজো�ৰাম আৰু ত্ৰিপু�ৰাক NE-1 চক্ৰত, নাগালেণ্ড, মণিপুৰ আৰু অৰুণাচল প্ৰদেশক NE-2 চক্ৰত সামৰি লোৱা হৈছে। চিক্কিমক পৃথকভাৱে চিক্কিম চক্ৰত অন্তৰ্ভুক্ত কৰা হৈছে। ২০০৭ চনৰ ৩১ ডিচেম্বৰত অসমত সৰ্বমুঠ টেলিফোন সংযোগ আছিল ১১,১৩,৪৬৯টা (লেণ্ডলাইন, WLL আৰু চেলুলাৰকে ধৰি)। সামগ্ৰিকভাৱে, অঞ্চলটোত এনেধৰণৰ সংযোগ ২১,৪৫,৯৭৮টা আছে। অসমত সমগ্ৰ অঞ্চলটোৰ সৰ্বমুঠ সংযোগৰ ৫০% আছে। অৱশ্যে জনসংখ্যা অধিক হোৱা বাবে ৰাজ্যখনত দূৰ সংযোগৰ ঘনত্ব (tele-density) সৰ্বনিম্ন, মাত্ৰ ৩.৭৯। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত চিক্কিমৰ ঘনত্ব সৰ্বাধিক ১৭.১২। ৩১/১২/২০০৭ত ৫৪১ হাজাৰ লোকক সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছিল আৰু ইয়াৰ বিপৰীতে ৰাজ্যখনত টেলিফোন সংযোগৰ সংখ্যা হৈছে ৯২,৬৮০টা। NE–1 চক্ৰত দূৰ সংযোগৰ ঘনত্ব হৈছে ৬.৬৯ (পৰিকল্পিত ৬,৯৭৭ হাজাৰ লোকৰ বিপৰীতে ৪,৬৬,৮২৪টা টেলিফোন সংযোগ)। আনহাতে NE –2 চক্ৰত এই ঘনত্ব হৈছে ৮.২৭ (পৰিকল্পিত ৫,৭২১ হাজাৰৰ বিপৰীতে ৪,৭৩,০০৫ টা)। (উৎস ঃ দূৰ সংযোগ মন্ত্ৰালয়, ভাৰত চৰকাৰ; NEDFIৰ চৰকাৰী ৱেবচাইটত উপলব্ধ তথ্য)।
- *ডাক সেৱা (Postal Network)* ঃ সৰ্বাধিক সংখ্যক স্থায়ী ডাকঘৰ থকা ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ বৃহত্ত ডাক সেৱা থকা দেশ। ভাৰতত ডাক সেৱা যথেষ্ট গুৰুত্বপূৰ্ণ কিয়নো, এই সেৱাই কেৱল যোগাযোগৰ ব্যৱস্থাই নকৰে, ইয়াৰ লগে লগে ই বিভিন্ন ধৰণৰ বিত্তীয় সেৱা যেনেসঞ্চয় জমা (savings account), recurring deposits, স্থায়ী জমা (fixed diposits), মণি অৰ্ডাৰ (money orders) আৰু ডাক জীৱন বীমাৰ ব্যৱস্থা কৰে। দেশখনত

ডাক সেৱাৰ ব্যাপক প্ৰচলনৰ বাবে যোগাযোগ আৰু বিত্তীয় সেৱা উভয় দিশতে ই এক গুৰুত্বপূৰ্ণ আহিলাত পৰিণত হৈছে।

তলৰ তালিকা ৮.৪ত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ডাক সেৱা আৰু ডাকঘৰৰ ঘনত্ব দেখুওৱা হৈছে (একোখন ৰাজ্যৰ প্ৰতি এক লাখ লোকৰ বিপৰীতে থকা ডাকঘৰৰ সংখ্যা অনুসৰি ইয়াৰ ঘনত্ব নিৰ্ণয় কৰা হৈছে)।

তালিকা নং ৮.৪ ঃ উত্তৰ-পূৰত ডাকঘৰৰ সংখ্যা (২০০৪ চনৰ তথ্য মতে)

ৰাজ্য	ডাকঘৰৰ সংখ্যা	প্ৰতি এক লাখ জনসংখ্যা অনুসৰি ডাকঘৰৰ ঘনত্ব
অৰুণাচল প্ৰদেশ	৩০৬	২৬
অসম *	৪০০৬*	১৪
মণিপুৰ	৬৯৮	২৭
মেঘালয়	৪৯৩	২০
মিজোৰাম	৪০৪	৪২
নগালেণ্ড	৩২৮	১৪
চিকিম	২১০	৩৬
ত্ৰিপুৰা	৭১৬	২১
সৰ্বভাৰতীয় গড়	৫১৮৯	১৯

উৎস ঃ *www.indiastat.com, 'Indian states at a Glance 2006-2007 The North-East and Sikkim, Pearson 'ত উপলব্ধ। অসমৰ ডাকঘৰৰ সংখ্যা ২০০৭ চনৰ। ডাকঘৰৰ ঘনত্ব ৩১/১২/২০০৭ত ৰাজ্যখনৰ প্ৰাক্‌কালীন (আনুমানিক) জনসংখ্যাৰ ভিত্তিত গণনা কৰা হৈছে। NEDFiৰ দ্বাৰা প্ৰকাশিত North East Data Bank, NEDFiৰ ৱেবচাইটত তথ্য উপলব্ধ।*

ওপৰৰ তালিকাখনত দেখা গ'ল যে অসমত ডাকঘৰৰ গড় সংখ্যা আৰু ডাকঘৰৰ ঘনত্ব দুয়োটাই চকুত লগাকৈ নিম্ন। নাগালেণ্ডৰ ঘনত্বও ৰাষ্ট্ৰীয় গড় হিচাপতকৈ কম। অঞ্চলটোৰ আন আটাইকেইখন ৰাজ্যতে ডাকঘৰৰ ঘনত্ব ৰাষ্ট্ৰীয় গড় হিচাপতকৈ বেছি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ কথাকেইষাৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত মেঘালয়ত সৰ্ববৃহৎ ৰে'লৱে নেটৱৰ্ক আছে। (শুদ্ধ/অশুদ্ধ)

(খ) অঞ্চলটোত অতিৰিক্ত বিদ্যুৎ উৎপন্ন কৰা একমাত্ৰ ৰাজ্যখন হৈছে অসম। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ BSNLএ নিৰ্ধাৰণ কৰা শ্ৰেণী বিভাজন অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ দূৰ সংযোগৰ চক্ৰ বিলাক কি কি? (৪০টা মান শব্দত উত্তৰ লিখক)

.....

.....


.....
.....

৮.৪ অঞ্চলটোৰ वित्तीय आन्तঃগাঁথনি

বিত্তীয় সেৱাত বেংক সেৱা, বীমা, ষ্টক আৰু শ্বেয়াৰ বাণিজ্য ইত্যাদি অন্তর্ভুক্ত। ইয়াত আমি প্ৰথম দুটাৰ বিষয়ে আলোকপাত কৰিম। উত্তৰ-পূৰ্বাঞ্চলত বেংক সেৱা সিমান সন্তোষজনক নহয়। উত্তৰ-পূব ভাৰতৰ বহুতো অঞ্চল এতিয়াও আনুষ্ঠানিক বেংক সেৱাৰ পৰা বঞ্চিত। যিসময়ত ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতি ১০০জন প্ৰাপ্ত বয়স্ক লোকৰ ভিতৰত ৫৯ জনৰ বেংক একাউণ্ট আছে, সেই সময়ত উত্তৰ-পূৰ্বাঞ্চলত প্ৰতি ১০০জন প্ৰাপ্ত বয়স্ক লোকৰ মাত্ৰ ৩৭.৩ জনৰহে বেংক একাউণ্ট আছে। ইয়াৰ প্ৰধান কাৰণ হৈছে অঞ্চলটোত বেংক সেৱাৰ প্ৰসাৰ সন্তোষজনক নহয়। ২০০৯ চনৰ জুন মাহত সামগ্ৰিকভাৱে অঞ্চলটোত (চিক্কিমক বাদ দি) প্ৰতি ২১ হাজাৰ লোকৰ মাজত মাত্ৰ এটা শাখা আছিল। ইয়াৰ বিপৰীতে ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতি ১৫ হাজাৰ জনসংখ্যাৰ মাজত বেংকৰ একোটাকৈ শাখা আছিল। দেশৰ ভিতৰত মণিপুৰতে বেংক সেৱাৰ প্ৰসাৰতা আটাইতকৈ বেয়া। ৰাজ্যখনত প্ৰতি ৩৩ হাজাৰ লোকৰ বিপৰীতে এটা শাখা আছে। নাগালেণ্ডৰ স্থান মণিপুৰৰ পাছতে, প্ৰতি ২৬ হাজাৰ লোকৰ বিপৰীতে ৰাজ্যখনৰ বেংকৰ এটাকৈহে শাখা আছে। অঞ্চলটোৰ অর্থনৈতিকভাৱে আটাইতকৈ আগবঢ়া ৰাজ্য অসমৰ অৱস্থাও ভাল নহয়। ৰাজ্যখনত প্ৰতি ২২ হাজাৰ লোকৰ বিপৰীতে এটা শাখা আছে। অঞ্চলটোৰ কেৱল দুখন ৰাজ্যৰ অৱস্থাহে ৰাষ্ট্ৰীয় স্তৰতকৈ উন্নত। সেই দুখন হৈছে মিজোৰাম (প্ৰতি ১১ হাজাৰ লোকৰ বিপৰীতে এটা শাখা) আৰু মেঘালয় (প্ৰতি ১৩ হাজাৰ লোকৰ বিপৰীতে এটা শাখা) (উৎস ঃ Report on Trend and Progress on Banking in India, 2008-09, RBI)।

অঞ্চলটোৰ বেংক সেৱাৰ পৰ্যাপ্ততা এটা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। তলৰ সংখ্যাবিলাকলৈ মন কৰিলে এই কথা অধিক স্পষ্ট হ'ব। তলৰ চিত্ৰখনত দেখা গৈছে যে ভাৰতৰ

চিত্ৰ ৮.১ ঃ বেংকৰ শাখাৰ অঞ্চলভিত্তিক বিস্তাৰ ২০০৯ৰ জুনৰ শেষলৈকে (শতাংশ)



উৎস ঃ *Report on Trend and Progress of Banking in India*, 2008-2009 RBI.

সৰ্বমুঠ বেংকৰ শাখাৰ মাত্ৰ ২.৭%হে উত্তৰ-পূৰ্বাঞ্চল আছে। বেংক সেৱাৰ এই সীমিত প্ৰসাৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসংখ্যাৰ অনুপাত অনুসৰি সঠিক যেন বোধ হ'ব পাৰে। এক আনুমাণিক হিচাপ মতে, ২০১১ চনত অঞ্চলটোত (চিক্কিমকে ধৰি) জনসংখ্যা হ'ব দেশৰ মুঠ জনসংখ্যাৰ ৩.৭১%। অৱশ্যে, ২০০৮ চনৰ জুলাই মাহত United States Agency for International Developmentএ 'Understanding and Responding to the Savings Behaviour of Poor People in the North East of India' শীৰ্ষক শেহতীয়া এক অধ্যয়ন চলোৱা হৈছিল। চলোৱা এই অধ্যয়নত দেখা গ'ল যে অঞ্চলটোৰ জনসাধাৰণে সঞ্চয় আৰু ঋণৰ চাহিদা পূৰণ কৰিবলৈ এতিয়াও অনানুষ্ঠানিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। তালিকা ৮.৫য়ে উত্তৰ-পূৰত বানিজ্যিক বেংকৰ কাৰ্য্যালয়ৰ সংখ্য দেখুৱাইছে।

তালিকা নং ৮.৫ ঃ উত্তৰ-পূবাঞ্চলৰ বানিজ্যিক বেংকৰ কাৰ্য্যলয়ৰ সংখ্যা কাৰ্য্যলয়ৰ সংখ্যা

ৰাজ্য	২০১২	২০১৩
অৰুণাচল প্ৰদেশ	৯৮	১০৬
অসম	১৬৪৭	১৭৫৪
মণিপুৰ	৯৮	১১৫
মেঘালয়	২৪০	২৫৬
মিজোৰাম	১১৬	১২৭
নগালেণ্ড	১০৪	১২৪
চিকিম	৯১	৯৮
ত্ৰিপুৰা	২৭৮	৩০৩
ভাৰত	১০২৩৭৭	১০৯৮১১

উৎস ঃ *প্ৰাথমিক পৰিসংখ্যা, ২০১৫*

বেংকৰ জমা ধনৰ অনুপাত হৈছে এটা বেংকে কিমান পৰিমান ঋণ সিহতঁক জমা ধনৰ পৰা গ্ৰাহকক দিবলৈ সক্ষম হয়। এই অনুপাত বৃদ্ধিয়ে ঋণ দিয়াৰ পৰিমানো বৃদ্ধি কৰে আৰু হ্ৰাসে ঋণৰ পৰিমান হ্ৰাস কৰে।

তালিকা নং ৮.৬ ঃ জমা ধনৰ অনুপাত ২০১৩

ৰাজ্য	জমা ধনৰ অনুপাত
অৰুণাচল প্ৰদেশ	২১.২
অসম	৩৬.৮
মণিপুৰ	২৭.৪
মেঘালয়	২৩.৪
মিজোৰাম	৩৫.২
নগালেণ্ড	২৭.৯
চিকিম	৩২.৫
ত্ৰিপুৰা	২৭.৯
উত্তৰ পূৰ্বাঞ্চল	৩৩.১
ভাৰত	৭৪.১

উৎস ঃ *উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাথমিক পৰিসংখ্যা, ২০১৫*

তালিকাৰ পৰা দেখা যায় যে জমা ধনৰ পৰিমান উত্তৰ পূৰত সৰ্বভাৰতীয় হাৰতকৈ যথেষ্ট কম।

- **অঞ্চলটোৰ বেংক সেৱা/আন্তঃগাঁথনিৰ উন্নতিৰ বাবে সম্ভাব্য পদক্ষেপ ঃ** অঞ্চলটোৰ বেংক সেৱাৰ উন্নতি সাধন কৰিবলৈ নিম্নোল্লিখিত পদক্ষেপবিলাক গ্ৰহণ কৰিব পাৰি ঃ
  - ➢ অঞ্চলটিৰ য'ত আনুষ্ঠানিক বেংক সেৱা সম্ভৱ নহয় সেই ঠাইবিলাকত বেংক সেৱাৰ প্ৰচলনৰ উদ্দেশ্যে ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্বাচিত অঞ্চলত ভ্ৰাম্যমান বেংক সেৱাৰ আঁচনি গ্ৰহণ কৰিছে।
  - ➢ ইতিমধ্যে উল্লেখ কৰা United States Agency for International Development এ চলোৱা অধ্যয়নত প্ৰতিপন্ন হৈছে যে যিহেতু প্ৰতিখন ৰাজ্যৰ সুকীয়া সুকীয়া বিশেষত্ব আছে, সেয়ে প্ৰতিখন ৰাজ্যৰ বাবে পৃথক কৌশল অৱলম্বন কৰিব লাগিব। ইয়াৰ জৰিয়তে সঠিক প্ৰেক্ষাপটত যথোচিত কৰ্মনীতি নিৰ্ধাৰণ কৰাত সহায়ক হ'ব।
  - ➢ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ডেপুটি গভৰ্ণৰ উষা থৰাডে কৈছে যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেই-খনৰ বাবে ব্যৱসায়িক প্ৰতিনিধিত্বৰ নমুনাটো আদৰ্শ স্বৰূপ। তেওঁ কৈছে যে এই নমুনাটো ত্ৰিপুৰাৰ দৰে জটিল ভূখণ্ড আৰু সিঁচৰতি হৈ থকা জনসংখ্যা বিশিষ্ট উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ বাবে আদৰ্শ স্বৰূপ হ'ব পাৰে। তেওঁৰ মতে, বেংকে এটা ব্যৱসায় প্ৰতিনিধিত্ব নমুনা (Business Corespondens Model) গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে বেংক সেৱাৰ প্ৰতিষ্ঠান নথকা ঠাই বিলাকৰ জনসাধাৰণক বেংক সেৱাৰ সুবিধা দিবলৈ বাণিজিক বেংকৰ প্ৰতিনিধি হিচাপে কাম কৰে।
  - ➢ অঞ্চলটোত সীমান্ত বাণিজ্যক উন্নীত কৰিবলৈ ইতিমধ্যে দুটা বিদেশী বিনিয়োগ (Forex) বেংকৰ শাখা মুকলি কৰা হৈছে, মেঘালয়ৰ ডাউকিত এটা আৰু মণিপুৰৰ ম'ৰেত এটা। অৱশ্যে অঞ্চলটোৰ বিভিন্ন ৰাজ্য আৰু চুবুৰীয়া দেশবিলাকৰ মাজত অধিক উন্নত সীমান্ত বাণিজ্যৰ বাবে আৰু কেইটামান Forex বেংক মুকলি কৰা দৰকাৰ।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৩ ঃ তলৰ বাক্যবিলাক শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত ভাৰতৰ বেংকৰ সৰ্বমুঠ শাখাৰ ৩% তকৈও কম শাখা আছে। (শুদ্ধ/অশুদ্ধ)

(খ) অসমৰ জনমূৰি জমাধন ৰাষ্ট্ৰীয় গড় হিচাপতকৈ বেছি। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ কোন কোন ঠাইত বিদেশী বিনিময় বেংকৰ শাখা স্থাপন কৰা হৈছে আৰু কিয়? (৪০টা মান শব্দত উত্তৰ লিখক)

.....

.....

.....

.....

৮.৫ অঞ্চলটোৰ সামাজিক আন্তঃগাঁথনি

একোটা অর্থনীতিৰ উন্নতিৰ বাবে শাৰীৰিক বা বাস্তৱিক আন্তঃগাঁথনি আৰু সেৱা আন্তঃগাঁথনিৰ লগতে এটা শক্তিশালী সামাজিক আন্তঃগাঁথনিৰ বিকাশ সাধন হোৱাটো অতি দৰকাৰী। দৰাচলতে, এইটো এটা দুমুখীয়া প্রক্রিয়া। অর্থনৈতিক উন্নয়নেও একোখন সমাজক এটা শক্তিশালী সামাজিক আন্তঃগাঁথ নি নির্মাণত সহায় কৰিব পাৰে; আনহাতে সামাজিক আন্তঃগাঁথনিৰ একোটা শক্তিশালী আধাৰেও একোটা অর্থনীতিৰ প্রত্যাশিত আর্থসামাজিক বিকাশ সাধনত সহায় কৰিব পাৰে। এতিয়াআমি'সামাজিক আন্তঃগাঁথনি' বুলিলে কি বুজোঁ সেই সম্পর্কে আলোচনা কৰিম। ভাৰতীয় প্রেক্ষাপটত এই শব্দ দুটাই দেশৰ শিক্ষা আৰু স্বাস্থ্য সেৱা পদ্ধতিক সামৰি লয়। এইবিলাকে ভাৰতৰ প্রাথমিক সামাজিক আন্তঃগাঁথনি গঢ়ি তোলে। অৱশ্যে, আমি যেতিয়া সামাজিক খণ্ডৰ বিষয়েআলোচনা কৰোঁ তেতিয়া আন কেতবোৰ ক্ষেত্রও ইয়াত অন্তর্ভুক্ত হয়। এই বিলাক হৈছে ঃ জল আৰু অনাময়, গৃহ নির্মাণ আৰু নগৰ উন্নয়ন, পুষ্টিকৰণ (Nutrition), সমাজ কল্যাণমূলক কার্যক্রম ইত্যাদি। অৱশ্যে, স্বাস্থ্য আৰু শিক্ষাখণ্ডতে বাজেট ৰ অধিকাংশ ধন আৱণ্টিত হয়। এই অনুচ্ছেদত আমি উত্তৰ-পূৰ্বাঞ্চলৰ এই দুটা খণ্ডৰ মান আৰু আন্তঃগাঁথনি সম্পর্কে চমুকৈ আলোচনা কৰিম। স্বাস্থ্য খণ্ডটোক লৈ আৰম্ভ কৰা যাওক।

তালিকা ৮.৭ ঃ উত্তৰ পূৰ্বঞ্চলৰ স্বাস্থ্যৰ আন্তঃগাঁথনি (মার্চ ২০১২)

State	Sub Centres	PHCs	CHCs	Sub Divisional Hospitals	District Hospitals	Mobile Medical Units
১	২	৩	৪	৫	৬	৭
অৰুণাচল প্রদেশ	২৮৬	৯৭	৪৮	০	১৪	১৬
অসম	৪,৬০৪	৯৭৫	১০৯	১৩	২৫	৫০
মণিপুৰ	৪২০	৮০	১৬	১	৭	৯
মেঘালয়	৪০৫	১০৯	২৯	০	১১	৭
মিজোৰাম	৩৭০	৫৭	৯	২	৮	৯
নাগালেণ্ড	৩৯৬	১২৬	২১	০	১১	১১
চিকিম	১৪৭	২৪	২	০	৪	৪
ত্রিপুৰা	৭১৯	৭৯	১২	১১	২	০
NER Total	৭,৩৪৭	১,৫৪৭	২৪৬	২৭	৮২	১০৬
All India	১৪৮,৩৬৬	২৪,০৪৯	৪,৮৩৩	৯৮৭	৭২২	২,১৩৪

৮.৫.১ অঞ্চলটোত স্বাস্থ্য আন্তঃগাঁথনি

ৰাজহুৱা স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনিগত ব্যৱস্থাৱলীক তিনিটা তৰপত বিভক্ত কৰা হৈছে যেনে— উপকেন্দ্ৰ (Sub-centres/SCs), ৰাজহুৱা স্বাস্থ্যকেন্দ্ৰ (Public Health Centres/PHCs) আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰ (Community Health Centres/CHCs)। একোটা অঞ্চলৰ জনসংখ্যা অনুসৰি এইবিলাক স্থাপন কৰা হয়। বৰ্তমানৰ প্ৰচলিত স্বৰ্ত্তাৱলী অনুসৰি দেশৰ গ্ৰাম্যাঞ্চলসমূহত ৰাজহুৱা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানবিলাকৰ প্ৰতিটো স্তৰত সামৰি লোৱা জনসংখ্যা তালিকাত দেখুওৱা হৈছে। আমি অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ স্বাস্থ্য আন্তঃগাঁথনিৰ মান পৰীক্ষা কৰি চাওঁ আহক।

তালিকা ৮.৮ ঃ ভাৰতৰ ২০০১ৰ জনসংখ্যা অনুপাতে স্বাস্থ্য আন্তঃগাঁথনিৰ মান

(২০১২,মাৰ্চ ৩১)

ৰাজ্য	SCsৰ সংখ্যা			PHCsৰ সংখ্যা			CHCsৰ সংখ্যা		
	Req	Exis	Sht	Req	Exis	Sht	Req	Exis	Sht
অৰুণাচল প্ৰদেশ	২৫৪	৩৭৯		৩৯	৮৫		৯	৩১	
অসম	৫০৬৯	৫১০৯		৮২৬	৬১০	২১৬	২০৬	১০০	১০৬
মণিপুৰ	৪১২	৪২০		৬৪	৭২		১৬	১৬	
মেঘালয়	৫৯৭	৪০১	১৯৬	৯০	১০১		২২	২৪	
মিজোৰাম	১৪৬	৩৬৬		২২	৫৭		৫	৯	
নগালেণ্ড	৫৩৫	৩৯৪	১৪১	৮০	৮৭		২০	২১	
চিক্কিম	১০৯	১৪৭		১৭	২৪		৪	৪	
ত্ৰিপুৰা	৬৫৯	৫৩৯	১২০	১০৪	৭৩	৩১	২৬	১০	১৬

উৎস ঃ *স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, ভাৰত চৰকাৰ*

Abbreviations : Req = Required number (আৱশ্যকীয় সংখ্যা, মাপকাঠি অনুসৰি), Exis = (প্ৰচলিত সংখ্যা) Existing number, নিৰ্ধাৰিত তাৰিখত, Sht = Short fall in number (সংখ্যাৰ নাটনি), নিৰ্ধাৰিত তাৰিখত।

ওপৰৰ তালিকাত দেখা গৈছে যে অঞ্চলটোৰ কিছুমান ঠাইত প্ৰয়োজনতকৈ অধিক সংখ্যক স্বাস্থ্য সেৱা কেন্দ্ৰ আছে; ইয়াৰ বিপৰীতে, আন কিছুমান ঠাইত প্ৰয়োজনতকৈ কম আছে।

৮.৫.২ অঞ্চলটোত শিক্ষাৰ আন্তঃগাঁথনি

এইটো প্ৰতিষ্ঠিত সত্য যে শিক্ষা ব্যৱস্থাৰ ৰাজহাড় হৈছে প্ৰাথমিক শিক্ষা। শিক্ষাৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰে প্ৰাথমিক শিক্ষাৰ মানদণ্ডৰ ওপৰত। সাধাৰণতে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষা সপ্তম শ্ৰেণীলৈ প্ৰসাৰিত হয়। শিক্ষাৰ পৰৱৰ্তী পৰ্যায়টো হৈছে মাধ্যমিক শিক্ষা। সাধাৰণতে, মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষা আৰম্ভ হয় অষ্টম শ্ৰেণীৰ পৰা আৰু দ্বাদশ শ্ৰেণীলৈকে বিস্তাৰিত। শিক্ষাৰ অন্তিম পৰ্যায়টো

হৈছে উচ্চ শিক্ষা। ইয়াত স্নাতক পর্যায়ৰ পৰা গৱেষণা আৰু ডক্টৰেল (doctoral) পর্যায়লৈ অন্তর্ভুক্ত।

একোখন ৰাজ্যৰ শিক্ষাৰ মানদণ্ড নিৰূপণ কৰিবলৈ কিছুমান সূচক আছে, আমি ইয়াত সেই সূচকবিলাকৰ ওপৰত মনোযোগ নিদিওঁ। আমি কেৱল সংখ্যাগত দিশটোতহে প্রধানকৈ নজৰ দিম। সংখ্যাগত দিশৰ সৈতে সমানে গুৰুত্বপূর্ণ গুণগত দিশৰ বিষয়ে পৰৱর্তী পর্যায়ত আলোচনা কৰা হ'ব।

তলৰ ৮.৯ নং তালিকাত উত্তৰ-পূর্বাঞ্চলৰ শিক্ষাৰ বিভিন্ন স্তৰৰ আন্তঃগাঁথনিগত অৱস্থান দেখুওৱা হৈছে।

তালিকা ৮.৯ ঃ উত্তৰ-পূর্বাঞ্চলৰ শিক্ষাৰ বিভিন্ন স্তৰৰ আন্তঃগাঁথনিগত অৱস্থান

ৰাজ্য	প্রাথমিক স্কুল	উচ্চমাধ্যমিক	মহাবিদ্যালয়	বিশ্ববিদ্যালয়
অৰুণাচল প্রদেশ	১,৯৪১	১৯১	২৬	৩
অসম	৩১,২৬২	৫৪৮২	৫১৯	১২
মণিপুৰ	২৪৩৫	৭৬১	৮১	৩
মেঘালয়	৬৬২৭	৬৭৬	৬৬	১০
মিজোৰাম	১৮২১	৫৩৪	২৯	৩
নগালেণ্ড	১৬৬২	৩৩৭	৬২	৪
ছিকিম	৭৪৯	১২৬	১৯	৬
ত্রিপুৰা	২৩০৭	৫০৪	৪৩	৩
ভাৰত	৭৪৮,৫৪৭	১২৮,৩৭০	৩৭,৮৪০	৬৬৫

উৎস ঃ *উত্তৰ পূৰৰ প্রাথমিক পৰিসংখ্যা, ২০১৫*

ওপৰৰ তালিকাৰ পৰা দেখা যায় গোটেই ভাৰতত প্রাইমেৰী স্কুলৰ সংখ্যা ৭৪৮৫৪৭ খন হোৱাৰ বিপৰীতে অসমৰ সংখ্যা ৩১,২০২ যিটো উত্তৰ পূৰৰ ভিতৰতেই সর্বাধিক। পৰিত্যাগ কৰা ছাত্র-ছাত্রীৰ অনুপাতৰ হাৰ বুলিলে সাধাৰণতে আমি এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ নিদিষ্ট পাঠক্রম সম্পূর্ণ কৰিবলৈ সক্ষম নোহোৱা ছাত্র-ছাত্রীৰ অনুপাতৰ শতকৰা হাৰকে বুজো। উত্তৰ পূৰাঞ্চলৰ বিদ্যালয় বোৰৰ ক্ষেত্রত পৰিত্যাগৰ অনুপাতৰ হাৰ তলত দিয়া তালিকাৰ (৮.১০) পৰা জানিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ তলৰ বাক্যবিলাক শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) ২০০৫ৰ সময়ছোৱাত অসমত সকলো স্তৰৰ স্বাস্থ্য সেৱাৰ ব্যৱস্থা প্রচলিত মাপকাঠিতকৈ বেছি আছিল। (শুদ্ধ/অশুদ্ধ)

(খ) অঞ্চলটোৰ ৰাজ্যকেইখনৰ ভিতৰত দশম পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাত স্বাস্থ্য আন্তঃগাঁথনিৰ বিভিন্ন স্তৰৰ লক্ষ্যত উপনীত হোৱা একমাত্র ৰাজ্যখন হৈছে নাগালেণ্ড। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৬ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ বাবে স্থাপিত আন্তঃগাঁথনিৰ চমুকৈ মূল্যায়ন কৰক। (৫০টা মান শব্দত উত্তৰ লিখক)

.....

.....

তালিকা ৮.১০ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ অনুপাতৰ হাৰ

State	Classes I-V			Classes I-VIII			Classes I-X		
	Boys	Girls	Total	Boys	Girls	Total	Boys	Girls	Total
১	২	৩	৪	৫	৬	৭	৮	৯	১০
অৰুণাচল	৪৩.৮	৪২.১	৪৩.০	৫১.৭	৪৯.১	৫০.৫	৬২.৮	৬১.০	৬১.৭
অসম	৩৩.২	২৬.৪	২৯.৯	৪৯.৮	৫৮.২	৫৪.০	৭৬.৮	৭৮.১	৭৭.৪
মনিপুৰ	৪৬.১	৪৫.৩	৪৫.৭	৫১.৭	৫৩.৯	৫২.৮	৪৫.৭	৪৪.৮	৪৫.৩
মেঘালয়	৬১.০	৫৫.৭	৫৮.৪	৭২.৫	৬৮.৩	৭০.৪	৭৮.০	৭৬.৭	৭৭.৪
মিজোৰাম	৩৭.১	৩৮.৭	৩৭.৯	৩৭.৫	৩৫.৭	৩৬.৭	৫৫.০	৫২.৩	৫৩.৭
নাগালেণ্ড	৪০.১	৩৯.৮	৩৯.৯	৪৫.২	৪৫.৬	৪৫.৪	৭৫.৮	৭৪.৪	৭৫.১
চিকিম	২৪.৯	১১.০	১৮.৪	৫০.৬	৩৪.৩	৪২.৮	৭২.৪	৬৭.১	৬৯.৯
ত্ৰিপুৰা	৩১.৯	৩০.৩	৩১.১	৫০.২	৪৫.৯	৪৮.২	৫৯.১	৫৭.৫	৫৮.৪
ভাৰত	২৮.৭	২৫.১	২৭.০	৪০.৩	৪১.০	৪০.৬	৫০.৪	৪৭.৯	৪৯.৩

ওপৰৰ তালিকাৰ পৰা দেখা যায় যে উত্তৰ-পূৰ্বঞ্চলৰ প্ৰতিখন ৰাজ্যৰেই পৰিত্যাগৰ অনুপাতৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ বেচি। কেৱল মাত্ৰ ব্যতিক্ৰম ছিকিম (১৮.৪%, ১ম শ্ৰেণী- ৫ ম শ্ৰেণী) মিজোৰামত (৩৬.৭%, ১ম শ্ৰেণী- ৮ ম শ্ৰেণী) আৰু মণিপুৰত (৪৫.৩%, ১ম শ্ৰেণী- দশম শ্ৰেণী)



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অঞ্চলটোৰ ৰাজ্যকেইখনৰ ভিতৰত অসমে সৰ্বাধিক পৰিমাণৰ বিদ্যুৎ উৎপন্ন কৰে, ২০০৭ৰ ৩১ মাৰ্চত ৭২২ মেগাৱাট। ই উৎপাদন প্ৰধানকৈ তাপ প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল।
- মেঘালয়ে নিজৰ চাহিদাতকৈ অধিক পৰিমাণৰ বিদ্যুৎ উৎপন্ন কৰে আৰু প্ৰধানকৈ অসমলৈ বিদ্যুতৰ যোগান ধৰে।
- মেঘালয়ে উৎপন্ন কৰা প্ৰায় ৩৬% বিদ্যুৎ ৰপ্তানি কৰে। অৱশ্যে, ৰাজ্যখনত বিদ্যুৎ সংযোজিত গাঁৱৰ সংখ্যা তেনেই তাকৰ (৪৭.৫%)।
- অঞ্চলটোত ২০০৪ চনত পথৰ দৈৰ্ঘ্য আছিল ২.৮২ লাখ কিলোমিটাৰ, ইয়াৰে ০.৫৯ লাখ কিলোমিটাৰ পকীপথ। ভাৰত মুঠ পথৰ ৫৭% পকীপথ; কিন্তু উত্তৰ-পূৰ্বাঞ্চলত সৰ্বমুঠ পথৰ ২১%হে পকীপথ।

- মেঘালয় আৰু ছিকিমক বাদ দি উত্তৰ-পূৰ্বাঞ্চলৰ আন ছখন ৰাজ্য ভাৰতৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত।
- BSNLএ সমগ্ৰ অঞ্চলটো চাৰিটা চক্ৰত বিভক্ত কৰিছে। অসমে অকলে অসম চক্ৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰা NE-1 চক্ৰত অন্তৰ্ভুক্ত, নাগালেণ্ড, মণিপুৰ আৰু অৰুণাচল প্ৰদেশ NE-2 চক্ৰত অন্তৰ্ভুক্ত। চিক্কিম পৃথকভাৱে চিক্কিম চক্ৰৰ অন্তৰ্ভুক্ত।
- অঞ্চলটোৰ সৰ্বমুঠ দূৰ সংযোগৰ ৫০% তকৈও অধিক সংযোগ অসমত হৈছে। অৱশ্যে, জনসংখ্যা অধিক হোৱা বাবে ৰাজ্যখনত দূৰ সংযোগৰ ঘনত্ব সৰ্বনিম্ন, মাত্ৰ ৩.৭৯।
- সৰ্বাধিক সংখ্যক ডাকঘৰ থকা ভাৰতত আছে পৃথিৱীৰ বৃহত্তম ডাক নেটৱৰ্ক
- উত্তৰ-পূৰ্বাঞ্চলত বেংক সেৱা বৰ বেছি সন্তোষজনক নহয়।
- জনমূৰি জমাৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যতে জনমূৰি ঋণো সৰ্বভাৰতীয় তুলনাত কম।
- বীমাখণ্ডত নতুন পলিচিৰ সংখ্যা আৰু প্ৰিমিয়ামৰ সংগ্ৰহ উভয় ক্ষেত্ৰতে উত্তৰ-পূৰ্বাঞ্চলত বীমাৰ সমগ্ৰিক ব্যৱসায় ৩%তকৈও কম।
- উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান ৰাজ্যত প্ৰয়োজনীয়তকৈ অধিক সংখ্যক স্বাস্থ্যসেৱা প্ৰতিষ্ঠান থকাৰ বিপৰীতে আন কেতবোৰত প্ৰয়োজনতকৈ কম আছে।



৮.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰঃ *অসমৰ অৰ্থনীতি (উত্তৰ-পূৰ্ব ভাৰতৰ অৰ্থনীতিসহ)*, কল্যাণী পাব্লিচাৰ্ছ।

ইংৰাজী গ্ৰন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ BSNLএ সমগ্ৰ অঞ্চলটো চাৰিটা চক্ৰত বিভক্ত কৰিছে। অসমে অকলে অসম চক্ৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰা NE-1 চক্ৰত অন্তৰ্ভুক্ত, নাগালেণ্ড,

মণিপুৰ আৰু অৰুণাচল প্ৰদেশ NE-2 চক্ৰত অন্তৰ্ভুক্ত। চিক্কিম পৃথকভাৱে চিক্কিম চক্ৰত অন্তৰ্ভুক্ত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অঞ্চলটোত বিদেশী বিনিময় বেংকৰ দুটা শাখা খোলা হৈছে, মেঘালয়ৰ ডাউকীত এটা আৰু মণিপুৰৰ ম'ৰেত এটা। এই বেংকৰ প্ৰধান উদ্দেশ্য হৈছে চুবুৰীয়া দেশবিলাকৰ সৈতে অঞ্চলটোৰ সীমান্তৰ বাণিজ্য সম্প্ৰসাৰিত কৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ অন্তৰ্ভুক্ত। উত্তৰ-পূৰ্বাঞ্চলত সকলো প্ৰকাৰৰ মহাবিদ্যালয়কে ধৰি ২০০৫-২০০৬ ত মহাবিদ্যালয়ৰ সংখ্যা হৈছে ৬৩৩। ২০০৬-২০০৭ ৰ সময়ছোৱাত অঞ্চলটোত বিশ্ববিদ্যালয়ৰ সৰ্বমুঠ সংখ্যা হৈছে ১৪।



৮.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত বিদ্যুৎ শক্তিৰ পৰ্যাপ্ততা সম্পৰ্কে এটা চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবহণ ব্যৱস্থাৰ বিষয়ে এটা চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ দূৰ সংযোগৰ আন্তঃগাঁথনিৰ অৱস্থা সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত স্বাস্থ্য সেৱা প্ৰতিষ্ঠানৰ পৰ্যাপ্ত ব্যৱস্থা আছে বুলি আপুনি ভাবেনে? যুক্তি দৰ্শাওক।

প্ৰশ্ন ৫ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বেংক সেৱাৰ আন্তঃগাঁথনি উপযুক্ত বুলি আপুনি ভাবেনে? যদি নাভাবে, ইয়াৰ উন্নতিৰ বাবে কি পদেক্ষপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিব?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বাস্তৱিক বা শাৰীৰিক আন্তঃগাঁথনিগত ব্যৱস্থাৱলী সম্পৰ্কে এখন ৰচনা লিখক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ বিত্তীয় আন্তঃগাঁথনি সম্পৰ্কে সমালোচনামূলক আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'সামাজিক আন্তঃগাঁথনি' বুলিলে আপুনি কি বুজে? উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক আন্তঃগাঁথনিৰ এটি বিৱৰণ দাঙি ধৰক।

*** ***** ***

অধ্যায় ৯ ঃ উত্তৰ-পূৰ্বাঞ্চলত ঔদ্যোগীকৰণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ অঞ্চলটিত সংগঠিত আৰু অসংগঠিত উদ্যোগৰ ভূমিকা

৯.৪ অঞ্চলটিত ঔদ্যোগিক বিকাশৰ পৰিসৰ

৯.৫ অঞ্চলটিত ক্ষুদ্ৰ ঔদ্যোগৰ বিকাশ

৯.৬ অঞ্চলটিৰ ঔদ্যোগিক বিকাশ

৯.৬.১ অঞ্চলটিত ঔদ্যোগিক বিকাশৰ প্ৰাথমিক সমস্যাসমূহ

৯.৬.২ অঞ্চলটিৰ সম্ভৱনাপূৰ্ণ কেন্দ্ৰ

৯.৭ উত্তৰ-পূব ঔদ্যোগিক আৰু বিনিয়োগ নীতি, ২০০৭ (গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ)

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্ৰগতিৰ খতিয়ান

৯.১১ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অঞ্চলটিৰ সংগঠিত আৰু অসংগঠিত উদ্যোগৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- অঞ্চলটিৰ ঔদ্যোগিক বিকাশ পৰিসৰ আলোচনা কৰিব পাৰিব
- অঞ্চলটিৰ বিভিন্ন ৰাজ্যৰ ক্ষুদ্ৰ উদ্যোগৰ বিষয়ে বৰ্ণনা দাঙি ধৰিব পাৰিব
- উত্তৰ-পূৰ্বৰ ঔদ্যোগিক নীতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অঞ্চলটিৰ ঔদ্যোগিক খণ্ডই সন্মুখীন হোৱা সমস্যাসমূহ আঙুলিয়াই দেখুৱাবলৈ সমৰ্থ হ'ব
- অঞ্চলটিৰ ঔদ্যোগিক খণ্ডৰ সঠিক বিকাশৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰিব পাৰিব
- উত্তৰ-পূব ঔদ্যোগিক আৰু বিনিয়োগ নীতি, ২০০৭ৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়টিত উত্তৰ-পূব ভাৰতৰ ঔদ্যোগিক খণ্ডৰ বিষয়ে আলোচনা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলক দেশখনৰ আটাইতকৈ দুখীয়া অঞ্চলবিলাকৰ অন্যতম হিচাপে গণ্য কৰা হয়। ঔদ্যোগীকৰণৰ ক্ষেত্ৰত অসম আৰু মেঘালয়ৰ বাহিৰে অঞ্চলটিৰ প্ৰায় আটাইকেইখন

ৰাজ্যই যথেষ্ট পিছ পৰি আছে। এই অধ্যায়টিয়ে আপোনাক অঞ্চলটিৰ ৰাজ্যকেইখনৰ ঔদ্যোগিক খণ্ডৰ এটি সামগ্রিক ধাৰণা দিয়াত সহায়ক হ'ব। অধ্যায়টিত অঞ্চলটিৰ ক্ষুদ্র উদ্যোগসমূহৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। ঔদ্যোগিক খণ্ডৰ সমস্যাসমূহ আৰু সঠিক ঔদ্যোগিক বিকাশৰ ফলত অঞ্চলটিয়ে লাভ কৰিব পৰা লাভ সমূহৰ বিষয়েও আলোচনা কৰা হৈছে। এইসমূহৰ উপৰি ভাৰত চৰকাৰে অঞ্চলটিৰ ঔদ্যোগিক বিকাশৰ বাবে 'উত্তৰ-পূব ঔদ্যোগিক বিনিয়োগ আৰু পৃষ্ঠপোষক নীতি, North East Industrial and Investment Promotion Policy (NEIIPP), ২০০৭ৰ কেতবোৰ বিশেষ বৈশিষ্ট্যৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে।

৯.৩ সংগঠিত আৰু অসংগঠিত উদ্যোগৰ ভূমিকা

অঞ্চলটিৰ উদ্যোগসমূহক বিভিন্ন খণ্ডত ভাগ কৰিব পাৰি। উদ্যোগসমূহে ব্যৱহাৰ কৰা কেঁচা সামগ্রীসমূহৰ ওপৰত নির্ভৰ কৰি অঞ্চলটিৰ উদ্যোগসমূহক তলত দিয়াৰ ধৰণে ভাগ কৰিব পাৰি—

- **কৃষি নির্ভৰ উদ্যোগ ঃ** চাহ উদ্যোগ, চেনী উদ্যোগ, চাউল, তেল, ঘেঁহু উদ্যোগ, খাদ্য-প্রস্তুতকৰণ উদ্যোগ, কাপোৰ উদ্যোগ আদি ইয়াৰ অন্তর্গত।
- **খনি নির্ভৰ উদ্যোগ ঃ** উত্তৰ-পূর্বাঞ্চলৰ খনি-নির্ভৰ উদ্যোগৰ ভিতৰত ৰেল কাৰখানা, অভিযান্ত্রিক উদ্যোগ, তীখা কাৰখানা, মটৰ গাড়ী কাৰখানা, চাইকেল কাৰখানা, চাইকেলৰ সজুঁলি নির্মাণ কাৰখানা, তীখাৰ তাঁৰ, বোকামাটি (বা চিমেণ্ট)ৰ কাৰখানা আদি প্রধান।
- **বন-নির্ভৰ উদ্যোগ ঃ** প্লাইউদ উদ্যোগ, কাঠ-ফলা উদ্যোগ, কাগজ আৰু কাগজৰ খণ্ড নির্মাণ, জুইশলা উদ্যোগ, কঠিন ব'ৰ্ডৰ উদ্যোগ আদি ইয়াৰ অন্তর্গত।
- **অন্যান্য উদ্যোগ ঃ** এইবোৰৰ ভিতৰত শক্তি উদ্যোগ, সাৰ কাৰখানা, ছপাশাল, ইটা আৰু টাইলচ্ নির্মাণ, বৰফৰ উদ্যোগ, ৰাসায়নিক উদ্যোগ প্রদান।

  উত্তৰ-পূর্বাঞ্চলৰ উদ্যোগসমূহক আকৌ (ক) সংগঠিত উদ্যোগ, আৰু (খ) অসংগঠিত উদ্যোগ— এই দুই ভাগতো ভাগ কৰিব পাৰি।
- উত্তৰ-পূর্বাঞ্চলৰ সংগঠিত উদ্যোগৰ ভিতৰত চাহ, পেট্র'লিয়াম, কাগজ, বোকামাটি, প্লাইউদ, কয়লা, মৰাপাট, চেনী, সাৰ উদ্যোগ আদি প্রধান।
- অঞ্চলটিৰ অসংগঠিত উদ্যোগসমূহে ক্ষুদ্র আৰু কুটীৰ উদ্যোগ, হস্ত শিল্প, অন্যান্য সৰু উদ্যোগ আদিক সামৰি লয়।

নিম্ন পর্যায়ৰ আন্তঃগাঁথনি, প্রায়কেইখন ৰাজ্যৰ পাহাৰীয়া পৰিবেশৰ বাবে অঞ্চলটিৰ দুর্গম ভৌগোলিক অৱস্থা ইত্যাদি বিভিন্ন কাৰণত অঞ্চলটিত বৃহৎ উদ্যোগ স্থাপনৰ ক্ষেত্রত অসুবিধাৰ সন্মুখীন হোৱা দেখা গৈছে। অসম আৰু মেঘালয়ৰ বাদে অঞ্চলটিৰ প্রায়কেইখন ৰাজ্যতে উদ্যোগ বুলিলে ক্ষুদ্র আৰু কুটীৰ উদ্যোগসমূহকহে বুজা যায়। এই গোটসমূহ হৈছে পৰম্পৰাগত খণ্ডৰ অন্তর্গত উদ্যোগ, যেনে -- হস্ততাঁত আৰু হস্তশিল্প, খাদী আৰু গ্রাম্য

উদ্যোগ আদি। এইসমূহ বিশেষকৈ অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, চিক্কিম আৰু ত্ৰিপুৰাত সিঁচৰিত হৈ আছে। আমি এতিয়া উদ্যোগৰ পঞ্জীয়নভুক্ত আৰু পঞ্জীয়ন বহির্ভূ বিষয়ে আলোচনা কৰিমহঁক। পঞ্জীয়নভূক্ত উৎপাদনকাৰী গোট বুলিলে সেইবোৰ গোটক বুজোৱা হয় যিবোৰ গোটে কাৰখানা আইন, ১৯৪৮ৰ ধাৰা ২নং(১) আৰু ২নং(২)ৰ অধীনত পঞ্জীয়নৰ চর্তসমূহ পূৰণ কৰিছে। এইবোৰ গোটে অনিবার্যভাবে সেইবোৰ গোটক সামৰি লয় যিবোৰে ১০জন বা ততোধিক শ্ৰমিকৰ লগতে শক্তিৰো ব্যৱহাৰ কৰে অথবা ২০জন বা ততোধিক শ্ৰমিক নিয়োগ কৰে কিন্তু শক্তি (বিদ্যুৎ) ব্যৱহাৰ নকৰে। আনহাতে, পঞ্জীয়ন বর্হিভূত উদ্যোগ বুলিলে সেইসমূহক বুজোৱা হয়, যিবোৰে উপযুক্ত চর্তসমূহ পূৰণ নকৰে। সাধাৰণতে, পঞ্জীয়নভুক্ত নির্মাণ গোটৰ আধিক্যই সংগঠিত উদ্যোগৰ আধিক্যক বুজায়। সেই অর্থত, পঞ্জীয়নকৃত গোটসমূহে সংগঠিত উদ্যোগখণ্ডৰ আৰু পঞ্জীয়ন বর্হিভূত গোটসমূহে অসংগঠিত উদ্যোগখণ্ডৰ সৃষ্টি কৰে বুলি ক'ব পাৰি। অঞ্চলটোৰ বিভিন্ন ৰাজ্যৰ সামগ্ৰিক নির্মাণ খণ্ডত পঞ্জীয়নকৃত আৰু পঞ্জীয়ন বহির্ভূত ঔদ্যোগিক গোটৰ অংশৰাজি তলৰ ৯.১ তালিকাৰ সহায়ত প্ৰকাশ কৰা হ'ল—

তালিকা ৯.১ ঃ ২০০৪-২০০৫ চনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত পঞ্জীয়নকৃত আৰু পঞ্জীয়ন বর্হিভূত উদ্যোগ বৰঙনি (শতাংশৰ হিচাপত)

ৰাজ্য	পঞ্জীয়নভূক্ত উদ্যোগ গোটৰ বৰঙণি	পঞ্জীয়ন বর্হিভূক্ত উদ্যোগ গোটৰ বৰঙণি
অৰুণাচল প্ৰদেশ	০	১০০.০০
অসম	৮০.০০	২০.০০
মণিপুৰ	১.২৫	৯৮.৭৫
মেঘালয়	৫৪.৬৪	৪৫.৩৬
মিজোৰাম	২৫.৭৮	৭৪.২২
নগালেণ্ড	৪৮.৬১	৫১.৩৯
চিক্কিম	৪১.৫৬	৫৮.৪৪
ত্ৰিপুৰা	৮৬.৮৬	৫৩.১৬
সর্বভাৰতীয় গড়	৬৫.৮৬	৩৪.১৪

উৎস ঃ *Indian States at a Glance, Pearson, 2005-06 & 2008-09.*

ওপৰৰ তালিকাৰ পৰা স্পষ্ট যে, অঞ্চলটিৰ আটাইবোৰ ৰাজ্যৰ ভিতৰত ২০০৪-২০০৫ৰ সময়-ছোৱাত অৰুণাচল প্ৰদেশত এটাও পঞ্জীয়নকৃত উদ্যোগ নাই। সামগ্ৰিকভাৱে, ৰাষ্ট্ৰীয় অর্থনীতিৰ তুলনাত অঞ্চলটিৰ আনকেইখন ৰাজ্যতো পঞ্জীয়ন বর্হিভূত ঔদ্যোগিক গোটৰ প্ৰাধান্য দেখা যায়। সেয়েহে, অঞ্চলটিৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত পঞ্জীয়ন বর্হিভূত উদ্যোগ গোটসমূহে মূল ভূমিকা গ্ৰহণ কৰিছে বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) অঞ্চলটিৰ আটাইবোৰ ৰাজ্যৰ ভিতৰত অৰুণাচল প্রদেশৰ উদ্যোগখণ্ড বেছি সংগঠিত। (শুদ্ধ/অশুদ্ধ)

(খ) সাম্প্রতিক কালত মেঘালয়ত কেইটামান বৃহৎ বোকামাটি নির্মাণ কাৰখানা প্রতিষ্ঠা কৰা হৈছে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ পঞ্জীয়নকৃত উদ্যোগ গোট বুলিলে আপুনি কি বুজে? (৪০ টামান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ অঞ্চলটিৰ ৰাজ্যসমূহৰ উদ্যোগ খণ্ডত পঞ্জীয়নকৃত উ দ্যোগ গোটৰ আধিক্য থকা বুলি আপুনি ভাবেনে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়ক। (৬০টামান শব্দৰ ভিতৰত উত্তৰ লিখক)।

.....

.....

.....

.....

.....

.....

৯.৪ অঞ্চলটিৰ ঔদ্যোগিক বিকাশৰ পৰিসৰ

আমি ইতিমধ্যে উল্লেখ কৰিছো যে, ঔদ্যোগীকৰণৰ ক্ষেত্রত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল দেশৰ অন্যান্য অংশৰ তুলনাত পিছপৰি আছে। পৰম্পৰাগতভাৱে অঞ্চলটিৰ ভিতৰত অসমেই ঔদ্যোগিকভাৱে আটাইতকৈ আগবঢ়া। ইংৰাজ শাসনৰ কালৰে পৰা চাহ আৰু তেল উদ্যোগ অসমৰ মুখ্য উদ্যোগ হিচাপে পৰিগণিত হৈ আহিছে। স্বাধীনতাৰ পৰবর্ত্তী কালছোৱাত ঔদ্যোগিক বিকাশৰ ক্ষেত্রত অঞ্চলটিয়ে দেশৰ অন্যান্য অংশৰ লগত খোজত খোজ মিলাই অগ্রসৰ হ'ব নোৱাৰিলে বুলি অনুভূত হয়। সি যি কি নহওঁক, সাম্প্রতিক কালত, অঞ্চলটিত বুজন পৰিমাণৰ বৃহৎ উদ্যোগ গঢ়ি উঠিছে। উদাহৰণস্বৰূপে, অসম আৰু মেঘালয়ত কেবাটাও বোকামাটি, লো আৰু তীখাৰ কাৰখানা গঢ়ি উঠিছে। এক বৃহৎ হাইড্র'কার্বন প্রকল্প (ব্রহ্মপুত্র ক্রেকাৰ আৰু পলিমাৰ লিমিটেড) অসমত আৰম্ভ কৰা হৈছে। ৰবৰ খেতিৰ বাবে ত্রিপুৰা

ইতিমধ্যে জনাজাত। দৰাচলতে, কেৰালাৰ পিছত এই ৰাজ্যখন দেশৰ ভিতৰতে দ্বিতীয় বৃহৎ ৰবৰ উৎপাদনকাৰী। আমি এতিয়া তলৰ ৬.২ তালিকাৰ সহায়ত ১৯৯৯ চনৰ পৰা ২০০৪ চনৰ ছেপ্টেম্বৰ মাহলৈ উদ্যোগৰ সংখ্যা, বিনিয়োগ আৰু নিযুক্তিৰ ফালৰ পৰা উত্তৰ-পূব ভাৰতৰ (চিক্কিমক বাদ দি) ঔদ্যোগীকৰণৰ সামগ্রিক চিত্র এখন লক্ষ্য কৰিমহঁক।

তালিকা ৯.২ ঃ ভাৰতৰ উঃ পূঃ ৰ ৰাজ্যসমূহত উদ্যোগৰ সংখ্যা, বিনিয়োগ আৰু নিযুক্তি (১৯৯৯ চনৰ পৰা ছেপ্টেম্বৰ, ২০০৪ চনলৈ)

ৰাজ্য	গোটৰ সংখ্যা	বিনিয়োগ (কোটি টকাত)	উঃপূঃৰ ৰাজ্যসমূহৰ ভিতৰত (%) হাৰ	পোনপটীয়া নিযুক্তি
অসম	৫২০	৫২৮.১৯	৪৯.৮৪	১২৪২২
মেঘালয়	৬১	৪৪১.০১	৪১.৩২	৬০৫৬
অৰুণাচল	১১	৩৯.৮৬	৩.৭৩	৫৭৭
ত্রিপুৰা	৩৮	৩১.৫৮	২.৯৬	৬৬৫
নগালেণ্ড	৪৬	১৯.৬৪	১.৮৪	৪৩৯
মিজোৰাম	৪	৪.০০	০.৩৯	৩০০
মণিপুৰ	৫	৩.০০	০.২৮	২৫০
উঃপূঃ আটাই-কেইখন ৰাজ্য	৬৮১	১০৬৭.২৮	১০০.০০	২০৭০৯

উৎস ঃ *Lok Sabha Unstarred Question No. 4720, dated 23.05.2006.*
Data available at : www.indiastat.com.

৯.২ তালিকাৰ পৰা সহজে দেখা গৈছে যে ঔদ্যোগিক গোটৰ ক্ষেত্রত অসমে সিংহভাগ উপভোগ কৰি আছে। একে সময়তে এই কথাটোও লক্ষ্যণীয় যে অসমৰ তুলনাত মেঘালয়ৰ ঔদ্যোগিক গোটৰ সংখ্যা যথেষ্ট পৰিমাণে কম যদিও বিনিয়োগৰ ক্ষেত্রত ই অসমৰ নিচেই কাষচপা। এইটো এই কাৰণেই সম্ভৱ হৈছে যে বোকামাটি, চূণশিল, গ্রেনাইট, তীখা, মিনাৰেল ৰাটাৰ, শীতল পানীয় আদি বিভিন্ন খণ্ডত ৰাজ্যখনত কেবাটাও বৃহৎ আৰু মজলীয়া বিধৰ প্রকল্প গঢ়ি উঠিছে। আমি এতিয়া অঞ্চলটোৰ ৰাজ্যসমূহৰ সাম্প্রতিক ঔদ্যোগিক দৃশ্যপটৰ বিষয়ে অলপ বিস্তৃতভাৱে আলোচনা কৰিম। এই ক্ষেত্রত আমি ৰাজ্যসমূহৰ পঞ্জীয়নকৃত কাৰখানাসমূহৰ ওপৰত আলোকপাত কৰিব চেষ্টা কৰিম। অঞ্চলটোৰ ৰাজ্যসমূহৰ পঞ্জীয়নকৃত ক্ষুদ্র উদ্যোগসমূহৰ বিষয়ে আমি পৰৱর্তী ৯.৫ অনুচ্ছেদত আলোচনা কৰিম।

- **অৰুণাচল প্রদেশ ঃ** অৰুণাচল প্রদেশৰ বেছিভাগ ঔদ্যোগিক গোটেই বন- নির্ভৰ আৰু কিছুমান কৃষি নির্ভৰ; যেনে— ধান বনা কল। পৰম্পৰাগত বস্ত্রশিল্প যেনে দলিচা গোঠা, আদিয়েও ৰাজ্যখনৰ ক্ষুদ্র উদ্যোগ খণ্ডত এক গুৰুত্বপূর্ণ অংশ হিচাপে পৰিগণিত হৈছে। ওপৰৰ ৫.২ তালিকাৰ পৰা দেখা যায় যে ৰাজ্যখন ঔদ্যোগিক বিকাশৰ ক্ষেত্রত পিছপৰি আছে। টাটা কনচালটেন্সি চার্ভিচেজ আৰু গুৱাহাটী ভাৰতীয় ঔদ্যোগিক প্রতিষ্ঠানৰ দৰে প্রখ্যাত প্রতিষ্ঠানে চলোৱা কেইটামান সাম্প্রতিক অধ্যয়নত দেখা গৈছে যে, ৰাজ্যখনত কৃষি, ফুল, খনি, বাৰ্থটিন আদি কেবাটাও খণ্ডৰ সম্ভাৱনাপূর্ণ কেবাটাও

উদ্যোগ আছে। তেনে সাম্প্রতিক অধ্যয়নৰ পৰা জনা যায় যে অৰুণাচল প্রদেশত এটা ক্ষুদ্র চিমেণ্ট কাৰখানাকে ধৰি ১৭টা মজলীয়া বিধৰ উদ্যোগ, এটা ফল প্রস্তুতকৰণ উদ্যোগ, এটা চাহ উদ্যোগ আৰু ১৪টা প্লাইউদ কাৰখানা আছে।

- **অসম ঃ** চাহ, তেল আৰু কয়লাৰ উপৰিও ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডই সূতা উদ্যোগ, ছপাশাল, প্লাষ্টিক, টায়াৰ, কাঠফলা কল আদি উদ্যোগক সামৰি লয়। অসমত পঞ্জীনকৃত উদ্যোগৰ সংখ্যা ২০০৭ চনলৈ ৩৩১৯টা আছিল। এই সংখ্যাটো বিগত বছৰৰ ৩১৮২ টাতকৈ বেছি আছিল। ২০০৭ চনত এই উদ্যোগসমূহত কাম কৰা দৈনিক শ্রমিকৰ সংখ্যাও ১,১৪,২৩৩ লৈ বৃদ্ধি পায়।
- **মণিপুৰ ঃ** অঞ্চলটোৰ অন্যান্য ৰাজ্যৰ দৰেই মণিপুৰো প্রাকৃতিক সম্পদৰ ফালৰ পৰা চহকী। কিন্তু ৰাজ্যখনৰ পাহাৰীয়া দুর্গমতা, নিম্নমানৰ আন্তঃগাথনি আৰু অস্থিৰ জলবায়ুৰ কাৰণে মণিপুৰে ঔদ্যোগীকৰণৰ ক্ষেত্রত বিশেষ সাফল্য লাভ কৰিবলৈ সক্ষম হোৱা নাই। দৰাচলতে ক'বলৈ দুখলগা যে, খাদী আৰু গ্রাম্য উদ্যোগ, হস্ততাঁত আৰু বস্ত্রশিল্প আদি পৰম্পৰাগত কেইটামান উদ্যোগৰ বাহিৰে ৰাজ্যখনত এই মুহূর্তত দেখুৱাই দিব পৰাকৈ আন উদ্যোগ নাই। এই অধ্যায়ৰে ৬.৫নং অনুচ্ছেদ আমি ৰাজ্যখনৰ ক্ষুদ্র উদ্যোগৰ বিষয়ে আলোকপাত কৰিম। মণিপুৰৰ ভালেমান উদ্যোগ চৰকাৰী খণ্ডৰ অন্তর্ভুক্ত। সেইবোৰ স্থানীয় বজাৰৰ চাহিদা পূৰাবৰ কাৰণে প্রতিষ্ঠা হৈছে। বর্হিবাণিজ্যৰ বাবে সীমান্ত মুকলি হোৱাত ৰাজ্যখনত আমদানিৰ চাহিদা পূৰাবৰ বাবে আৰু অধিকসংখ্যক উদ্যোগ স্থাপনৰ বাট মুকলি হৈছে। মণিপুৰ ইয়াৰ হস্ততাঁত আৰু বস্ত্র শিল্পৰ বাবেও প্রখ্যাত।
- **মেঘালয় ঃ** মেঘালয়ৰ উদ্যোগ খণ্ড পৰম্পৰাগতভাৱে বন আৰু বন-নির্ভৰ উদ্যোগেৰে গঢ়ি উঠিছে। খনি খণ্ডই মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনলৈ যথেষ্ট বৰঙণি আগবঢ়ায়। ব্যক্তিগত উদ্যোগীসকলে যাৰ মাটিত চূণশিল আৰু কয়লাৰ ভাণ্ডাৰ আছে; তেওঁলোকে সেইবোৰ খনিজ পদার্থ সংগ্রহ কৰি অসম আৰু বাংলাদেশলৈ বিক্রীৰ বাবে পঠিয়াই। অৱশ্যে আমি ইতিপূর্বে উল্লেখ কৰি অহাৰ দৰে ৰাজ্যখনত বোকামটি, চূণশিল, লো আৰু তীখা আদি কেইবাটাও বৃহৎ আৰু মজলীয়া ধৰণৰ উদ্যোগ গঢ়ি উঠিছে। একে সময়তে এই কথাটিও উল্লেখযোগ্য যে, বোকামাটি, লো-তীখা নির্মাণৰ লগত জড়িত কেবাটাও প্রকল্প ৰাজ্যখনৰ ক্ষুদ্র উদ্যোগৰ ভিতৰত ধৰা হয়। এইবোৰৰ বিষয়ে আমি ৬.৫ অনুচ্ছেদত আলোচনা কৰিম।
- **মিজোৰাম ঃ** আমি ইতিপূর্বে উল্লেখ কৰিছো যে, মিজোৰাম এখন ঔদ্যোগিকভাৱে অনগ্রসৰ ৰাজ্য। ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনলৈ উদ্যোগিক খণ্ডৰ (পঞ্জীয়নকৃত আৰু পঞ্জীয়ন বর্হিভূত) বৰঙণি মাত্র ১%। হস্ততাঁত ৰাজ্যখনৰ পৰম্পৰাগত শিল্প। ৰাজ্যখনত কৃষিখণ্ডৰ পৰা কৃষি বহির্ভূত খণ্ডলৈ শাৰমৰ সঞ্চালন নিচেই কম। ৰাজ্যখনৰ ঔদ্যোগিক কর্মৰ ৮০% ই কাপোৰ বোৱা, আচ-বাব তৈয়াৰ, গাড়ী মেৰামতি, বেকাৰী,

হস্ততাঁত আদিৰ লগত জড়িত। এইবোৰৰ প্ৰায়ভাগেই আইজল আৰু লুংলে চহৰত সিঁচৰিত। আমি ৰাজ্যখনৰ ক্ষুদ্ৰ উদ্যোগৰ বিষয়ে পৰৱৰ্তী অনুচ্ছেদত আলোচনা কৰিম।

- **নগালেণ্ড ঃ** ইতিমধ্যে ওপৰত দিয়া ৯.১ তালিকাখন অধ্যয়ন কৰি আমি ক'ব পাৰোঁ যে, ৰাজ্যখন পয়জীয়নকৃত উদ্যোগ গোটৰ ক্ষেত্ৰত অঞ্চলটোৰ অন্যান্য ৰাজ্য যেনে অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মিজোৰামৰ তুলনাত আগবঢ়া। কাৰণ ইয়াত পঞ্জীয়নভূক্ত উদ্যোগ গোট ৫০%ৰ ওচৰা-ওচৰি (৪৮.৬১%)। কিন্তু ৰাজ্যখন এতিয়াও ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত পিছপৰি থকা বুলিয়েই ক'ব পাৰি। শেহতীয়া তথ্য মতে, ৰাজ্যখনত স্থায়ীভাৱে পঞ্জীয়নকৃত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া (Micro, Small and Medium Enterprises- MSME) উদ্যোগৰ সংখ্যা ৭০৪টা আৰু এইবোৰে প্ৰায় ১৩১৫০জন লোকক নিযুক্ত কৰিছিল (উৎস ঃ Statistical Handbook of Nagaland, 2008)।
- **চিক্কিম ঃ** পৰ্যটনৰ ক্ষেত্ৰত চিক্কিমৰ যথেষ্টে সম্ভাৱনা আছে। ২০০৭-০৮ বৰ্ষত ৰাজ্যখনে ৯ হাজাৰৰো অধিক পৰ্যটকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ৰাজ্যখনৰ নিৰ্মাণ খণ্ড অৱশ্যে এতিয়াও সঠিকভাৱে বিকশিত নহয়। ৩০।১১। ২০০৭ তাৰিখলৈ ৰাজ্যখনত অস্থায়ী পঞ্জীয়ন বিচৰা উদ্যোগীৰ সংখ্যা ৪৯৩ জন আৰু স্থায়ী পঞ্জীয়ন বিচৰা উদ্যোগীৰ সংখ্যা ১৮৪জন। ফল সংৰক্ষণ, চাহ উদ্যোগ, জুৱেল (হাতঘড়ীত ব্যৱহৃত) আদি ৰাজ্যখনত স্থাপিত কেইটামান ব্যক্তিগত খণ্ডৰ উদ্যোগ। স্বাস্থ্য আৰু ঔষধ প্ৰস্তুতকৰণ, তীখা, খাদ্য প্ৰস্তুতকৰণ আদিৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডত কেবাটাও উদ্যোগ গঢ়ি উঠিছে।
- **ত্ৰিপুৰা ঃ** নিম্নমানৰ আন্তঃগাঁথনিৰ কাৰণে ৰাজ্যখনত প্ৰত্যাশা অনুসৰি উদ্যোগীকৰণে গা কৰি উঠিব পৰা নাই। পূৰ্বতে উল্লেখ কৰাৰ দৰে, ৰবৰ উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখন দেশৰ ভিতৰতে দ্বিতীয় বৃহৎ উৎপাদনকাৰী যদিও অন্যান্য ঔদ্যোগিক ক্ষেত্ৰত ৰাজ্যখন যথেষ্টে পিছপৰি আছে। বৰ্তমানলৈকে, তেল আৰু প্ৰাকৃতিক গেছ আয়োগে ৰাজ্যখনত তেল আৰু প্ৰাকৃতিক গেছৰ অনুসন্ধান চলাই আছে। ২০০৮-০৯ চনত প্ৰাকৃতিক গেছৰ পৰা ৯.৩৮ কোটি টকা ৰাজহ সংগ্ৰহ হৈছিল। পৰম্পৰাগত হস্তশিল্প আৰু হস্ততাঁতৰ উপৰিও ৰাজ্যখনত বাঁহ নিৰ্ভৰ উদ্যোগৰ যথেষ্টে সম্ভাৱনা আছে। তদুপৰি, ৰাজ্যখনত পৰম্পৰাগত ভাৱে চাহখেতি কৰা হয় আৰু এই ক্ষেত্ৰত আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি যথেষ্ট উন্নতি কৰাৰ থল আছে। অধিক আৰ্থিক লাভৰ বাবে ১৯৯৪-৯৫ চনত ত্ৰিপুৰা আৰু বাংলাদেশৰ মাজত আৰম্ভ হোৱা চৰকাৰী বাণিজ্যৰ উন্নতি হ'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

(ক) ম্যানমাৰ সীমান্তত নগালেণ্ডে চকুত পৰা বাণিজ্য আৰম্ভ কৰিছে। (শুদ্ধ/অশুদ্ধ)

(খ) কয়লা মিজোৰামৰ এটি প্রতিষ্ঠিত উদ্যোগ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ শুদ্ধ উত্তৰটো বাচি উলিয়াওক ।

(ক) দলিচা গোঠা অৰুণাচল প্রদেশ / মণিপুৰ / মেঘালয় / মিজোৰামৰ এটি পৰম্পৰাগত শিল্প।

(খ) বর্হিবাণিজ্যৰ বাবে সীমান্ত মুকলিয়ে অসম/মেঘালয়/মণিপুৰ /ত্রিপুৰাৰ উদ্যোগসমূহৰ বাবে সুফল কঢ়িয়াই আনিছে।

প্রশ্ন নং ৬ ঃ মণিপুৰ প্রাকৃতিক সম্পদৰ দিশত যথেষ্ট চহকী। কিন্তু ই এতিয়াও ঔদ্যোগিক বিকাশৰ ক্ষেত্রত পিছপৰি আছে। উক্তিটো আপুনি সমর্থন কৰেনে? (৫০টামান শব্দৰ ভিতৰত আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়ক।)

.....

.....

.....

.....

৯.৫ অঞ্চলটোৰ ক্ষুদ্র উদ্যোগসমূহৰ বিকাশ

ভাৰতীয় অর্থনীতিৰ ৮নং অধ্যায়ত আমি ইতিমধ্যে ভাৰতৰ ক্ষুদ্র উদ্যোগৰ বিষয়ে বিশদ আলোচনা কৰিছোঁ। সেই অধ্যায়টোত আমি আলোচনা কৰিছিলো যে, বিনিয়োগৰ পৰিমাণৰ ওপৰত নির্ভৰ কৰি কোনো এটা উদ্যোগক ক্ষুদ্র উদ্যোগ হিচাপে অভিহিত কৰা হয়। ক্ষুদ্র উদ্যোগ বুলিলে সেইবোৰ উদ্যোগকে বুজা যায় যিবোৰ উদ্যোগৰ যন্ত্রপাতি, ঘৰ-দুৱাৰ আদি স্থায়ী উপাদানৰ ক্ষেত্রত বিনিয়োগৰ পৰিমান ১০০ লাখ (অর্থাৎ ১কোটি)ৰ অধিক নহয়। এতিয়া আমি অঞ্চলটিৰ ক্ষুদ্র উদ্যোগসমূহৰ বিষয়ে আলোচনা কৰিম।

- **অৰুণাচল প্রদেশ ঃ** ১৭টা মজলীয়া উদ্যোগৰ উপৰিও ৰাজ্যখনত ২,৫২৬টা ক্ষুদ্র উদ্যোগ আছে। প্রদান উদ্যোগকেইটা হ'ল— কাঠফলা কল, প্লাইউদ (এই দুটা বর্তমান আইনগতভাৱে বন্ধ কৰা হৈছে), ধানবনা কল, ফল সংৰক্ষণ উদ্যোগ, হস্ততাঁত আৰু বস্ত্র শিল্প। অর্থাৎ ৰাজ্যখনৰ বেছিখিনি উদ্যোগেই কাঠ, আৰু প্লাইউদৰ ওপৰত নির্ভৰশীল। বন-নির্ভৰ উদ্যোগৰ উপৰি চাহ, বোকামাটি আৰু পেট্র'কেমিকেল উদ্যোগো ৰাজ্যখনত আছে। অৰুণাচল প্রদেশৰ প্রধান উদ্যোগৰ ভিতৰত হস্ততাঁত আৰু বস্ত্র শিল্প আৰু ৰেচম উদ্যোগ প্রধান। ২০০২-০৩ চনত ৰাজ্যখনত কেঁচা পাট আৰু পলুৰ উৎপাদন

যথাক্রমে ১৪,৮২৯ কিঃ গ্রাঃ আৰু ৩৪,৭৫০ কিঃ গ্রাঃ আছিল। যাহঁওক, টাটা কনচালটেন্সী চার্ভিচে চলোৱা সাম্প্রতিক সমীক্ষা এটিৰ মতে ৰাজ্যখনত ৩০০০ ৰো বেছি ক্ষুদ্র আৰু গ্রাম্য উদ্যোগ আছে।

- **অসম ঃ** ক্ষুদ্র উদ্যোগে ৰাজ্যখনৰ ঔদ্যোগীকৰণ আৰু নিযুক্তিৰ ক্ষেত্রত এটি উল্লেখযোগ্য ভূমিকা লৈছে। ২০০১ চনৰ ৩১ মার্চত ৰাজ্যখনত ১৪,৪৫৩ টা ক্ষুদ্র উদ্যোগ আছিল। পিছৰ বছৰটোত (অর্থাৎ ২০০১-০২) ২৫২৮টা নতুন ক্ষুদ্র উদ্যোগ পঞ্জীয়নভূক্ত হৈছিল। অর্থাৎ ২০০২ চনৰ ৩১ মার্চত ৰাজ্যখনত ক্ষুদ্র উদ্যোগৰ সংখ্যা হৈছিলগৈ ১৬,৯৮১টা। এই উদ্যোগবোৰে উল্লিখিত বছৰটোত ১৬,০১৩.৮১ লাখ টকা মূল্যৰ বিক্রীযোগ্য সামগ্রী উৎপাদন কৰিছিল আৰু ১১,৫৩৮ জনক সংস্থাপন দিছিল। ২০০৭-০৮ বর্ষত পুনৰ ১,৬৯২টা ক্ষুদ্র উদ্যোগ পঞ্জীয়নভূক্ত হৈছিল। এইখণ্ডটিয়ে বিক্রীযোগ্য সামগ্রীৰ মূল্য ৪৪, ৭২০.৯৭ লাখলৈ বৃদ্ধি কৰিছিল আৰু ১০,৪৭১জন মানুহক সংস্থাপন দিছিল। এইকেইটা বছৰত ৰাজ্যখনৰ ক্ষুদ্র উদ্যোগসমূহ প্রধানকৈ অভিযান্ত্রিক, বস্ত্র, কৃষি-নির্ভৰ, খনি, বন, বিদ্যুৎ, ৰাসায়নিক, ৰবৰ, প্লাষ্টিক আদি বিভিন্ন ক্ষেত্রত স্থাপিত হৈছে।
- **মণিপুৰ ঃ** ইতিমধ্যে দিয়া ক্ষুদ্র উদ্যোগৰ সংজ্ঞা অনুসৰি, কুটীৰ আৰু গ্রাম্য উদ্যোগসমূহৰ বাহিৰে মণিপুৰৰ সকলো উদ্যোগেই ক্ষুদ্র উদ্যোগৰ পর্য্যায়ত পৰে। ৰাজ্যখনত ক্ষুদ্র উদ্যোগৰ দ্রুত বিকাশৰ বাবে চৰকাৰে ক্ষুদ্র উদ্যোগৰ পঞ্জীয়ন ব্যৱস্থা সৰলীকৃত কৰিছে। তেনে প্রচেষ্টা ফলপ্রসূ হোৱা বুলি ক'ব পাৰি। কাৰণ ৰাজ্যখনত ২০০০-০১ চনত ক্ষুদ্র উদ্যোগৰ সংখ্যা ৯৬৩৫ টা আছিল । ২০০৬ চনৰ মার্চৰ শেষৰ ৰাজ্যখনত পঞ্জীয়নকৃত ক্ষুদ্র উদ্যোগৰ সংখ্যা ১০,২৬৪ টালৈ বৃদ্ধি পাইছে। এই উদ্যোগসমূহ প্রতিষ্ঠা কৰোতে যন্ত্রপাতিৰ খৰচ হৈছে ৪৩.২৭ কোটি টকা। এইবোৰে ৫৩,৭১৯ জন মানুহক নিযুক্তি দিছে আৰু ১৮৩.৭২ কোটি টকা মূল্যৰ সামগ্রী উৎপাদন কৰিছে। ৰাজ্যখনৰ পৰম্পৰাগত কুটীৰ আৰু গ্রাম্য উদ্যোগে হস্ততাঁত (যিটো ৰাজ্যখনৰ ভিতৰতে সর্ববৃহৎ), হস্তশিল্প, খাদী আৰু গ্রাম্য উদ্যোগক সামৰি লয়। ১৯৯৫ চনৰ ১২ এপ্রিলত ভাৰত-ম্যানমাৰ সীমান্ত মুকলি কৰাৰ পিছত ৰাজ্যখনৰ ঔদ্যোগিক সম্ভাৱনা উজ্জ্বল হৈ পৰিছে। ২০০৪-০৫ চনত ৰাজ্যখনৰ আমদানি আৰু ৰপ্তানিৰ পৰিমাণ আছিল যথাক্রমে ৬.১৫ কোটি আৰু ৫.২৭ কোটি টকা। শেহতীয়া ৩-৪ বছৰত ৰাজ্যখনত খাদ্য প্রস্তুতকৰণ আৰু বাঁহ উদ্যোগৰ ওপৰত গুৰুত্ব দিয়া হৈছে।
- **মেঘালয় ঃ** আমি ইতিপূর্বে উল্লেখ কৰিছোঁ যে, অঞ্চলটোত মেঘালয় ঔদ্যোগিকভাৱে উন্নত ৰাজ্যসমূহৰ অন্যতম। সাম্প্রতিক বছৰবোৰত ৰাজ্যখনত ক্ষুদ্র উদ্যোগৰ সুস্থিৰ অগ্রগতি পৰিলক্ষিত হয়। ২০০০-০১ চনত ৰাজ্যখনত ক্ষুদ্র উদ্যোগৰ সংখ্যা ৩৮০৩ টা আছিল। এই উদ্যোগবোৰে ৰাজ্যখনত ২১,৪১৬ জন মানুহক নিযুক্তি দিছিল। ২০০৪-০৫ চনত ৰাজ্যখনত ক্ষুদ্র উদ্যোগৰ সংখ্যা ৫১৩২ টালৈ বৃদ্ধি পাইছিল। এই

গোটসমূহে ৰাজ্যখনত ২৮,৮৪৯ জন মানুহক নিযুক্তি দিছিল। ২০০৭-০৮ চনত ক্ষুদ্ৰ উদ্যোগৰ সংখ্যা বাঢ়ি ৬,৫১১ টালৈ বৃদ্ধি হৈছিল আৰু নিযুক্তিপ্ৰাপ্ত লোকৰ সংখ্যা ৩৬,১৯৩ জনলৈ বৃদ্ধি পাইছিল। ৰাজ্যখনৰ প্ৰায়ভাগ ক্ষুদ্ৰ উদ্যোগেই তামোল সংৰক্ষণ, দৰ্জী, বাঁহ আৰু বেঁতৰ শিল্প, তীখা, কাঠৰ আচবাব, চুণ নিৰ্মাণ, বোকামাটি আদি ক্ষেত্ৰত সিঁচৰিত হৈ আছে।

- **মিজোৰাম ঃ** মিজোৰাম বৰ্তমানেও এখন উদ্যোগিক ভাৱে অনগ্ৰসৰ ৰাজ্য হিচাপেই পৰিগণিত হৈ আছে। ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনলৈ পঞ্জীয়নভূক্ত আৰু পঞ্জীয়ন বহিৰ্ভূত উদ্যোগৰ বৰঙণি মাত্ৰ ১%। ২০০৫ চনত সম্পন্ন হোৱা পঞ্চম অৰ্থনৈতিক পিয়ল অনুসৰি, মিজোৰামত খেতিৰ বাহিৰে অন্যান্য অৰ্থনৈতিক কৰ্মকাণ্ডত জড়িত প্ৰতিষ্ঠানৰ সংখ্যা ৪৭,৭৩০ টা আৰু তাত মুঠ ১,০৬,৭০৬জন মানুহ নিযুক্ত হৈ আছে। পিয়লটোৱে প্ৰকাশ কৰিছিল যে, প্ৰতিষ্ঠানৰ সংখ্যা ১৯৯৮ চনত ২৮,৯৪৩টাৰ পৰা ২০০৫ চনত ৪৭,৭৩০টালৈ বৃদ্ধি পাইছিল, বৃদ্ধিৰ হাৰ ৯১.৩৬ %। এই ৪৭,৭৩০টা প্ৰতিষ্ঠানৰ ভিতৰত ১৮,০১৬টা (৩৭.৭৫%) গ্ৰাম্য অঞ্চলত আৰু ২৯,৭১৪টা (৬২.২৫%) নগৰ অঞ্চলত স্থাপিত। আকৌ, এইসমূহ প্ৰতিষ্ঠানৰ ১০,৭৮২টা কৃষি খণ্ডত আৰু ৩৬,৯৪৮ অনা-কৃষি খণ্ডত স্থাপিত আছিল।
- **নগালেণ্ড ঃ** সাম্প্ৰতিক সময়ত নগালেণ্ডে ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত কিছু যোগাত্মক সহাঁৰি দেখুৱাইছে। ২০০৩-০৪ চনত ৰাজ্যখনত ৫৭৩টা নতুন ক্ষুদ্ৰ উদ্যোগ পঞ্জীয়ন হৈছিল। সেইবোৰে ৰাজ্যখনত বছৰটোত ৫,৩৯৭ জন মানুহক নিযুক্তি দিছিল। পিছৰ বছৰটোত ৫৬৯ টা নতুন ক্ষুদ্ৰ উদ্যোগ পঞ্জীয়ন কৰা হৈছিল আৰু সেইবোৰে ৬,৩১৮জন মানুহক নিযুক্তি দিছিল। ২০০৬-০৭ বৰ্ষত ৭১৭টা নতুন ক্ষুদ্ৰ উদ্যোগ পঞ্জীয়নভূক্ত হৈছিল আৰু সেইবোৰে ১৩,৪৫২জন মানুহক নিযুক্তি দিছিল।
- **চিক্কিম ঃ** আমি ইতিপূৰ্বে উল্লেখ কৰিছোঁ যে চিক্কিমৰ উদ্যোগিক দৃশ্যপট মুঠেও সন্তোষজনক নহয়। ২০০৪ চনৰ ৩১ মাৰ্চলৈ ৰাজ্যখনত ৩৬৭ টা অস্থায়ী আৰু ৩৬৩ টা স্থায়ীভাৱে পঞ্জীয়নকৃত ক্ষুদ্ৰ উদ্যোগ, ৩টা কুটীৰ উদ্যোগ, ৩টা মজলীয়া বিধৰ উদ্যোগ আৰু ৩টা ৰাজহুৱা খণ্ডৰ উদ্যোগ আছিল।
- **ত্ৰিপুৰা ঃ** সম্ভাৱনীয়তা অনুসৰি ত্ৰিপুৰাৰ ক্ষুদ্ৰ উদ্যোগৰ অৱস্থাও সিমান সন্তোষজনক নহয়। অৱশ্যে ৰাজ্যখনত কিছু উন্নতি নোহোৱাও নহয়। ২০০২-০৩ বৰ্ষত ৰাজ্যখনত অস্থায়ী পঞ্জীয়নৰ জৰিয়তে ৫৬২টা ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ বিপৰীতে স্থায়ী পঞ্জীয়ন ব্যৱস্থাৰ অধীনত আন ৫১টা উদ্যোগ গঢ়ি উঠিছিল। তেনেদৰে ২০০৭-০৮ বৰ্ষত অস্থায়ী পঞ্জীয়ন ব্যৱস্থাৰে ৪২২টা ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠিছিল। সামগ্ৰিক ভাৱে ৰাজ্যখনত ২০০৭-০৮ বৰ্ষত ৪,২৫৩ টা অস্থায়ী পঞ্জীয়নকৃত আৰু ৩৫৮টা স্থায়ী পঞ্জীয়নকৃত ক্ষুদ্ৰ উদ্যোগ আছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ শুদ্ধ উত্তৰটো বাচি উলিয়াওক ঃ

(ক) হস্ততাঁত অৰুণাচল প্রদেশ / মণিপুৰ / মেঘালয় /মিজোৰামৰ সর্ববৃহৎ কুটীৰ উদ্যোগ।

(খ) তামোল সংৰক্ষণ আৰু চিলাই কাম অসম /মেঘালয় /মণিপুৰ / ত্রিপুৰাৰ ক্ষুদ্র উদ্যোগসমূহৰ উল্লেখযোগ্য কাম।

প্রশ্ন নং ৮ ঃ অৰুণাচল প্রদেশৰ ক্ষুদ্র উদ্যোগৰ অৱস্থাৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰাক। (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

৯.৬ অঞ্চলটোৰ ঔদ্যোগিক বিকাশ ঃ প্রাথমিক সমস্যা আৰু সম্ভাৱনীয়তাসমূহ

৯.৬.১ অঞ্চলটোৰ ঔদ্যোগিক বিকাশৰ প্রাথমিক সমস্যাসমূহ

অঞ্চলটোত ঔদ্যোগিক বিকাশ উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগসমূহে বিভিন্ন সমস্যাৰ মুখামুখি হৈ আছে। সেইবোৰ হ'ল—

- *আন্তঃগাঠনিমূলক সুবিধাসমূহৰ অভাৱ ঃ* অঞ্চলটোৰ উদ্যোগসমূহে আন্তঃগাঁথনিমূলক সুবিধাসমূহ; যেনে— সঠিক যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ পৰা বঞ্চিত। ইয়েই বৃহৎ উদ্যোগসমূহৰ উত্থানত বাধা প্রদান কৰিছে।
- *সুদক্ষ মানৱ শক্তি ঃ* যিকোনো উদ্যোগতেই মানৱশক্তিৰ গুৰুত্ব অপৰিসীম। নিৰক্ষৰতা, অজ্ঞতা, প্রশিক্ষণৰ অভাৱ ইত্যাদিৰ বাবে হোৱা অদক্ষ মানৱ শক্তিয়েও অঞ্চলটোৰ উদ্যোগসমূহৰ উত্থান ব্যাহত কৰিছে।
- *ঋণৰ অভাৱ ঃ* ক্ষুদ্র উদ্যোগসমূহৰ অন্য এক ডাঙৰ সমস্যা হ'ল উপযুক্ত ঋণৰ সুবিধাৰ অভাৱ। ৰাষ্ট্রীয়কৃত হোৱাৰ আগতে ব্যৱসায়িক বেংকসমূহে এই ক্ষেত্রলৈ ঋণ আগবঢ়াবলৈ আগ্রহী নাছিল। বেংকসমূহৰ ৰাষ্ট্রীয়কৰণ হোৱাৰ পাছত অৱস্থাৰ যথেষ্ট পৰিবর্তন হ'ল যদিও ই এতিয়াও সন্তোষজনক নহয়।
- *পুৰণি আৰু অপ্রচলিত যন্ত্রপাতি ঃ* ক্ষুদ্র উদ্যোগসমূহৰ উৎপাদনৰ এক ডাঙৰ সমস্যা হ'ল পুৰণি আৰু অনৰচলিত যন্ত্র-পাতিৰ ব্যৱহাৰ। এইবোৰ বৃহৎ উদ্যোগসমূহৰ উৎপাদনৰ সতে ফেৰ মাৰিবলৈ অসমর্থ।

- *বজাৰ ব্যৱস্থাৰ অভাৱ ঃ* অঞ্চলটোৰ উদ্যোগসমূহৰ বাবে আন এক সমস্যা হ'ল উপযুক্ত বজাৰৰ অভাৱ। অঞ্চলটোত সংগঠিত বজাৰৰ খুবেই অভাৱ। উৎপাদনসমূহৰ বিক্রীৰ বাবে সেয়ে উদ্যোগসমূহে মধ্যভোগীৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। বহুক্ষেত্রত দেখা যায় যে ইয়াৰে উদ্যোগসমূহৰ উৎপাদনসমূহ বজাৰেই নাপায়গৈ।
- *পুৰণি ডিজাইন ঃ* ক্ষুদ্র উদ্যোগসমূহে পুৰণি ডিজাইনসমূহেৰেই আগবাঢ়ি আছে। সেয়ে ইয়াৰ উৎপাদনসমূহে চাহিদাৰ আধুনিকতাক স্পর্শ কৰিব পৰা নাই। বিশেষভাৱে অঞ্চলটোৰ বস্ত্র উদ্যোগ এইবাবেই আটাইতকৈ বেছি ক্ষতিগ্রস্থ হৈছে।
- *ঔদ্যোগিক ৰুগ্নতা ঃ* অঞ্চলটোৰ উদ্যোগসমূহৰ আন এক ডাঙৰ সমস্যা হ'ল ঔদ্যোগিক ব্যাধিগ্রস্থতা। অদক্ষ পৰিচালনাৰ বাবে গুৰুত্বপূর্ণ উদ্যোগসমূহ লোকচানৰ সন্মুখীন হৈছে। উদাহৰণস্বৰূপে, চিক্কিমৰ সর্বমুঠ প্রায় ৮০০ ঔদ্যোগিক প্রতিষ্ঠানৰ ৪৭টাই বর্তমান কার্যক্ষম নহয়। একেদৰে অসমত স্থাপিত বেছিভাগ ঔদ্যোগিক প্রতিষ্ঠান আৰু বিশেষভাৱে সমবায়ভিত্তিক উদ্যোগসমূহ ব্যাধিগ্রস্থ। ব্যাধিগ্রস্থ উদ্যোগসমূহ বর্তি থকাটোৱেই অঞ্চল একোটাৰ অর্থনীতিত বিৰূপ প্রভাৱ পেলায়। ই নিবনুৱা সমস্যা সৃষ্টি কৰাৰ উপৰি ঔদ্যোগিক উদ্দীপনা হ্রাস কৰে।
- *পুতৌ লগা আইন শৃংখলা পৰিস্থিতি ঃ* সঠিক ঔদ্যোগিক বিকাশৰ বাবে এক সুস্থিৰ আৰু শান্তিপূর্ণ বার্তাবৰণৰ প্রয়োজন। কিন্তু অঞ্চলটোৰ পুতৌলগা আইন শৃংখলা পৰিস্থিতিয়ে ঔদ্যোগিক বিকাশ বাধাগ্রস্থ কৰিছে।

৯.৬.২ সঠিক ঔদ্যোগিক বিকাশৰ সম্ভাৱনীয়তা

সঠিক ঔদ্যোগিক বিকাশৰ দ্বাৰা অঞ্চলটোৰ উদ্যোগ খণ্ডত হ'ব পৰা সম্ভাৱনীয়তা সমূহ এনেধৰণৰ ঃ

- *নিয়োগৰ সুযোগ সৃষ্টি ঃ* অঞ্চলটোৰ অধিকাংশ উদ্যোগ বিশেষভাৱে ক্ষুদ্র উদ্যোগসমূহ শ্রম নির্ভৰ। সেয়ে এনে উদ্যোগসমূহে অধিক নিয়োগৰ সুযোগ আগবঢ়ায়। একেদৰে বৃহৎ উদ্যোগসমূহৰ সঠিক বিকাশেও নিয়োগৰ সম্ভাৱনীয়তা যথেষ্ট বৃদ্ধি কৰে। যিহেতু অঞ্চলটোৰ নগৰ আৰু গ্রাম্যাঞ্চল দুয়োটাতেই নিবনুৱাৰ সমস্যা আছে, সেয়ে অঞ্চলটোৰ উদ্যোগৰ বিকাশ অতি প্রয়োজন।
- *নিম্ন মূলধনৰ বিনিয়োগ ঃ* বৃহৎ উদ্যোগসমূহৰ তুলনাত ক্ষুদ্র উদ্যোগসমূহত মূলধনৰ বিনেয়োগৰ প্রয়োজন কম। যিহেতু অঞ্চলটোত মূলধনৰ বিনিয়োগ নিম্নমানৰ, সেয়ে অঞ্চলটোত ক্ষুদ্র উদ্যোগসমূহৰ উত্থান অধিক সম্ভাৱনাশীল।
- *স্ব-নির্ভৰ অর্থনীতিৰ অৱকাশ ঃ* বৃহৎ উদ্যোগসমূহৰ বিকাশে অঞ্চলটোক স্ব-

নির্ভৰ হোৱাত সহায় কৰিব পাৰে। সঞ্চয় আৰু বিনিয়োগৰ লগতে বৃহৎ ঔদ্যোগিক ক্ষেত্রত নিয়োজনৰ সম্ভাৱনীয়তাও পর্যাপ্ত।

- *ক্ষীপ্র ফিৰতি ঃ* ক্ষুদ্র উদ্যোগৰ ক্ষেত্রত মূলধনৰ বিনিয়োগ আৰু বস্তু উৎপাদনৰ মাজত সময়ৰ ব্যৱধান কম। সেয়ে বিনিয়োগকাৰীয়ে সোনকালে বিনিয়োগৰ ফল লাভ কৰে।
- *ভূমিৰ ওপৰত হোৱা চাপ হ্রাস ঃ* অঞ্চলটোৰ অধিকাংশ লোকেই কৃষিৰ ওপৰত নির্ভৰশীল। সেয়ে ক্ষুদ্র উদ্যোগৰ প্রসাৰে অতিৰিক্ত শ্রমিক শক্তিক ঔদ্যোগিক ক্ষেত্রলৈ অপসাৰিত হোৱাত সহায় কৰে।
- *ঔদ্যোগিক দক্ষতাৰ বিকাশ ঃ* ঔদ্যোগিক ক্ষেত্রৰ বিকাশে অঞ্চলটোৰ জনসাধাৰণৰ দৃষ্টিভংগীতো যথেষ্ট পৰিবর্তন আনিব। জনসাধাৰণৰ ঔদ্যোগিক দক্ষতাৰ বিকাশে বিনিয়োগৰ নতুন নতুন ক্ষেত্র আৱিস্কাৰৰ ক্ষেত্রত সহায়ক হ'ব। ই অঞ্চলটোৰ অর্থনীতিকো অধিক সবল কৰি তুলিব।
- *উত্থান আৰু স্থিৰতা ঃ* অঞ্চলটোৰ অর্থনীতি কৃষি নির্ভৰশীল। কিন্তু কৃষিক্ষেত্র হ'ল ঋতু আৰু বৰষুণ নির্ভৰ। উদ্যোগ সমূহৰ উত্থানে কৃষিক্ষেত্রৰ ওপৰত নির্ভৰশীলতা হ্রাস কৰিব আৰু লগতে ই অঞ্চলটোৰ বিকাশৰ বাবে সহায়ক হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ তলৰ বাক্যাংশবোৰ শুদ্ধনে অশুদ্ধ উল্লেখ কৰক।

(ক) অঞ্চলটোৰ বস্ত্র উদ্যোগ পুৰণি ডিজাইনৰ হোৱাটোৱে বেয়াকৈ ক্ষতিগ্রস্থ হৈছে। (শুদ্ধ/অশুদ্ধ)

(খ) বজাৰ ব্যৱস্থাৰ অভাৱ কেৱল অঞ্চলটোৰ কৃষিক্ষেত্রৰ সতে জড়িত। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ১০ ঃ ঔদ্যোগিক ব্যাধিগ্রস্থতাই কিদৰে একোটা অর্থনীতিৰ উদ্যোগিক পৰিবেশক প্রভাৱিত কৰে? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

.....

৯.৭ উত্তৰ-পূব ঔদ্যোগিক আৰু বিনিয়োগ পৃষ্ঠপোষক নীতি, ২০০৭ (গুৰুত্বপূর্ণ অংশসমূহ)

১.৪.২০০৭ তাৰিখৰ পৰা কার্যকৰী হোৱা 'উত্তৰ -পূব ঔদ্যোগিক আৰু বিনিয়োগ

পৃষ্ঠপোষক নীতি, ২০০৭' (North East Industrial and Investment Promotion Policy, NEIIPP)ৰ অধীনত ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক বৃত্ত উদগনি পেকেজ আৰু অন্য ৰেহাই কিছুমান অনুমোদন কৰিছে। এই আঁচনিৰ অন্তৰ্গত উল্লেখযোগ্য বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা হ'ল—

- **পৰিসৰ ঃ** NEIIPP, ২০০৭ত চিক্কিমকো অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে, পূৰ্বতে ভাৰত চৰকাৰে ঘোষণা কৰা উত্তৰ-পূব ঔদ্যোগিক আঁচনি (NEIP) ১৯৯৭- ৰ পৰা ইয়াত বাদ পৰি হৈছিল।
- **সময়সীমা ঃ** সকলো নতুন গোটৰ লগতে পূৰ্বৰ গোটসমূহে 'সামগ্রিক প্রসাৰ' আৰু যিবোৰ উদ্যোগে NEIIPP, ২০০৭ আঁচনিখন জাৰী হোৱা তাৰিখৰ পৰা দহ বছৰৰ ভিতৰত ব্যৱসায়িক ভিত্তিত উৎপাদন আৰম্ভ কৰিব, সেই সকলো গোটেই উৎপাদন আৰম্ভ হোৱা দিনৰ পৰা দহ বছৰলৈ এই আঁচনিখনৰ ভিত্তিত বিত্তীয় সুবিধাসমূহ লাভ কৰাৰ বাবে বিবেচিত হ'ব। ইয়াত উল্লেখ কৰা 'সামগ্রিক প্রসাৰ' কথাষাৰৰ তাৎপর্য হ'ল— অঞ্চলটিত বর্তমানে প্রতিষ্ঠিত কোনো ঔদ্যোগিক গোটে ইয়াৰ সামর্থ্য/আধুনিকীকৰণ বা বহুমুখী-কৰণৰ উদ্দেশ্যে কৰিব খোজা বিনিয়োগ উদ্যোগটোৰ বর্তমানৰ স্থায়ী মূলধনৰ কমেও ২৫% হ'ব লাগিব। (an increase by not less them 25% in the value of fixed capital investment in plant and machinery for the purpose of expansion of capacity/modernijation and diversification.)
- **স্থানৰ নিৰপেক্ষতা ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ যিকোনো স্থানত স্থাপিত নতুন অথবা পূৰ্বৰ সকলো গোটলৈ এই বিত্তীয় সুবিধা আগবঢ়োৱা হ'ব।
- **আবকাৰী শুল্ক অব্যাহতি ঃ** NEIP, ১৯৯৭ত থকাৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো চূড়ান্ত উৎপাদনৰ ওপৰতেই ১০০% আবকাৰী শুল্কৰ ৰেহাই অব্যাহত থাকিব।
- **আয় কৰ ৰেহাই ঃ** NEIP, ১৯৯৭ত থকাৰ দৰে NEIIPP, ২০০৭ততো ১০০% আয় কৰ ৰেহাই ব্যৱস্থা অব্যাহত থাকিব।
- **মূলধন বিনিয়োগ সাহায্য ঃ** NEIP, ১৯৯৭ত থকাৰ দৰে উদ্যোগ স্থাপন আৰু যন্ত্রপাতিত মূলধন বিনিয়োগ সাহায্য ১৫%ৰ পৰা ৩০% লৈ বৃদ্ধি কৰা হৈছে । ইয়াৰ পৰিমাণ হ'ব প্রতি ৩০ লাখৰ পৰা ১.৫ কোটি আৰু ই স্বয়ংক্রিয়ভাৰে অনুমোদিত হ'ব।
- **সুত সাহার্য ঃ** NEIIPP, ২০০৭ৰ অধীনত সকলো কার্যকৰী মূলধন ঋণত ৩% হাৰত সুত সাহার্য সুলভ হ'ব।
- **সামগ্রিক বীমা ঃ** নতুনৰ লগতে পূর্বে স্থাপিত গোটসমূহেও ১০০% বীমা কিস্তিৰ পৰিশোধৰ সুবিধা লাভ কৰিব।
- **ঋণাত্মক তালিকা ঃ** NEIIPP, ২০০৭ ৰ অধীনত তলত দিয়া উদ্যোগসমূহে এই সুবিধা লাভ নকৰে—

  প্রথম অনুসূচীৰ ২৪নং দফাৰ অধীনত ধপাত অথবা ধপাতৰ পৰিপূৰক দ্রব্যসমূহ—

  ➢ প্রথম অনুসুচীৰ ২১নং দফাত উল্লিখিত পান মচলা

- ➢ পৰিবেশ আৰু বন মন্ত্রণালয়ে নির্দ্ধাৰিত কৰি দিয়া ২০ মাইক্রনৰ তলৰ প্লাষ্টিকৰ পৰিবাহী বেগ।
- ➢ প্রথম অনুসুচীৰ ২৭নং দফাৰ অন্তর্গত পেট্রলিয়াম, তেল অথবা গেছৰ দ্বাৰা প্রস্তুত বস্তুসমূহ।

- **সেৱা/অন্য ঔদ্যোগিক ক্ষেত্রলৈ সাহায্য ঃ** NEIIPP, ২০০৭ৰ অধীনত নিম্নোক্ত সেৱাখণ্ডৰ কাম কাজ /উদ্যোগে বিত্তীয় সাহায্য লাভ কৰিব।
  - ➢ হোটেল (টু-ষ্টাৰৰ তলৰ); জৰীপথকে (Ropeway) ধৰি দুঃসাহসিক আৰু জিৰণি সময়ৰ খেলসমূহ ,
  - ➢ নাচিং হ'মৰ দৰে ২৫ খন বিচনাযুক্ত চিকিৎসালয় আৰু বৃদ্ধাশ্রম,
  - ➢ হোটেল মেনেজমেণ্ট, কেটাৰিঙ আৰু ফুড ক্রাষ্ট, উদ্যোগী বিকাশ, নার্চিং আৰু পাৰা-মেডিকেল, চিভি ল এভিয়েচনৰ প্রশিক্ষণ, ফেশ্বন ডিজাইন আৰু ঔদ্যোগিক প্রশিক্ষণ আদি কাৰীকৰী প্রশিক্ষণ প্রদানকাৰী অনুষ্ঠান।
- **জৈৱ-প্রযুক্তি উদ্যোগলৈ সাহায্য ঃ** NEIIPP, ২০০৭ৰ অধীনত জৈৱ-প্রযুক্তি উদ্যোগসমূহে এই সুবিধাসমূহ লাভ কৰিব।
- **শক্তি উৎপাদনকাৰী উদ্যোগ ঃ** আয়কৰ এক্টৰ ৮১(এ) দফাৰ অধীনত শক্তি উৎপাদনকাৰী উদ্যোগসমূহলৈ এই সাহার্য্য অব্যাহত থাকিব।
- **কেন্দ্রীয় অনুষ্ঠান ঃ** সাহায্যসমূহ প্রদানৰ বাবে পূর্বৰ দৰেই (NEDFI) North East Development Finance Corporation (উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম) নেডফিএ কেন্দ্রীয় কার্যনির্বাহক হিচাপে কাম কৰিব। নতুন আঁচনিখনে উত্তৰ-পূব ভাৰতৰ পৰিৱেশৰ স'তে সহ-সম্বন্ধিত বিকাশ নিশ্চিত কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ তলত দিয়া বাক্যাংশটো শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

এন-ই-আই-পি-পি (NEIIPP), ১৯৯৭ আঁচনিত অৰুণাচল প্রদেশ অন্তর্ভুক্ত।

প্রশ্ন নং ১২ ঃ NEIIPP, ২০০৭ত 'সামগ্রিক বিকাশ' শব্দাংশ কিদৰে ব্যাখ্যা কৰা হৈছে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

প্রশ্ন নং ১৩ ঃ NEIIPP, ২০০৭ৰ অধীনত ঋণাত্মক তালিকাৰ অধীনত অন্তর্ভুক্ত যিকোনো দুটা উদ্যোগৰ নাম লিখা।

.....

.....

ঔদ্যোগিক নীতি আৰু পোষকতাকাৰী বিভাগ (DIPP)এ নীতি আয়োগৰ সৈতে যুটীয়াভাৱে নতুন ঔদ্যোগিক নীতি প্ৰস্তুত কৰিছে। পুৰণি নীতিৰ স্থান লোৱা এই নতুন নীতিৰ অধীনত আন এক নতুন উত্তৰ-পূৰ্বাঞ্চল ঔদ্যোগিক তথা বিনিয়োগ পোষকতা নীতি প্ৰণয়ন কৰা হৈছে। মোদী চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক পাৰিপাৰ্শ্বিক ভাৰসাম্যতাত ব্যাঘাত নজন্মোৱাকৈ উন্নয়নৰ পোষকতা কৰিব বিচাৰিছে। এই নীতিৰ অধীনত কৃষিজ সামগ্ৰীৰ সংসাধন (agro-processing) উদ্যান কৃষি (harticulture) পুষ্পোদ্যান বিজ্ঞান (floriculture) আৰু ৰোপন শস্য(plantatiion) আদিৰ দৰে পাৰিপাৰ্শ্বিকতাৰ দিশেৰে বহনক্ষম উদ্যোগ স্থাপনত মনোনিৰেশ কৰা হ'ব। আঁচনিখনে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পৃষ্ঠপোষকতা কৰিব আৰু এনে উদ্যোগৰ জৰিয়তে নতুন কৰ্মসংস্থাপনৰ সৃষ্টি কৰা হ'ব।



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামগ্ৰিকভাৱে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ আটাইতকৈ দুখীয়া অঞ্চলসমূহৰ মাজত ধৰা হৈছে।
- নিম্নমানৰ আন্তঃগাথঁনি, বেছিভাগ ৰাজ্যই দুৰ্গম পাহাৰেৰে বেষ্টিত হোৱাটো অঞ্চলটোত বৃহৎ উদ্যোগ স্থাপনৰ ক্ষেত্ৰত এক ডাঙৰ সমস্যা।
- অসম আৰু মেঘালয়ক বাদ দি অঞ্চলটোৰ ঔদ্যোগিক ক্ষেত্ৰ খনৰ বৈশিষ্ট হ'ল ক্ষুদ্ৰ উদ্যোগ। এই উদ্যোগসমূহ ঘাইকৈ বস্ত্ৰ আৰু হস্তশিল্প, খাদী আৰু গ্ৰাম্য উদ্যোগ আদি পৰম্পৰাগত ক্ষেত্ৰসমূহতেই পৰিলক্ষিত হয়, আৰু ই বিশেষভাৱে অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, চিক্কিম আৰু ত্ৰিপুৰাত আছে।
- উত্তৰ-পূব ঔদ্যোগিক আৰু বিনিয়োগ পৃষ্ঠপোষক নীতি, ২০০৭খন ১ এপ্ৰিল ২০০৭ ৰ পৰা কাৰ্যকৰী হৈছে।
- ইয়াৰ জৰিয়তে অঞ্চলটোত পৰিবেশৰ অনুকূল উন্নয়ন লাভৰ ওপৰত গুৰুত্ব দিয়া হৈছে।



৯.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ড° প্ৰণৱ কুমাৰ ধৰ ঃ *অসমৰ অৰ্থনীতি (উত্তৰ-পূব ভাৰতৰ অৰ্থনীতিসহ)*, কল্যাণী পাব্লিচাৰ্ছ।

ইংৰাজী গ্ৰন্থ ঃ

১) P. K. Dhar: *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers, 18th Edition, 2007.



৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ পঞ্জীয়নভূক্ত নির্মাণকাৰী গোট বুলিলে সেইবোৰ গোটক বুজোৱা হয় যিবোৰ গোট কাৰখানা আইন, ১৯৪৮ ৰ ধাৰা ২নং (১) আৰু ২নং (২)ৰ অধীনত পঞ্জীয়নৰ চর্তসমূহ পূৰণ কৰিছে। এইবোৰ গোটে অনিবার্যভাবে সেইবোৰ গোটক সামৰি লয় যিবোৰে ১০ জন বা ততোধিক শ্রমিকৰ লগতে শক্তিৰো ব্যৱহাৰ কৰে অথবা ২০জন বা ততোধিক শ্রমিক নিয়োগ কৰে কিন্তু শক্তি (বিদ্যুৎ) ব্যৱহাৰ নকৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ অঞ্চলটোৰ উদ্যোগসমূহ মূলতঃ পঞ্জীয়নকৃত বোলা কথাষাৰ শুদ্ধ নহয়। কাৰণ অঞ্চলটোৰ বেছিভাগ ৰাজ্যতে অপঞ্জীয়নকৃত ঔদ্যোগিক গোটৰ সংখ্যাই সৰহ। ৰাষ্ট্রীয় অর্থনীতিৰ প্রেক্ষাপটৰ বিপৰীতে অঞ্চলটোত অপঞ্জীয়নকৃত ঔদ্যোগিক গোটৰহে প্রাধান্য দেখা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) অৰুণাচল প্রদেশ (খ) মণিপুৰ

৬ নং প্রশ্নৰ উত্তৰ ঃ অঞ্চলটোৰ অন্যান্য ৰাজ্যৰ দৰেই মণিপুৰো প্রাকৃতিক সম্পদৰ ফালৰ পৰা চহকী। কিন্তু ৰাজ্যখনৰ পাহাৰীয়া দুর্গমতা, নিম্নমানৰ আন্তঃগাথুনি আৰু অস্থিৰ জলবায়ুৰ কাৰণে মণিপুৰে ঔদ্যোগীকৰণৰ ক্ষেত্রত বিশেষ সাফল্য লাভ কৰিবলৈ সক্ষম হোৱা নাই।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) মণিপুৰ (খ) মেঘালয়

৮ নং প্রশ্নৰ উত্তৰ ঃ অৰুণাচল প্রদেশৰ প্রধান উদ্যোগৰ ভিতৰত হস্ততাঁত আৰু বস্ত্র শিল্প আৰু ৰেচম উদ্যোগ প্রধান। ২০০২-০৩ চনত ৰাজ্যখনত কেঁচা পাট আৰু পলুৰ উৎপাদন যথাক্রমে ১৪,৮২৯ কিঃ গ্রাঃ আৰু ৩৪,৭৫০ কিঃ গ্রাঃ আছিল। যাহঁওক, টাটা কনচালটেন্সী চার্ভিচে চলোৱা সাম্প্রতিক সমীক্ষা এটিৰ মতে ৰাজ্যখনত ৩০০০ৰো বেছি ক্ষুদ্র আৰু গ্রাম্য উদ্যোগ আছে।

৯ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

১০ নং প্রশ্নৰ উত্তৰ ঃ অঞ্চলটোৰ উদ্যোগসমূহৰ এক ডাঙৰ সমস্যা হ'ল ঔদ্যোগিক ব্যাধিগ্রস্থতা। অদক্ষ পৰিচালনাৰ বাবে গুৰুত্বপূর্ণ উদ্যোগসমূহ লোকচানৰ সন্মুখীন হৈছে। উদাহৰণ স্বৰূপে, চিক্কিমৰ সর্বমুঠ প্রায় ৮০০ ঔদ্যোগিক প্রতিষ্ঠানৰ ৪৭টাই বর্তমান কার্যক্ষম নহয়। একেদৰে অসমত স্থাপিত বেছিভাগ ঔদ্যোগিক প্রতিষ্ঠান আৰু বিশেষভাৱে সমবায়ভিত্তিক উদ্যোগ-সমূহ ব্যাধিগ্রস্থ। ব্যাধিগ্রস্থ উদ্যোগসমূহ বর্তি থকাটোৱেই অঞ্চল একোটাৰ অর্থনীতিত বিৰূপ প্রভাৱ পেলায়। ই নিবনুৱা সমস্যা সৃষ্টি কৰাৰ উপৰি

ঔদ্যোগিক উদ্দীপনা হ্রাস কৰে।

১১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১২ নং প্রশ্নৰ উত্তৰ ঃ NEIIPP, ২০০৭ত উল্লেখ থকা 'সামগ্রিক প্রসাৰ' কথাষাৰৰ তাৎপর্য হ'ল— অঞ্চলটিত বর্তমানে প্রতিষ্ঠিত কোনো ঔদ্যোগিক গোটে ইয়াৰ সামর্থ/আধুনিকীকৰণ বা বহুমুখীকৰণৰ উদ্দেশ্যে কৰিব খোজা বিনিয়োগ উদ্যোগটোৰ বর্তমানৰ স্থায়ী মূলধনৰ কমেও ২৫% হ'ব লাগিব।

১৩ নং প্রশ্নৰ উত্তৰ ঃ NEIIPP, ২০০৭ৰ অধীনত কিছুমান নির্দিষ্ট উদ্যোগে আঁচনিখনত উল্লেখ থকা বিভিন্ন ধৰণৰ সুবিধাসমূহ লাভ নকৰে। তাৰ ভিতৰত দুটা উদ্যোগ হ'ল—

— প্রথম অনুসূচীৰ ২৪ নং দফাৰ অধীনত ধপাত অথবা ধপাতৰ পৰিপূৰক দ্রব্যসমূহ

— প্রথম অনুসুচীৰ ২১নং দফাত উল্লিখিত পান মচলা।



৯.১১ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

প্রশ্ন ১ ঃ অঞ্চলটোৰ উদ্যোগসমূহৰ শ্রেণীবিভাজন আলোচনা কৰক।

প্রশ্ন ২ ঃ ঔদ্যোগিক উৎপাদনত ৰাজ্যসমূহৰ পঞ্জীয়নকৃত আৰু অপঞ্জীয়নকৃত উদ্যোগ খণ্ডৰ বৰঙণি আলোচনা কৰক।

প্রশ্ন ৩ ঃ নিম্নলিখিত ৰাজ্যসমূহৰ ঔদ্যোগিক খণ্ডৰ ওপৰত চমুটোকা লিখক—

(ক) অৰুণাচল প্রদেশ (খ) মণিপুৰ (গ) মিজোৰাম (ঘ) মেঘালয়

(খ) ৰচনাধর্মী প্রশ্ন ঃ (৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

প্রশ্ন ১ ঃ অঞ্চলটোৰ বিকাশত ক্ষুদ্র আৰু কুটীৰ উদ্যোগসমূহৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ২ ঃ অঞ্চলটোৰ বৃহৎ উদ্যোগসমূহে সন্মুখীন হোৱা সমস্যাসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ উত্তৰ-পূর্বাঞ্চলৰ উদ্যোগসমূহৰ বাবে কেনেধৰণৰ ৰেহাই ব্যৱস্থা আগবঢ়োৱা হৈছে? NEIIPP, ২০০৭ৰ আলমত ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ সীমান্তৱর্তী বাণিজ্য আৰু 'পূৱলৈ চোৱা' নীতি

অধ্যায় গাঁথনি

১০.১ শিক্ষণৰ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সীমান্তৱর্তী বাণিজ্যৰ সম্ভাৱনীয়তা

১০.৪ লুক ইষ্ট পলিচি (পূৱলৈ চোৱা নীতি)

১০.৫ এষ্ট ইষ্ট পলিচি (পূৱক কার্যকৰীকৰণ কৰা নীতি)

১০.৬ লুক ইষ্ট আৰু এষ্ট ইষ্ট পলিচিৰ মাজৰ পার্থক্য

১০.৭ সামৰণি

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

পূৱলৈ চোৱা নীতি AEP নীতিৰ প্রধান উদ্দেশ্য হৈছে এছিয়াৰ সমগ্র অঞ্চলৰ লগত ভাৰতৰ আর্থিক, সাংস্কৃতিক আৰু কৌশলগত সম্পর্কৰ উন্নতি কৰা।

এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আপোনালোকে জানিবলৈ সক্ষম হ'ব ঃ—

- সীমান্তবর্তী বাণিজ্য কি?
- চুবুৰীয়া দেশৰ লগত উত্তৰ পূৱ অঞ্চলৰ সীমান্তবর্তী বাণিজ্যৰ সম্ভৱনা সমূহৰ বিষয়ে
- পূৱলৈ চোৱা নীতি (লুক ইষ্ট পলিচি) ৰ বিভিন্ন কাৰকসমূহৰ বিষয়ে
- পূৱক কার্য্যকৰীকৰণ কৰা নীতি (এষ্ট ইষ্ট পলিচি) আদিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব।

১০.২ পৰিচয়

এইটো সকলোৰে বাবে গ্রহণযোগ্য যে বাণিজ্য অর্থনৈতিক উন্নয়নৰ প্রধান চালিকা শক্তি। ইঞ্জিনে যেনেকৈ গাড়ী আগবঢ়াই বানিজ্যই অর্থনৈতিক প্রগতিৰ বাট ত্বৰান্বিত কৰে।

সাধাৰণ অর্থত যেতিয়া এটা অঞ্চল বা দেশত উৎপাদিত সামগ্রী অইন এটা অঞ্চল বা দেশৰ উৎপাদিত সামগ্রীৰ লগত বিনিময় কৰা হয় তাকেই বানিজ্য বোলা হয়। একেধৰণে যেতিয়া সীমান্তবর্তী অঞ্চল সমূহত বাস কৰা মানুহ বোৰে ওচৰৰ দেশৰ মানুহ বোৰৰ লগত নিজৰ দেশৰ থলুৱা সামগ্রীবোৰৰ বেপাৰ বাণিজ্য কৰে তাকেই সীমান্তবর্তী বাণিজ্য বোলে। এই বানিজ্যত দ্বিদেশীয়া চুক্তি অনুসৰি সীমান্তবর্তী অঞ্চল সমূহত বাস কৰা লোকসকলে

নিজৰ অঞ্চলত উৎপাদিত তালিকাযুক্ত বস্তুসমূহৰ সম্পূর্ণ বৈধ ভাবে অর্থাৎ ৰপ্তানী আৰু আমদানী নীতি অনুসৰি অইন দেশৰ লগত বিনিময় কৰে তেতিয়াই সীমান্তবতী বানিজ্য সংগঠিত হয়। সীমান্তবর্তী বানিজ্য সেই বিলাক এলেকাত সুবিধাজনক হয় যি বিলাক ঠাইত সীমান্ত পাৰ হোৱা তুলনামূলক ভাৱে সহজ হয় তথা উৎপাদিত বস্তু এটা এলেকাত অইনটো এলেকাতকৈ দাম কম হয়।

উত্তৰ পূৱ অঞ্চল সীমান্তবর্তী বানিজ্যৰ বাবে অতি উপযোগী অঞ্চল। কিয়নো উত্তৰ পূবৰ ৯৮% অঞ্চলেই আন্তজার্তিক সীমাৰেখাৰে আগুৰা। উদাহৰণস্বৰূপে চীন ভূটান, ম্যানমাৰ আৰু বাংলাদেশ। ফলস্বৰূপে এই বৃহৎ অঞ্চলটো ভাৰত আৰু দক্ষিন এছিয়াৰ মাজৰ সীমান্তবর্তী বানিজ্যৰ কেন্দ্র বুলি অভিহিত কৰিব পাৰি যদিহে চৰকাৰে প্রকৃত নীতি অবলম্বন কৰে। ইয়াৰ পৰিপেক্ষিতত (১৯৯১-১৯৯৬) আৰু ২০১৪ চনত কংগ্রেছী প্রধানমন্ত্রী পি ভি ৰাও আৰু বি জে পি প্রধানমন্ত্রী নৰেন্দ্র মোডী ডাঙৰীয়াই প্রবর্তন কৰা লুক ইষ্ট আৰু এক্ট ইষ্ট পলিচি উল্লেখযোগ্য। LEP প্রাক্তন প্রধানমন্ত্রী পি ভি নৰসিম্হা ৰাওৱে (১৯৯১-৯৬) চনত আৰম্ভণি কৰিছিল আৰু প্রাক্তন প্রধান মন্ত্রী ক্রমে অটল বিহাৰী বাজপেয়ী (১৯৯৮-২০০৪) আৰু ড° মনমোহন সিং য়ে (২০০৪-২০১৪) ৰ ভিতৰত কার্য্যকৰী কৰণ কৰিছিল। ২০১৪ চনত বিজেপি চৰকাৰ অহাৰ লগে লগে প্রধান মন্ত্রী নৰেন্দ্র মোডী য়ে ২০১৪ চনত অনুস্থিত হোৱা ভাৰত এচিয়াৰ চামিতত LEP ৰ নতুন নামাকৰণ কৰি এনেদৰে ব্যক্ত কৰিছিল — 'A new era of economic development, industralization and trade has begin in India, Enternality, Indian 'Look East Party' has become,'Act East Policy' (Available at http:// india.gov.in/asianindia).

১০.৩ সীমান্তবর্তী বাণিজ্যৰ সম্ভাৱনীয়তা

LEP আৰু AEP ৰ বিষয়ে আলোচনা কৰাৰ আগতে সীমান্তবর্তী বাণিজ্যৰ বিভিন্ন স্থিতিৰ বিষয়ে আলোচনা কৰো। উত্তৰ পূৱ ভাৰতৰ সীমান্তবর্তী বাণিজ্যৰ সম্ভাৱনীয়তাসমূহ তলত ব্যাখ্যা কৰা হ'ল —

- **উন্নত পৰিকাঠামো ঃ** এটা জাতিৰ অর্থনৈতিক উন্নয়নৰ মূল বাহক হৈছে সেই দেশৰ উন্নত পৰিকাঠামো ব্যৱস্থা। উন্নত অর্থনৈতিক পৰিকাঠামো ব্যৱস্থা যেনে পৰিবহন, যোগাযোগ, শক্তি, জলসিঞ্চন ব্যৱস্থা আদি উত্তৰ-পূৱ ভাৰতত এতিয়াও চালুকীয়া অৱস্থাতে আছে। সেয়েহে যদিহে উত্তৰ-পূৱ ভাৰতৰ লগত চুবুৰীয়া দেশ সমূহৰ সীমান্তবর্তী বানিজ্যৰ উদ্ভৱ হয়। তেনেহলে উক্ত অর্থনৈতিক পৰিকাঠামোৰ লগতে সামাজিক পৰিকাঠামো ব্যৱস্থা যেনে মানৱ মুলধন আৰু ইয়াৰ উৎপাদনশীলতা, দক্ষতা, স্বাস্থ্য, শিক্ষা ইত্যাদি বোৰবো উন্নত অৱস্থা পৰিলক্ষিত হ'ব ফলস্বৰূপে উত্তৰ পূৱ ভাৰতৰ অর্থনীতি উন্নত অৱস্থালৈ প্রৱাহমান হ'ব। সেয়ে ইয়াৰ নিকা তথা শুদ্ধ প্রচলনে সীমান্তবর্তী বানিজ্য বৃদ্ধি কৰায়েই নহয় ই এই অঞ্চলৰ পৰিকাঠামো ব্যৱস্থাৰো উন্নতি কৰিব।

- **পর্য্যটন খণ্ডৰ উন্নতি ঃ** এই সমগ্ৰ অঞ্চলটো জৈৱ বৈচিত্ৰতাৰ মূল উৎস হিচাপে (bio diversity hub) চিনাক্ত হৈছে। পৃথিৱীৰ বিভিন্ন প্ৰজাতিৰ বিভিন্নতাৰ মিলন ক্ষেত্ৰ উত্তৰ-পূৰ অঞ্চল। সেয়েহে দুৰদুৰণিৰ বিভিন্ন ঠাইৰ পৰা অহা পর্য্যটক সকলে পর্য্যটক স্থল হিচাপে অৰুনাচলৰ টাৱাং, অসমৰ কাজিৰঙা, মাজুলী, পৱিতৰা, মানাহ, হাফলং; জাতিংগা আদি ঠাইলৈ বছৰি ফুৰিব আহে। যদিহে উঃপূৰৰ এই পর্য্যটক স্থলী সমূহ অহা ২০ বছৰৰ ভিতৰত সম্পূৰ্ণকৈ উন্নত কৰিব পৰা যায় তেন্তে ছিংগাপূৰ আৰু বেংককতকৈ ও এই অঞ্চললৈ অত্যাধিক পর্য্যটক অহাটো প্ৰায় নিশ্চিত কিয়নো পশ্চিমীয়া পর্য্যটক যি সকলে দক্ষিন-পূৰ এছিয়াৰ বিভিন্ন স্থানলৈ পর্য্যটনৰ বাবে আহে সেই সকল ভ্ৰমণ কাৰীয়ে মাত্ৰ কেইবাশ কিঃ মিঃ নিলগৰ উঃপূৰ ভাৰতৰ যি অতুলনীয়া প্ৰাকৃতিক সৌন্দর্য্যৰ ৰূপ আৰু সাংস্কৃতিক কৃষ্টিৰ মিলনভূমি তাক দর্শন নকৰাকৈ কেতিয়াও ঘূৰি নাযায়। ফলস্বৰূপে উঃ পূৰ ভাৰতৰ অর্থনীতি সুদৃঢ় হব।
- **উদ্যোগিক উন্নয়ন ঃ** আজিকোপটি সমগ্ৰ উত্তৰ-পূৰ ভাৰততেই এটাও বৃহৎ উদ্যোগে গা কৰি উঠিব পৰা নাই। যদিও উঃ পূৰ ভাৰতৰ ভৌগলিক বিশেষতা অনুসৰি SAARC আৰু ASEAN দেশ সমূহৰ মাজত বানিজ্যৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি তোলাৰ সম্পূৰ্ণ পোষকতা আছে। ইয়াৰ উপৰিও উত্তৰ পূৰ অঞ্চলৰ কিছু ঠাইত ৰপ্তানী আমদানী কৃত সামগ্ৰীৰ কার্য্যালয়ৰ লগতে বৃহৎ warehouse (মজুত ভৰাঁল) গৃহ ¯ নির্মানৰ পোষকতাও কৰিব লাগে ইয়াৰ ফলস্বৰূপে হোটেল, ক্লাৱ আৰু বৃহৎ বজাৰৰ সৃষ্টি হ'ব আৰু তাৎক্ষনিক ভাবে অঞ্চল সমূহৰ উন্নতি হ'ব। একেদৰেই জলবিদ্যুৎ উৎপাদন প্ৰকল্প সমূহ স্থাপিত হোৱাটো উচিত যিহেতু উত্তৰ পূৰ অঞ্চল বিভিন্ন নদ-নদী হ্ৰদ আদিৰে আৱৰি আছে। ইয়াৰ উপৰিও অসমৰ চাহ উদ্যোগ এটা বহু পুৰণি উদ্যোগ। দেশৰ মুঠ চাহৰ শতকৰা ৫০ ভাগ অসমে উৎপাদন কৰে। এই উদ্যোগটো এনেকুৱাকৈ উন্নত কৰিব লাগে যে ই এটা উল্লেখযোগ্য ৰপ্তানীকৃত উদ্যোগ হিচাপে পৰিগণিত হয়।
- **বনজ সম্পদৰ উপযুক্ত ব্যৱহাৰ ঃ** কেৱল অসমেই নহয় সমগ্ৰ উত্তৰ-পূৰ অঞ্চলেই বনজ সম্পদত চহকী। বিভিন্ন ঔষধী গছ, বাহঁ আৰু লগতে জৈৱ ডিজেল উৎপাদন (Bio disal) কৰিব পৰা জাট্ৰ'ফা গছ এই অঞ্চলৰ প্ৰধান বনজ সম্পদ। জাট্ৰ'ফা এই কাৰণেই অতি গুৰুত্বপূর্ণ কিয়নো ই খাৰুৱা তেলৰ আমদানি হ্ৰাস কৰে। ফলস্বৰূপে যথেষ্ট পৰিমান বৈদেশিক মূদ্ৰা সঞ্চয় হ'ব পাৰে। এই অঞ্চলৰ চহকী বনাঞ্চলৰ উপযুক্ত ব্যৱহাৰে আর্থিক বিকাশত সহায় কৰিব।
- **বজাৰ সৃষ্টি ঃ** সীমান্তবর্তী বানিজ্যৰ আটাইতকৈ গুৰুত্বপূর্ণ সম্ভাৱনীয়তাতো হৈছে সমগ্ৰ অঞ্চলটোত বজাৰৰ সৃষ্টি। ভৌগলিক ৰাজনৈতিক বিশেষত্বৰ বাবে এই সমগ্ৰ অঞ্চলটোত সীমান্তবর্তী বজাৰ সৃষ্টি কৰাটো দুয়োপক্ষৰ বাবেই ৰপ্তানি কৃত থলুৱা সামগ্ৰীৰ বাবেও আৰু আমদানীকৃত ভোগ্য বস্তুৰ বাবেও ব্যয় সংকুচিত হয়। যিহেতু দুয়োখন দেশৰ মাজৰ দূৰত্ব তেনেই নগণ্য সেয়ে অতি কম দামত এই বস্তুবোৰ কিনা-

বেচা হয়।

- **নিয়োগৰ সম্ভাৱনীয়তা** ঃ উত্তৰ-পূৰ অঞ্চলৰ যিহেতু সীমান্তৰতী বানিজ্যৰ প্ৰসাৰৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো ব্যৱস্থাৰ সৃষ্টি কৰিছে, সেই বাবে অৰ্থনীতিৰ বিভিন্ন খণ্ডত এক বৃহৎ নিয়োগ সৃষ্টিৰ সম্ভাৱনীয়তা জিলিকি উঠিছে।
- **মানৱ মূলধনৰ উন্নয়ন** ঃ আগত উল্লেখ কৰা ধৰণে শাৰীৰিক পৰিকাঠামো ব্যৱস্থাৰ লগতে শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ উন্নতিৰ লগে লগে মানৱ মূলধনৰো উন্নতি অৱধাৰিত। আমি সকলোৱে জানো যে সীমান্তৰতী বানিজ্যৰ ক্ষেত্ৰত চীনসকলোতকৈ ওপৰত আৰু বাংলাদেশ আৰু ম্যানমাৰ আটাইতকৈ অনুন্নত। কিন্তু যদিহে পৰিপূৰক সীমান্তৰতী বানিজ্য এই দেশ সমূহৰ মাজত সংগঠিত হয় তেন্তে দুয়োপক্ষৰ মাজত বানিজ্যৰ জৰিয়তে মানৱ মূলধনৰ উন্নতি হব।
- **মহিলা সৱলীকৰণ** ঃ সীমান্তৰতী বানিজ্যৰ জৰিয়তে মহিলাৰ সৱলীকৰণো হয়। যিহেতু এই বানিজ্যৰ জৰিয়তে বজাৰৰ সৃষ্টি হয় সেয়েহে মহিলা সকলে অংশ গ্ৰহণ কৰি আৰ্থিক ভাৱে সৱল হৈ পৰে।
- **হস্ততাঁত উদ্যোগৰ সম্ভাৱনা** ঃ উত্তৰ পূৱেই সমগ্ৰ বিশ্বৰ একমাত্ৰ অঞ্চল য'ত চিল্কৰ প্ৰত্যেকটো ভাগেই উৎপাদন হয়। যেনে এড়ী, মুগা, টছৰ আৰু মালবাড়ী। বিশেষকৈ জনজাতীয় মানুহ বিলাক ইয়াৰ উৎপাদনৰ লগত ওতঃ প্ৰোতঃ ভাৱে জড়িত। ইয়াৰ উপৰিও প্ৰত্যেকটো জনগোষ্ঠীৰ নিজা জনগোষ্ঠীয় আৰ্হিত পোছাক সমূহ তৈয়াৰ কৰি সীমান্তবতী বানিজ্যৰ জৰিয়তে বিনিময় কৰে। ফলস্বৰূপে এই সৰু সৰু জনগোষ্ঠীৰ মাজত অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক ভাৱৰ আদান-প্ৰদান হয়।

ওপৰক্ত আলোচনাৰ পৰা আমি মন্তব্য কৰিব পাৰো যে সীমান্তবতী বানিজ্যৰ যথেষ্ট সম্ভাৱনীয়তা উত্তৰ-পূৰ অঞ্চলত দেখা পোৱা গৈছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সীমান্তবতী বানিজ্যৰ সংজ্ঞা দিয়া (২০ টা শব্দৰ ভিতৰত)।

.....

.....

প্ৰশ্ন নং ২ ঃ উত্তৰ পূৱৰ অৰ্থনৈতিক উন্নয়নৰ গতি সীমান্তবৰ্তী বাণিজ্যই কেনেকৈ বৃদ্ধি কৰে (৭০ টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....

১০.৪ পূৰ্বলৈ চোৱা নীতি (Look East Policy, LEP)

ভাৰতৰ আন্তর্জাতিক সমণ্বয়ৰ ক্ষেত্রত LEP য়ে এক উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে। এই নীতি কেৱল এটা নীতিয়েই নহয়, গোলকীয় অর্থনীতিৰ অগ্রাসনত এই নীতিয়ে পৃথিৱীৰ আগত ভাৰতৰ এক কৌশলপূর্ণ পৰিৱর্তন আনিছে। ১৯৯১ চনত প্রধানমন্ত্রী নৰসিংহ ৰাওৱে প্রথম প্রৱর্তন কৰিছিল আৰু পিছলৈ অটল বিহাৰী বাজপেয়ীয়ে ইয়াক এক সুকীয়া মর্য্যাদা দিছিল। **উদ্দেশ্য ঃ এই নীতিৰ প্রধান উদ্দেশ্যসমূহ হ'ল—**

- সংশোধন আৰু উদাৰীকৰণ (Reform) মুক্ত বাণিজ্যৰ চুক্তি
- অর্থনৈতিক বিকাশ
- উঃপূৱ ৰাজ্য সমূহৰ উন্নয়ন প্রয়োজনীয় পৰিকাঠামো ব্যৱস্থাৰ উন্নয়ন আৰু ৰেলপথ, ঘাই পথ, আকাশীপথৰ উন্নয়নৰ জৰিয়তে দক্ষিন-পূৱ দেশ সমূহৰ মাজত সংযোগ স্থাপন।
- চীনৰ প্রভাৱ এই অঞ্চলটোত হ্রাস কৰাৰ চেষ্টা।
- দক্ষিন-পূৱৰ লগত নিৰাপত্তা আৰু প্রতিৰক্ষা শিতানত কুটনৈতিক (Diplomatic) পদক্ষেপ হাতত লোৱা।

১৯৯০ চনৰ আৰম্ভনিতে পৰিবর্তিত আন্তর্জাতিক পটভূমিত আৰু ভাৰতৰ আর্থিক ভাৱে মন্দা আৰু ৰাজনৈতিক ভাৱে বিশৃংখল অৱস্থাত এই নীতিৰ আৰম্ভনি হৈছিল। এই নীতিৰ প্রভাৱ ভাৰতৰ অর্থনীতিত ধনাত্মক। কৌশলগত, ৰাজনৈতিক আৰু অর্থনৈতিক দিশৰ মাজত এই নীতিয়ে প্রধান যোগসূত্র হিচাপে কাম কৰিছে।

সমগ্র ভাৰতৰ উত্তৰ পূৱ অঞ্চলৰ আর্থিক বিকাশেই এই নীতিৰ মূল অর্থনৈতিক মন্ত্র। এই নীতিয়ে সঠিক ভাৱে চিনাক্ত কৰিছে যে উত্তৰ-পূৱ ভাৰত পূৱৰ দুৱাৰমুখ। আৰু এই অঞ্চলৰ উন্নতিয়ে চুবুৰীয়া দেশৰ লগত ভাৰতৰ বৈদেশিক বানিজ্যৰ যোগেদি আর্থিক, সামাজিক, সাংস্কৃতিক, প্রতিৰক্ষা আদি সকলো বিষয়তে উন্নতি লাভ কৰিব।

নীতিৰ মূল-মন্ত্র ঃ

লুক এষ্ট পলিচিৰ মূল মন্ত্রই হৈছে চুবুৰীয়া দেশৰ লগত ভাৰতৰ অর্থনৈতিক সম্বন্ধ স্থাপন কৰা। তলত এই নীতিৰ মূল কথাবোৰ উল্লেখ কৰা হ'ল —

- ASEAN ৰ লগত ৰাজনৈতিক সম্বন্ধ স্থাপন কৰা।
- পর্য্যটন, বানিজ্য, বিজ্ঞান আৰু প্রযুক্তিবিদ্যা, পৰিবহন, যাতায়ত আদি খণ্ডত অত্যাধিক অর্থনৈতিক সহযোগিতা স্থাপন।
- সীমান্তৱর্তী অঞ্চল সমূহৰ প্রতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰা।

এই নীতিৰ সাফল্যতা সম্পূর্ণ ভাৱে উত্তৰ-পূৱ ভাৰতৰ উন্নয়নৰ ওপৰত নির্ভৰ কৰে। কিন্তু বাস্তৱত দেখা যায় যে যদিও উত্তৰ পূর্বাঞ্চল প্রাকৃতিক সম্পদ আৰু সাংস্কৃতিক ক্ষেত্রত চহকী কিন্তু এই অঞ্চলৰ ভৌগলিক ৰাজনৈতিক কিছু বৈশিষ্ট্যৰ বাবে ভাৰতৰ মূল সুঁতিৰ পৰা এই অঞ্চল বহু নিলগত। সেয়েহে এতিয়াও এই অঞ্চলৰ উন্নয়ন হ'বলৈ বহুত বাকী।

তথাপিও এই নীতিৰ উন্নয়নৰ আৰ্হিয়ে উত্তৰ-পূৱক উন্নত কৰিবলৈ যথেষ্ট সুবিধা আগৱঢ়াইছে। সেয়েহে এই নীতিৰ সাফল্যতা উত্তৰ-পূৱৰ প্রত্যক্ষ আৰু গুৰুত্বপূর্ণ পদক্ষেপৰ ওপৰত নির্ভৰ কৰিছে।

১০.৫ পূৱক কার্যকৰীকৰণ কৰা নীতি (AEP)

AEP কেৱল LEP ৰ এটা নতুন নাম। এই নীতিৰ মূল উদ্দেশ্য হৈছে — চিন্তা বা কৌশল ৰচনা কৰা নহয় ইয়াক কার্য্যকৰীকৰণ আৰু বাস্তৱত ৰূপান্তৰিত কৰণ। সেয়ে LEP ৰ পৰা AEP ৰ ৰূপান্তৰ কৰণত বৃহৎ সংখ্যক গৱেষনার্থীৰ পৰা নীতি প্রৱর্তকক লৈ লোক নিয়োজিত হৈ আছে যিয়ে আর্ন্ত জাতিক বানিজ্যত প্রভান্বিত কৰিব পাৰে। বর্তমানৰ মোদী চৰকাৰে এই নীতিৰ নতুন নামাকৰণ কৰে যিয়ে দক্ষিন-পূৱ আৰু এছিয়াৰ লগত ভাৰতৰ সুদৃঢ় সম্পর্ক প্রতিফলিত কৰে।

চলিত বিজেপি চৰকাৰে আঞ্চলিক উন্নয়ন আৰু এছিয়াৰ লগত ভাৰতৰ সম্পর্কৰ যি ফাঁক আছে তাক নোহোৱা কৰিবৰ চেষ্টা কৰিছে আৰু ভাৰতৰ লগত ৰাজনৈতিক সম্পর্ক সুদৃঢ় কৰাৰ চেষ্টা কৰিছে। আৰু এই উদ্দেশ্যে মোদী চৰকাৰে অর্থনৈতিক, ৰাজনৈতিক আৰু প্রতিৰক্ষা শিতানত এছিয়াৰ দেশসমূহৰ লগত ভাৰতৰ সম্পর্ক শক্তিশালী কৰিবৰ বাবে নতুন কৌশল প্রয়োগৰ দ্বাৰা চেষ্টা চলাইছে।

LEP ৰ দৰে AEP ৰ সাফল্যতাতো উত্তৰ-পূৱ ভাৰতৰ অৱদান উল্লেখযোগ্য। এই নীতিয়ে উত্তৰ-পূৱ ভাৰত আৰু ASEAN অঞ্চলৰ মাজত এটা যোগসূত্র স্থাপন কৰিছে। উত্তৰ-পূৱ অঞ্চলৰ উন্নয়নৰ বাবে এই নীতিয়ে উত্তৰ-পূৱ আৰু ASEAN অঞ্চলৰ মাজত বিভিন্ন প্রকল্প স্থাপন কৰিছে। উদাহৰণ স্বৰূপে এছিয়াৰ ঘাইপথ (Asian Highway) এছিয়াৰ ৰেলপথ (Asian Railway) প্রাকৃতিক গেছ নলীৰেখা (Natural Gas Pipeline) ইত্যাদি। প্রকল্প সমূহৰ ভিতৰত কালাজান বহুমুখী প্রকল্প, মিজোৰামলৈ ৰেল আৰু পথ সংযোগ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ LEP প্রতিষ্ঠাৰ দুটা কাৰকৰ নাম উল্লেখ কৰক।
(৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ AEP বিষয়ে চমুকৈ আলোচনা কৰা । (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

১০.৬ AEP আৰু LEP ৰ পার্থক্য

AEP আৰু LEP একেটা মুদ্রাৰ দুটা পিঠি। তলত এই দুখন নীতিৰ মাজৰ পার্থক্য দিয়া হ'ল —

ওপৰত উল্লেখ কৰাৰ দৰে AEP ২০১৪চনত প্রধানমন্ত্রী নৰেন্দ্র মোডীয়ে ম্যানমাৰত অনুষ্ঠিত হোৱা দ্বাদশ ASEAN অধিবেশনত AEP প্রবর্তন কৰিছিল। AEP আচলতে LEP ৰ এটা নতুন সংস্কৰণ আনহাতে ১৯৯২ চনত প্রাক্তন প্রধানমন্ত্রী নৰসিংহ ৰাওৱে বিভিন্ন ভৌগলিক ৰাজনৈতিক আৰু অর্থনৈতিক কাৰণৰ পৰিপ্রেক্ষিতত এই নীতি প্রৱর্তন কৰিছিল।

LEP প্রৱর্তন কৰা হৈছিল ভাৰত আৰু এছিয়ান ASEAN দেশ সমূহৰ মাজত শক্তিশালী সম্বন্ধ স্থাপন কৰিবলৈ। সেই সময়ত ভাৰতবর্ষই কিছু বৈদেশিক সংকটত ভুগিব লগা হৈছিল। ১৯৭০ আৰু ১৯৮০ ৰ তেলৰ সংকট, শীতল যুদ্ধৰ সামৰণি তথা ছভিয়েট ৰাছিয়াৰ পতনে ভাৰতৰ অর্থনীতি দূর্বল কৰি তুলিছিল। এনেকুৱা সময়তে ১৯৯০ চনত ভাৰতে দক্ষিণ-পূৱ এছিয়াৰ বিভিন্ন দেশৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু সভ্যতাৰ মিলন ঘটোৱাৰ এক সুযোগ ঘটিছিল আৰু তাৰ পৰিপ্রক্ষিততেই LEP ৰ উদ্ভাৱন হৈছিল।

LEP সম্পূর্ণ ২০ বছৰ ধৰি অতিবাহিত হৈ আছিল আৰু ১৯৯২ চনৰ পৰা ভাৰত এছিয়ানৰ সহযোগী হিচাপে ASEAN ৰ আঞ্চলিক মঞ্চৰ সভ্য আছিল। ২০০২ চনৰ ভাৰত আৰু ASEAN আন এটা বন্দ বস্তিত অন্তর্ভুক্ত হৈছিল যাক কোৱা হৈছিল মুক্ত বানিজ্য চুক্তি FTA (Free Trade agrement)।

FTA য়ে ২০০৯ চনত দ্বৈত চুক্তিৰ জন্ম দিছিল। এই চুক্তিয়ে দুখন দেশৰ বাণিজ্যৰ উন্নতি সাধন কৰিছিল। অৱশ্যে LEP ২০১২ চনৰ পিছত AEP নামেৰে নতুন নামকৰণ কৰিছিল। যিখনে বাণিজ্যৰ মাজতে সামৰি নাথাকি, সাংস্কৃতিক, আর্থিক, ৰাজনৈতিক প্রতিৰক্ষা আদি সকলো দিশকে সামৰি লৈছিল।

NDA চৰকাৰে ২০১৪ চনত AEP ৰ জন্ম দি ভাৰতৰ সম্পর্ক ASEAN ৰ মাজতে আবদ্ধ নাৰাখি ইয়াৰ সম্পর্ক উত্তৰ আৰু দক্ষিণ কোৰিয়া, অষ্টেলিয়া, নিউজিলেণ্ড, বাংলাদেশ আৰু ফিজি আদি দেশলৈ আগুৱাই নিছিল।

বর্তমান সময়ত ভাৰতৰ সীমান্তবতী বাণিজ্যৰ প্রসাৰন দ্রুতগতিত বৃদ্ধি হৈছে। কিন্তু মূল কথাটো হৈছে যে এই বাণিজ্যৰ প্রসাৰে উত্তৰ-পূৱ ভাৰতৰ অর্থনীতিত কোনো প্রভাৱ পৰা নাই কিয়নো বেছি ভাগ বাণিজ্যই সাগৰীয় পথেৰে সংগঠিত হৈ আছে। সেয়েহে এই অঞ্চলৰ উন্নতিৰ বাবে AEP ক প্রযোজ্য কৰাটো অতি প্রয়োজনীয়। এই নীতিখনৰ পৰা তেতিয়াহে উপকৃত হ'ব যেতিয়া প্রয়োজনীয় পৰিকাঠামো ব্যৱস্থা, বাণিজ্য অনুজ্ঞাপত্র, গ্রাহকৰ নীতি উপযুক্ত ভাৱে গোটেই অঞ্চলটোতে ব্যৱহাৰ হ'ব।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সীমান্তবর্তী বাণিজ্য বুলিলে সীমান্ত অঞ্চলৰ মাজত সামগ্রীৰ বিনিময়কে বুজোৱা হয়। এই বানিজ্য সেই বিলাক এলেকাত উপকৃত হয়। যি বিলাক এলেকাৰ সীমান্ত পাৰ হোৱাত তুলনামূলক ভাবে সহজ হয় আৰু যিকোনো এটুকুৰা সীমান্তবর্তী এলেকাত বস্তুৰ দাম কম হয় যাতে আন টুকুৰা ঠাইলৈ বস্তুটো বিনিময় কৰিব পাৰে।
- উত্তৰ-পূব অঞ্চল সীমান্তবর্তী বানিজ্যৰ বাবে গুৰুত্বপূর্ণ অঞ্চল যিহেতু অঞ্চলটোৰ ৯৮% অঞ্চলেই আন্তজাতিক সীমাৰে আগুৰা। যেনে চীন, বাংলাদেশ, ভূটান, ম্যানমাৰ আদি।
- উত্তৰ-পূৱ অঞ্চলক সীমান্তবর্তী বানিজ্যৰ গৃহভূমি বনাব পাৰি যদিহে চৰকাৰে উপযুক্ত নীতি প্রণয়ন কৰে।
- এই সন্দর্ভত LEP আৰু পিছলৈ AEP য়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।
- ভাৰতৰ আন্তজার্তিক বানিজ্যত LEP য়ে এক গুৰুত্বপূর্ণ ঠাই আগুৰি আছে। ই এখন কেৱল অর্থনৈতিক নীতিয়েই নহয় পৃথিৱীৰ মজিয়াত ভাৰতৰ এক কৌশলপূর্ণ দৃষ্টি অনাটো সহায় কৰে।
- পি ভি নৰসিংহ ৰাওঁ (১৯৯১-৯৬) আৰু ড° মনমোহন সিং (২০০৪-২০১৪) প্রধানমন্ত্রীৰ দিনত ১৯৯১ চনত LEP প্রবর্তন কৰা হৈছিল। অইনহাতে এইখনকে নতুন নাম AEP দি প্রধানমন্ত্রী নৰেন্দ্র মোডীয়ে ২০১৪ চনত ইয়াৰ এটা নতুন মাত্রা দিয়ে।
- বিনিয়োগ আৰু সেৱাৰ ক্ষেত্রত ASEAN অগ্রাধিকাৰ (Favourable Trade agreement) বানিজ্য চুক্তি (FTA), উগ্রবাদীৰ বিৰুদ্ধে কৌশলপূর্ণ স্থিতি, নিৰাপত্তা ব্যৱস্থাৰ উন্নতি আদি প্রণয়নৰ দ্বাৰা ভাৰতৰ অর্থনৈতিক ভেটি সুদৃঢ় কৰাই AEP ৰ প্রধান লক্ষ্য।



১০.৮ অধিক জানিবলৈ

১) Surjya Chutia, (2015): *Prospects of Border trade for NER of India with South Asian countries,* International Journal of Research in Economic and Social Science, V-S, issue 10

২) Bijoy Gogoi,(2018):Act (Look) *East Policy and Geo-Political Significance of North East India (NEI)*. Sub-Regional Connectivity Trade and Growth-The Case for North-East India, Published by Dept. of Economics. D. K. College,Mirza



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সীমান্তবর্তী বাণিজ্যৰ বুলিলে সাধাৰণতে সীমান্ত অঞ্চলত সামগ্রীৰ বিনিময়কে বুজায়। ই সাধাৰণতে এটা দ্বিপাক্ষিক চুক্তি অনুসৰি বৈধ ভাবে দুখন দেশৰ সীমান্ত অঞ্চলত বসবাস কৰা লোক সকলৰ মাজত গঢ়ি উঠা বাণিজ্য।

২ নং প্রশ্নৰ উত্তৰ ঃ যদিও উত্তৰ-পূৱ অঞ্চলত কোনো গধু�ৰ আৰু বৃহৎ উদ্যোগ নাই তথাপিও ইয়াক SAARC আৰু ASEAN- ৰ মাজৰ দেশবোৰৰ লগত বানিজ্যৰ কেন্দ্রস্থল হিচাপে গঢ়ি তোলাৰ সম্ভবনা আছে। উত্তৰ-পূৱৰ কিছু অঞ্চলত বৃহৎ ware মজুত গৃহ প্রতিষ্ঠাৰ সম্ভাবনা আছে। তাৰোপৰি এই অঞ্চলত যিহেতু বহুত কেইখন বিশাল নদী আছে সেয়ে এই নদী সমূহৰ পৰা জলবিদ্যুৎ উৎপাদন কৰাৰ সম্ভাবনা নুই কৰিব নোৱাৰি। ইয়াৰ উপৰিও চাহ উদ্যোগৰ এনেকুৱাকৈ উন্নতি কৰিব লাগে যে আন কিছুমান সহায়ক উদ্যোগ যেনে প্লাইউদ, কয়লা ইত্যাদিও গঢ়ি উঠে।

৩ নং প্রশ্নৰ উত্তৰ ঃ LEP ৰ দুটা প্রধান উদ্দেশ্য হ'ল —

(ক) উত্তৰ-পূৱ ভাৰতৰ উন্নয়নঃ পৰিকাঠামো ব্যৱস্থা যেনে ঘাইপথ, ৰেলপথ, আকাশীপথ তথা যোগাযোগ ব্যৱস্থাৰ উন্নতিৰে দক্ষিণ এছিয়াৰ লগত উত্তৰ-পূৱ ভাৰতৰ সংযোগ স্থাপন কৰা।

(খ) এই অঞ্চললৈ চীনৰ আগ্রাসন প্রতিহত কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ AEP কোনো নতুন নীতি নহয়। ই LEP ৰ এটা নতুন নাম। এই নীতিৰ মূল ধাৰণাটো হৈছে— ই কেৱল চিন্তা তথা উদ্ভাবনতেই সীমাবদ্ধ নহয় বৰং

কার্য্যকৰীকৰণ আৰু নিৰূপনহে ইয়াৰ প্রধান উদ্দেশ্য। এই নতুন পদ্ধতিটোৱে ভাৰতৰ সম্পর্ক দক্ষিণ-পূৰ এছিয়াৰ সমগ্র অঞ্চলটোৰ লগত প্রতক্ষ্য সম্পর্ক স্থাপনত গুৰুত্ব আৰোপ কৰে। বর্ত্তমানৰ চলিত BJP চৰকাৰে ভাৰতৰ ৰাজ্য সমূহৰ মাজত থকা উন্নয়নৰ পার্থক্য পৰিহাৰ কৰিবলৈ চেষ্টা চলাইছে। যিহেতু LEP ৰ পৰা উত্তৰ-পূৰ অঞ্চল উপকৃত হৈছিল সেয়ে মোডী চৰকাৰে উত্তৰ-পূৰ অঞ্চলক অধিক নিশ্চিত ভাবে নতুন শক্তিৰে উদয়মান কৰি তুলিবলৈ এছিয়াৰ অন্যান্য দেশৰ লগত উত্তৰ-পূৰৰ আর্থিক, ৰাজনৈতিক আৰু প্রতিৰক্ষা দিশত অধিক শক্তিশালী কৰি তুলিবলৈ চেষ্টা কৰিছে।



১০.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

প্রশ্ন ১ ঃ উত্তৰ-পূৰৰ কোন কেইখন দেশৰ লগত একে সীমাৰে (Common bound ary ৰ) আগুৰি আছে।

প্রশ্ন ২ ঃ সীমান্তবর্তী বানিজ্যৰ সম্ভাৱনীয়তা কি?

প্রশ্ন ৩ ঃ LEP ৰ মূল উপাদান বিলাকৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

প্রশ্ন ১ ঃ আন্তজার্তিক বানিজ্যত ভাৰতৰ কৌশলপূর্ণ গুৰুত্বতাৰ বিষয়ে আলোচনা কৰা।

প্রশ্ন ২ ঃ কি পৰিস্থিতিত AEP ৰ প্রবর্তন হৈছিল আলোচনা কৰা।

*** ***** ***

অধ্যায় ১১ ঃ উত্তৰ পূৰ্বাঞ্চলত বেংকিং আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণ ঃ পাৰদৰ্শিতা, সম্ভাৱনা আৰু প্ৰত্যাহ্বান

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পাতনি

১১.৩ উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ পাৰদৰ্শিতা, সম্ভাৱনাআৰু প্ৰত্যাহ্বান

১১.৩.১ উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ পাৰদৰ্শিতা

১১.৩.২ উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ সম্ভাৱনা

১১.৩.৩ উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ মুখ্য প্ৰত্যাহ্বানসমূহ

১১.৪ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক গ্ৰামীণ বেংক (RRBs) সমূহৰ পাৰদৰ্শিতা, সমস্যা আৰু সম্ভাৱনীয়তাসমূহ

১১.৪.১ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক গ্ৰামীণ বেংক সমূহৰ পাৰদৰ্শিতা

১১.৪.২ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক গ্ৰামীণ বেংক সমূহৰ সমস্যাৱলী

১১.৪.৩ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক বেংকৰ সম্ভাৱনীয়তাসমূহ

১১.৫ অধ্যায়টোৰ আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্ৰগতি খতিয়ান

১১.৮ আৰ্হি প্ৰশ্ন

১১.১ শিক্ষন উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ পূৰ্বাঞ্চলত বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ সাম্প্ৰতিক দৃশ্যপট।
- বিত্তীয় খণ্ডই সন্মুখীন হৈ থকা প্ৰধান প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত
- উত্তৰ পূৰ্বাঞ্চলত বিত্তীয় খণ্ড উন্নত কৰিবৰ বাবে পৰামৰ্শ দিয়া।
- উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ড বিশেষকৈ আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ সেৱা প্ৰদানত পাৰদৰ্শিতা আৰু সম্ভাৱনীয়তা সমূহৰ বিষেয়ে অধ্যয়ন।

১১.২ পাতনি

আধুনিক সময়ত বিত্তীয় সেৱাই অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়াত অতি গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। বিত্তীয় সেৱা সমূহৰ ভিতৰত বেংকিং খণ্ডটো আটাইতকৈ গুৰুত্বপূৰ্ণ, কিয়নো এখন অৰ্থনীতিৰ মূল লক্ষ্য অৰ্থাৎ অৰ্থনৈতিক উন্নয়ন কাৰ্যকৰী আৰু নিপুণ বেংকখণ্ডৰ সেৱাৰ

ওপৰত বহুলাংশ নিৰ্ভৰশীল। অঞ্চলটিৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাৰ উত্তৰণ ৰ বাবে সঞ্চয় আৰু বিনিয়োগৰ সংহতি তথা বিনিয়োগক লাভ দায়ক কৰাৰ ক্ষেত্ৰত পাৰদৰ্শী বেংক সমূহে বহু পৰিমাণে সহায় কৰে। জনসাধাৰণৰ অতিৰিক্ত পুঁজি বেংকত জমা ৰাখিবলৈ মানুহক উৎসাহ জনোৱাটো প্ৰয়োজনীয়। বেংকসমূহে আকৰ্ষণীয় সুদৰ হাৰ প্ৰদান কৰি জমা একত্ৰিত কৰে আৰু এনেদৰে সঞ্চয়ক সক্ৰিয় মূলধনলৈ ৰূপান্তৰিত কৰে। এনেদৰে বেংক সমূহে এখন দেশত মূলধন গঠনত গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰে। যিয়ে অৰ্থনৈতিক বিকাশৰ পথ মুকলি কৰে।

বেংকিং ব্যৱস্থাৰ গুৰুত্ব আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ আৱশ্যকতাক অনুধাবন কৰি ২০১৪ চনৰ ২৮ আগষ্টত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰধান মন্ত্ৰীৰ জনধন যোজনা (PMJDY) মুকলি কৰি যাৰ জৰিয়তে দুখীয়া লোক সকল বিত্তীয় ক্ষেত্ৰত অধিক আত্মবিশ্বাসী হ'ব পাৰে আৰু চহৰ নগৰ নিৰ্বিশেষে সকলো ব্যক্তিক নিজা নিজা বেংক একাউন্ট তথা বীমাৰ পৰিসৰৰ ওপৰত সক্ষম কৰিব পাৰে। বিত্ত মন্ত্ৰালয়ৰ পৰা দিয়া তথ্য অনুসৰি ২০১৪ চনৰ চেপ্তেম্বৰলৈকে ৪০ মিলিয়ন সংখ্যক বেংক অকাউন্ট PMJDYৰ অধীনত খোলা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যত, ২০১৪ চনৰ ৯ নৱেম্বৰলৈকে ২৫৭১.৯৫ কৌটি টকা জমাৰে ১২২৯১৮৮০টা জনধন একাউন্ট খোলা হৈছে। অসমত সৰ্বোচ্চ আৰু অৰুণাচল প্ৰদেশত সৰ্বনিম্ন জনধন একাউন্ট আছে।

উক্ত প্ৰেক্ষাপটৰ বিপৰীতে উত্তৰ পূৰ্বাঞ্চলত প্ৰচলিত বেংকিং ব্যৱস্থাৰ উন্নয়নৰ বিষয়ে এক বিস্তৃত মূল্যায়নৰ প্ৰয়োজন আছে। এই অধ্যায়ত অঞ্চলটিত বিত্তীয় অন্তৰ্ভুক্তিৰ লক্ষ্যক ত্বৰান্বিতকৰন কৰা বিভিন্ন দিশ সমূহৰ ওপৰত আলোকপাত কৰাৰ প্ৰচেষ্টা কৰা হৈছে।

১১.৩ উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ পাৰদৰ্শিতা, সম্ভাৱনীয়তা আৰু প্ৰত্যাহ্বান

উত্তৰ-পূৱ ভাৰত সচৰাচৰ ভাৱে উত্তৰ পূৰ্বাঞ্চল (NER) হিচাপে জনাজাত। আঠখন ৰাজ্য অসম, অৰুণাচল প্ৰদেশ, মনিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিকিম আৰু ত্ৰিপুৰাক লৈ গঠিত হৈছে আৰু দেশখনৰ Look East Policy ৰ পূৰ্বদ্বাৰ হিচাপে স্বীকৃত হৈছে। অঞ্চলটি প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতাৰ ক্ষেত্ৰত চহকী কিন্তু অন্যান্য অঞ্চলৰ তুলনাত আন্তঃগাঁথনিৰ ব্যৱস্থাত পিছ পৰি আছে। দুই-তৃতীয়াংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল কৰ্মশক্তিৰে অঞ্চলটি প্ৰাথমিকভাৱে কৃষিভিত্তিক।

১১.৩.১ পাৰদৰ্শিতা

উত্তৰ-পূৰ্বাঞ্চলত আনুষ্ঠানিক বেংকিং খণ্ডৰ উন্নয়ন কেৱল বেংকৰ ৰাষ্ট্ৰীয়কৰনৰ পিছৰ সময়ছোৱাৰ পৰাহে সম্ভৱ হৈছিল। ১৯৬৯ চনৰ বেংক ৰাষ্ট্ৰীয়কৰণৰ পূৰ্বে অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ এটাও বেংক শাখাই নাছিল। বাণিজ্যিক বেংকৰ দুটা শাখাই সমগ্ৰ মনিপুৰ আৰু নাগালেণ্ডত সেৱা আগবঢ়াই আছিল। স্বাধীনতাৰ পূৰ্বে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে মাত্ৰ দহখন বাণিজ্যক বেংক শাখা আছিল। তাৰে আঠখন

অসমত আৰু বাকী দুখন বর্তমানৰ মেঘালয়ত আছিল। বেংক সেৱা অলপ ভাল পর্য্যায়ত আছিল কেৱল অসমত। কিয়নো তাত চাহ আৰু তৈল উদ্যোগসমূহ আছিল। ৰেংক সেৱা সূচল নোহোৱাৰ উমৈহতীয়া কাৰক সমূহ হ'ল শোচনীয় পৰিবহন আৰু যোগাযোগ ব্যৱস্থা বিশেষকৈ পাহৰীয়া অঞ্চলত য'ত জনবসতিও সেৰেঙা; পৰম্পৰাগত জনজাতীয় অর্থনীতিত আধুনিক বেংক সেৱাৰ চাহিদাও সীমিত আৰু এনেবোৰ কাৰণতে আধুনিক বেংক সেৱা উন্নত হোৱাৰ ক্ষেত্রত হেঙাৰ হৈ আহিছে। ১৯৬৯ চনত হোৱা প্রধান প্রধান বেংক সমূহৰ ৰাষ্ট্রীয়কৰণ উত্তৰ পূর্বাঞ্চলত আধুনিক বেংক ব্যৱস্থা উন্নয়নৰ ক্ষেত্রত এক সন্ধিক্ষন আছিল। এক নিম্ন বুনিয়াদৰ পৰা আৰম্ভ কৰে, বেংক শাখা সমূহৰ সম্প্রসাৰণ অঞ্চলটিত প্রভূত পৰিমাণে হৈছে।

তালিকা ১১.১ ঃ উত্তৰ পূর্বাঞ্চলঃ বেংক শাখাৰ নেটৱর্ক সম্প্রসাৰণ ২০১০

ৰাজ্য	বেংক শাখা (সংখ্যা)	প্রতি শাখাৰ বিপৰীতে জনসংখ্যা	প্রতি ১০০০বর্গ কিঃ মিঃ বেংক শাখা
অৰুণাচল প্রদেশ	৪০	১৭২৮২	১
অসম	১৪৭৭	২১০০৩	১৯
মনিপুৰ	৮১	৩৩৬০২	৩
মেঘালয়	২১৩	১৩৯১৬	৯
মিজোৰাম	৯৪	১১১৩৩	৪
নাগালেণ্ড	৯০	২২০০৭	৫
চিকিম	৭৪	৮২৫২	১০
ত্রিপুৰা	১৯২	১৯১২০	২২
উত্তৰ পূর্বাঞ্চল	২৩৪২	১৯৪৬৫	৯
ভাৰতবর্ষ	৮৬৯৬০	১৩৯১৬	২৬

উদাৰীকৰণৰ পিছৰ কাল ছোৱাত, ধাৰাটো অৱশ্যে ওলোটা হৈছিল। ২০০১-২০১০ সময়ছোৱাত সমগ্র দেশত ১৮৮১১১ টা নতুন শাখা মুকলি হোৱাৰ বিপৰাতে অঞ্চলটিত মাত্র ৪০৭ টা অতিৰিক্ত শাখা হয়। অসমত সর্বোচ্চ সংখ্যক (১৪৭৭) বেংক শাখাৰ বিপৰাতে দ্বিতীয় স্থানত ত্রিপুৰা (২২৯) আৰু তাৰ পিছতে মেঘালয়ত (২১৩) অধিক বেংক শাখা আছে। উক্ত ১১.১ নং তালিকাৰ পৰা এইটো স্পষ্ট হয় যে যদিও ৰাষ্ট্রীয় কৰণৰ পৰৱর্তী কালছোৱাত ভৌগোলিক ক্ষেত্রত বেংক শাখা সম্প্রসাৰণ হৈছে, ই এতিয়াও ৰাষ্ট্রীয় গড়ৰ তুলনাত বহুত পিছুৱাই আছে। সর্ব-ভাৰতীয় পর্য্যায়ত ২০১০ চনত প্রতি হাজাৰ বর্গ কিঃ মিত ২৬ টা বেংক শাখাৰ বিপৰীতে অঞ্চলটিত মাত্র ৯ টা বেংক শাখা আছে। অঞ্চলটিৰ ৰাজ্যসমূহৰ মাজত ভৌগোলিক অন্তর্ভুক্তিকৰণৰ ক্ষেত্রত বেচ ভিন্নতা আছে। অৰুণাচল প্রদেশত প্রতি হাজাৰ বর্গ কিঃ মিত মাত্র এটা বেংক শাখা, মনিপুৰত তিনি, মিজোৰামত চাৰি তথা নাগালেণ্ডত প্রতি হাজাৰ বর্গ কিঃ মিত পাচঁটা বেংক শাখা আছে। ইয়াৰ বিপৰীতে অসমত ১৯ টা আৰু ত্রিপুৰাত প্রতি হাজাৰ বর্গ কিঃ মিঃত ২২ টা বেংক শাখা আছে।

বেংক ৰাষ্ট্রীয়কৰণৰ সময়ত, প্রতি বেংক শাখাৰ বিপৰীতে অঞ্চলটিত জনসংখ্যা আছিল ৯০৫২৩ গৰাকী। তাৰ বিপৰীতে গড় হিচাপে ৰাষ্ট্রীয় পর্য্যায়ত আছিল ৬৩০০০ গৰাকী। বেংক ৰাষ্ট্রীয়কৰণৰ পিছত বেংক শাখাৰ নেটৱর্ক বৃদ্ধিৰ লগে লগে অঞ্চলটিত প্রতি বেংক শাখাৰ বিপৰীতে জনসংখ্যা ১৯৬৯ চনত ৯০৫২৩ ৰ পৰা ২০১০ চনত ১৯৪৬৫ গৰাকীলৈ হ্রাস পায়। তথাপি ই ৰাষ্ট্রীয় গড় ১৩৯১৬ গৰাকীতকৈ উল্লেখনীয় ভাৱে বেছি।

১৪ টা প্রধান বেংক, ৰাষ্ট্রীয়কৰণ কৰাৰ ঠিক পাছতে বেংক শাখাৰ নেটৱর্ক দ্রুত সম্প্রসাৰনৰ লগে লগে সকলোবোৰ ৰাজ্যতে জমা আৰু ঋণ বৃদ্ধি ত্বৰান্বিত হয়। তালিকা ১১.২ ত যোৱা সময়ছোৱাত উত্তৰ পূৱৰ ৰাজ্যসমূহত জমা আৰু ঋণ তথা ঋণ জমাৰ অনুপাত আৰু লগতে এইবোৰৰ বৃদ্ধিৰ হাৰ বিশ্লেষণ কৰিবলৈ প্রয়াস কৰা হৈছে।

তালিকা ১১.২ ঃ উঃ পূঃ বেংক জমা আৰু ঋণৰ পৰিমাণ তথা ঋণ জমাৰ অনুপাত গড় বার্ষিক বৃদ্ধিৰ হাৰ (২০০১-২০১০)

ৰাজ্য	জমা	ঋণ	ঋণ জমা অনুপপাত
অৰুণাচল প্রদেশ	২৪.৪	৩৪.৫	২৭
অসম	১৯.৭	২৭.৭	৩৬
মণিপুৰ	২০.৭	২৩.১	৪১
মেঘালয়	২২.৬	৩১.৫	২৬
মিজোৰাম	১৯.১	২৭.২	২৪
নাগালেণ্ড	১৯.৪	২৭.৭	৩০
ত্রিপুৰা	২০.৩	৩৪.৪	৩৭
চিকিম	২০.০	২১.১	২৫
উত্তৰ পূর্বাঞ্চল	১৯.৪	২২.৫	৩৫
ভাৰতবর্ষ	১৬.৪	২১.৯	৭৩

উৎস ঃ *RBI Statistical Returns, Census Data*

তালিকা ৩ ত দেখুওৱা মতে, ১৯৮১-১৯৯১ চনৰ সময় চোৱাত অঞ্চলটিৰ ৰাজ্যসমূহত জমাৰ বার্ষিক বিকাশৰ হাৰ অসমত ১৮ শতাংশৰ পৰা অৰুনাচল প্রদেশত ২৬ শতাংশলৈ বিস্তৃত, যাৰ বিপৰীতে ৰাষ্ট্রীয় গড় ১৬ শতাংশ। যি কি এই নহওঁক, এই ধাৰা ১৯৯০ ৰ কালত হোৱা বিত্তীয় খণ্ডৰ সংস্কাৰৰ পিছত ওলোটা হয়। ত্রিপুৰাৰ বাহিৰে বাকী আটাইবোৰ ৰাজ্যৰে জমাৰ বৃদ্ধি ৰাষ্ট্রীয় গড়তকৈ কমকৈ হৈছিল। ২০০১ ৰ পৰা ২০১০ ৰ সময়চোৱাত। উত্তৰ পূৱৰ ৰাজ্যসমূহে ৰাষ্ট্রীয় গড় ১৮.৯ শতাংশ বার্ষিক জমা বৃদ্ধিৰ হাৰতকৈ কিঞ্চিত অধিক বৃদ্ধি অর্জন কৰিছিল। আমোদজনকভাৱে জমাৰ বিকাশৰ হাৰৰ ক্ষেত্র আন্তঃৰাজ্যিক বৈষম্য ইমান চকুত লগা নাছিল। অৱশ্যে জমাৰ বিকাশৰ হাৰৰ ক্ষেত্রত উত্তৰ, পশ্চিম আৰু দক্ষিণাঞ্চলৰ তুলনাত উত্তৰ পূর্বাঞ্চলৰ বৃদ্ধিৰ হাৰ নিৰাশজনক, কিয়নো সেইবোৰ অঞ্চলত বার্ষিক

জমা বৃদ্ধিৰ হাৰ একে সময়চোৱাত ৪০ শতাংশৰ উৰ্দ্ধত আছিল।

ৰাজ্য অনুপাতে তুলনা কৰিলে দেখা যায় মিজোৰামৰ সৰ্বনিম্ন ২৪% C-D অনুপাত, তাৰ পিছতেই ত্ৰিপুৰা আৰু অৰুণাচল য'ত দুয়োটাৰে ২৫% কৈ C-Dঅনুপাত আছে। মনিপুৰৰ সৰ্বোচ্চ ২৫% ঋন-জমা অনুপাত আছে তাৰ পিছতে চিকিম (৩৭%)আৰু অসম (৩৬%)আছে। আন ৰাজ্যসমূহত অঞ্চলটিত গড় ৩৫ শতাংশতকৈ কম। মেঘালয় আৰু চিকিমৰ বাহিৰে বাকী সকলোবোৰ ৰাজ্যতেই যোৱা দহকটোত ঋন-জমা অনুপাত উল্লেখনীয়ভাৱে হ্ৰাস পাইছে।

উত্তৰ পূৰ্বাঞ্চলে এতিয়াও উৎপাদনশীল হিচাপত সম্পূৰ্ণভাৱে বেংকিং সেৱাৰ সম্ভাৱনীয়তাক কামত লগাব পৰা নাই। তালিকাভুক্ত বাণিজ্যক বেংকসমূহে এতিয়াও অঞ্চলটিৰ চুকে কোনে শাখা বিস্তাৰ কৰিব পৰা নাই, বিদেশী বেংকৰ উপস্থিতি তেনেই নগণ্য আৰু অঞ্চলটিত ব্যক্তিগত বেংকৰ উপস্থিতিও তাকৰ। ভৌগলিক ভাৱে একাষৰীয়া হোৱা বাবে বেংক সমূহৰ পাৰদৰ্শিতা দেশৰ অইন অইন অঞ্চলৰ লগত ফেৰ মাৰিব পৰা নাই।

১১.৩.২ সম্ভাৱনীয়তা

বিত্তীয় অন্তভুক্তিকৰণৰ গুৰুত্বক অনুধাৱন কৰি উঃপূঃৰ প্ৰতিখন ৰাজ্যই যৎপৰোনাস্তি কৰিব লাগিব আৰু বিত্তীয় সেৱাৰ চাহিদাৰ আৰু যোগানৰ দুয়োটা দিশৰ সামঞ্জস্য আনিবলৈ আৰু প্ৰত্যাহ্বান সমূহ অতিক্ৰম কৰিবলৈ উপযুক্ত কাৰ্যপন্থা হাতত ল'বলৈ বেংকসমূহৰ লগত সহযোগিতা কৰিব লাগিব। উত্তৰ পূৰ্বাঞ্চলত বেংকিং খণ্ডৰ পাৰদৰ্শিতাৰ ফালে চাই অঞ্চলটিত বেংক ব্যৱস্থাৰ ভৱিষ্যতৰ সম্ভাৱনীয়তা সমূহ তলত সংক্ষেপে উল্লেখ কৰা হ'ল —

- বেংকিং সেৱাই ঢুকি নোপোৱা উত্তৰ পূৰ্ব ভাৰতৰ গ্ৰামীণ অঞ্চলৰ লোক যিসকলৰ বেংকসমূহৰ সম্ভাব্য গ্ৰাহক, তেওঁলোকৰ বাবে বিত্তীয় স্বাক্ষৰতা প্ৰয়োজনীয় হৈ উঠিছে। ই অঞ্চলটিৰ লোক সকলে বিত্তীয় সামগ্ৰী/ সেৱা সমূহ সহজে উপলব্ধি কৰাত সহায় কৰিব।
- উত্তৰ পূৰ পৰিষদ (NEC) এ আন্তঃগাঁথনি আৰু যোগাযোগৰ উন্নয়নৰ লগতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কাঠামোৰ ভিতৰত থকা ব্যৱস্থা সমূহৰ বাবে বাস্তৱ সন্মত পৰিকল্পনালৈ আগবাঢ়ি আহিব লাগে। ই নিঃসন্দেহে অঞ্চলটিৰ পিছ পৰা লোক খিনিৰ বহন যোগ্য খৰচত উন্নত গুণ সম্পন্ন বিত্তীয় সেৱা আৰু অধিক বেংকৰ সুবিধা লাভ কৰোৱাত সহায়ক হ'ব। এনে পদক্ষেপে নিশ্চিত ভাৱে চৰকাৰৰ দৰিদ্ৰতা নিবাৰণৰ বাবে বহল লক্ষ্য অৰ্জনৰ আহিলা হিচাপে কাম কৰিব।
- গোলকীকৰণ বিশ্বত প্ৰযুক্তিগত উন্নতিৰ লগে লগে ইণ্টাৰনেট বেংক সেৱাই

এক গুৰুত্বপূৰ্ণ স্থান দখল কৰে। ভাৰতীয় বেংকসমূহে তেওঁলোকৰ প্ৰযুক্তিগত সা সুবিধা উন্নত কৰি গ্ৰাহকসকলক উৎকৃষ্ট সেৱা প্ৰদান কৰাত মনোনিৱেশ কৰিব লাগে যাতে গ্ৰাহক সকলে বেংকিং সেৱাৰ পূৰ্ণ সুযোগ লাভ কৰিব পাৰে।

- উত্তৰ পূৰ্বাঞ্চলৰ সঞ্চয়খিনি অঞ্চলটিৰ ভিতৰতে বিনিয়োগ কৰিব লাগে। সংশ্লিষ্ট চৰকাৰ আৰু বেংকসমূহে ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ একলগ হৈ কাম কৰিব লাগে।

১১.৩.৩ প্ৰধান প্ৰত্যাহ্বানসমূহ

বিত্তীয় খণ্ড বিশেষকৈ বেংকিং খণ্ডত সংস্কাৰটোৰ লগত বেংকখণ্ডত বৃহৎ পৰিৱৰ্তণ দেখা যায়। বৰ্তমান ভাৰতীয় বেংকসমূহ যিকোনো সংকটৰ মুখামুখি হ'ব পৰা স্থিতিত আছে আৰু অহৰহভাৱে নতুন উদ্ভাৱনৰ প্ৰচেষ্টাত আছে। কিন্তু যদি আমি উত্তৰ পূৰ্বাঞ্চলৰ বেংক সমূহৰ ফালে চাওঁ পূৰ্বতে উল্লেখ কৰাৰ দৰে ই বহুত ক্ষেত্ৰত দুৰ্বল পাৰদৰ্শিতা প্ৰদৰ্শন কৰা দেখা যায়। উত্তৰ পূৰ্বাঞ্চলৰ বেংকিং ব্যৱস্থাই সন্মুখীন হৈ থকা প্ৰধান প্ৰত্যাহ্বান সমূহ তলত আঙুলিয়াই দিয়া হ'ল—

- উত্তৰ পূৰ্বাঞ্চলৰ বিশেষ ভৌগোলিক বৈশিষ্ট্যৰ কাৰণে, বেংকৰ দৰে বিত্তীয় প্ৰতিষ্ঠানসমূহৰ বাবে অঞ্চলটিত কামকাজ চলাই নিয়া কষ্টকৰ হয়। উত্তৰ পূৰ্বাঞ্চল ভুমিস্খলন, বানপানী আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগ প্ৰৱল হয়, যিয়ে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহ পৰিচালনাত ক্ষতি শংকা বৃদ্ধি কৰে।
- কৃষিখণ্ডৰ বিকাশ হ্ৰাস আৰু স্থবিৰ উদ্যোগিক আৰু সেৱা খণ্ডৰ বাবে জীৱিকাৰ উৎস সীমিত। ইয়ে ক্ষুদ্ৰ ঋণ কাৰ্য্যাৱলীৰ পৰা জীৱিকা সন্ধানৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰে।
- অঞ্চলটিত সৰহ সংখ্যাত জনজাতীয় লোকৰ অৱস্থান হিচাপে চিহ্নিত। বহু নৃ-গোষ্ঠীবাদ বহু ভাষী তথা ভিন্ন সংস্কৃতিৰ উপস্থিতিয়ে এক ধ্ৰুৱকৰ ভুমিকা লয়।
- বিত্তীয় নিৰক্ষৰতা আৰু বেংক সেৱাৰ বিষয়ে ভ্ৰান্ত ধাৰণাই দুখীয়া আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে বিত্তীয় সেৱা গ্ৰহণ কৰাত এক প্ৰধান অন্তৰায় হিচাপে গণ্য কৰা হয়।
- বেংকসমূহেও তেওঁলোকৰ বাবে উপযুক্ত কাৰ্য্যনীতি যুগুত, কৰাৰ বাবে তথ্যৰ ব্যৱধানসমূহ চিনাক্ত কৰিবলৈ জটিল পায়।
- ৰাজনৈতিক অস্থিৰতা আৰু আইন শৃংখলাৰ অবনতি হ'ল বেংকসমূহে তেওঁলোকৰ কামকাজ সম্প্ৰসাৰণ ও সুচাৰু ৰূপে সম্পাদন কৰাত অসুবিধা সৃষ্টি কৰা আন এক উপাদান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অর্থনৈতিক উন্নয়নত বেংকিং সেৱাৰ ভুমিকা কি? (৩০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন নং ২ ঃ ৰাষ্ট্রীয়কৰণৰ পিছত উত্তৰ পূৰ্বাঞ্চলত বেংক সেৱাৰ সম্প্রসাৰনৰ ওপৰত এটি চমু টোকা লিখক? (৭০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

১১.৪ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক গ্রামীন বেংক (RRBs)

সমূহৰ পাৰদর্শিতা, সমস্যা আৰু সম্ভাৱনীয়তা আঞ্চলিক গ্রামীণ বেংক (RRBs) সমূহ হ'ল ভাৰতৰ বিভিন্ন ৰাজ্যত আঞ্চলিক পর্য্যায়ত কাম কাজ কৰা চৰকাৰী বেংক। আঞ্চলিক গ্রামীন বেংকসমূহ কৃষি আৰু অন্যান্য গ্রাম্য ক্ষেত্রত পর্য্যাপ্ত পৰিমানে বেংক সেৱা আৰু ঋনৰ ব্যৱস্থা কৰিব লাগে ১৯৭৫ চনৰ চেপ্তেম্বৰৰ এক অধিসূচনা তথা RRB আইন, ১৯৭৬ চনৰ জৰিয়তে স্থাপিত কৰা হৈছিল। RRB সমূহে চহৰ অঞ্চলটো কাম-কাজ চলায়। ই মুলত ক্ষুদ্র বিত্তীয় প্রতিষ্ঠান আৰু লগতে বেংক সেৱা প্রতিষ্ঠান হিচাপে কাম কৰে। ই অর্ধ বেংকিং সেৱা (যেনে ল'কাৰ ব্যৱস্থা, ডেবিট আৰু ক্রেডিট কার্ডৰ সুবিধা) আৰু লগতে কেতবোৰ চৰকাৰী কাম-কাজ যেনে— পেঞ্চন, মঁজুৰি আদি ব্যৱস্থাপনা কৰে। RRB সমূহ কেন্দ্রীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু পৃষ্ঠপোষণকাৰী মালিকীস্বত্বৰ বেংক যিয়ে ক্রমে অনুপাত ৫০:১৫:৩৫ অমুসৰি অংশ বাটোৱাৰা কৰে।

উত্তৰ পূৰ ভাৰতত, বহুতো আঞ্চলিক গ্রামীণ বেংক আছে। যিয়ে প্রাথমিক বেংক তথা বিত্তীয় সম্পর্কীয় সেৱাসমূহ আগবঢ়ায়। সেইবোৰ হ'ল —

- অৰুণাচল প্রদেশ ৰুৰেল বেংক (অৰুণাচল প্রদেশ))
- অসম গ্রামীন বিকাশ বেংক (অসম)
- লাংপী দেহাংগী ৰুৰেল বেংক (অসম)
- মনিপুৰ ৰুৰেল বেংক (মনিপুৰ)
- মেঘালয় ৰুৰেল বেংক (মেঘালয়)

- মিজোৰাম ৰুৰেল বেংক (মিজোৰাম)
- নাগালেণ্ড ৰুৰেল বেংক (নাগালেণ্ড)
- ত্রিপুৰা গ্রামীন বেংক (ত্রিপুৰা)

১১.৪.১ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক গ্রামীন বেংকৰ পাৰদৰ্শিতা

উত্তৰ পূৰ্বাঞ্চলৰ বেংকিং নেটৱৰ্ক সুলভ ভাৰতীয় ষ্টেট বেংক আৰু ইয়াৰ সহযোগী বেংকসমূহ, ৰাষ্ট্ৰীয়কৃত বেংকসমূহ তথা আঞ্চলিক গ্রামীন বেংক — এইবোৰ ৰাজহুৱা খণ্ডৰ বেংকৰ অধীনত। তলৰ তালিকা (তালিকা নং ১১.৩) ই ৰাজ্য অনুপাতে উত্তৰ-পূৰ্বাঞ্চলৰ বেংক কাৰ্য্যলয়ৰ সংখ্যা দেখুৱাইছে।

তালিকা ১১.৩ ঃ উঃপূঃ বেংক গোট অনুযায়ী কাৰ্য্যলয়ৰ বিতৰণ (২০১০ চনৰ মাৰ্চ লৈকে)

ৰাজ্য	SBI আৰু ইয়াৰ সহযোগী	ৰাষ্ট্ৰীয়কৃত বেংক	ব্যক্তিগত বেংক	বিদেশী বেংক	RRB	মুঠ
অৰুণাচল প্রদেশ	৪৪	১৫	—	১৮	৪০	
অসম	২৭১	৭৩৩	৭০	২	৪০১	১৪৭৭
মণিপুৰ	২০	৩১	২	—	২৪	৮১
মেঘালয়	৯৩	৫৫	১০	—	৫৫	২৩১
মিজোৰাম	২৫	৯	৫	—	৫৯	৯৮
নাগালেণ্ড	৫১	২২	৭	—	১০	৯০
চিকিম	২৭	৪০	৭	—	—	৯৪
ত্রিপুৰা	৪০	৪০	৮	—	১০৪	১৯২
উত্তৰ পূৰ্বাঞ্চল	৫৭১	৯৮২	১২২	২	৬৭৫	২৩৪২
ভাৰতবৰ্ষ	১৭৮৬১	৪২৯৬৫	১০২৯১	২৯৫	১৫৫৪৮	৮৬৯৬০

উৎস ঃ *Basic statiscal Returns of scheduled Banks, RBI*

তালিকা ১১.৩ যে দৃষ্টিগোচৰ কৰে যে ২৩৪২টা শাখাৰ ভিতৰত মাত্র ১১২ টা ব্যক্তিগত বেংকৰ শাখা আছে, তাকো মুলত অসমতে কেন্দ্রীভুত হৈ। অইন ৰাজ্যত তেওঁলোকৰ উপস্থিতি তেনেই নগন্য। অসমৰ পিছত ক্রমে মিজোৰাম আৰু ত্রিপুৰাত আঞ্চলিক গ্রামীণ বেংক সমূহ দ্রুত সম্প্রসাৰিত হৈছে।

আঞ্চলিক গ্রামীন বেংকসমূহৰ জৰিয়তে লক্ষ্যাধিক গ্রাম্য বেংক সেৱাৰ আওঁতাৰ বাহিৰত থকা লোক সকলে প্রয়োজনীয় ঋণ সেৱা পোৱাটো আশা কৰা হয়। বেংক সেৱা নথকা ঠাইবোৰত প্রয়োজনীয় সংখ্যক শাখা মুকলি কৰি বিভিন্ন ঠাইত আৰু ভিন্ন আয়ৰ জনসাধাৰণক সামৰি এক সমতা সূচক ঋন সম্প্রসাৰণ প্রয়োজন। দেশৰ ভিতৰত উত্তৰ প্রদেশত সর্বাধিক আঞ্চলিক গ্রামীন বেংক (৮) আৰু শাখা (৩৫১৮) আছে যিয়ে সর্বাধিক জিলা (৮১) ক সামৰি লয়। তাৰ পিছতে অন্ধ্রপ্রদেশত অধিক আঞ্চলিক গ্রামীন বেংক (৫ খন), শাখাৰ সংখ্যা (১৬৩০ টা)

আৰু সামৰি লোৱা জিলা (২৩ খন) আছে, কর্ণাটকৰ আঞ্চলিক গ্রামীন বেংকৰ সংখ্যা (৪ খন) শাখাৰ সংখ্যা (১৪৬০ টা) আৰু সামৰি লোৱা জিলাৰ সংখ্যা (৩০ খন), বিহাৰত RRB ৰ সংখ্যা (৩) শাখাৰ সংখ্যা (১৭১৮) আৰু সামৰি লোৱা জিলাৰ সংখ্যা (৩৮ খন), মধ্য প্রদেশক RRB ৰ সংখ্যা (৩), শাখা (১১৩২) আৰু সামৰি লোৱা জিলা (৫০ খন), ৰাজস্থানত RRB ৰ সংখ্যা (৩) শাখা (১১৫৭) আৰু সামৰি লোৱা জিলা (৩৬ খন)। ইয়াৰ পৰা এইটো প্রমাণিত হয় যে উক্ত ছয়খন ৰাজ্যই (উত্তৰ প্রদেশ, অন্ধ্রপ্রদেশ, কর্ণাটক, বিহাৰ, মধ্যপ্রদেশ, ৰাজস্থান) সর্বাধিক সংখ্যক আঞ্চলিক গ্রামীণ বেংক (৫০% তকৈ অধিক) আৰু জিলাক বেংকিং নেটৱর্কত সামৰি লৈ আঞ্চলিক গ্রামীণ বেংকৰ সিংহভাগ লৈ আছে। এটা আমোদজনক কথা লক্ষ্য কৰিব পাৰি যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য মনিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্রিপুৰা, অৰুণাচল প্রদেশৰ ভাগ RRB ৰ সংখ্যা, শাখাৰ সংখ্যা আৰু সামৰি লোৱা জিলাৰ ক্ষেত্রত তেনেই নগন্য। উল্লেখনীয় ভাৱে মন কৰিবলগীয়া কথা যে এইবোৰ ৰাজ্যত মাত্র এখনকৈ আঞ্চলিক গ্রামীন বেংক আৰু মুঠ কম সংখ্যক শাখা আছে, য'ত নাগালেণ্ডত এনে বেংকৰ মাত্র ১০ টা শাখা আছে। এই কথাটো স্পষ্টভাৱে আঞ্চলিক গ্রামীণ বেংকৰ অসমতাপূর্ণ বিকাশ হোৱাটো সূচায় য'ত পিছপৰা অঞ্চল সমূহক বেংক সেৱাৰ সা-সুবিধা প্রদানত কম প্রাধান্য দিয়া হৈছে। ইয়ে পিছ পৰা অঞ্চলসমূহৰ ঋণৰ প্রয়োজনীয়তা পূৰণ কৰাত ব্যর্থ হোৱা দেখুৱায়।

वित्तीय প্রতিষ্ঠান এটাৰ দক্ষতা আৰু পাৰদর্শিতা ঋন জমা (C-D Ratio) ৰ অনুপাতৰ পৰা জুখিব পাৰি য'ত অধিক C-Dঅনুপাত থকাটোক উৎকৃষ্ট বুলি ক'ব পাৰি। তলৰ তালিকাত (তালিকা -১১.৪) ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত আঞ্চলিক বেংক সমূহ ঋন জমা অনুপাত দেখুওৱা হৈছে।

তালিকা ১১.৪ ঃ ৰাজ্য ভিত্তিক আঞ্চলিক গ্রামীণ বেংকসমূহৰ ঋন জমাৰ অনুপাত

ৰাজ্য	২০০৮	২০০৯	২০১০	২০১৫	২০১৭
অৰুণাচল প্রদেশ	২৫.৪	১৮.৯	২০.১	২৫.০	২৪.৬
অসম	৫২.৬	৪৮.৩	৪৭.৫	৫৩.২	৫২.৯
মনিপুৰ	৬০.০	৪১.৭	৩৬.৬	৫০.০	৩৯.৩
মেঘালয়	৩০.৭	২৯.৫	৩৫.০	৫৪.৫	৩৬.৭
মিজোৰাম	৬৩.৭	৫৩.৯	৪৮.৪	৫০.০	৫২.২
নাগালেণ্ড	৪৭.১	৩৩.৩	২৭.৩	—	২২.২
ত্রিপুৰা	৪৭.৯	৪১.৩	৪১.০	৩৯.০	৩৭.০
উত্তৰ পূৰ্বাঞ্চল	৪৯.৯	৪৪.৫	৪৪.১	৪৭.৪	৬৫.৬

উৎস ঃ *RBI Publications*

উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক গ্ৰামীন বেংকসমূহৰ ঋণ জমা অনুপাত কিছু বছৰ ধৰি বৃদ্ধি হৈ আছে। এই কথাটো তালিকা ৫ ত দেখা গৈছে। যদিও অসম আৰু মিজোৰামত সর্বোচ্চ ঋন জমা অনুপাত দেখা যায়, ই উঠা নমা কৰা, দেখাৰ পৰা ক'ব পাৰি যে ই স্থিৰতাহীন। উত্তৰ পূৰ্বাঞ্চলৰ অইন ৰাজ্যৰ তুলনাত নাগালেণ্ড আৰু অৰুণাচল প্রদেশত এই অনুপাত সর্বনিম্ন। প্রয়োজনতকৈ কম মূলধন আৰু কাম কাজত বাধাৰ বাবেও আঞ্চলিক গ্ৰামীণ বেংকসমূহে वित्तीय অর্ন্তভুক্তিকৰনক উদগনি দিয়াৰ ক্ষেত্রত বৰ বেছি গুৰুত্বপূর্ণ ভুমিকা পালন কৰাত অপাৰগ হয়।

ওপৰোক্ত আলোচনা পৰা এইটো প্রমাণিত হয় যে আঞ্চলিক গ্ৰামীণ বেংক সমূহে ভাৰতৰ অইন অঞ্চলৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ ক্ষেত্রত প্রয়োজনীয় গতি বর্তাই ৰাখিবলৈ অক্ষম হৈছে।

১১.৪.২ উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ সমস্যাৱলী

আগতে উল্লেখ কৰা ধৰণে অইন বেংকসমূহে মুখামুখি হোৱা সমস্যাবোৰৰ লগতে আঞ্চলিক গ্ৰামীণ বেংকসমূহে আজিলৈকে কেতবোৰ বিশেষ সমস্যাৰ মুখামুখী হৈ আছে—


- বিভিন্ন কাৰণত ইয়াৰ আঞ্চলিক গ্ৰামীণ বেংক সমূহ লোকচানৰ মাজেদি চলি আছে।
- কাম-কাজত বিভিন্ন বাধাৰ বাবে আঞ্চলিক বেংকৰ উন্নতি অইন বেংকতকৈ লেহেমীয়া। (উদাহৰণ স্বৰূপে ১৯৬৬ লৈকে RRB সমূহক কেৱল অগ্রাধিকাৰ খণ্ডৰ আঁচনিৰ অধীনতহে ঋন দিয়াৰ অনুমতি দিয়া হৈছিল।
- আঞ্চলিক গ্ৰামীণ বেংক সমূহে প্রাথমিক ভাৱে ক্ষুদ্র আৰু প্রান্তীয় কৃষক তথা সমাজৰ দুর্বল শ্রেণীৰ লোকক হে ঋন সুবিধা প্রদান কৰে। গতিকে তেনে পুঁজি বিনিয়োগৰ পৰিসৰ তেনেই সীমিত।
- যিকোনো গুৰুত্বপূর্ণ বিষয়ৰ ওপৰত সিদ্ধান্ত লোৱাৰ ক্ষেত্রত RRB সমূহক বহু দীঘলীয়া সময় লাগে কিয়নো ইয়াৰ বাবে ইয়াৰ তিনি স্তম্ভ — কেন্দ্র, ৰাজ্য আৰু পৃষ্ঠপোষক বেংক আটাইৰে সন্মতি লাগে।
- RRB সমূহে ভাল ঋন জমাৰ অনুপাত বর্তাই ৰাখিব নোৱাৰাৰ কাৰণ সমূহৰ ভিতৰত উল্লেখ কৰিব পৰা কেইটামান হ'ল — ঋণৰ প্রকৃতি, ঋণ ঘুৰি নহা, বেংকৰ ঋণৰ লক্ষ্য অনুযায়ী ব্যৱহাৰ কৰিবলৈ নির্দেশনাৰ অভাৱ, বেংকযোগ্য আঁচনিসমূহ ৰূপায়নত ব্যর্থতা আদি।

১১.৪.৩ উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ সম্ভাৱনীয়তা

ওপৰৰ বিশ্লেষণৰ পৰা এইটো স্পষ্ট হয় যে আঞ্চলিক গ্ৰামীণ বেংক সমূহৰ

দ্রুত উন্নয়নে ভাৰতবর্ষত বেংক সেৱাত বৈষম্য হ্রাস কৰাত সহায় কৰিছে। আঞ্চলিক গ্রামীণ বেংক সমূহৰ শাখা সম্প্রসাৰণ, জমা অধিগ্রহণ, গ্রাম্য উন্নয়ন তথা ঋন সাহার্য্য আদিৰ ক্ষেত্রত প্রচেষ্টাবোৰ প্রসংশনীয়। RRB সমূহৰ মূল লক্ষ্য যেনে বেংক সেৱাৰ পৰা বঞ্চিত গাওঁ অঞ্চলত বেংকৰ সা-সুবিধা লৈ যোৱাত সফল হৈছে। বিশেষকৈ জঞ্জাল বিহীন আৰু কম খৰচী বেংক সেৱাই গাৱলীয়া মহাজন বা ব্যক্তিগত ঋণদাতাৰ শোষনৰ পৰা মুক্ত হ'বলৈ আৰু গাৱৰ মানুহক সঞ্চয়ৰ প্রতি আগ্রহী হ'বলৈ উৎসাহ যোগাইছে। এনেদৰেই সমবায় বেংক বা বানিজ্যক বেংকৰ তুলনাত আঞ্চলিক গ্রামীণ বেংক সমূহৰ নেটৱর্ক শক্তিশালী হৈছে। আঞ্চলিক গ্রামীণ বেংকসমূহ অধিক বাস্তৱমুখী হ'বলৈ চৰকাৰে আৰু অধিক কার্য্যকৰী পদক্ষেপ ল'ব লাগিব। RRB সমূহে গ্রাম্যঞ্চলত কৃষি, বানিজ্য আৰু ঔদ্যোগিক বিকাশৰ কাৰনে ক্ষুদ্র, উপান্ত তথা অর্থনৈতিকভাৱে দুর্বল লোকক ঋণৰ সবিধা প্রদানৰ উদ্দেশ্যৰে গ্রাম্যাঞ্চলত এক গুৰুত্ব ভুমিকা পালন কৰে। তথাপি এতিয়াও এই বেংকসমূহৰ সীমিত ব্যৱসায়িক নমনীয়তা, ঋণৰ পৰিমান কম, ঋন ঘুৰাই অনাৰ নিম্নহাৰ তথা উচ্চ ক্ষতি শংকাযুক্ত ঋণ আদিৰ বাবে এই বেংক সমূহৰ বানিজ্যিক বাস্তৱ মুখীতাৰ ওপৰত প্রশ্ন উত্থাপিত হয়।

আঞ্চলিক গ্রামীন বেংক সমূহে গ্রাহক সকলৰ লগত সু-সম্পর্ক গঢ়ি তুলিব লাগিব আৰু তেওঁলোকৰ মাজত আত্মবিশ্বাস জগাই তুলিব লাগিব। এই সমস্যা অতিক্রম কৰিবলৈ বেংকৰ কর্মচর্তাও কর্মচাৰী সকলে গ্রাহক সকলৰ লগত বেছিকৈ কথা-বতৰা পাতিব লাগিব। যিবোৰ অঞ্চলৰ গ্রাহকে বেংক সেৱাৰ সা-সুবিধা পাবলৈ সক্ষম হোৱা নাই সেইবোৰ অঞ্চলত বেংকৰ শাখা মুকলি কৰিব লাগিব। RRB সমূহৰ অৱস্থাৰ উন্নতীকৰণ কৰিবলৈ চৰকাৰে ৰাজ্যত ভৌগোলিকভাৱে ভাৱে পাশ্বৱর্তী বেংকসমূহক একত্রিত কৰিবলৈ পদক্ষেপ লৈছে। এই পদক্ষেপৰ ফলস্বৰূপে ৰাজধানী এলেকাত কামকাজ চলাই থকা একাধিক আঞ্চলিক বেংকে তেওঁলোকৰ এলেকাৰ ভাল প্রযুক্তিগত কৌশলক ব্যৱস্থাপনাৰ বাবে সেৱা সম্প্রসাৰিত কৰিব। এই ডিজিটেল যুগত তেওঁলোকৰ গ্রাহক তথা সম্ভাৱনীয় গ্রাহকক আকর্ষিত কৰিবলৈ দ্রুত, গুণগত তথা নিৰাপদ বেংক সেৱাৰ ওপৰত গুৰুত্বাৰোপ কৰিব লাগিব। গতিকে এক উপযুক্ত জমা সংহত নীতিৰ প্রয়োজন যাৰ ওপৰত আঞ্চলিক গ্রামীণ বেংকসমূহৰ ভৰিষ্যত বর্তি থকাটো নির্ভৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আঞ্চলিক গ্রামীণ বেংক (RRB) কি, বাখ্যা কৰক।
(২০০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ উত্তৰ পূৰ্বাঞ্চলত RRB সমূহে সন্মুখীন হোৱা দুটা সমস্যা উল্লেখ কৰক। (৫০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এখন দেশত নতুন মূলধন সৃষ্টি কৰাত বেংকসমূহে এক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে আৰু এনেদৰে বিকাশ প্ৰক্ৰিয়াত সহায় কৰে।
- উত্তৰ পূৰ্বাঞ্চলত আনুষ্ঠানিক বেংক খণ্ড উন্নয়ন সম্ভৱ হৈছিল বেংক ৰাষ্ট্ৰীয়কৰণৰ পিছত হে।
- ১৪ খন প্ৰধান বেংক ৰাষ্ট্ৰীয়কৰণেৰে বেংক শাখা সম্প্ৰসাৰণৰ দ্ৰুত হোৱাৰ লগে লগে আটাইবোৰ ৰাজ্যতে বেংক জমা আৰু ঋণ বৃদ্ধি ত্বৰান্বিত হৈছিল।
- উত্তৰ, পশ্চিম আৰু দক্ষিণাঞ্চলৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলৰ জমাৰ বৃদ্ধি তেনেই নগন্য আছিল। বাকী অঞ্চলবোৰত সময়ছোৱাত বাৰ্ষিক জমা বৃদ্ধিৰ হাৰ ৪০ শতাংশতকৈ অধিক আছিল।
- বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ গুৰুত্ব উপলব্ধি কৰি উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যই বিত্তীয় সেৱাৰ চাহিদাও যোগানৰ ওপৰত সামঞ্জস্য ৰাখি উপযুক্ত কৰ্মনীতি প্ৰস্তুত কৰাৰ বাবে যৎপৰোনাস্তি কৰিব লাগিব আৰু বেংক সমূহৰ লগত সহযোগিতা কৰিব লাগিব।
- উত্তৰ পূৱ ভাৰতৰ বেংকৰ সেৱাৰ আওঁতাৰ বাহিৰত থকা গ্ৰামাঞ্চলৰ সম্ভাৱনীয় গ্ৰাহক খিনিৰ বাবে বিত্তীয় স্বাক্ষৰতা প্ৰয়োজনীয় হৈ পৰিছে।
- বিশেষ ভৌগলিক বৈশিষ্ট্যৰ কাৰণে, পাহাৰীয়া অঞ্চল ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত বিত্তীয় প্ৰতিষ্ঠানবোৰৰ কাম কাজ চলোৱাটো কষ্টকৰ হয়।
- ১৯৭৫ চনৰ চেপ্তেম্বৰত গৃহিত কৰা এক অধ্যাদেশ আৰু RRB Act, 1976 অধীনত কৃষি আৰু গ্ৰামাঞ্চলত ঋণৰ সা-সুবিধাৰ ব্যৱস্থা কৰিবৰ বাবে আঞ্চলিক গ্ৰামীণ, বেংকসমূহ স্থাপন কৰা হৈছিল।

- পৰ্য্যপ্ত মুলধনৰ নাটনি আৰু কাম কাজ চলোৱাত কেতবোৰ বাধাৰ বাবে আঞ্চলিক গ্ৰামীণ বেংক সমূহে বিত্তীয় অন্তৰ্ভুক্তিক উদগনি দিয়াৰ বাবে বৰ বেছি ভুমিকা ল'ব পৰা নাছিল।



১১.৬ অধিক জানিবলৈ

১) Mithani, D.M : Money, Banking, *International Tnade and Public Finance*, Himalaya Publishing House

২) Bhole, L.M. & Mahakund. J,: *Financial Inclusions and markets,5th edn*, The Mcgnawhil Companies

৩) Datt, G & Mahajan, A (2012) : *Indian Economy S. Chand & Company Ltd.* ISBN: 81-219-0298-3

১১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ অৰ্থনৈতিক উন্নয়ন বেংক খণ্ডৰ সেৱাৰ কাৰ্যকৰী আৰু সুদক্ষ কামকাজৰ ওপৰত বহুল পৰিমানে নিৰ্ভৰ। পঞ্চম সংহত কৰন আৰু সেইবোৰক অৰ্থনৈতিক অৱস্থাৰ উন্নীতকৰনাৰ্থে লাভজনক প্ৰণালী নিৰ্দেশনাৰ বাবে বেংকসমূহৰ কৰ্ম দক্ষতাই পৰিমানে সহায় কৰে।

২ নং প্ৰশ্ন উত্তৰ ঃ উত্তৰ পূৰ্বাঞ্চলত আধুনিক বেংকিং সেৱা উন্নয়নৰ ক্ষেত্ৰত ১৯৬৯ চনত প্ৰধান বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণ এক সন্ধিক্ষণ আছিল। এক নিম্ন ভিত্তিৰ পৰা আৰম্ভ কৰি, শাখা সম্প্ৰসাৰণৰ নেটৱৰ্ক উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ উল্লেখনীয়ভাৱে সম্প্ৰসাৰিত হৈছিল। উদাৰীকৰণৰ পৰৱৰ্তী কালছোৱাত, অৱশ্যে ধাৰাটো ওলোটা হৈছিল। ২০০১-২০১০ কালচোৱাত খোলা হোৱা ১৮৮১১ নতুন শাখাৰ ভিতৰত অঞ্চলটি কেৱল ৪০৭ টা শাখাৰ দ্বাৰা লাভান্বিত হৈছিল। অসমত সৰ্বোচ্চ (১৪৭৭) সংখ্যক বেংক শাখা আছে, তাৰ পিছতে ত্ৰিপুৰা (২২৯) আৰু মেঘালয়ত (২১৩) বেংক শাখা আছে।

৩ নং প্ৰশ্ন উত্তৰ ঃ আঞ্চলিক গ্ৰামীণ বেংক (RRBs) হ'ল ভাৰতৰ বিভিন্ন ৰাজ্যত আঞ্চলিক পৰ্য্যায়ত কাম কৰা চৰকাৰী বেংক।

৪ নং প্ৰশ্ন উত্তৰ ঃ উত্তৰ পূৰ্বাঞ্চলৰ RRB সমূহৰ দুটা সমস্যা হ'ল —

ক) RRB সমূহৰ কাম কাজত ক্ষেত্ৰত নানা ধৰনৰ বাধা নিষেধৰ বাবে অইন বেংক সমূহতকৈ এইবোৰৰ অগ্ৰগতি লেহেমীয়া।

খ) আঞ্চলিক গ্ৰামীণ বেংক সমূহে সাধাৰণতে ক্ষুদ্ৰ, প্ৰান্তীয় কৃষক তথা সমাজৰ দুৰ্বল শ্ৰেণীকহে ঋণৰ সা-সুবিধা আগবঢ়ায়। সেয়ে তেওঁলোকৰ পুঁজি মুক্তভাৱে বিনিয়োগ কৰাৰ পৰিসৰ সীমিত।



১১.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ পূৰ্বাঞ্চলত বেংক খণ্ডৰ পাৰদৰ্শিতা ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ উত্তৰ পূৰ্বাঞ্চলত বেংক সেৱাই সন্মুখীন হোৱা প্ৰত্যাহ্বান সমূহ কি কি?

প্ৰশ্ন ৩ ঃ উত্তৰ পূৰ্বাঞ্চলত আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ কাম কাজ সুচাৰু ৰূপে চলাই নিয়াৰ সম্ভাৱনা বৰ্ণনা কৰা।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ পূৰ্বাঞ্চলত বেংক খণ্ডৰ সম্ভাৱনীয়তাসমূহ উল্লেখ কৰা।

প্ৰশ্ন ২ ঃ আঞ্চলিক গ্ৰামীণ বেংকৰ ওপৰত এটি চমুটোকা লিখা?

প্ৰশ্ন ৩ ঃ উত্তৰ পূৱ ভাৰতত RRB সমূহৰ পাৰদৰ্শিতাৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

*** ***** ***